বাণী প্রকাশ সোণালী জয়ন্তী প্রকাশন

১৯৪৬ — ১৯৯৬

গৃহভূমি

সন্তোষ কুমার কর্মকার

গৃহভূমি

সন্তোষ কুমাৰ কৰ্মকাৰ

বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড

গুৱাহাটী * পাঠশালা * কলিকাতা

প্ৰকাশক ঃ

অম্বিকাপদ চৌধুৰী

বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড

পাণবজাৰ, গুৱাহাটী - ৭৮১ ০০১

শাখা ঃ

পাঠশালা - ৭৮১ ৩২৫

বৰপেটা

১০ কৈলাস বোস ষ্ট্ৰীট

কলিকাতা - ৭০০ ০০৬

প্ৰথম প্ৰকাশ ঃ

১৯৯৬ চন

বেচ ঃ

চল্লিশ টকা মাথোন

বেটুপাত ঃ

বিষ্ণু তামুলী

ডিজাট, গুৱাহাটী - ৩

ফটো-টাইপ চেটিং ঃ

টাইট্‌লিং লেজাৰ প্ৰিণ্ট

চান্দমাৰী, গুৱাহাটী - ৩

ছপা ঃ

কালাৰ আছাম

৩১ উদ্যোগ পাম

বামুণীমৈদাম, গুৱাহাটী - ৭৮১ ০২১

—কৈশোৰ আৰু যৌৱনৰ
বন্ধু ৰাম আৰু সুদামৰ
হাতত—

আগলতি পাত

* *

কিতাপখন লিখিবলৈ আৰম্ভ কৰোঁতে মোৰ মনত আশংকা এটাৰ সৃষ্টি হৈছিল ইয়াৰ বিষয়বস্তুক লৈ। বিষয়বস্তু অসমীয়া-বঙালীৰ সম্প্ৰদায়গত সংঘাত। লগতে ইয়াত সন্নিবিষ্ট কৰা হৈছে বৰ্তমান অসমত গা কৰি উঠা বিচ্ছিন্নতাবাদী প্ৰৱণতা আৰু সন্ত্ৰাসবাদৰ কথাবোৰ। ভাবিলো, মই নিজে যিহেতু বাংলাভাষী, কিতাপখন প্ৰকাশিত হ'লে হয়তো বহুতৰ ৰোষৰ পাত্ৰ হ'ম। সাহিত্যপ্ৰিয় বন্ধুসকলক কথাটো জনালো। তেওঁলোকে মোক লিখিবলৈ উৎসাহিত কৰিলে। লিখা শেষ হ'ল। সভয়ে পাণ্ডুলিপিখন কেবাজনকো পঢ়িবলৈ দিলো। তেওঁলোকৰ ভিতৰত সু-সাহিত্যিক ইমৰাণ শ্বাহদেৱও আছিল। তেওঁলোকে আশ্বাস দিলে নাই, ভয় কৰিবলগা একো নাই।

কিতাপখনত সম্প্ৰদায়গত সংঘাতৰ কথাবোৰ স্পষ্টৰূপত উত্থাপন কৰা হৈছে। সমসাময়িক কালৰ জ্বলন্ত সমস্যা কেতবোৰ লৈ পাত্ৰ-পাত্ৰীসকলৰ মাজত বিৰোধ আছে, কিছুক্ষেত্ৰত অলপ-অচৰপ বিশ্লেষণো আছে। কিন্তু সেইবোৰ বিশেষ পটভূমিত বিশেষ চৰিত্ৰৰ জৰিয়তে উত্থাপিত একো একোটা দিশ মাথো। সদাশয় পাঠকসকলে যদি সেইবোৰত সাম্প্ৰতিক অসমৰ দুই-এটা সমস্যাৰ কোনো চিত্ৰ দেখিবলৈ পায় আৰু উপন্যাসখনৰ দুই প্ৰধান চৰিত্ৰ প্ৰবীৰ-পাৰমিতাৰ দৰে জীৱনবাদী দৃষ্টিভংগীৰে সেইবোৰ সমাধানৰ বাবে সামান্যতম অনুপ্ৰেণাও লাভ কৰে, তাতেই মোৰ শ্ৰম সাৰ্থক হব।

কিতাপখন যুগুতাই উলিওৱাত বাক্যগাঁথনি আৰু শব্দৰ ভুলবোৰ সংশোধন কৰিলে ড° আন্না চেতিয়া আৰু ফাতেহুল মান্নাদেৱে। অসমৰ বিশিষ্ট প্ৰকাশন গোষ্ঠী বাণী প্ৰকাশৰ লগত যোগাযোগত সহায় কৰিলে শিৱসাগৰৰ দেৱজিৎ গগৈয়ে। বানান শুদ্ধ আৰু কিছুক্ষেত্ৰত সম্পাদনাত সহায় কৰিলে গুৱাহাটীৰ প্ৰতিশ্ৰুতিবান ডেকা কিশোৰ শৰ্মাই। বাণী প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীযুত অম্বিকাপদ চৌধুৰীদেৱৰ আন্তৰিক আগ্ৰহ আৰু তৎপৰতাৰ বাবেই কিতাপখন সোনকালে প্ৰকাশ হৈ ওলাল। এখেতসকল আটাইকেইগৰাকীলৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

সন্তোষ কুমাৰ কৰ্মকাৰ

৩০।৯।৯৬ ইং   শিৱসাগৰ

এক

"আজি এটা ক্লাচো নকৰিলা! তাৰমানে এতিয়াহে আহিলা।"

"এয়া, আহি আছো।"

"মেচৰপৰা নে?"

পাৰমিতাৰ পিনে চাই হুমুনিয়াহ এটা কাঢ়ি প্ৰবীৰে ক'লে, "নহয়, পাণ বজাৰৰপৰা। ইণ্টাৰ-ভিউ এটা আছিল।

"ইণ্টাৰ-ভিউ! তুমি ইণ্টাৰ-ভিউ দি আহিলা!"

"অ'। আজি অ'ৰেল আছিল।"

"চাকৰিৰ চেষ্টা কৰি আছা! অথচ তুমি মোক জনোৱা নাই!"

ব্যথিত হাঁহিৰে প্ৰবীৰে ক'লে, "কথাটো তোমাক ক'বলৈ বেয়া লাগিছিল, মিতা।"

"কিন্তু আজি কিয় ক'বলগীয়া হ'ল?"

"তোমাৰ আগত মিছা মাতিব নোৱাৰো বুলিয়ে এতিয়া ক'বলগীয়া হ'ল। যিহওক, গালি নাপাৰিবা। মোৰ বিষয়ে তুমিতো জানাই।"

প্ৰবীৰৰ মাতত বিষণ্ণতা। পাৰমিতাৰ বেয়া লাগিল। তথাপি তাইৰ মনত ক্ষোভ। অলপ খঙো।

গুৱাহাটী বিশ্ববিদ্যালয়। আলিয়েদি ছাত্ৰ-ছাত্ৰীসকলৰ অহা যোৱা সকলো সুবেশ। যৌৱনোদীপ্ত। অসমৰ বিভিন্ন মহাবিদ্যালয়ৰপৰা উত্তীৰ্ণ হৈ অহা স্নাতকসকলে বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগত নাম লগাই সোণোৱালী জীৱন গঢ়াৰ কামত যত্নশীল। উচ্চ শিক্ষা গ্ৰহণৰ এই পৰ্যায়টো ছাত্ৰ ছাত্ৰীসকলৰ বাবে বৈচিত্ৰময়। বিশ্ববিদ্যালয় হ'ল বিশ্বৰ জ্ঞান আৰু জীৱনৰ অভিজ্ঞতাৰে সমৃদ্ধ মহান এক অনুষ্ঠান। বিদ্যায়তনিক শিক্ষাৰ লগতে ইয়াতেই মনৰ মানুহৰ সৈতে বহুতৰ জীৱনৰ বুনিয়াদো ৰচিত হয়। কিন্তু স্নাতক পৰীক্ষাৰ পৰিসংখ্যা বিজ্ঞানত প্ৰথম শ্ৰেণীৰ প্ৰথম হোৱা ছাত্ৰ প্ৰবীৰ সেনে বিশ্ববিদ্যালয়ত নাম লগোৱাৰ প্ৰথম বছৰতে চাকৰি ল'বলৈ ওলাইছে। চাকৰিত সোমাই লৈ সি পঢ়া-শুনা বাদ দিব খুজিছে নেকি?

"কি হ'ল, নিমাত হৈ ৰ'লা যে! অ', তুমি বেয়া পালা।" এইবাৰ হাঁহি হাঁহি প্ৰবীৰে ক'লে, "মই জানো, তুমি বেয়া পাবা। বেয়া পাবা বুলি অনুমান কৰিয়ে ইমানদিন চাকৰিৰ কথাটো তোমাক কোৱা নাছিলো।"

"হৈছে হৈছে— মনে মনে থাকা।" প্ৰবীৰৰ ফালৰপৰা মুখখন ঘূৰাই আনি পাৰমিতাই ক'লে, "তুমি মোক নামাতিবা।"

এইটো পাৰমিতাৰ অভিমান। অভিমান ক্ষুব্ধ পাৰমিতাৰ আৰক্তিম মুখখনলৈ চাই প্ৰবীৰৰ ভাল লাগে। কালিৰেপৰা আজি ইণ্টাৰ-ভিউ দিয়ালৈকে মনটোত টনা-আজোৰা এটা চলি আছিল। ইণ্টাৰ-ভিউ ভাল হ'ল। চাকৰিটো পোৱাৰ সম্ভাৱনা উজ্জ্বল। তদুপৰি বাচৰপৰা নামিয়েই পাৰমিতাক লগ পালে। প্ৰবীৰৰ এতিয়া সঁচাকৈয়ে ভাল লাগিছে।

"বাৰু, এতিয়া ক্লাছ আছে নে কেন্‌চেল হ'ল?"

পাৰমিতাই নামাতিলে।

প্ৰবীৰে তেতিয়া হাত যোৰ কৰি ক'লে, "ওহো মেডাম, চাকৰিৰ বাবে চেষ্টা কৰাৰ বিষয়টো যথাসময়ত আপোনাক নোকোৱাটো অন্যায় হৈছে। অনুগ্ৰহ কৰি মোক মাফ কৰি দিয়ক।"

"মাফ কৰিম! মই তোমাক মাফ কৰিবলৈ কোন?"

"তুমি মোৰ অথৰিটি।"

"অথৰিটি! ই, এতিয়া মোক অথৰিটি বুলিবলৈ আহিছে!"

প্ৰবীৰে হাঁহি দিলে। তাৰপাছত ক'লে, "ব'লা— কেণ্টিনলৈ ব'লা। কিবা এটা খাওঁগৈ।"

পাৰমিতাৰ খং-অভিমান খন্তেকীয়া। কেণ্টিনলৈ যোৱাত তাই আপত্তি নকৰিলে।

দুয়ো একেলগে কেণ্টিনলৈ খোজ ল'লে।

"আজিৰ দিনটো মোৰ বাবে অশুভ। ৰাতিপুৱাৰেপৰা এটা কথাও মই বিচৰা ধৰণেৰে নহ'ল। ইউনিভাৰচিটিলৈ আহি তোমাক নাপাই ৰাতিপুৱাই বেয়া লাগি গ'ল।" পাৰমিতাই কৈ গ'ল, "কিয় নাহিলা, তোমাৰ কি হ'ল সেই চিন্তাত পাছৰ ক্লাছকেইটা ভালকৈ কৰিব নোৱাৰিলোঁ। ক্লাছলৈ নাহি কেতিয়াবা লাইব্ৰেৰীত থাকা। লাইব্ৰেৰীলৈ গ'লো। নাই— ৰিডিং ৰুমত মহাশয়ক দেখা নগ'ল। তাৰপাছত জেনেৰেল কেণ্টিনলৈ গৈ চালো— তাতো নাই। কতো তোমাক নেদেখি ইমানেই বেয়া লাগি আছিল যে মই এতিয়া ঘৰলৈ যাবলৈ ওলাইছিলো।"

পাৰমিতাৰ এই আকুলতা স্বৰ্গীয় পৱিত্ৰতাৰে ঐশ্বৰ্যময়। নিতৌ ৰাতিপুৱা বিশ্ববিদ্যালয়ৰ চৌহদত ভৰি দিয়েই দুয়ো লগ হয়। বাচষ্টেণ্ডৰপৰা একেলগে ডিপাৰ্টমেণ্টলৈ যোৱাৰ পথত বিগত দিনটোত ঘটা ঘটনা কিছুমানৰ বিৱৰণ দিয়া, শ্ৰেণী কোঠাত দুয়ো একেলগে বহা, প্ৰেক্‌টিকেল ক্লাছত একেটা এক্সপেৰিমেণ্ট কৰা, অফ পিৰিয়ডত একেলগে ফুৰা, লাইব্ৰেৰীলৈ যোৱা ... সিহঁতৰ সম্পৰ্কটো ইমানেই গভীৰ যে ইজনে সিজনৰ অনুপস্থিতি অনুভৱ কৰিবই। কিন্তু কিছুদিন ধৰি প্ৰবীৰে উপলব্ধি কৰিছে যে এইটো সম্পৰ্কক আৰু আগবাঢ়িবলৈ দিব নোৱাৰি। সিহঁতৰ সম্পৰ্কটোৰ বৰ্তমান আছে; ভৱিষ্যৎ নাই। প্ৰবীৰৰ বাবে এই উপলব্ধি হৃদয়-বিদাৰক। অথচ সি নিৰুপায়। এই বিষয়ে সি পাৰমিতাক জনোৱা নাই। পাৰমিতাক জনাবলৈ যিখিনি মানসিক দৃঢ়তা লাগে, সেইখিনি প্ৰবীৰে গোটাব নোৱাৰে। পৰা নাই।

"মিতা—।" গহীন কিন্তু অনুৰাগ মিহলি মাতেৰে প্ৰবীৰে ক'লে, "মোক তুমি ইমানকৈ মৰম কৰা— মোৰ হ'লে ভয় লাগে।"

"ভয় লাগে!" থিতাতে বৈ পাৰমিতাই প্ৰবীৰৰ পিনে চালে। তাইৰ মুখখনত দুপৰীয়াৰ তেজোদীপ্ত বেলিৰ কিৰণ। অবাক হৈ তাই সুধিলে, "কিহৰ ভয়?"

প্ৰবীৰ স্থবিৰ। বেলিৰ কিৰণেৰে সেন্দুৰীয়া হৈ উঠা পাৰমিতাৰ অনুপম মুখখনৰ ওপৰত তাৰ দৃষ্টি স্থিৰ।

"ইউনিভাৰচিটিৰ ষ্টাৰ হৈ তুমি মোৰ মৰম-ভালপোৱালৈ ভয় কৰিছা!"

পাৰমিতাৰ গভীৰ চকুযুৰিলৈ চাই প্ৰবীৰে ক'লে, "ভয় তোমাৰ মৰম-ভালপোৱালৈ নহয়। ভয়টো মোৰ নিজক লৈ।"

"নিজক লৈ ভয়!"

"অ', মিতা।" প্ৰবীৰৰ সৰল স্বীকাৰোক্তি, "যিমানে তোমাৰ মৰম-ভালপোৱা পাইছো— সিমানেই মোৰ ভয় বাঢ়িছে।"

"এইবোৰ তুমি কি কৈছা?"

আকৌ পাৰমিতাৰ পিনে চাই প্ৰবীৰে ক'লে, "মোৰ ভয় হয়, মই চাগে তোমাৰ মৰম-ভালপোৱাক মৰ্যাদা দিব নোৱাৰিম।"

পাৰমিতাৰ দুচকু সজল। ওঁঠ দুটা কঁপিছে, "নাই নাই। সেইটো নহয়। কেতিয়াও নহয়।"

দুয়ো কিছুসময় মৌন। কাৰো মুখৰফালে চাই ধৰিব নোৱাৰি তেওঁলোকৰ অন্তৰত কিহৰ হেন্দোলনি। নিৰৱতা ভংগ কৰি অৱশেষত পাৰমিতাই সুধিলে—

"কিহৰ ইন্টাৰ-ভিউ দিলা?"

"বেংকৰ।"

"কি প'ষ্ট?"

"ক্লাৰ্কৰ।"

"গুৱাহাটী বিশ্ববিদ্যালয়ৰ ষ্টাৰ প্ৰবীৰ সেনে কেৰাণীৰ চাকৰি কৰিব!" যেন আশ্চৰ্যত ফাটি পৰিব পাৰমিতা।

সীমাহীন গ্লানিৰে প্ৰবীৰৰ মুখখন ক'লা পৰিল।

গ্ৰন্থাগাৰৰ পশ্চিমফালে চায়েন্স কেণ্টিন। এইখন কেণ্টিনত ভিৰ কম। চুকৰ টেবুলখনত সিহঁত দুয়ো সমুখা-সমুখি হৈ বহিছে। প্ৰবীৰৰ অণ্ঠ-কণ্ঠ শুকাই আছিল। বহিয়েই ঠাণ্ডা পানী এগিলাচ খালে। কেণ্টিন বা ৰেস্তোঁৰাত বহি কি খোৱা হ'ব, সেই বিষয়ে পাৰমিতাই থিৰাং কৰে। এতিয়াও তাৰ ব্যতিক্ৰম নহ'ল।

"তেনেকৈ নক'বা, মিতা।" প্ৰবীৰে ক'লে, "চাকৰি এটা পোৱাটো আজিকালি খুবেই টান। বহুত ফাৰ্ষ্টক্লাছ পোৱা ল'ৰাই বেংকৰ ক্লাৰ্ক, কেচিয়াৰৰ চাকৰি লৈছে।"

"সেইবুলি তুমিও কেৰাণী হ'বানে?" পাৰমিতাৰ চকুত একেই বিস্ময়।

"মোক এতিয়া চাকৰি এটা লাগেই। তুমি জানা, মই ঘৰৰ ডাঙৰ ল'ৰা। মোৰ তলত তিনিজন ভাই-ভনী। সিহঁতৰ পঢ়া-শুনাৰ খৰছ যোগাব লাগে। মোক মাহিলি ছয়-সাত শকৈ দিব লাগে। স্কুলৰ মাষ্টাৰি কৰি দেউতাই কিমান কৰিব? মাৰো বেমাৰ। এনিমিয়াই পাইছে। আমাৰ বাবে ইমানখিনি কৰি মাৰ দৰৱ-পাতি কিনিবৰ উপায় নাথাকেই। এনে এটা পৰিস্থিতিত, ইয়াত— এই গুৱাহাটীত আৰু ডেৰ বছৰ পি জি কৰ্ছ চলাই নিয়া সম্ভৱ নহয়।"

"ঘৰৰপৰাই তোমাক চাকৰি ল'বলৈ ক'লে নেকি?"

"নাই কোৱা। চাকৰি লোৱাৰ কথাটো ময়ে থিৰাং কৰিলো।"

"ইফালে পি জি কৰ্ছ?" পাৰমিতাৰ প্ৰশ্ন।

"চলাব লাগিব।"

"তাৰ মানে পঢ়া-শুনাটো তোমাৰ এতিয়া চেকেন্‌দাৰী।"

"পৰিস্থিতিৰ বাবে সেইটোৱেই হ'বগৈ যেন পাইছো।" প্ৰবীৰৰ মাতটো গধুৰ, "কথাটো যদি অকল মোক লৈ হ'লহেঁতেন, কিবা এটা কৰি কৰ্ছটো কমপ্লিট কৰিলোহেঁতেন। কিন্তু ঘৰৰ যেনে অৱস্থা দেউতালৈ সহায় আগবঢ়োৱা দৰকাৰ। ইফালে চাকৰি লোৱাৰ যোগ্যতা যিহেতু হৈছে— এইখিনি কৰাটো উচিত বুলিয়ে ভাবিছো। তোমাক মই আগেয়েই কৈছিলো, তদানীন্তন ইষ্ট-পাকিস্তানৰপৰা অসমলৈ আহি দেউতাই স্কুলৰ মাষ্টৰ চাকৰিটো পাইছিল। সেই সময়ত আমাৰ সা-সম্পত্তি একো নাছিল। এতিয়াও নাই।"

"চাকৰি লোৱাৰ সিদ্ধান্তটো লওঁতে তুমি তেনেহ'লে মোৰ কথা নাভাবিলাই।"

"ভাবিছো। তোমাৰ কথাকে ভাবি থাকো। বেছিকৈ ভাবো বুলি ক'ব নোৱাৰো। আচলতে, এইবোৰ ভাবি হতাশ হওঁ। নিজকে অক্ষম যেন লাগে।"

"আকৌ সেই একেবোৰ কথা! তোমাৰ আজি কি হৈছে কোৱাচোন?"

পাৰমিতা আবেগিক হৈ উঠিছিল। তেতিয়াই অমলেট তৈয়াৰ হৈছে বুলি কিচেন-কাউণ্টাৰৰ ল'ৰাটোৱে হাত দাঙি সিহঁতক মাতিলে। প্ৰবীৰে উঠি খোৱা বস্তু যতনাই দিয়া প্লেট দুখন লৈ আহিল।

দুয়োৰে মনত ভাবাবেগৰ তৰংগ। দুয়োৰে মনত এনেকুৱা এটা আশংকা যেন জীৱনৰ আটাইতকৈ মূল্যবান কিবা এটা হেৰুৱাবলৈ লৈছে। মন অস্থিৰ-অশান্ত হৈ পৰাৰ বাবেই ভোক থকা সত্ত্বেও কোনেও তৃপ্তিৰে খাব নোৱাৰিলে।

বহুত পৰলৈকে মাত-বোল নহ'ল। প্ৰায় নিঃশব্দে অমলেট-ব্ৰেড খাই দুয়ো কেণ্টিনৰপৰা ওলাই আহিল।

লাইব্ৰেৰীৰ গেট পাৰ হৈ ৰাস্তাত ভৰি দিওঁতেই দেখিলে, ৰাজীৱ সেইফাললৈকে আহি আছে। ৰাজীৱক দেখিয়ে অজান এক আশংকাৰে প্ৰবীৰৰ মনটো গধুৰ হৈ উঠিল। প্ৰবীৰে তাক এৰায় চলে। নোৱাৰাতহে ৰাজীৱৰ লগত মাত-বোল কৰে। এতিয়া লগত পাৰমিতা আছে। তাক এৰাৰ উপায় নাই।

ৰাজীৱ ফুকন বিশ্ববিদ্যালয়ৰ ছাত্ৰ নহয়। প্ৰাগজ্যোতিষ কলেজৰ স্নাতক মহলাৰ ছাত্ৰ। তথাপি প্ৰায়ে সি বিশ্ববিদ্যালয়লৈ আহে। ৰাজীৱ এটা বিপ্লৱী সংগঠনৰ এৰ্জন সক্ৰিয় সদস্য। ওখ। সুন্দৰ স্বাস্থ্য। মুখত কিচকিচীয়া ক'লা দাড়ি। চকুত ক'লা গগলচ্।

"হেল্ল' প্ৰবীৰদা, কি খবৰ?"

ৰাজীৱ ফুকন পাৰমিতাৰ ভায়েক দিগন্তৰ বন্ধু। পাৰমিতাক সি বাইদেউ বুলি

মাতে। সেই হিচাপে ৰাজীৱে প্ৰবীৰক “প্ৰবীৰদা” বুলি সম্বোধন কৰে।

প্ৰবীৰে অমায়িক হ'বলৈ চেষ্টা কৰিলে। নোৱাৰিলে। আগৰেপৰাই ছাত্ৰ নেতা-সকলৰ লগত তাৰ সম্পৰ্ক নাই। বিপ্লৱী সংগঠনৰ সদস্যসকলৰ লগত কথা পাতিবলৈ সি অলপ ভয় কৰে। যি কি নহওক লাগে, ভেটা-ভেটি হ'ল যেতিয়া ভদ্ৰতা-শিষ্টাচাৰৰ কথা এটা আছে। ৰাজীৱৰ পিনে চাই প্ৰবীৰে মিচিকিয়াই হাঁহি ক'লে, “ভালেই। তোমাৰ ভাল নে?”

“এনেই ভাল। কিন্তু ব্যস্ত। জানেই নহয়, আমাৰ অকল পঢ়া-শুনা লৈ থাকিলে নহয়। সংগঠনৰ সদস্য সংখ্যা বাঢ়িছে। কামো বাঢ়িছে। বাৰু, আপুনি খন্তেক ৰ'বচোন। বাইদেউৰ লগত কথা এটা পাতি লওঁ।”

কথাষাৰ কৈ, ৰাজীৱে পাৰমিতাক ওচৰৰ গছজোপাৰ ছাঁলৈ লৈ গ'ল। পাৰমিতাৰ লগত সি ফুচফুচাই কথা পাতিবলৈ ধৰিলে।

পাৰমিতাৰ ভায়েক দিগন্তও আজিকালি ছাত্ৰনেতা। ছাত্ৰ সংগঠন নাইবা আন্দোলন-সম্পৰ্কীয় কোনো কথা দিগন্তক জনাবলৈ ৰাজীৱে পাৰমিতাক কিবা কিবি ক'লে। আগতেও কয়। প্ৰবীৰে অনুভৱ কৰিলে, সি এজন বাংলাভাষী ছাত্ৰ বুলি ৰাজীৱহঁতে তাক বিশ্বাসত নলয়। প্ৰবীৰ ৰাজীৱহঁতৰ মানুহ নহয়! পাৰমিতাৰ সৈতে তাৰ ইমান দিনৰ সম্পৰ্ক তথাপি সি সিহঁতৰ আস্থাভাজন হ'ব পৰা নাই।

মাক-দেউতাক পূব-পাকিস্তানৰপৰা আহিলেও প্ৰবীৰৰ জন্ম এই অসমতে। অসমৰ জলবায়ুতে সি ডাঙৰ-দীঘল হ'ল। ৰাজীৱ-দিগন্তই অসমৰ সন্তান বুলি কৈ গৰ্ব কৰে। অসমৰ উন্নতি-বিকাশৰ বাবে সিহঁতেও আন্দোলন কৰে। অথচ প্ৰবীৰে সেইবোৰ আন্দোলনত যোগ দিব নোৱাৰে। আন্দোলনৰ প্ৰসংগ লৈ ৰাজীৱ-দিগন্তহঁতে তাৰ লগত এনেকুৱা আচৰণ কৰে যেন অসমৰ ভাল-বেয়ালৈ চিন্তা কৰাৰ অধিকাৰ তাৰ নাই। এইটোৱে প্ৰবীৰক ব্যথিত কৰে। বিচ্ছিন্নতাৰ যন্ত্ৰণাত সি কষ্ট পায়।

কথা শেষ কৰি “প্ৰবীৰ দা আহো” বুলি মাতষাৰ দি ৰাজীৱে বিদায় ল'লে।

পাৰমিতা প্ৰবীৰৰ কাষ চাপি আহিল।

ফুটপাথেদি দুয়ো আগবাঢ়িল বাচষ্টেণ্ডলৈ।

ৰাজীৱৰ সৈতে পাৰমিতাৰ কি কথা হ'ল, প্ৰবীৰৰ জানিবৰ মন। তথাপি সেই বিষয়ে সি নুসুধিলে। পাৰমিতায়ো ৰাজীৱৰ বিষয়ে একো নক'লে। অৱশ্যে ৰাজীৱে কোৱা কথাবোৰ তাই ভাবি থকা নাই। প্ৰবীৰৰ চিন্তাতহে মনটো তাইৰ উগুল-থুগুল।

"তিনি বাজিলেই।" প্ৰবীৰে ক'লে, "এতিয়া আকৌ ডিপাৰ্টমেণ্টলৈ যাবা নেকি?"

"নাযাও। ক্লাছ কৰিবলৈ মন যোৱা নাই। আজি তুমি মোৰ সকলো খেলি-মেলি লগাই দিলা।"

প্ৰবীৰে অসহায়ভাৱে ওপৰৰ ফালে চালে। আকাশখন বহুত ওপৰত। আকাশৰ ক'তো ডাৱৰ এচপৰা নাই।

"প্ৰবীৰ, মই জানো তোমাক ভালপোৱা নাই?"

প্ৰবীৰ বৈ দিব লগীয়া হ'ল। পাৰমিতাৰ পিনে চালে। স্থিৰ কাতৰ দৃষ্টি। তাৰ পাছত ফুটপাথৰপৰা নামি কাষৰ গছজোপাৰ ছাঁলৈ আহি সুধিলে, "হঠাৎ এইটো প্ৰশ্ন সুধিলা যে?"

"তুমিয়ে মোক এইদৰে সুধিবলৈ বাধ্য কৰালা।"

"আমাৰ ক্ষেত্ৰত এতিয়া আৰু এইটো এটা প্ৰশ্ন হৈ থকা নাই।"

"তেনেহ'লে ইমান দিনৰ মূৰত মোৰ মৰম-ভালপোৱাক তুমি মূল্য দিব পৰা-নোৱাৰাৰ প্ৰশ্ন উঠিল কিয়?"

"চোৱা মিতা, তোমাৰ লগত মোৰ সম্পৰ্ক গঢ়ি উঠাৰ পাছত মোৰ সন্মুখত জীৱনৰ যিটো ৰূপ ভাহি উঠিছিল, তেতিয়াৰ চেতনা-বোধেৰে জীৱনটোক যেনেকৈ গঢ় দিম বুলি ভাবিছিলো— আজিৰ এইটো পৰিস্থিতিত সেই ৰূপটোক মই ধৰি ৰাখিব পৰা নাই।"

"তাৰ বাবে তোমালোকৰ ঘৰখনৰ অৱস্থাকে বাধা বুলি ভাবিছা নেকি?" পাৰমিতাই অসহায়ৰ দৰে ক'লে।

"অকল আমাৰ ঘৰখনৰ অৱস্থাই নহয়। মই এতিয়া বুজিব পাৰিছো, তোমাক নিজৰ বুলি দাবী কৰিবলৈ হ'লে যিখিনি থাকিব লাগে— তাৰ বহুতখিনিয়েই মোৰ নাই।"

"তাৰ মানে?" প্ৰবীৰৰ মুখখন মলিন।

"কি হ'ল?" অস্থিৰ উৎকণ্ঠাৰে পাৰমিতাই সুধিলে, "আচলতে তোমাৰ কি হৈছে— কথাবোৰ ভাঙি-পাতি বুজাই কোৱা নাই কেলৈ?"

প্ৰবীৰৰ দুচকুৰ ভাষা কৰুণ। খন্তেকৰ বাবে বৈ লাহে লাহে কৈ গ'ল, "ইয়াত তোমাৰ এখন সমাজ আছে। কিন্তু মোৰ বাবে এতিয়াও তেনে এখন সমাজ গঢ় লৈ উঠা নাই। অসমত তোমালোকৰ এটা ঐতিহ্য-সংস্কৃতি আছে। অথচ জীয়াই থকাৰ সংগ্ৰামত আমি এতিয়াও ইমানেই ব্যস্ত যে ভাবা-সাহিত্য, শিল্প-সংস্কৃতিলৈ ভাবিবই পৰা নাই। অসমখন তোমালোকৰ দেশ। অসমৰ উন্নতিৰ বাবে তোমালোকে সংগ্ৰাম কৰিছা। আমি সেই সংগ্ৰামত যোগ দিব পৰা নাই।

অৰ্থাৎ, আমি যেন এতিয়াও অসমৰ মাটিৰ লগত, অসমীয়া মানুহৰ লগত একাত্ম হ'ব পৰা নাই। এই চিন্তাবোৰে মোক কষ্ট দিয়ে। এইবোৰ ভাবিলে মোৰ এনে এটা আশংকা হয় যেন ইয়াত আমাৰ অস্তিত্ব এতিয়াও সুনিশ্চিত হোৱা নাই।"

"প্ৰবীৰ, এইবোৰ কথাও তুমি ভাবানে? এনে কথাতো তুমি মোক কাহানিও কোৱা নাই।"

আগৰদৰেই যন্ত্ৰণামিহলি মাতেৰে প্ৰবীৰে ক'লে, "কোৱা নাই মানে ক'বলৈ সাহস কৰা নাই।"

"সাহস কৰা নাই! তুমি তেনেহ'লে মোক ভয় কৰা?"

"তোমাক ভয় কৰা নুবুজায়। কথাবোৰ নিষ্ঠুৰ বাস্তৱ। এইবোৰ শুনি তোমাৰ বেয়া লাগিব। তুমি ব্যথিত হ'বা। আমাৰ লগ হোৱাৰ মুহূৰ্তবোৰ বেদনাদায়ক হৈ পৰিব বুলি ভাবি তোমাক ইমানদিন কোৱা নাছিলো। ভয় কৰি নহয়।"

এইবাৰ পাৰমিতা নিমাত। চিন্তিত।

"ষাঠিৰ ভাষা আন্দোলনৰ ইতিহাস মই অলপ জানো। স্কুলত পঢ়াকালত গঢ় লৈ উঠা বিদেশী বিতাড়ণ আন্দোলন দেখিলো। এতিয়া দেখিবলৈ পাইছো, বিপ্লৱী সংগঠনটোৰ উগ্ৰবাদী তৎপৰতা। মই কোনো আন্দোলনত জড়িত হোৱা নাই। কোনেও মোক এইবোৰ আন্দোলনত জড়িত হ'বলৈ কোৱা নাই।"

"কিন্তু এইবোৰৰ লগত তুমি তোমাৰ-মোৰ সম্পৰ্কটোক সাঙুৰি লৈছা কিয়?" ৰমিতাই অস্থিৰভাৱে ক'লে।

"সাধাৰণভাৱে আমাৰ সম্পৰ্কটোৰ লগত সেইবোৰৰ কোনো সম্পৰ্ক নাই যেনেই লাগে। কিন্তু তুমি জানো তোমাৰ সমাজখনৰপৰা বেলেগ হ'ব পাৰিবা?" প্ৰবীৰৰ পোনপটীয়া প্ৰশ্ন।

"নোৱাৰো। আৰু এই একেটা কথা তোমাৰ ক্ষেত্ৰতো খাটিব। তুমিও বেলেগ সম্প্ৰদায়ৰ ল'ৰা। আমি ইজনে সিজনক ভাল পাবলৈ গৈ আমাৰ মনত এনেকুৱা সাম্প্ৰদায়িক কোনো চেতনা সোমোৱা নাছিল। ইমানদিনৰ পাছত আজি তোমাৰ মনত কিয় এইবোৰ প্ৰশ্ন উদয় হ'ল? এইবোৰৰ বাবেই তুমি এতিয়া মোৰ মৰম-ভালপোৱাক স্বীকাৰ কৰিবলৈ টান পাইছা নেকি?"

"নাই পোৱা। মই তোমাক ভালপাওঁ। ময়ো তোমাক আপোন হিচাপে পাবলৈ বিচাৰো। কিন্তু তুমি যে মোৰ— এইটো দাবী কৰাৰ সাহস মোৰ নাই।"

পাৰমিতাৰ মুখখন শেঁতা পৰিল। প্ৰবীৰক অচিনাকি যেন লাগিল। ইমানদিন সি অতবোৰ কথা লুকুৱাই ৰাখিছিল। তাইৰ বেয়া লাগিল। প্ৰবীৰৰ ওপৰত খং উঠিল। সেইবুলি প্ৰবীৰলৈ তাইৰ মৰম-ভালপোৱা অকণো নকমিল।

দুই

অপৰিসীম ক্লান্তি আৰু হতাশা লৈ পাৰমিতা ঘৰলৈ আহিল। একেখন বাচেৰে আহিলেও প্ৰবীৰৰ লগত এটা কথাও আৰু নহ'ল। মালিগাওঁ চাৰি-আলিত বাচখন ৰোৱাত প্ৰবীৰে তাইক মাত লগাই গুচি গ'ল। আনদিনাৰ দৰে বিদায়-মুহূৰ্তত পাৰমিতাৰ আবেগ প্ৰকাশ নাপালে। কিন্তু প্ৰবীৰ দৃষ্টিৰ আঁৰ হোৱাৰ লগে লগে দুখ-বেদনাৰে তাইৰ অন্তৰখন ভাঙি পৰিল।

সিহঁতৰ বন্ধুত্ব কটন কলেজত নাম লগোৱাৰপৰা। প্ৰবীৰ স্বাস্থ্যৱান যুবক। শ্যামল গাৰ বৰণ। বুদ্ধিদীপ্ত চকু। সাধাৰণ সাজ-পোচাক। আচাৰ-ব্যৱহাৰ শিষ্টতাপূৰ্ণ। মাধ্যমিকত চতুৰ্থ, উচ্চতৰ মাধ্যমিকত অষ্টম স্থান অধিকাৰ কৰা প্ৰবীৰৰ প্ৰতি তাই প্ৰথমৰপৰাই আকৃষ্ট হৈছিল। কিবা এটা বুজি নাপালে তাৰ কাষ চাপিছিল। প্ৰবীৰে তাইক উদাৰভাৱে সহায় কৰিছিল।

প্ৰবীৰ বাংলা ভাষী। কিন্তু বাংলা সাহিত্যৰ বঙ্কিম, ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰৰ কথা কৈ সি উচাত্মিকা ভাব প্ৰকাশ নকৰে। প্ৰবীৰে অসমীয়া সাহিত্যও পঢ়ে। অসমীয়া চিনেমা থিয়েটাৰ চায়ও ভাল পায়।

লাহে লাহে দুয়ো অন্তৰংগ হৈ উঠিল। দুবছৰৰ ভিতৰত সম্পৰ্কটো ইমানেই নিবিড় হ'ল যে ইজন-সিজনৰ পৰিপূৰক হৈ পৰিল। তাৰ পাছত কোনো এক বিশেষ মুহূৰ্তত উপলব্ধি কৰিলে যে ইজনে সিজনক ভাল পায়। দিনবোৰ ব্যঞ্জনাময় হৈ উঠিল। জীৱন হৈ পৰিল অৰ্থবহ। শেষত সিহঁতে পৰিকল্পনা কৰিলে, স্নাতকোত্তৰ পাঠ্যক্ৰম শেষ কৰি চাকৰি ল'ব। চাকৰি কৰি দুয়ো সংসাৰ পাতিব। অথচ আজি প্ৰবীৰে এইবোৰ ক'লে!

প্ৰবীৰহঁতৰ ঘৰৰ অৱস্থা যে ভাল নহয়, পাৰমিতাই জানে। স্নাতকোত্তৰ পাঠ্যক্ৰম সম্পূৰ্ণ নকৰাকৈয়ে চাকৰি কৰিবলৈ ওলাইছে, তাৰো যুক্তিযুক্ততা তাই নুবুজাকৈ থকা নাই। তথাপি প্ৰবীৰৰ ওপৰত তাইৰ খং উঠিল। চাকৰি কৰাৰ সপক্ষে

যুক্তি দাঙি ধৰাৰ উপৰিও সি আৰু কিছুমান কথা ক'লে! দেশ সমাজ, সাম্প্রদায়িক চেতনা, জীৱনৰ সুস্থিৰতা ... এইবোৰ সাধাৰণ কথা নহয়।

'কিবা কাৰণে প্ৰবীৰে মোক বেয়া পালে নেকি? বেয়া পাই মোৰপৰা নিজকে আঁতৰাই লৈ যোৱাৰ বাবেই সি চাগৈ এইবোৰ ক'লে। কিন্তু কিয় মোক বেয়া পাব? মইতো কোনো অন্যায় কৰা নাই। তাৰ আত্মসন্মানত আঘাত কৰিও কোনো কথা কোৱা নাই। নে বেলেগ কিবা হ'ল? ... এইবোৰ প্ৰশ্নেৰে থকা-সৰকা হৈ কোমল হৃদয়া পাৰমিতাই নিজকে আৰু চম্ভালিব নোৱাৰিলে। নিজৰ কোঠাত সোমাই বিছনাত উবুৰি খাই পৰি কান্দিবলৈ ধৰিলে।

ঘৰত এতিয়া বনকৰা ছোৱালী চাৰু আৰু পাৰমিতাৰ মাক অনিমা দেৱীৰ বাহিৰে কোনো নাই। মুখখন ক'লা কৰি পাৰমিতা সোমোৱা দেখি চাৰুৱে ভয় খালে। তাই দৌৰি ভিতৰৰ শোৱনি কোঠা পালেগৈ। বিছনাত বাগৰি অনিমাদেৱীয়ে আলোচনী এখন পঢ়ি আছিল। চাৰুৱে ফুচফুচাই পাৰমিতাৰ কথা ক'লে। তৎক্ষণাৎ অনিমাদেৱী পাৰমিতাৰ কোঠালৈ আহিল।

"মিতু, অ' মিতু।" পাৰমিতাক ঘৰৰ মানুহে মিতু বুলি মাতে।

মাকৰ মাত শুনি পাৰমিতা সাৱধান হ'ল। দেউতাকৰ নিচিনাকৈ বিৰোধীতা নকৰিলেও প্ৰবীৰৰ লগত তাইৰ সম্পৰ্কটোক মাকে ভাল চকুৰে নাচায়। কলেজত নাম লগোৱাৰ পাছত মাক বান্ধৱীৰ দৰে হৈ পৰিছিল। মাকৰ লগত সকলো কথা পাতিছিল। প্ৰবীৰৰ কথাও কৈছিল। কিন্তু প্ৰবীৰক লৈ তাইৰ আবেগ-উচ্ছ্বাস যেতিয়া বৃদ্ধি পালে, কলেজত তাই অকল প্ৰবীৰৰ লগতহে থাকে বুলি গম পালে; তেতিয়া তেওঁ দায়িত্বশীল মাক হৈ পাৰমিতাক শাসন কৰিবলৈ ধৰিলে। তাই সাৱধান নহ'ল। দুঃচিন্তা আৰু ভয়ত বিতত হৈ অনিমাদেৱীয়ে অৱশেষত কথাটো গিৰীন বৰুৱাক জনালে। স্বাজাত্যভিমানী আৰু স্বভাৱগম্ভীৰ গিৰীন বৰুৱাই জীয়েকৰ কথাবোৰ শুনি জ্বলি উঠিল। সিদিনাই তেওঁ জনাই দিলে, 'বাংলাদেশী' ল'ৰা এটাৰ লগত মিতুৰ এনেকুৱা সম্পৰ্কক তেওঁ স্বীকাৰ কৰিব নোৱাৰে। তেতিয়াৰপৰাই দেউতাকৰ লগত তাইৰ স্বাভাৱিক সম্পৰ্কটো বিনষ্ট হ'ল। এতিয়া তাই দেউতাকৰ সমুখলৈ নাযায়। কিবা ক'বলৈ হ'লে নাইবা বিশেষ প্ৰয়োজনত মাধ্যম হিচাপে মাকৰ সহায় লয়। গিৰীন বৰুৱা কঠোৰ হ'লেও অনিমাদেৱী তাইৰ মাক। মাতৃত্বৰ কোমলতাৰে জীয়েকৰ অন্তৰৰ দুখ-বেদনা তেওঁ বুজিব পাৰে। 'বাংলাদেশী' হ'লেও প্ৰবীৰৰ যে ভাল কিছুমান গুণ আছে, প্ৰবীৰ যে পাৰমিতাৰ উপকাৰী বন্ধু ... এইবোৰ কথা তেওঁ অস্বীকাৰ নকৰে। তাৰ বাবেই অনিমাদেৱীয়ে তাইক সিমানকৈ শাসন কৰিব নোৱাৰে। স্বামীৰ দৰে গালি-গালাজ পৰাটোও সম্ভৱ নহয়।

"আহিয়েই বিছনাত পৰিলি! কি হ'ল? গাটো বেয়া লাগিছে নেকি?"

পৰি থকা অৱস্থাতে চকুলো মোহাৰি পাৰমিতা উঠি বহিল।

"উৰা, তই দেখোন কান্দিছ!" অবাক হৈ অনিমাদেৱীয়ে সুধিলে, "ইউনিভাৰ-চিটিত কিবা হ'ল যেন পাইছো।"

পাৰমিতাৰ চকু দুটা জ্বলি উঠিল। তাইৰ ক'বলৈ মন গ'ল 'তোমালোকে যিটো বিচৰা সেইটোৱে হৈছে। প্ৰবীৰে এতিয়া মোৰ লগ এৰিব।' কিন্তু নক'লে। আউল বাউল হৈ পৰা চুলিখিনি চিজিল কৰি লৈ বিছনাৰপৰা নামিল।

"মিতু, কি হ'ল তোৰ?" মাকে মৰমেৰে সুধিলে। খঙেৰে পাৰমিতাই ক'লে, "কি হ'ব! একো হোৱা নাই।"

বাথৰুমত সোমাই মুখ-হাত ধোৱাৰ পাছত পাৰমিতাৰ মনটো অলপ ভাল লাগিল। বুকুখনত এতিয়াও দ'ম হৈ আছে যন্ত্ৰণাৰ পাহাৰ। এই যন্ত্ৰণা তাই কেনেকৈ কমাব? নিজৰ কোঠাটোলৈ অহাৰ বাটত আকৌ মাকে মাতিলে। মাকৰ মাতটো মৰমসনা। মাকৰ মাত আওকাণ কৰিব নোৱাৰি তাই ডাইনিং ৰুমত সোমাল। কাম কৰা ছোৱালী চাৰুৱে সলনি টেবুলত মাকে তাইৰ জলপান যতনাই ৰৈ আছে। মাকৰ মমতাভৰা মুখখনলৈ চাই পাৰমিতাৰ যন্ত্ৰণাটো কমিল। মনটোও অলপ সুস্থিৰ হ'ল।

"মা, ককাইদেৱে আজি সোনকালে আহিম বুলি কৈছিল।"

অনিমাদেৱীয়ে ক'লে, "সি আহিলে নহয়।"

"কেতিয়া আহিল?"

"বাৰ বজাৰ আগেয়েই আহিল।"

"অ', মই মনেই কৰা নাই।"

"কেনেকৈ মন কৰিবি? নিজৰ ভিতৰত থাকিলেহে তই ঘৰৰ কথাবোৰ মন কৰিবি।"

মাকৰ খোঁচটো ক'ত বুজিব পাৰিও পাৰমিতাই গাত পাতি নল'লে। কোনোমতে ৰুটি এটুকুৰা মুখত দি গাখীৰ এঢোক খাই ওলাই আহিল।

ককায়েকৰ নাম বিমান বৰুৱা। ঘৰখনৰ বৰপুত্ৰ। গিৰীন বৰুৱাৰ বিপৰীত চৰিত্ৰৰ মানুহ। বহুত কথাত বিমান উদাৰ। যুক্তিবাদী। মানসিক জটিলতা আৰু বিপৰীতমুখী ভাব-চিন্তাৰে জৰ্জৰিত হ'লে তাই ককায়েকৰ দিহা-পৰামৰ্শ লয়। বিমান পাৰমিতাতকৈ চাৰি বছৰৰ ডাঙৰ। সৰুৰেপৰা পঢ়াত চোকা। দিল্লীৰ স্কুল অব ইকনমিক্সৰ এম এ। পাছ কৰি অহাৰ তিনি মাহৰ মূৰত ৰাজ্য চৰকাৰৰ পৰিসংখ্যা বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে নিযুক্তি লাভ কৰিছে। সৰুতে ইটো-

সিটো লৈ প্ৰায়ে ককায়েকৰ লগত কাজিয়া কৰিছিল। বি এ পাছ কৰি এম এ পঢ়িবৰ বাবে বিমান দিল্লীলৈ গুচি গ'ল— মাজৰ তিনি বছৰীয়া ব্যৱধানটোৱে ককায়েক-ভনীয়েকৰ মাজত থকা পূৰ্বৰ সম্পৰ্কটোৰ এটা পৰিৱৰ্তন আনি দিলে। বহুত কথাত সিহঁত এতিয়া বন্ধুৰ নিচিনা।

কোঠালিলৈ সোমাই পাৰমিতাই দেখিলে, ককায়েকে কিতাপ এখন পঢ়ি আছে। উজ্জ্বল গৌৰ গাৰ বৰণ। গোফবিহীন মুখখনত আত্মপ্ৰত্যয়ৰ চানেকি। চকুত চশ্‌মা। পিন্ধনত পাইজামা-কুৰ্তা।

"ককাইদেউ, তই এতিয়া ক'ৰবালৈ যাবি নেকি?"

বিমানে চক্ খাই উঠিল। ভনীয়েকৰ মাতটো গধুৰ। কিতাপখন জপাই বাওঁহাতেৰে চশ্‌মাযোৰ নমাই পাৰমিতাৰ পিনে খন্তেক চাই থাকি ক'লে, "নাই, নাযাওঁ।"

"ব্যস্ত হবলা?"

"কিতাপ পঢ়াত ব্যস্ত বুলিব পাৰ।" বিমানে ক'লে, "কিন্তু কথাবোৰ যে এনেকৈ কৈছ!"

পাৰমিতা বিছনাখনৰ কাষ চাপি আহিল। খাটৰ চুকৰ আঠুৱা তৰা মাৰিডালত ধৰি থিয় হ'ল।

"হুঁ, বুজি পাইছো।" কৌতুক মিহলি হাঁহিৰে বিমানে ক'লে, "চামথিং ৰঙ্ উইথ প্ৰবীৰ। বহ্। বহি লৈ ধীৰে-সুস্থিৰে ক'চোন কি হৈছে?"

পাৰমিতাই প্ৰথমতে একো নক'লে। তাইৰ মনৰ ভাব বুজি ককায়েক বিমানেই তাইৰ ফালে চাই গভীৰ আত্ম প্ৰত্যয়েৰে ক'লে, "যাক ভাল পাওঁ, তেওঁৰ সকলো কথা আমাৰ আগত ভাল হৈ দেখা দিয়ে। ভালপোৱাৰ আবেগ অন্ধ। এই আবেগে নিৰপেক্ষ বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে।"

"তাৰ মানে প্ৰবীৰ সম্পৰ্কে মোৰ বিচাৰ-বিবেচনাবোৰক তই ভুল বুলি ক'ব খুজিছ—।" পাৰমিতাই প্ৰথম মুখ খুলিলে এসাগৰ যুক্তিৰে।

"তেনেকৈ ক'ব নোখোজো। মই মাথো তোক সচেতন কৰি দিছো।"

ইয়াকে কৈ, বিমানে ভনীয়েকক লক্ষ্য কৰিলে। অনিশ্চয়তাত অস্থিৰ পাৰমিতাৰ বাবে তেওঁৰ বেয়া লাগিল।

ওপৰত ফেন চলিছে। বতাহত দুৱাৰ-খিৰিকিৰ পৰ্দাকেইখন দুলি আছে।

খন্তেক পাছত বিমানে ক'লে, "চা মিতু, কলেজ-ইউনিভাৰ্চিটিত বহুত ল'ৰা-ছোৱালী প্ৰেমত পৰে। সকলো সফল নহয়।"

পাৰমিতা নিমাত।

"প্ৰেম আৰু জীৱন — এনেয়ে এই দুটাক বেলেগ কৰিব নোৱাৰি। কিন্তু ছাত্ৰ-

জীৱনৰ প্ৰেম-প্ৰণয়ক জীৱনৰ মূল ধাৰাত মৰ্যাদা দিবলৈ যাওঁতে কেতবোৰ প্ৰাসংগিক কথা আহি পৰে।"

"প্ৰাসংগিক কথা!"

"প্ৰাসংগিক কথা মানে কোনোপধ্যেই উলাই কৰিব নোৱৰা কেতবোৰ বিষয়।" বিমানে ক'লে, "প্ৰেমত সফলতা মানে বিয়া। আৰু বিয়া, বিশেষকৈ আনুষ্ঠানিক বিয়া মানে এহাল ডেকা-গাভৰুৰ মিলনৰ বাবে দুখন ঘৰৰ স্বীকৃতি। এনে স্বীকৃতিৰ মাজেদি সকলোৰে সৈতে থাকিবৰ আন্তৰিক অনুমোদন লোৱা হয়। এইবোৰক জানো অস্বীকাৰ কৰিব পাৰিবি?"

"তাৰমানে দুটা সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীয়ে বিয়া পতাৰ অসুবিধাবোৰৰ কথা কৈছ। কিন্তু অসমীয়া বঙালীৰ মাজত বিয়া-বাৰু হৈয়ে আছে।"

"অসমীয়া বঙালীৰ মাজত বিয়া হোৱাটো বেয়া নহয়।ময়ো বেয়া নাপাওঁ। কথাটো হ'ল, তই যে প্ৰবীৰক ভাল পাৱ— তাক বিয়া কৰাবৰ বাবে পাৰিবাৰিক স্বীকৃতি পোৱাৰ কথা এটা আছে।"

"পাৰিবাৰিক স্বীকৃতি মানে!"

"মানে নিজৰ ঘৰখনৰ আন্তৰিক অনুমোদন। প্ৰবীৰৰ লগত ঘৰ-সংসাৰ পতাৰ কথা ভাবিছ — তাৰ বাবে ঘৰখনৰ অনুমোদন বিচাৰ নে নাই?"

"নিশ্চয় বিচাৰো। কিন্তু তইঁতে মোৰ ইচ্ছা-বাসনাক স্বীকৃতি নিদিয় নহয়।"

বিমান গহীন হৈ পৰিল। বেতৰ চকীখনত গাটো পেলাই হাত দুখন মূৰৰ পাছফালে দি চকু মুদিলে। খন্তেক পাছত চকু মেলি পাৰমিতাৰ বেদনা-বিধুৰ মুখখনলৈ চাই বিমানে ক'লে, "চা মিতু, এইখন ঘৰৰ তই একমাত্ৰ ছোৱালী। ঘৰৰ সকলোৱে তোৰ মংগল কামনা কৰে। দেউতাৰ ওপৰত তই খং কৰ। অভিমান কৰি দেউতাৰ লগত মাত-বোল নকৰ। অভিমান-খঙৰ বশৱৰ্তী হৈ দেউতাৰ মনটো বুজিবলৈ চেষ্টা নকৰ। আচলতে, দেউতাই বিচাৰে তই এনেকুৱা এখন ঘৰৰ বোৱাৰী হ— যাতে আগলৈ তই কোনো ধৰণৰ দুখ-কষ্ট ভোগ কৰিবলগীয়া নহয়। বিয়াটো হ'ল দুখন ঘৰৰ মাজত এনে এটা সম্পৰ্ক যাতে দুয়োখন ঘৰৰ মান-মৰ্যাদা অটুট থাকে, দুয়োখন ঘৰৰ আত্মীয়-স্বজন, মিত্ৰিৰ কুটুমে ভাল পায়।"

"ককাইদেউ, তই দেখোন উপদেশ দিবলৈ লৈছ। মই কিন্তু তোৰপৰা উপদেশ বিচৰা নাই।"

"এইবোৰ উপদেশ নহয়।"

"উপদেশ নহয় যদি এইবোৰ কথাৰে তই মোক কি বুজাব খুজিছ?"

"তোক মই বাস্তৱ পৰিস্থিতিটো বুজাই ক'বলৈ চেষ্টা কৰিছো।"

"বাস্তৱ পৰিস্থিতিৰ কথা কৈ তই মোক এইটোৱে পতিয়ন নিয়াব খুজিছ যে প্ৰবীৰৰ লগত সংসাৰ পতাৰ কথাটো মই পাহৰি যোৱা উচিত।"

"ওহোঁ, আকৌ তই মোক ভুল বুজিলি।" বিমানৰ মাতত অস্থিৰতা, "মই তোক প্ৰবীৰক পাহৰি যাবলৈ কোৱা নাই। প্ৰবীৰক লৈ ঘৰ-সংসাৰ পাতিবলৈ ল'লে কি কি সমস্যা আহিব পাৰে, সেইবোৰহে কৈছো।"

"বাৰু, কেনেকুৱা সমস্যা হ'ব পাৰে— এটা এটাকৈ ক'চোন।"

"শুন তেনেহ'লে।" বিমানে ক'বলৈ ধৰিলে, "প্ৰথমতে, ভাষাৰ প্ৰবলেম হ'ব। অধিকাংশ বঙালীয়ে নিজৰ ভাষা-সাহিত্যৰ ক্ষেত্ৰত উচ্চাত্মিকা মনোভাব লৈ থাকে। সেইবোৰ প্ৰবীৰৰ নাই যদিও বিয়াৰ পাছত সিহঁতৰ পৰিয়ালখনৰ বোৱাৰী হ'লে সেইবোৰ 'ফেচ্' কৰিব লাগিব। দ্বিতীয়তে, সমপৰ্যায়ৰ দুখন পৰিয়ালত বিয়া হ'লে পাৰিবাৰিক জীৱনৰ বিন্যাসটো সুখকৰ হয়। কিন্তু প্ৰবীৰহঁতৰ লগত আমাৰ ঘৰখন কোনটো দিশত খাপ খায় ক'চোন? আমাৰ দেউতা চিনিয়ৰ এ পি এছ্। মই প্লেনিং ডিপাৰ্টমেণ্টৰ অফিচাৰ। ইয়াত, এই গুৱাহাটীত আমাৰ ঘৰ। আমাৰ তুলনাত প্ৰবীৰহঁতৰ কিটো আছে? প্ৰবীৰৰ দেউতাক এজন স্কুল মাষ্টৰ। একমাত্ৰ প্ৰবীৰৰ ৰিজাল্টৰ বাহিৰে লেখত ল'বলগীয়া সিহঁতৰ একো নাই। বিয়া হ'লে প্ৰবীৰৰ মাক-দেউতাকে যেতিয়া আমাৰ মা-দেউতাৰ লগত এটা সমতা ৰক্ষা কৰিব নোৱাৰিব— তেতিয়া তোৰ বেয়া লাগিব। তৃতীয়তে, বহুত যুগৰেপৰা অসমীয়া-বঙালীৰ মাজত এটা সংঘাত চলি আহিছে। এতিয়াও সংঘাতটোৰ অন্ত পৰা নাই। দুয়োটা সম্প্ৰদায়ৰ মাজত এতিয়াও বহুত সন্দেহ-অবিশ্বাস ৰৈ গৈছে। জাতীয় জীৱনৰ কেতবোৰ অনভিপ্ৰেত অমংগলীয়া সিদ্ধান্তৰ বাবে ইটো সম্প্ৰদায়ে সিটো সম্প্ৰদায়ক জগৰীয়া কৰে। তাৰ কাৰণেও বিয়াৰ পাছত প্ৰবীৰ আৰু তই কেতবোৰ বিশেষ পৰিস্থিতিত উভয়-সংকটত পৰিব লাগিব। চতুৰ্থতে, প্ৰবীৰহঁতৰ আৰ্থিক অৱস্থা আমাৰ তুলনাত বেয়া। তাক বিয়া কৰালে পাৰিবাৰিক জীৱনত তোৰ কষ্ট হ'ব।"

কোঠাটোলৈ এক গধুৰ নীৰৱতা নামি আহিল। পাৰমিতাৰ মুখখন মলিন। মনত হতাশা। তেতিয়াই তাইৰ কাণত বাজিবলৈ ধৰিলে প্ৰবীৰৰ কথাবোৰ। আজি প্ৰবীৰেও পৰিয়াল-সমাজৰ কথা ক'লে। অস্তিত্বৰ কথা ক'লে। প্ৰবীৰে জনাইছিল, তাৰ অস্তিত্বৰ বুনিয়াদ দৃঢ় হোৱা নাই। পাৰমিতাৰ মৰম-ভালপোৱাক মৰ্যাদা দিয়াৰ ক্ষমতা-শক্তি তাৰ নাই। .... তাৰমানে ককায়েক বিমানেই প্ৰবীৰক এইবোৰ ক'লে নেকি? বেলেগকৈ মাতি ক'ৰবাত বহুৱাই ককায়েকে এইবোৰ বুজোৱাৰ বাবেই প্ৰবীৰৰ মনটোৰ এনে এটা পৰিৱৰ্তন হ'ল নেকি? পাৰমিতাৰ মন সন্দেহেৰে ভৰি

উঠিল। তাই ভাবিলে, প্ৰবীৰৰ মনৰপৰা তাইৰ প্ৰতি থকা মোহ-আকৰ্ষণ নাইকিয়া কৰিবৰ বাবে দেউতাকেও ককায়েকক লগাব পাৰে।

"ককাইদেউ, দুই-এদিনৰ ভিতৰত তই প্ৰবীৰক লগ পাইছিলি নেকি?"

"নাই পোৱা।" পাৰমিতাৰ প্ৰশ্ন সোধাৰ ধৰণটোলৈ চাই বিমান আচৰিত হ'ল, "হঠাৎ এইটো প্ৰশ্ন সুধিলি যে?"

"প্ৰবীৰেও আজি তোৰ নিচিনাকৈ এইবোৰ কথাকে মোক ক'লে।" এটা তপত নিশ্বাস পেলাই পাৰমিতাই ক'লে— "সিও ধাৰণা কৰি লৈছে আমাৰ দুটাৰ বিয়া নহ'বগৈ।"

"প্ৰবীৰৰ যদি তেনে উপলব্ধি হৈছে— সেইটো তহঁতৰ বাবে ভাল হ'ল।" কঠোৰভাৱে বিমানে ক'লে, "অৱশ্যে তাৰ উপলব্ধি হোৱাৰে কথা। সিহঁতে সংগ্ৰাম কৰিবলগীয়া হৈছে। আনহাতে সি চোকা। বাস্তৱ পৰিস্থিতি সম্পৰ্কে সি সচেতন হ'বই।"

"তাৰ মানে প্ৰবীৰক মই আপোন কৰি লোৱাটো কোনো ফালৰপৰাই উচিত নহ'ব।"

"অ', তই মোক বেয়া পালি।" বিব্ৰত বিমানে ক'লে, "এইবোৰ কথাৰ বাবে তই মোক বেয়া পাব নালাগে। কিবা এটা বিচাৰিছ। বস্তুটো পালে তোৰ অৱস্থাটো কেনেকুৱা হ'ব— সেই বিষয়ে মই বুজাই ক'লো। এণ্ড আই এড্‌ভাইচ ইউ টু ক'ম ডাউন টু ৰিয়েলিটি।"

পাৰমিতাৰ কাণ-মুৰ গৰম হৈ পৰিল। এইবাৰ ককায়েকৰ ওপৰত তাইৰ খং উঠিল। প্ৰচণ্ড খং। ককায়েকৰ মুখখনত তাই দেউতাকৰ প্ৰতিবিম্ব দেখিবলৈ পালে। যেন দেউতাক হৈয়ে ককায়েকে তাইক সাৱধান কৰিলে। তথাপি তাইৰ মনত প্ৰবীৰ সজীৱ হৈ আছে। সমুখত ভাহি ফুৰিছে প্ৰবীৰৰ মুখখন। কাণত ধ্বনিত হৈছে প্ৰবীৰৰ মাত-কথা। অনুভৱ হৈছে প্ৰবীৰৰ পৌৰুষ। তাই অকণো প্ৰশমিত নহ'ল। তিল মাত্ৰও অৱদমিত নহ'ল। বৰঞ্চ প্ৰবীৰৰ ভাব-সত্তা আগতকৈও উজ্জ্বল হৈ তাইৰ অন্তৰত অনুৰণিত হ'বলৈ ধৰিলে।

"ককাইদেউ।" অৱশেষত তাই ক'লে, "মই যদি এই ৰিয়েলিটিক স্বীকাৰ কৰি লওঁ।"

"মিতু, তই কিন্তু আবেগিক হৈ পৰিছ!"

"অ', মই অলপ আবেগিক হৈছো। আৰু এই আবেগক মই মোৰ অন্তৰত জীয়াই ৰাখিব বিচাৰো।"

আত্মবিশ্বাসৰ সুৰত ক'লেও পিছ মুহূৰ্ততে তাইৰ সেই ভাবটো নাইকিয়া হ'ল।

এনেকুৱা এটা বিষণ্ণতাই তাইক ছাটি ধৰিলে যে নিজৰ কোঠালৈ আহি কিতাপ লৈ বহিব নোৱাৰিলে। আগৰেপৰাই মাক-দেউতাকে প্ৰবীৰৰ লগত তাইৰ সম্পৰ্কটো স্বীকাৰ কৰা নাছিল। ভায়েক দিগন্তই সমৰ্থন কৰা-নকৰাটো তাই নধৰেই। ককায়েকৰ ওপৰত যি এটা ভৰসা আছিল, সেইটোও আজি মিছা বুলি প্ৰমাণিত হ'ল। ঘৰৰ কোনেও তাইক সমৰ্থন নকৰে। প্ৰবীৰক যে তাই ভাল পায়, এইটো কথাত পৰম আত্মীয়সকলৰ কাৰো সহানুভূতি নাই।

পঢ়িবলৈ নবহি বিছনাত উবুৰি হৈ তাই পৰি থাকিল। তেনেকৈও শান্তি নাপালে। মূৰ কামোৰণি হৈছে। হতাশাৰ উপৰিও নিজৰ ওপৰতো খং-বিৰক্তি সৃষ্টি হ'ল। আৰু খন্তেকৰ ভিতৰত এনেকুৱা এটা ভাব হ'ল যেন তাই মৰি যোৱাই ভাল।

প্ৰবীৰক ভাল পাই ভুল কৰিলে নেকি? ... প্ৰশ্নটোৱে পাৰমিতাৰ মনটোক জোকাৰণি এটা দিলে। বাগৰি থাকিব নোৱাৰি উঠি বহিল। প্ৰবীৰৰ বাবে ঘৰৰ সকলোকে অস্বীকাৰ কৰিব পাৰিবনে? ... প্ৰবীৰক লৈ সমুখৰ অনিশ্চিত বাটেৰে আগবাঢ়ি যাবলৈ শক্তি তাইৰ আছেনে? পাৰমিতাই আন্ধাৰ দেখিলে। তাইৰ মনত প্ৰবীৰৰ ছবিখন ক্ৰমাত অস্পষ্ট হৈ আহিল। কিন্তু তাৰ পাছতেই অন্তৰত এক হাহাকাৰ উঠিল। শেষত আৰু নোৱাৰিলে। তাইৰ সমগ্ৰ সত্তা গুমৰি উঠিল, "নাই ইমান দিনৰ সম্পৰ্কটো মিছা হ'ব নোৱাৰে। তাক মই পাহৰিব নোৱাৰো। প্ৰবীৰক পাহৰি যোৱাটো মোৰদ্বাৰা সম্ভৱ নহয়।"

তেতিয়াই গেটৰ সমুখলৈ আহি বৈ গ'ল এখন বগা এম্বেছেডৰ। অফিচৰপৰা দেউতাক আহিল। গিৰীন বৰুৱা। অসম চৰকাৰৰ বিত্ত বিভাগৰ জ্যেষ্ঠ সচিব। ক্ষমতা আৰু পদমৰ্যাদাত এগৰাকী দায়িত্বশীল ব্যক্তি। এনেহেন এগৰাকী ব্যক্তিৰ কন্যা পাৰমিতা। তাই ভাগ্যৱতী। দেউতাক আৰু ককায়েকৰ যিটো চৰকাৰী পদমৰ্যাদা, গুৱাহাটীৰ আমবাৰীৰ নিচিনা ঠাইত আধুনিক আচবাবেৰে যেনেকুৱা পকী ঘৰ আৰু তাইৰ যি শিক্ষা, ৰূপ-যৌৱন ... তাৰে অসমীয়া সমাজৰ লব্ধ-প্ৰতিষ্ঠিত কোনো পৰিয়ালৰ ডাক্তৰ নাইবা ইঞ্জিনীয়াৰ ল'ৰা এজনক বিয়া কৰাই সুখে-সন্তোষেৰে ঘৰ-সংসাৰ কৰিব পাৰিব। অথচ তাই হৃদয়-মন সপি দিছে বঙলা-ভাষী স্কুল মাষ্টৰৰ পুতেক প্ৰবীৰ সেনক! ... পাৰমিতাই সমুখৰ খিৰিকীখনৰ পৰ্দাৰ ফাঁকেদি চালে, গাড়ীৰপৰা দেউতাক নামি আহিছে। দেউতাকৰ ফালে চাই থকা অবস্থাত পাৰমিতাৰ মনটোত প্ৰবীৰ আকৌ গুৰুত্বহীন হ'বলৈ লৈছিল। কিন্তু নহ'ল। দেউতাক আৰু ককায়েকৰ দম্ভ-অহংকাৰপূৰ্ণ পাৰিবাৰিক-সামাজিক অনুশাসনবোৰক জয় কৰি পেলালে প্ৰবীৰৰ জ্ঞানস্পৃহা, বিনয় আৰু ত্যাগৰ স্নিগ্ধ ৰূপটোৱে।

তিনি

অৱশেষত প্ৰবীৰ চাকৰিত সোমাল। কেৰাণী হ'লেও ৰাষ্ট্ৰীয়কৃত বেংকৰ চাকৰি। প্ৰম'শ্বনৰ স্ক'প আছে। ভালকৈ কাম কৰিলে ছয়-সাত বছৰৰ ভিতৰত মেনেজাৰ হ'ব পাৰিব। আজিৰ দিনত চাকৰি এটা পোৱা মানে জীৱনৰ নিৰাপত্তা। নিযুক্তিপত্ৰ পাই প্ৰবীৰ আনন্দিত হ'ল। ঘৰৰ পৰা এতিয়া টকা আনিব নালাগে। ওলোটাই দেউতাকক সহায় কৰিব পাৰিব। মাকৰ বাবে দৰৱ-পাতি কিনাৰ উপায়ও হ'ব। পিছ মুহূৰ্ততে বিষাদময় গ্লানি এটাই প্ৰবীৰক ছাটি ধৰিলে। অফিচ কৰি মেচৰ সৰু কোঠাটোত সোমাই নিজৰ ভাগ্যক অভিসম্পাত দিলে। আৰ্থিক কাৰণত পঢ়া-শুনাৰ কথাটো গৌণ কৰি চাকৰি ল'বলগীয়া হ'ল। অথচ তাৰ লগৰীয়াইঁতে পঢ়িব। পাৰমিতায়ো পঢ়িব। পৰীক্ষা দি সিহঁতে আগবাঢ়ি যাব। সিহঁতৰ লগত প্ৰবীৰে সমতা ৰক্ষা কৰিব নোৱাৰিব। অপৰূপ ঐশ্বৰ্যৰে মহিমাময়ী হৈ তাৰ জীৱনলৈ আহিবলৈ বিচৰা পাৰমিতাও শেষত তাৰপৰা আঁতৰি যাব।

প্ৰবীৰে চাকৰি পোৱাৰ খবৰ পাই দেউতাক অৱনী সেনে পুতেকলৈ চিঠি এখন লিখিলে। চিঠিখনৰ ভাষা হৃদয়বিদাৰক। নিজকে অক্ষম পিতৃ বুলি কৈ অৱনীয়ে দুখ ব্যক্ত কৰিছে। মানুহৰ ধন থাকে— ল'ৰা-ছোৱালীয়ে পঢ়াত আগ্ৰহী নহয়। অৱনীৰ ক্ষেত্ৰত তাৰ বিপৰীতটোহে হৈছে। ধনৰ অভাৱত তেওঁ মেধাৱী পুতেকক পঢ়াৰ খৰছ দিব পৰা নাই। শেষত হিয়া উজাৰি আশীৰ্বাদ যাচি অৱনীয়ে লিখিছে, চাকৰি কৰিলেও প্ৰবীৰে যেন পঢ়া-শুনা এৰি নিদিয়ে। কষ্ট কৰি হ'লেও এম এছ চি পৰীক্ষাৰ বাবে সি যেন প্ৰস্তুতি চলাই যায়।

হাইস্কুলৰ শিক্ষক অৱনী সেনৰ সীমিত উপাৰ্জন। সীমিত উপাৰ্জনেৰে চাৰিটা সন্তানৰ পোহপাল দি, সিহঁতৰ লিখা-পঢ়াৰ খা-খৰছ যোগান ধৰি জীয়াই থকাটো আজিৰ দিনত এটা ডাঙৰ কথা। তাৰ পাছত ধন-সম্পত্তি কৰাৰ উপায় নাথাকে।

দেশ বিভাজনৰ এটা দহক পাছত অৱনী অসমলৈ আহিছিল। শিক্ষকৰ চাকৰিটো পোৱাৰ এবছৰ পাছত মাটি একঠা কিনি লৈ কোনোমতে থাকিব পৰাকৈ ঘৰ এটা সাজি লৈছিল। সেই ঘৰটোকে যথাসময়ত মেৰামতি কৰিব নাৱাৰে। তাৰমানে ইহজীৱনত অৱনীৰদ্বাৰা আৰু একো নহয়। শক্তি-সামৰ্থও নাই। এতিয়া তেওঁৰ ভৰসা প্ৰবীৰ আৰু তাৰ তলৰ তিনিটা সন্তান।

অসমত অসমীয়া ভাষী ৰাইজে এতিয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত লিপ্ত। তেওঁলোকৰ আশংকা, তৎকালিন পূৰ্ব-পাকিস্তানৰপৰা অৱনী সেনহঁতৰ দৰে লক্ষ লক্ষ বঙালীৰ অনুপ্ৰবেশ আৰু অনা-অসমীয়া ভাৰতীয়সকলৰ প্ৰব্ৰজনৰ বাবে অসমত তেওঁলোক অচিৰেই সংখ্যালঘুত পৰিণত হ'ব। ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ বাধাপ্ৰাপ্ত হ'ব। বাৰ বছৰ আগত আৰম্ভ হৈছিল বিদেশী বিতাড়ণ আন্দোলন। সেই আন্দোলনৰ সময়ছোৱাত অৱনী সেনহঁত সাংঘাতিক ধৰণেৰে ভীতিগ্ৰস্ত হৈ পৰিছিল। অসমত বসবাস কৰিবলৈ লোৱা লক্ষ লক্ষ বাংলা-ভাষীৰ নিচিনাকৈ তেঁৱো দুশ্চিন্তাত আতংকিত হৈছিল— অকণ অকণ সন্তান চাৰিটিক লৈ জানোচা অসম এৰি গুচি যাব লাগিব। বৰ্তমানে তেনেকুৱা আন্দোলন নাই। কিন্তু বিগত কেইবছৰ ধৰি আৰম্ভ হৈছে উগ্ৰপন্থী আন্দোলন। অৱনী সেনে এই আন্দোলনটোক পূৰ্বৰ বিদেশী আন্দোলনতকৈ বেছি ভয়াবহ বুলি ভাবে। এইটো আন্দোলন সফল হ'লে অসম ভাৰতৰপৰা বিচ্ছিন্ন হ'ব। তাতে অসমত বাস কৰা বঙালীসকলৰ অৱস্থা অধিক বেয়া হৈ পৰিব। ... এনেবোৰ ভয়-আশংকাৰ বাবেই অসমৰ জাতীয় জীৱনৰ সৈতে অৱনী সেনে তেওঁৰ সন্তানহঁতৰ অস্তিত্ব বিন্যস্ত হৈছে বুলি নাভাবে। তেওঁলোকৰ বাবে অসমত এতিয়া জীয়াই থকাটোৱেই প্ৰধানতম সংগ্ৰাম। অৱনী সেনৰ বৰপুত্ৰ প্ৰবীৰো এই মানসিকতাৰেই প্ৰভাবিত। তাৰ বাবেই অনিচ্ছাসত্বেও ছাত্ৰ অৱস্থাতে প্ৰবীৰে চাকৰিত সোমাই সেইটো সংগ্ৰামত চামিল হ'বলগীয়া হ'ল।

ইণ্টাৰ-ভিউ ভাল হৈছিল। প্ৰবীৰে বিচৰামতে গুৱাহাটী ডিভিশ্বনেল ব্ৰাঞ্চতে চাকৰিত যোগদান কৰাৰ সুবিধা পালে। চাকৰিত যোগদান কৰাৰ দিনাৰেপৰা বিশ্ববিদ্যালয়লৈ যাব পৰা নাই। ক্লাছ ক্ষতি হৈছে। থিয়ৰি ক্লাছত পঢ়ুওৱা বিষয়বোৰ নিজেই পঢ়ি ল'ব পাৰিব। প্ৰেক্টিকেল ক্লাছবোৰ যে কৰিব পৰা নাই সেইখিনি কেনেকৈ পূৰাব?

ইফালে এঘাৰ দিন হ'ল পাৰমিতাৰ সৈতে লগ হোৱা নাই। প্ৰবীৰ ভিতৰি ভিতৰি অস্থিৰ হৈ পৰিছে। পাৰমিতাক লগ কৰিবলৈ ইমানেই উত্ৰাৱল হৈ পৰিল যে চাৰে বাৰ নৌ বাজোঁতেই অফিচৰপৰা ওলাই আহিল। ফাঁচি বজাৰপৰা মালিগাওঁ

চাৰি-আলি। তাৰপৰা আজৰাগামী আন এখন বাচেৰে আহি নামিল বিশ্ববিদ্যালয়ৰ চৌহদত। এক বাজিবৰ হ'ল। টি ব্ৰেকৰ বাবে এতিয়া আধা ঘণ্টা অফ। প্ৰবীৰ ডিপাৰ্টমেণ্টৰ ফালে খোজ ল'লে।

ডিপাৰ্টমেণ্টৰ ভিতৰখন শান্ত। বাহিৰত এতিয়া ছাত্ৰ-ছাত্ৰী নাই। তাৰ মানে এক বজাৰ ক্লাছ শেষ হোৱা নাই। তলৰপৰা চিৰিৰে ওপৰলৈ উঠি ভাঙৰ দুৱাৰখন পাৰ হওঁতেই দেখিবলৈ পালে, ভিতৰৰপৰা পাৰমিতা ওলাই আহিছে। তাইৰ পিন্ধনত আজি গুলপীয়া শাৰী। গাত বগা ব্লাউজ। মাত্ৰ এঘাৰ দিনৰ পাছত এই সাক্ষাৎ। অথচ দুয়োৰে এনে লাগিছে যেন মাজতে এটা যুগ পাৰ হৈ গৈছে। পাৰমিতাৰ মুখখনলৈ চাওঁতেই প্ৰবীৰৰ সমস্ত শৰীৰত আবেগীয় এক মূৰ্ছনা খেলিবলৈ ধৰিলে। ক'ব নোৱৰাকৈয়ে সি ৰৈ দিলে।

পাৰমিতাৰ বুকুত দ'ম হৈ আছিল যন্ত্ৰণা। প্ৰবীৰক দেখাৰ লগে লগে সেই যন্ত্ৰণা নাইকিয়া হ'ল। হিয়াত উথলি উঠিল আনন্দ-উচ্ছ্বলতা। যেন দৌৰ মাৰি আহি প্ৰবীৰক সাবটি ধৰিব। কিন্তু পৰিবেশটো তেনেকুৱা নহয়। কাষেদি ছাত্ৰ-ছাত্ৰীসকলৰ অহা-যোৱা। পাৰমিতা আগবাঢ়ি আহিল। প্ৰবীৰৰ কাষলৈ আহি তলমূৰ হৈ থিয় হ'ল।

দুয়ো শান্ত। দুয়োৰে মন প্ৰশমিত। বিৰহৰ তীব্ৰ যন্ত্ৰণা নাইকিয়া হৈ দুয়োৰে হৃদয় পূৰ্ণ হৈ উঠিল মৰম আৰু অনুৰাগেৰে। কিমান সময় তেনেকৈ পাৰ হ'ল ক'ব নোৱাৰে। শেষত পাৰমিতাই মূৰ দাঙি প্ৰবীৰৰ পিনে চালে। পোচাক-পাতিও সাধাৰণ। সাধাৰণ যদিও তাইৰ চকুত প্ৰবীৰ অসাধাৰণ। মাক-দেউতাক ককায়েক-ভায়েক ... সি যিয়েই নহওক লাগে, পাৰমিতাৰ বাবে প্ৰবীৰ অনন্য সুন্দৰ। প্ৰবীৰৰ লগত দেখা-দেখি হওঁতেই পাৰমিতাৰ স্পৰ্শকাতৰ ওঁঠদুটা কঁপি উঠিল।

প্ৰবীৰৰ মনতো দুৰন্ত আবেগ। দেহাৰ শিৰা-উপশিৰাবোৰত তেজৰ প্ৰবাহ বেগবান হ'ল। ইজনে সিজনক বিচাৰে। সিহঁতৰ মনৰ মিল হৈছে। বিচাৰ-বিবেচনাত সংযোগ স্থাপিত হৈছে। চেতনাৰ স্তৰতো ইজনে সিজনৰ অস্তিত্ব অনুভৱ কৰে। কিন্তু মিলনৰ ক্ষেত্ৰত বহুত বাধা। বাস্তৱ উপলব্ধি যিমান বাঢ়িছে, মিলনৰ সম্ভাবনা সিমানেই টুটি আহিছে। পাৰমিতাৰ বেদনাকাতৰ মুখখনলৈ চাই থাকোঁতে থাকোঁতে প্ৰবীৰৰ এনে এটা ভাব হ'ল যেন তাইক লৈ অজনা ক'ৰবালৈ গুচি যাব।

"ডিপাৰ্টমেণ্টলৈ যাবা নেকি?"

প্ৰবীৰে ক'লে, "মই ডিপাৰ্টমেণ্টলৈ অহা নাই। তোমাক লগ পাবলৈ আহিছো।"

"এঘাৰ দিনৰ মূৰত আজিহে মোৰ কথা মনত পৰিল!" পাৰমিতাৰ মাতত ক্ষোভ।

"বিগত এঘাৰটা দিনৰ প্ৰতিটো মুহূৰ্তত তোমাৰ কথা মনত পৰিছে।"

"কিন্তু চাকৰিত সোমোৱাৰ বাবে লগ কৰিব নাৰাৰিলা, নহয়নে?" স্ফূৰিত ৰোষত পাৰমিতাই ক'লে, "নকৰিবাই। মোতকৈ এতিয়া চাকৰিটোহে ডাঙৰ। এইদৰে বাৰ দিনৰ মূৰকত এবাৰ, তাৰ পাছত পোন্ধৰ দিনৰ অন্তৰত, তাৰ পাছত এমাহৰ পিছত লগ কৰি অৱশেষত মোৰ লগ এৰিবাই। চাকৰি কৰিছা। মোতকৈ দেখনিয়াৰ ছোৱালীহঁতৰ লগত পৰিচয় হ'ব। বন্ধুত্ব হ'ব। ভাল লাগিব।"

"কি যা তা বলকি আছা!"— প্ৰবীৰৰ সামান্য খং উঠিল।

"যা তা বলকি আছো! মোৰ কথা যদি ইমানেই মনত পৰে, অফিচ কৰি গধূলিতো আমাৰ ঘৰলৈ যাব পাৰা। ফাঁচী বজাৰৰপৰা আমবাৰী বেছি দূৰত নহয়।"

"অফিচৰপৰা ওলাই প্ৰত্যেক দিনাই তোমালোকৰ ঘৰলৈ যোৱাৰ কথা ভাবো। যাবহে পৰা নাই।"

"কিয়?"

"কেৰাণীৰ চাকৰি এটা লৈ তোমালোকৰ ঘৰত সোমাবলৈ বেয়া লাগে।"

এইবাৰ পাৰমিতাৰ বেয়া লাগিল। তাইৰ খং-অভিমান মাৰ গ'ল। স্বভাৱটোৱেই তাইৰ তেনেকুৱা। যেন বহাগৰ বতৰ। এই খং, এই অভিমান। তৎক্ষণাৎ আকৌ মায়া-মমতাৰে চেনেহকাতৰ। মৰম-চেনেহৰে মাধুৰ্যময়ী হৈ প্ৰসংগ সলাই ক'লে, "আহিলা যেতিয়া চাকৰিৰ কথাটো হেড ছাৰক কোৱাটো ভাল আছিল।"

"কম বাৰু। ক্লাছ ন'ট্‌চবোৰ ঠিকমতে ৰাখিছা তো। তোমাৰপৰা এইখিনি ল'ব লাগিব।" প্ৰবীৰে ক'লে, "আজি আৰু দুটা ক্লাছ আছে নহয়।"

"ইচ্, ইমান দিনৰ পাছত লগ হ'লো। এতিয়া ক্লাছলৈ সোমাই আকৌ বন্দী হ'ম নেকি!" পাৰমিতাৰ মুখত চপল হাঁহি, "ব'লা বহুত কথা পাতিবলগীয়া আছে।"

বিভাগীয় চৌহদৰপৰা ওলাই সিহঁত গ্ৰন্থাগাৰলৈ আহিল। গ্ৰন্থাগাৰৰ পূবফালে কেইজোপামান ঝাওঁ গছ। তলত পেলাই থোৱা ডাঙৰ ডাঙৰ কেইটামান কটা পাথৰ। পাথৰত বহি ছাত্ৰ-ছাত্ৰীহঁতে কথা পাতে। ইয়াতেই বহি আৰু বহুত ডেকা-গাভৰুৱে সোণোৱালী জীৱনৰ বুনিয়াদ ৰচনা কৰে। কেতিয়াবা জীৱনৰ সমস্যা লৈ আলোচনা হয়। কেতিয়াবা আকৌ ৰাজনীতিৰ চৰ্চা হয়। দেশ-সমাজৰ উন্নতি বিকাশৰ বাবে নতুন নতুন ধ্যান-ধাৰণাৰ সৃষ্টি হয়।

পিছে প্ৰবীৰ-পাৰমিতাৰ কথাবোৰ বেলেগ। সিহঁত ছাত্ৰ, ৰাজনীতিৰ লগত জড়িত

নহয়। বৰ্তমানে অসমৰ নগৰে-চহৰে, গাঁৱে-ভূঞে সংগঠিত হৈ উঠা বিপ্লৱীসকলৰ কাৰ্যকলাপ, নীতি-লক্ষ্য, লগতে চৰকাৰী সন্ত্ৰাস, চৰকাৰৰ বিভাজন নীতি আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আলোচনাৰ ঘাই বিষয়। এইবোৰ বিষয় লৈ প্ৰবীৰ পাৰমিতাই আলোচনা নকৰে। সিহঁত দুয়োৰে আলোচনাৰ বিষয় হ'ল, কেনেকৈ পৰিকল্পিত জীৱনক মৰ্যাদা দিব পৰা যায়।

এইটো সময়ত গ্ৰন্থাগাৰৰ কাষৰ এনে এডোখৰ ঠাই সাধাৰণতে খালী নাথাকে। আজি তাত কাকো দেখা নগ'ল। প্ৰবীৰ-পাৰমিতা তালৈ আহি ৰহিল। সিহঁত যে প্ৰেমিক-প্ৰেমিকা— বিশ্ববিদ্যালয়ৰ বহুতেই জানে। তদুপৰি দুয়ো যেনেকৈ নিবিড় হৈ বহিল, এতিয়া নজনাসকলেও আৰু এইফালে নাহে।

সিহঁতৰ ওপৰত ঝাওঁ গছজোপাৰ শীতল ছাঁ। পূবৰপৰা বলিছে এজাক মলয়া বতাহ। আপোনজনৰ সান্নিধ্য আৰু এনে মনোৰম পৰিৱেশ .. খন্তেকৰ ভিতৰতে সিহঁত শান্ত-সহজ হ'ব লাগিছিল। কিন্তু মাজৰ কেইদিনত দুয়োৰে জীৱনত কিছুমান ঘটনা ঘটি গৈছে। দাৰিদ্ৰ্যৰ সৈতে যুঁজিবৰ বাবে প্ৰবীৰে চাকৰি ল'বলগীয়া হ'ল। চাকৰিৰ তাগিদাত যিবোৰ কাম কৰি আছে, সেইবোৰ সি মুঠেই ভাল পোৱা নাই। পঢ়া-শুনা বাদ দি, বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক পৰিৱেশৰপৰা আঁতৰি থাকি বেংকৰ ব্যৱসায়িক লেন-দেনৰ কামবোৰ আমনি লগা, অসহনীয়। ইফালে ককায়েকৰ লগত যিবোৰ কথা-বতৰা হ'ল, তাৰ বাবে পাৰমিতাৰ মনতো কেতবোৰ দ্বন্দ্ব-বিৰোধৰ সৃষ্টি হৈছে।

"ককাইদেউৰ লগত কথা-বতৰা হ'লো নহয়।" অৱশেষত পাৰমিতাই ক'লে।

"হয় নেকি!" প্ৰবীৰে ক'লে, "কি কথা হ'ল? মোৰ প্ৰতি ককাইদেউৰ মনোভাবটো কেনেকুৱা?"

কি ক'ব পাৰমিতাই? প্ৰবীৰৰ লগত তাইৰ সম্পৰ্কটোক ককাইদেউৱে যে বাস্তৱ-জ্ঞানহীন বুলি প্ৰতিপন্ন কৰিছিল— এই কথাটো কেনেকৈ জনাব? প্ৰবীৰৰ পিনে চাই গধুৰ মাতেৰে পাৰমিতাই ক'লে, "ককাইদেৱে তোমাক ভালেই পায়। কিন্তু আমাৰ সম্পৰ্কটোক সি বেয়াকৈ সমালোচনা কৰে।"

"এইটো মই আগৰেপৰাই কৈ আছো।" প্ৰবীৰে ক'লে, "তোমাৰ দেউতাৰাই মোক সহ্য কৰিব নোৱাৰে। মাৰায়ো তোমাৰ লগত মোৰ সম্পৰ্কটো স্বীকাৰ কৰিবপৰা নাই। ককাইদেৱে আমাক বেয়াকৈ সমালোচনা কৰিবই। যি বুজিছো, তোমাক লৈ ঘৰত অশান্তি এটা চলিছে।"

পাৰমিতাই অসহায়ভাৱে প্ৰবীৰৰ পিনে চাই থাকিল।

প্ৰবীৰৰ মুখখন মলিন।

"তোমালোকৰ ঘৰৰ কোনেও যেতিয়া আমাৰ সম্পৰ্কটোক মানি ল'ব পৰা

নাই— এইদৰে আগবঢ়াটো জানো উচিত হ'ব?"

"তেওঁলোকে মানি ল'ব পৰা নাই বুলিয়ে তোমাক মই এৰিব নোৱাৰো। তুমি এনেকুৱা হতাশজনক কথাবোৰ নক'বাচোন।" পাৰমিতাই ক'লে, "ককাইদেৱে মোক ৰিয়েলিটিলৈ নামি আহিবলৈ কৈছিল। প্ৰথমতে মই অলপ নাৰ্ভাচ হৈ পৰিছিলো। পাছত কি ক'লো, জানা?"

"কি ক'লা?"

"মই স্পষ্টকৈ জনাই দিলো— এই ৰিয়েলিটিক মই স্বীকাৰ কৰি লৈছো। ককাইদেৱে বেয়া পালে। ককাইদেউৰপৰা কথাটো জানিবলৈ পাই মা-দেউতায়ো মোক বেয়া পাইছে। মই কিন্তু উপায়বিহীন। তোমাৰ বাহিৰে আন কাকো মই ভাবিব নোৱাৰো। তুমি পাৰিবানে? মোৰ বাহিৰে আন কোনো ছোৱালীক তুমি মনলৈ আনিব পাৰিবানে? তোমাক তেনেকুৱা কিবা কৰা দেখিলে মই চুইচাইড কৰিম, কৈ দিছো।"

"সেইটো বলিয়ালি হ'ব।" প্ৰবীৰে ক'লে, "কিন্তু ঘৰৰ সকলোৰে মতৰ বিৰুদ্ধে আমি কিবা এটা কৰিবলৈ যোৱাটো ..."

"তেওঁলোক আঁকোৰগোঁজ হ'লে আমাৰতো উপায় নাথাকিব।"

"আমি তেওঁলোকক বুজাব নোৱাৰিমনে?"

"তেওঁলোকে ভালকৈয়ে বুজি পায়। বুজি পায়ো তেওঁলোকে এইটো কথাত আপোচ নকৰে। এনেই ককাইদেৱে আঞ্চলিকতাবাদৰ বিৰোধীতা কৰে, নিজকে যুক্তিবাদী বুলি জাহিৰ কৰে। আচলতে ভিতৰি ভিতৰি সিও দেউতাৰ নিচিনাই। নিজৰ ভাষা-সাহিত্য, সমাজ-সম্প্ৰদায়ৰ প্ৰতি দৃষ্টিভংগীটো তাৰ পক্ষপাতিত্বপূৰ্ণ।"

"সেইটো অলপ হ'বই।"

"সেইবুলি মোৰ ব্যক্তিগত পছন্দ-অপছন্দ, ভালপোৱা-বেয়াপোৱাক সি নিয়ন্ত্ৰণ কৰিব নোৱাৰে।" দীপ্ত মাতেৰে পাৰমিতাই ক'লে, "মই এতিয়া পোষ্ট গ্ৰেজুৱেট ক'ৰ্ছৰ ছাত্ৰী। মোৰ ব্যক্তিগত মতামতৰ কোনো মূল্য নাই নেকি? প্ৰেম-প্ৰণয়ৰ ক্ষেত্ৰত যে দেশ-সমাজ, ভাষা-সংস্কৃতি, ধৰ্ম-সম্প্ৰদায় হেঙাৰ হ'ব নোৱাৰে এইবোৰ বুজি পায়ো ককাইদেৱে সিদিনা মোক তোমাৰপৰা আঁতৰাই নিবলৈ চেষ্টা কৰিলে। বেছিকৈ হেঁচা দিলে মই মা-দেউতা, ককাই-ভাই, পৰিয়াল-সমাজ নামানিম। তুমি চাকৰি লৈছা। চাকৰি লোৱাৰ বাবে প্ৰথমতে তোমাক বেয়া পাইছিলো। এতিয়া তোমাৰ এই চাকৰিটোৰ বাবে মই এটা শক্তি পাইছো। বেছি বেয়া লাগিলে ঘৰৰপৰা ওলাই আহিম।"

"ধেৎ, তেনেকুৱা কাম কৰিব নাপায়।"

"ঘৰত কাঢ়া দেখুৱালে সেইটোৱে উপায়। মনৰ মিল হোৱা ডেকাজনৰ লগত

পলাই যোৱাটো নতুন কথা নহয়।"

"হ'লেও আমি তেনেকুৱা কাম কৰিব নোৱাৰো। একেলগে থাকিবলৈ লোৱাৰ আগেয়ে আমি আমাৰ ফালৰপৰা সাধাৰণ শিষ্টাচাৰখিনি পালন কৰিব লাগিব।"

"কিন্তু তেওঁলোকে আমাৰ সম্পৰ্কটোক নামানে নহয়।"

"তথাপি চেষ্টা এটা কৰি চোৱাচোন।"

"মই হ'লে আশা দেখা নাই।"

"মাৰাৰ সৈতে এই বিষয়ে ভালকৈ কথা পাতি চোৱা। নিজৰ মতটো স্পষ্টকৈ জনাবা। ইফালে আমাৰ ঘৰতো এই বিষয়ে কথা-বতৰা হ'ব লাগিব।"

"তোমালোকৰ ঘৰৰ কোনেও আমাৰ বিষয়ে নাজানে নেকি?"

"মই কাকো কোৱা নাই।"

"এতিয়াও কোৱা নাই?"

"কাক ক'ম, কোৱাচোন! ককাই-ভায়েৰাৰ লগত তোমাৰ যেনে সম্পৰ্ক, আমাৰ ঘৰখনত ভাই-ভণ্টীহঁতৰ লগত মোৰ তেনেকুৱা সম্পৰ্ক গঢ় লৈ উঠা নাই। মেট্ৰিক পাছ কৰিয়ে গুৱাহাটীলৈ গুচি আহিলো। তাৰ বাবে সিহঁতৰ লগত মোৰ মানসিক ব্যৱধান এটা আহি গ'ল। ইফালে মাক এইটো কথা উপযাচি ক'ব নোৱাৰি নহয়।"

মিচিকিয়াই হাঁহি পাৰমিতাই সুধিলে, "অসমীয়া ছোৱালী এজনীক বোৱাৰী কৰি ল'বলৈ মাৰাই টান পাব নেকি?"

পাৰমিতা প্ৰবীৰহঁতৰ ঘৰলৈ বোৱাৰী হৈ আহিব! ওৰণি লোৱা বোৱাৰীৰূপী পাৰমিতাক কল্পনা কৰি প্ৰবীৰৰ ভাল লাগিল। পিছ মুহূৰ্ততে তাৰ মনটো আকৌ ভাৱাক্ৰান্ত হৈ পৰিল।

"চোৱা, আমাৰ ঘৰৰ কোনেও প্ৰেম কৰি বিয়া কৰোৱা নাই। সেইফালৰপৰা চাবলৈ গ'লে মা-দেউতাই আমাক স্বীকাৰ কৰি ল'বলৈ টান পাব যেনেই লাগিছে।"

"তাৰ মানে সেইফালেও তুমি নিগেটিভ চাইড্‌টোকে দেখিবলৈ পাইছা। হতাশা— কেৱল হতাশা।" অস্থিৰ যন্ত্ৰণাৰে পাৰমিতাই কৈ উঠিল, "সিদিনা ওৰেল ইণ্টাৰ-ভিউ দি আহিও তুমি এইবোৰ কথাকে কৈছিলা। তাৰ বাবে মই কিমান কষ্ট পাইছিলো, ধাৰণা কৰিব পাৰা নে?"

"পাৰো। মই ভালকৈয়ে বুজি পাইছিলো মোৰ কথাত তুমি কষ্ট পাবা। কিন্তু মৰম-ভালপোৱাৰ পাছত জীৱন গঢ়াৰ ক্ষেত্ৰত তুমি মোৰ সীমাবদ্ধতাখিনি জনা উচিত। ভালপাওঁ বুলি তোমাক মই প্ৰবঞ্চনা কৰিব নোৱাৰো।"

"তথাপি তুমি মোক তেনেকৈ ক'ব নালাগিছিল।"

"পৰিস্থিতিয়ে মোক ক'বলৈ বাধ্য কৰিলে।"

"যেনেকুৱা পৰিস্থিতিয়েই নহওক লাগে, তুমি মোক এইদৰে কিয় ক'বা?" পাৰমিতা গৰ্জি উঠিল। কিন্তু মাতটো তাইৰ গধুৰ, "তুমি আনৰ দৰে নহয়। তুমি পৰিশ্ৰমী। তুমি সৎ। তোমাক লৈ মোৰ কোনো ভয় নাই। তোমাৰ লগত থাকিব পাৰিলে মোৰ কোনো কষ্ট নহয়।"

পাৰমিতাই কথাবোৰ এনেকৈ কৈ গ'ল যেন সঁচাকৈয়ে তাই প্ৰবীৰৰ বাবে মাক-দেউতাক, ককায়েক-ভায়েক, ধৰ্ম-সমাজ সকলো এৰি আহিব। তাৰ ওপৰত তাইৰ ইমানখিনি বিশ্বাস দেখি প্ৰবীৰৰ নিজকে সৌভাগ্যবান যেন লাগিল। সকলো বাধা-বিঘিনি অতিক্ৰম কৰি পাৰমিতা ওলাই আহিলে সৰ্বশক্তি প্ৰয়োগ কৰি সিও তাইক সুখী কৰিবলৈ চেষ্টা কৰিব। অনিমেষ দৃষ্টিৰে পাৰমিতাৰ প্ৰাণপূৰ্ণ মুখখনলৈ খন্তেক চাই থাকি প্ৰবীৰে ক'লে, "এইবাৰ ঘৰলৈ গৈ কথাটো উলিয়াম। প্ৰথমতে মাৰ লগত কথা পাতিম। মাৰ জৰিয়তে দেউতাৰ মনটো বুজি লৈ তাৰ পাছত তেওঁৰ সমুখাসমুখি হ'ম।"

"দেউতাই আমাৰ সম্পৰ্কটো মানি ল'ব পাৰিব নে?"

"তোমালোকৰ ঘৰৰ নিচিনাকৈ আমাৰ ঘৰত ইমান এটা বাধা নাহিব নেকি?

"তাৰমানে বাধা অলপ আহিব?"

"মোৰ মা তেনেই সৰল। মাৰ মনত অসমীয়া-বঙালীৰ ভেদাভেদ নাই। দেউতাৰ কথাটো অৱশ্যে সুকীয়া। ইমান বছৰ ধৰি অসমত থাকিল যদিও তেওঁৰ কথা-বতৰা, আচাৰ-ব্যৱহাৰত বঙালী ৰীতি-নীতি ষোল্লঅনামাত্ৰাই আছে। বৰপেটা ৰ'ডৰ বঙালী পৰিবেশত থাকে। অসমীয়া মানুহৰ লগত সিমান এটা সম্পৰ্ক নাই। এইবোৰ বিচাৰ কৰিলে দেউতাই তোমাক সহজে স্বীকাৰ কৰি ল'ব নোৱাৰিব যেনেই লাগে।"

"তেতিয়া উপায়?"

"উপায় উলিয়াব লাগিব।"

"কি উপায় উলিয়াবা, শুনোচোন।"

"বেছিকৈ আপত্তি কৰিলে দেউতাৰ লগত ভালকৈ বহিব লাগিব।"

পাৰমিতাৰ মুখখন মোলান পৰিল। হুমুনিয়াহ এটা কাঢ়ি ক'লে, "তেনেহ'লে সোনকালেই যোৱা।"

"এই মাহৰ দৰমহাটো লৈয়ে যাম বুলি ভাবিছো।"

"দৰমহা! তুমি দৰমহা পাবা!" পাৰমিতা আকৌ উৎফুল্ল হৈ পৰিল। "প্ৰথম মাহৰ দৰমহাটোৰে মোক প্ৰেজেণ্ট এটা নিদিবা নে বাৰু?"

"নিশ্চয় দিম। মই ভাবিয়ে থৈছো।"

চাৰি

গুৱাহাটীৰপৰা বৰপেটা ৰ'ডলৈ বাচেৰে আঢ়ৈ ঘণ্টাৰ বাট। পঞ্চাশৰ দশকত বৰপেটা ৰ'ড তেনেই সৰু এটা ৰেল ষ্টেচন আছিল। তাৰপৰা ওঠৰ কিলমিটাৰ নিলগত ঐতিহ্যপূৰ্ণ বৰপেটা চহৰ। বৰপেটা ৰ'ডত অসমীয়া মানুহৰ বসতি আনুপাতিকভাৱে কম। সাতচল্লিশৰ পাছত পূব-পাকিস্তানৰপৰা হিন্দু বঙালীসকল আহি ইয়াত বসবাস কৰিবলৈ ল'লে। সৰু-সুৰা ব্যৱসায় কৰি, ঠিকা-ঠুকলি কৰি, নামনি অসমৰ ভিতৰুৱা অঞ্চলত বহা সাপ্তাহিক বজাৰ-হাটত নিত্য ব্যৱহাৰ্য বয়-বস্তুৰ বেহা-বেপাৰ কৰি জীৱন ধাৰণ কৰা মানুহৰ বসতিৰে বৰপেটা ৰ'ড এখন নগৰ হিচাপে গঢ়ি উঠিল। নগৰখনৰ চৌদিশে প্ৰচুৰ খেতি মাটি। সেইবোৰ মাটিত ব্যৱসায়িক ভিত্তিত শাক-পাচলিৰ খেতি কৰা হয়। উৎপাদিত এই শাক-পাচলি গুৱাহাটীৰ উপৰিও উজনিলৈ পঠিওৱা হয়। অৰ্থাৎ অৰ্থনৈতিক দিশত নামনি অসমত বৰপেটা ৰ'ড এখন গুৰুত্বপূৰ্ণ নগৰ।

এইখন নগৰতে প্ৰবীৰহঁতৰ ঘৰ। ইয়াৰে বঙালী মাধ্যমৰ স্কুল এখনৰপৰা সি মাধ্যমিকত চতুৰ্থ স্থান অধিকাৰ কৰিছিল। পৰীক্ষাত এনে এটা ফলাফল প্ৰবীৰৰ বাবে অভাৱনীয় আছিল। অৱনী সেনেও ইমানখিনি আশা কৰা নাছিল। ঘটনাটোৱে প্ৰবীৰহঁতৰ ঘৰখনলৈ অপাৰ আনন্দ কঢ়িয়াই আনিলে। মুমূৰ্ষু অৱনী সেনে উজ্জ্বল ভৱিষ্যতৰ সপোন দেখিবলৈ পালে। সীমিত সামৰ্থ সত্ত্বেও নিজে গৈ অসমৰ নামজ্বলা কটন মহাবিদ্যালয়ত প্ৰবীৰৰ নাম লগাই দি আহিলে।

ৰাজ্যিক বাচৰপৰা নামি প্ৰবীৰ ৰিক্সা এখনেৰে ঘৰলৈ আহিল। বিগত পাঁচ বছৰ ধৰি নগৰখনৰ লগত তাৰ তেনেকৈ সম্পৰ্ক নাই। চাৰি পাঁচ মাহৰ মূৰে মূৰে আহে। প্ৰত্যেকবাৰতে কিছু কিছু পৰিৱৰ্তন দেখিবলৈ পায়। দেখিবলৈ পায় বাচ-টেক্সি চাইকেল-ৰিক্সাৰ ক্ৰমবৰ্ধমান ব্যৱস্থা। বেংকৰ চাকৰি পোৱাৰ পাছত দা-দৰমহা লৈ ঘৰলৈ আহি আছে। তথাপি মনটো আজি অনিশ্চয়তাৰে গধুৰ।

পাৰমিতাৰ কথাটো জনালে ঘৰত কেনেকুৱা পৰিস্থিতি বা উদ্ভৱ হয়?

পাঁচ বজাৰ আগেয়েই প্ৰবীৰ ঘৰ পালেহি। দেউতাক অৱনী সেন ঘৰত নাই। কলেজত পঢ়া ভায়েক সুবীৰকো দেখা নগ'ল। ডাঙৰজনী ভনীয়েকে এইবাৰ মেট্ৰিক দিছে। তাইৰ নাম সীমা। ককায়েকক দেখিয়ে সীমা ওলাই আহিল। 'বৰদা' আহিছে বুলি চিঞৰি উঠি আহিল সৰু ভনীয়েক ক্ষমা। কামত ব্যস্ত সিহঁতৰ মাক মাধৱীও ভিতৰত থাকিব নোৱাৰিলে। চাৰিমাহৰ পাছত বৰপুত্ৰ ঘৰলৈ আহিল। ঘৰত আনন্দোচ্ছল এটা পৰিৱেশ সৃষ্টি হ'ল। পৰম আত্মীয়সকলৰ উৎফুল্ল সান্নিধ্যত প্ৰবীৰৰো ভাল লাগিল। পাৰমিতাক লৈ অনিশ্চয়তাজনিত আশংকাটো নাইকিয়া হ'ল। প্ৰবীৰে দেউতাকৰ স্বাস্থ্যৰ কথা সুধিলে। সুবীৰ ক'লৈ গৈছে জানিবলৈ বিচাৰিলে। সংক্ষেপে সেইবোৰ কৈ মাধৱীয়ে পুতেকক জলপান খাবলৈ মাতিলে।

পেণ্ট-চাৰ্ট সলাই প্ৰবীৰে মুখ-হাত ধুলে। মাকে যতনাই দিয়া চাহ-জলপান খালে। তাৰপাছত বাহিৰৰ কোঠালৈ আহি প্ৰবীৰে দেখিলে, হাৰাধন চক্ৰৱৰ্তী বহি আছে।

হাৰাধন চক্ৰৱৰ্তী প্ৰবীৰৰ দেউতাকৰ সহকৰ্মী। গঢ় উচ্চতাৰ ক'লা মানুহজন। শকত আৱত। টপামূৰ। সাজ-পোচাকত পৰিপাটী। ধুতি-পাঞ্জাবিৰে বঙালীবাবু। গুৱাহাটীৰপৰা প্ৰবীৰ ঘৰলৈ অহা খবৰ পালেই চক্ৰৱৰ্তীয়ে তাক লগ কৰিবলৈ আহে। পঢ়া-শুনাৰ খা-খবৰ লয়। দেশৰ পৰিস্থিতিলৈ আলোচনা কৰে।

প্ৰবীৰৰ কুশল সংবাদ লোৱাৰ পাছত আজিও হাৰাধন চক্ৰৱৰ্তীয়ে ক'লে, "তুমিতো এতিয়া অসমৰ ঘাই ঠাইত থাকি পঢ়া-শুনা কৰিছা। গুৱাহাটী বিশ্ববিদ্যালয়খনেই হ'ল অসমৰ পলিটিক্সৰ ঘাঁটি। তাৰপৰাই ছাত্ৰ-ছাত্ৰী আৰু প্ৰফেচৰসকলে আন্দোলনৰ পৰিকল্পনা কৰে, পৰিচালনা কৰে। কাকতে-পত্ৰে পঢ়ি আছো, উগ্ৰবাদী সংগঠনটো বেচ সক্ৰিয় হৈ পৰিছে। অসমক হেনো সিহঁতে ভাৰতৰপৰা বেলেগ কৰি পেলাব। তুমি কেনে দেখিছা? অসমত আমি থাকিব পাৰিমনে?"

হাৰাধন চক্ৰৱৰ্তী প্ৰবীৰৰ শিক্ষকো। বঙালী ভাষা-সাহিত্য, বঙালী সংস্কৃতি চক্ৰৱৰ্তীৰ ধ্যান-জ্ঞান। কলিকতাৰপৰা প্ৰকাশিত 'আনন্দ বাজাৰ পত্ৰিকা'ৰ নিয়মীয়া পাঠক। অসমৰ ৰাজনীতিতকৈ পশ্চিমবঙ্গৰ ৰাজনীতি লৈ আলোচনা কৰি তেওঁ বেছি ভাল পায়। ইষ্টবেঙ্গল, মোহনবাগান ক্লাবৰ ফুটবল খেলৰ খা-খবৰ ৰাখে। তেওঁৰ পৰিয়ালৰ এভাগ থাকে শিলিগুৰিত। তাত তেওঁৰ ল'ৰা এটাই কলেজত পঢ়ি আছে। শিক্ষকতাৰপৰা অৱসৰ লোৱাৰ পাছত বাকী জীৱনটো চক্ৰৱৰ্তীয়ে হেনো শিলিগুৰিত কটাব।

"থাকিব পাৰিম মানে!" ভিতৰি ভিতৰি অলপ বিৰক্ত হৈ প্ৰবীৰে ক'লে, "এয়া, আমিচোন আছোৱেই।"

"নহয়, মানে— মাজে-সময়ে একো একোটা ইছু লৈ 'হুজুগ' উঠেতো। জানাই নহয়, ইছুভিত্তিক আন্দোলন মানেই মাৰপিট, ঘৰ জ্বলোৱা, উচ্ছেদ...। যাঠিত হ'ল, বাসত্তৰত হ'ল। ইফালে সাতসত্তৰৰপৰা বিদেশী খেদা আন্দোলন চলিয়েই আছে। তদুপৰি এতিয়াৰ এই বিচ্ছিন্নতাবাদী আন্দোলনটো সশস্ত্ৰ। একেবাৰে বন্দুক পিষ্টল, এ-কে-৪৭ আদি আধুনিক অস্ত্ৰলৈ কাৰবাৰ।"

"যি কি নহওক, বাংলা-ভাষীসকল এতিয়াও অসম এৰি যাবলগীয়া হোৱা নাই।"

"এইটো অৱশ্যে হয়। যাবলৈ হ'লেও যামনো ক'লৈ? দেশ ভাগ হোৱাত আমি ছিন্নমূল। মাৰ খালেও আমি ইয়াতেই থাকিবলগীয়া হৈছো।"

"আমি যে মাৰ খাইছো, তাৰ বাবে আমিও কিছু পৰিমাণে জগৰীয়া, খুৰা।"

"আমি জগৰীয়া! আমাৰ কি অন্যায় দেখিলা হে তুমি?"

"অসমত গঢ় লৈ উঠা আন্দোলনবোৰৰ অকল নিগেটিভ দিশবোৰ লৈয়ে আমি ভাবো। নিজকে অসমবাসী বুলি ভাবি অসমৰ সমস্যাবোৰ বুজিবলৈ চেষ্টা নকৰো। আমি অধিকাংশ বঙালীয়ে স্থানীয় অসমীয়াৰ ভাব-অনুভূতিক মূল্য দিব নিবিচাৰো। অসমলৈ আহিছো, অসমৰ খাইছো, অসমতে ডাঙৰ-দীঘল হৈছো। অথচ স্থানীয়সকলক এতিয়াও আমি পতিয়ন নিয়াব পৰা নাই যে আমিও অসমৰ উন্নতি বিচাৰো।"

হাৰাধন চক্ৰৱৰ্তী থৰ লাগি গ'ল। এইবোৰ প্ৰবীৰে কি কৈছে? তাৰ মাত-কথাত অসমীয়া-প্ৰীতি প্ৰকাশ পাইছে! তেওঁৰ দৃষ্টি সন্দিগ্ধ হৈ পৰিল। নিতাল মাৰি খন্তেক বহি থাকি চক্ৰৱৰ্তীয়ে ক'লে, "চোৱা বোপাই, কিয় তুমি আজি এইটো সুৰত এইবোৰ কৈছা, মই হ'লে বুজিব পৰা নাই। মাতৃভূমি এৰি আমি যে এইখন দেশলৈ আহিছো, নিজৰ দেশ বুলি ভাবিয়ে আহিছো। ইয়ালৈ অহাৰ সময়ত আমি কল্পনাও কৰিব পৰা নাই যে আমাৰদ্বাৰা কোনো জাতিৰ ভাষা-সংস্কৃতি বিনষ্ট হ'ব। আমি কেতিয়াও নিবিচাৰো অসমীয়া ভাষা, অসমীয়া জাতিৰ অস্তিত্ব বিনষ্ট হওক। তথাপি প্ৰত্যেকবাৰৰ আন্দোলনত আমি বেয়াকৈ মাৰ খাইছো। সকলো কপাল, বুইছা। এইবোৰ হ'ল বঙালীৰ অদৃষ্ট। দেশ ভাগ কৰি বৃটিছৰ লগত আপোচ কৰি গান্ধী মহাৰাজে স্বাধীনতা আনিলে। ভিক্ষা কৰি অনা এই স্বাধীনতা আমাৰ বাবে স্বাধীনতা নহয়। এই স্বাধীনতাৰদ্বাৰা বঙালীৰ কংকাল ভাঙি দিয়া হ'ল। স্বাধীনতাৰ পাছত হিন্দু-মুছলমানৰ দাঙ্গাত হেজাৰ হেজাৰ বঙালীৰ মৃত্যু হ'ল, লক্ষ লক্ষ বঙালী উচ্ছেদ হ'ল, শৰণাৰ্থী হিচাপে এইখন দেশলৈ আহি

পুনৰ উচ্ছেদ হ'ল, পুনৰ লাঞ্ছনা গণহত্যাৰ চিকাৰ হ'ল। নাই, কোনোদিনেই বঙালীয়ে আৰু কঁকাল পোন কৰি থিয় হ'ব নোৱাৰে।"

তেওঁ উত্তেজিত হৈ পৰিল। ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে ক্ষুদিৰাম, প্ৰফুল্ল চাকি, বিনয়-বাদল-দিনেশ, সূৰ্য সেনৰপৰা আৰম্ভ কৰি সুভাষ চন্দ্ৰ বসুলৈকে কত শত বঙালীয়ে মৃত্যুবৰণ কৰিলে। কিন্তু ভাৰতবৰ্ষৰ শাসনভাৰ লাভ কৰিলে বৃটিছক তোষণ কৰি থকা সামন্তবাদী বুৰ্জোৱা গোষ্ঠীয়ে। সেই শাসন ক্ষমতা নিজৰ অধিকাৰত ৰাখিবৰ বাবে কেনেকৈ বঙালীক প্ৰতাৰণা কৰিলে, সেই প্ৰক্ৰিয়াটো অব্যাহত ৰাখিবৰ বাবে দিল্লীৰ গাদ্দিত বহা শাসকসকলে কেনেকৈ চক্ৰান্ত চলাই আছে ... সেইবোৰৰ দীঘলীয়া তালিকা দাঙি ধৰিলে। শেষত প্ৰচণ্ড ক্ষোভ আৰু হতাশাৰে চক্ৰৱৰ্তীয়ে ব্যক্ত কৰিলে, পূব-বাংলাৰ হিন্দু বঙালীসকল যে আজি ভাৰতবৰ্ষত বিভিন্ন জাতিৰ কৃপাপ্ৰাৰ্থী— এয়া হ'ল বঙালীসকলৰ জাতীয় জীৱনৰ বাবে এটা অভিশাপ। পৰাধীন ভাৰতবৰ্ষত ভাৰতীয় জাতীয়তা-বোধ জাগৰণৰ ক্ষেত্ৰত বঙালীসকলে আগ ভাগ লৈছিল। কিন্তু স্বাধীনতা লাভৰ সময়ত দেশ-বিভাজন স্বীকাৰ কৰি লৈ ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছে যিটো পাপ কৰিলে, তাৰ প্ৰায়শ্চিত্ত কৰিছে বঙালীসকলে।

এইবোৰ গৰম বক্তৃতা। প্ৰবীৰে কিবা ক'লেই চক্ৰৱৰ্তীৰ উত্তেজনা বাঢ়িব। সি নিমাতে থকাটোকে উচিত বিবেচনা কৰিলে।

হাৰাধন চক্ৰৱৰ্তী ব্যথিত। তেওঁলৈ চাই প্ৰবীৰৰ বেয়া লাগিল। অসমত জন্ম লৈছে যদিও সিও ইয়াত বহুত ক্ষেত্ৰত স্থানীয়সকলৰ অনুগৃহীত হ'বলগীয়া হয়। অসমীয়া জাতি, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি তাৰ কোনো বেয়া ভাব নাই। অসমক মাতৃভূমি বুলি ভাবি প্ৰবীৰেও অসমৰ সৰ্বাংগীন উন্নতি কামনা কৰে। তথাপি অসমীয়া ভাষা-ভাষী সহপাঠীহঁতৰ যে বিশ্বাস-ভৰষাৰ পাত্ৰ হ'ব নোৱাৰে, তাৰো প্ৰমাণ সি বহুত বাৰ পাইছে।

দুইমিনিটমান সময় নীৰৱ থাকি হাৰাধন চক্ৰৱৰ্তীয়ে ক'লে, "বাৰু আজি বহুত কথা পাতিলো। মোৰ কথাবোৰ অলপ বুজিবলৈ চেষ্টা কৰিবা। নিজৰ জাতিটোৰ অতীত জানিব লাগে। অতীত ঐতিহ্যবোৰে চৰিত্ৰ গঠনত সহায় কৰে।"

তাৰপাছত তেওঁ উঠিল। দুখোজ আগবাঢ়ি দুৱাৰমুখলৈ আহি ক'লে, "মই আহোঁ, বহুত দিনৰ মূৰত আহিলা। থাকিবানে দিনচেৰেক?"

"নাই, থাকিব নোৱাৰিম।" প্ৰবীৰে ক'লে, "সোমবাৰে ৰাতিপুৱা যাম বুলি ভাবিছো।"

"অৱশ্যে তোমাক এতিয়া থাকিবলৈ কোৱাটো উচিত নহ'ব। নতুনকৈ চাকৰিত সোমাইছা। ইফালে পঢ়া-শুনাও কৰিছা। তোমাৰ বাবে সময়ৰ মূল্য বহুত বেছি।

পিছে এইবাৰ তোমাৰ লগত কথা-বতৰা হৈ যিটো বুজিব পাৰিলো স্থানীয় জাতীয়তাবাদী সংগঠনবোৰে তোমাক তেওঁলোকৰ সদস্য কৰি ল'বলৈ চেষ্টা কৰিব পাৰে। অলপ চাই-চিতি চলিবা। বহুত কষ্টেৰে সৈতে অৱনীয়ে তোমাক ডাঙৰ-দীঘল কৰি তুলিলে। তোমাক লৈ আমাৰ বহুত আশা।"

তাৰপাছত তেওঁ বিদায় ল'লে।

চক্ৰৱৰ্তীক নগুলামুখলৈ আগবঢ়াই দি প্ৰবীৰ ঘৰলৈ উভতি আহিল।

প্ৰবীৰহঁতৰ ঘৰটো দুচলীয়া। চাল দুখনৰ পাতবোৰ পুৰণি। বেৰকেইখন তৰজাৰ। গোবৰ-মাটিৰে লেপা ওখ ভেটি। দুৱাৰ-খিৰিকীবোৰ কাঠৰ। ঘৰটোৰ সমুখত ঘাঁহহীন সৰু চোতাল। এফালে জবা, ৰজনীগন্ধা, বেলি ফুলৰ গছ। পদূলিৰ ওচৰত ডাঙৰ এজোপা শেৱালী গছ। পূব ফালে ইটাৰে সজা ওখ বেদিত তুলসী গছ।

দিনৰ পোহৰ নাইকিয়া হৈ আহিছে। মাধৱীয়ে 'সন্ধ্যা প্ৰদীপ' আৰু ধূণা লৈ তুলসীজোপাৰ সমুখলৈ আহিল। তুলসীজোপাৰ বেদিত সেইবোৰ থৈ ৰঙাপাৰিৰ শাড়িৰ আচলখন তেওঁ ডিঙিত মেৰিয়াই ল'লে। তাৰপাছত হাতযোৰ কৰি বিনম্ৰভাৱে সেৱা জনালে গৃহদেৱতালৈ। তেওঁৰ স্বাস্থ্য বেয়া। মুখখন শেঁতাপৰা। তথাপি হৃদয়ৰ সকলো পৱিত্ৰতাৰে মাধৱীয়ে কামনা কৰিলে, স্বামী আৰু সন্তানকেইটি যেন কুশলে-মংগলে থাকে।

প্ৰবীৰে স্নেহময়ী মাকৰ ফালে চালে। তেতিয়াই তাৰ মনত পৰিল পাৰমিতালৈ। তাইৰ বিষয়ে এইবাৰ মাকক ক'ব বুলি ভাবি আহিছে। কিন্তু কোনটো প্ৰসংগত কেনেকৈ তাইৰ কথা ক'ব প্ৰবীৰে ভাবি নাপালে। তথাপিও সি বহুত ভাবি-চিন্তি ক'ম বুলি ভবা কথাষাৰ মাকৰ আগত ক'বলৈ দৃঢ় প্ৰতিজ্ঞ হৈ সুযোগৰ অপেক্ষা কৰি থাকিল। মাকে সন্ধ্যা আৰতি কৰি উঠি ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

ইতিমধ্যে প্ৰবীৰৰ দেউতাক অৱনী আহিল। বহাগ মাহৰ গৰম। কামিজটো সোলোকাই থৈ শুদা গাৰে বাহিৰৰ বাৰান্দালৈ আহিল। বাৰান্দাত পাৰি থোৱা কাঠৰ চকী এখনত বহিল।

স্কুলত ক্লাছ লোৱাৰ উপৰিও অৱনীয়ে পাছবেলা দুঠাইত টিউচন কৰে। বিৰক্তি বিতৃষ্ণা লৈ ঘৰলৈ উভতে। বহুত পৰলৈকে কাৰো লগত মাত-বোল নকৰে। স্বাস্থ্য বেয়া হৈ পৰিছে। চকু দুটাও সোমোৱা যেন হৈছে। গাল দুখনো হনু ওলাইছে। মুখখন ৰুক্ষ। যেন এৰাব নোৱৰা কেতবোৰ দায়িত্বৰ বাবে বাধ্য হৈহে জীয়াই আছে।

অৱনীৰ সমুখলৈ আহি সুস্বাস্থ্যৰ অধিকাৰী, ডেকো, বুদ্ধিদীপ্ত, মেধাবী প্ৰবীৰ থিয় হ'ল। সমুখত বিনম্ৰভাৱে থিয় হোৱা প্ৰবীৰৰফালে চাই অৱনীয়ে গৰ্ব অনুভৱ

কৰিলে। পুতেকে চাকৰি পাইছে। দৰমহাৰ টকাৰে ঘৰৰ সকলোৰে বাবে কাপোৰ আনিছে। সেইবোৰ শুনি তেওঁ ভাল পাইছে। কিন্তু মেধাবী ল'ৰাটোৰ পঢ়াৰ খৰচ দিব নোৱাৰিলে সেইটোৱে তেওঁক অনবৰত খুঁচি আছে।

যিহওক, পুতেকক আগত বহুৱাই লৈ চাকৰিৰ কথা, পঢ়া-শুনাৰ কথা, পঢ়া-শুনাৰ লগত চাকৰি কৰাটো কেনেকৈ সম্ভৱ হৈছে, খোৱা-বোৱা কেনেকৈ কৰিছে, ৰিহাবাৰীত নতুনকৈ ঘৰভাৰা লৈছে— ভাৰাঘৰটোত সুবিধা-অসুবিধা আদিৰ বিষয়ে বহুত সময় ধৰি অতি আগ্ৰহেৰে সকলো সোধ-পোছ কৰিলে। দুৱাৰমুখত থিয় হৈ আছিল মাধৱী। ৰক্তশূন্যতাত নিশকতীয়া মাধৱীয়েও দুটা-এটা কথা জানিবলৈ বিচাৰিলে। পঢ়া-শুনা কৰি, ৰাতিপুৱা দহ বজাৰপৰা আবেলি পাঁচ বজালৈ অফিচ কৰি পুতেকে নিজেই ৰান্ধি-বাঢ়ি কি খাইছে কি নাখাইছে ... আদি বিলাপ কৰি মাধৱীয়ে নিজেই ভাগ্যক অভিশম্পাত কৰিলে। অৱনী সেনে তেতিয়া পত্নীৰ ওপৰত খং প্ৰকাশ কৰি ক'লে, জীৱনত উন্নতি কৰিবলৈ হ'লে এইটো বয়সত পুতেকে কষ্ট অলপ কৰিবই লাগিব।

মাক-দেউতাকে সোধা প্ৰশ্নবোৰৰ উত্তৰ দি থাকিলেও প্ৰবীৰৰ মনত পাৰমিতাৰ চিন্তা। কথাটো পাতিবই লাগিব। মাক-দেউতাকৰপৰা অনুকূল সঁহাৰি পাব বিচাৰে। কিন্তু দেউতাকৰ আগত কথাটো উলিয়াবলৈ সাহস নহ'ল। ইফালে নক'লেও উপায় নাই। ৰাতি শুব নোৱাৰিব।

ঘৰৰ সকলোৱে নিশাৰ সাঁজ ভাত-পানী খাই উঠিল। মুখ-হাত ধুই প্ৰবীৰে লাহে লাহে পাকঘৰৰ দুৱাৰমুখলৈ আহি থিয় হ'ল। পাকঘৰত মাধৱী কামত ব্যস্ত। প্ৰবীৰে অলপ সময় ল'লে। তাৰ পাছত 'মা' বুলি মাতষাৰ দি চমুকৈ পাৰমিতাৰ বিষয়ে ক'লে।

ভবাতকৈ বেছি সংক্ষেপে কোৱা হ'ল। কথাটো বুজিবলৈ মাধৱীৰ অলপ সময় লাগিল। তেওঁ এগৰাকী নিম্ন-বিত্ত বঙালী পৰিয়ালৰ সাধাৰণ মহিলা। লিখা-পঢ়াত সিমান আগবাঢ়িব পৰা নাই। প্ৰেম-প্ৰণয় সম্পৰ্কে তেওঁৰ ধাৰণা ভাল নহয়। মাধৱীৰ বিবেচনাত পঢ়া-শুনা নকৰা অঘাইতং ল'ৰা-ছোৱালীহঁতেইহে সেইবোৰ কৰি থাকে। সকলোৱে ভাল বুলি কোৱা, স্কুল-কলেজত ষ্টেণ্ড কৰা তেওঁৰ পুতেকেও যে প্ৰেমত পৰিব পাৰে— এইটো আছিল মাধৱীৰ কল্পনাৰো অতীত। মাধৱীৰ মূৰৰ ওপৰত আকাশ ভাঙি পৰিল। বহুত পৰলৈকে তেওঁ মাতিব নোৱাৰিলে। যেন ইমান দিন ধৰি মৰমেৰে আকোৱালি ৰখা বুকুৰ ধনটোক পাৰমিতাই তেওঁৰপৰা চুৰ কৰি লৈ গৈছে। কোনোদিন নেদেখা পাৰমিতা তেওঁৰ কল্পনাত কালযখিনীৰ ৰূপ ল'লে। পাকঘৰৰ সৰা-পোচাৰ কামখিনি তেনেকৈয়ে পেলাই থৈ তেওঁ অৱনীৰ কাষ পালেহি।

বিছনাত বাগৰি অৱনীয়ে তেতিয়া 'যুগান্তৰ' বাতৰি কাকতখন পঢ়ি আছে।
"কি হ'ল?" সন্মুখৰপৰা বাতৰিখন গুচাই অৱনীয়ে সুধিলে।
দুখ-বেদনাৰে ভাগি পৰি মাধৱীয়ে ক'লে, "কি আৰু হ'ব! হ'বলৈ কিটো আৰু বাকী আছে!"
"ওহোঁ— কথাটো ভাঙি নোকোৱা কিয়?"
"পুতেৰাক পঢ়িবলৈ গুৱাহাটীলৈ পঠিয়ালা— পঢ়িবলৈ গৈ সি অসমীয়া ছোৱালী এজনীৰে সৈতে প্ৰেম কৰিছে। সি হেনো তাইক বিয়া কৰাব।"
অৱনী গহীন হৈ পৰিল। চিএঞৰ-বাখৰ কৰাটো তেওঁৰ স্বভাৱ নহয়। একেৰাহে কেইবাটাও প্ৰশ্ন সুধি পত্নীৰপৰা প্ৰবীৰে কোৱা কথাখিনি জানি ল'লে। প্ৰবীৰ ডেকা হৈছে। পছন্দ কৰা ছোৱালীজনীক ভালপোৱাটো একো বেয়া নহয় ... এনে এটা ভাবেৰেই অৱনীয়ে কথাটো গ্ৰহণ কৰিবলৈ লৈছিল। কিন্তু ছোৱালীজনী গুৱাহাটীৰ। অসমীয়া ভাষী। সিহঁতৰ ঘৰৰ অৱস্থাও ভাল। তাইৰ দেউতাক-ককায়েক অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়া। সেইখন ঘৰৰ লগত নিজৰ ঘৰখনৰ তুলনা কৰি হীনমান্যতাৰ যন্ত্ৰণাৰে অৱনী কোচ খাই গ'ল। — এয়া কি হ'ল? ল'ৰাটোৱে এনেকুৱা কাণ্ড কিয় কৰিলে? প্ৰবীৰ— তেওঁৰ বৰ পুত্ৰ। সকলোৱে তাক ভাল বুলি কয়। প্ৰকৃততেই সি ভাল। তাৰ স্বভাৱ-চৰিত্ৰ সম্পৰ্কে কাৰো অভিযোগ নাই· সেই প্ৰবীৰে এনেকুৱা এটা কাণ্ড কৰিব পাৰিলেনে? হতভম্ব অৱনী বহুতপৰ নিতাল মাৰি বহি থাকিল।
নিশা চাৰে দহ বাজিল। প্ৰবীৰৰ ভায়েক সুবীৰ আৰু ভনীয়েক দুজনী বিছনাত পৰিলেই। প্ৰবীৰ শোৱা দূৰৈৰ কথা— কোঠালৈকে অহা নাই। সমুখৰ চোতালখনত পাইচাৰি কৰি আছে। নিশা গভীৰ হৈ আহিছে। পৰিবেশটোও নিজম হৈ পৰিছে। যিমানেই নিজম হৈ পৰিছে, প্ৰবীৰৰ ভিতৰখন সিমানেই অস্থিৰ হৈ উঠিছে।
এনেতে ভিতৰৰপৰা ওলাই আহিল অৱনী। প্ৰবীৰবলৈ খন্তেক চাই থাকি কাষৰ চকী এখনত বহিল। হাতত বাঁহৰ বিচনি। গৰমতকৈ মহৰ কামোৰৰপৰা হাত সাৰিবৰ বাবে তেওঁ বিচনিখন ব্যৱহাৰ কৰিছে। অলপ শব্দ কৰি বিচনিখন ঘূৰাই অৱনীয়ে নিজৰ উপস্থিতিৰ জাননী দিলে। তথাপি প্ৰবীৰ নাহিল। অৱশেষত অৱনীয়ে মাতিলে, "ইয়ালৈ আহ। বহচোন ইয়াত—।"
তাৰমানে দেউতাকে সোধ-পোছ কৰিব। প্ৰবীৰ তাৰ বাবে প্ৰস্তুত নহয়। সেই বুলি সি ভয় নাখালে। চাকৰি পোৱাৰ পাছত তাৰ মনত আত্মবিশ্বাস এটা সৃষ্টি হৈছে। আৰ্থিক স্বনিৰ্ভৰতাই তাক নিৰ্ভয় কৰি তুলিছে। প্ৰবীৰ আগবাঢ়ি আহিল। বাৰাণ্ডাত উঠি খুঁটা এটাৰ কাষত থিয় হ'ল।

"ছোৱালীজনীৰ লগত তোৰ কিমান দিনৰ সম্পৰ্ক?"

ভূমিকা নকৰি পোনপটীয়া প্ৰশ্ন। প্ৰবীৰে দেউতাকৰ মুখলৈ চাব নোৱাৰিলে। তলমূৰ হৈ শান্তভাৱে ক'লে, "কটনত নাম লগোৱাৰেপৰা।"

"সঁচাকৈয়ে তাইক বিয়া কৰাম বুলি থিৰাং কৰিছ নেকি?"

প্ৰবীৰ নিৰুত্তৰ।

"তাইক বিয়া কৰাবি বুলি ভাবিয়েই তই চাকৰিত জইন কৰিলি, নহয়নে?"

অৱনীৰ মাতত খং। দুচকুত সন্দেহ।

প্ৰবীৰৰ বেয়া লাগিল। তাৰ মাতিবৰ মন নগ'ল।

"কি হ'ল? নামাত কিয়?"

সৰুকৈ নিশ্বাস এটা পেলাই প্ৰবীৰে ক'লে, "তাইক বিয়া কৰোৱা-নকৰোৱাৰ লগত চাকৰিত জইন কৰাৰ কোনো সম্পৰ্ক নাই। ঘৰৰ কথা ভাবিয়ে মই চাকৰি লৈছো।"

"সেইটোৱেই যদি হয় তেনেহ'লে এতিয়াই সেইজনীক বিয়া কৰোৱাৰ প্ৰশ্ন উঠিলে কিয়?"

"এতিয়াই বিয়া কৰাম বুলি মই কোৱা নাই। তোমালোকেহে তেনেকৈ ভাবি লৈছা। তাইৰ লগত মোৰ সম্পৰ্কটোৰ বিষয়ে তোমালোকক জনোৱাটো উচিত বুলি ভাবি মাক কোৱা মাত্ৰকে মায়ে তোমাক তেনেকৈ ক'লে।"

"এম এচ চি পঢ়া?"

"পঢ়ি আছো।" দেউতাকৰ ফালে চাই প্ৰবীৰে ক'লে, "তাইৰ লগত সম্পৰ্ক থকা সত্বেও বি এছ চিত মই বেয়া ৰিজাল্ট কৰা নাই। একে চব্জেক্টৰ ষ্টুডেন্ট আমি। লগ পোৱাৰেপৰা পঢ়া-শুনাত তাই মোৰ সহায়হে হৈছে। এতিয়া চাকৰি কৰিছো, ক্লাছ কৰিব পৰা নাই— কিতাপ-পত্ৰ, ক্লাছ-নট্চ দি তায়ে মোক সহায় কৰি আছে।"

অৱনী দমি গ'ল। প্ৰেম কৰিও প্ৰবীৰে যে পৰীক্ষাৰ ফলাফল বেয়া কৰা নাই— কথাটো মিছা নহয়। অৱনীৰ বিশ্বাস, এম এচ চিতো সি বেয়া নকৰে। প্ৰবীৰক লৈ তেওঁৰ ভয় আন কেতবোৰ কথাৰ বাবে। সেইবোৰ ক'ব পৰা নাই। অৱশেষত ক্ষোভ আৰু যন্ত্ৰণাৰে ভৰা মাতেৰে তেওঁ ক'লে, "তাৰ মানে অসমীয়া ছোৱালী বিয়া কৰাই তই অসমীয়া হ'ব খুজিছ।"

"দেউতা!" প্ৰবীৰে চিঞৰি দিলে, "এয়া তুমি কি কৈছা! অসমীয়া-বঙালীৰ মাজত বহুত বিয়া হৈছে। অসমীয়া ছোৱালীক বিয়া কৰালেই মই অসমীয়া হৈ যাম এইটো তোমাৰ ভুল ধাৰণা।"

"ভুল ধাৰণা মানে!" অৱনীয়ে গেঙেৰি মাৰি উঠিল, "মোহত পৰি তাইক লৈ যিটো ভাবিছ— বিয়াৰ পাছত তোৰ কেনেকুৱা এটা অৱস্থা হ'ব, সেইটো তই ভাবিবই পৰা নাই। এনেয়ে অসমীয়াই আমাক দেখিব নোৱাৰে। বাংলাদেশী বুলি গালি পাৰে। অসমীয়া ভাষা-সাহিত্যক সংকটত পেলাইছো বুলি খং-আক্ৰোশত আমাৰ ওপৰত জ্বলি থাকে। বঙালী হৈ তই অসমীয়া ছোৱালী বিয়া কৰাবি। ইমান লিখা-পঢ়া শিকি তই কি জানিলি?"

এফালৰপৰা চাবলৈ গ'লে দেউতাকে কোৱা কথাবোৰ একেবাৰে মিছা নহয়। এচাম উগ্ৰ আঞ্চলিকতাবাদী অসমীয়া, বঙালীসকলৰ প্ৰতি যে বিদ্বেষ-পৰায়ণ এইটোও সত্য। কিন্তু বঙালী জাতি, বাংলা সাহিত্যক ভাল পোৱা উদাৰ অসমীয়াও বহুত আছে। কিন্তু সেইবোৰ বিতৰ্কলৈ নগৈ প্ৰবীৰে ক'লে, "পাৰমিতা তেনেকুৱা ছোৱালী নহয়।"

"মোহত পৰি তাইক তই ভাল দেখিছ।" দুগুণ খঙেৰে জ্বলি উঠিল অৱনী, "সেইখন সমাজৰপৰা তাই বেলেগ নেকি? সম্প্ৰদায়গত টানৰ উৰ্ধত তাই থাকিব পাৰিব নে? নাই নোৱাৰে। সেইটো ইমান সহজ কথা নহয়।"

"তাই সেইবোৰৰ উৰ্ধত থাকিব পাৰিব বুলিয়েই মোৰ বিশ্বাস।"

"তই তেনেহ'লে মুৰ্খৰ স্বৰ্গত বাস কৰিছ।"

প্ৰবীৰে লক্ষ্য কৰিলে, দেউতাক ভিতৰি ভিতৰি উত্তেজিত। এইটো অৱস্থাত তেওঁৰ লগত যুক্তি-তৰ্কেৰে কথা-বতৰা হোৱাটো সম্ভৱ নহয়।

অৱশ্যে ইমানখিনি কোৱাৰ পাছত অৱনী অলপ বিচলিত হৈ পৰিল। আজিৰ নিচিনাকৈ তেওঁ কাহানিও প্ৰবীৰক গালি পৰা নাই। খন্তেকৰ ভিতৰত অৱনীৰ খং-উত্তেজনা জামৰি আহিল। প্ৰবীৰ এতিয়া স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ। মোটামুটি ভাল চাকৰি এটাও পাইছে। সি আৰু বাপেকৰ ওপৰত নিৰ্ভৰশীল নহয়। কঠোৰভাৱে গালি পাৰিলে ভালতকৈ বেয়া হোৱাৰ সম্ভাৱনাই বেছি। অৱনীয়ে অসহায় বোধ কৰিলে। কাতৰভাৱে পুতেকৰ ফালে চাই থাকিল। তাৰপাছত মাতটো নৰম কৰি ক'লে, "শুন বোপাই, পঢ়াত তই ভাল। ভাবিছিলো, এম এচ চি পৰীক্ষাত ভাল ফলাফল কৰি অল্ ইণ্ডিয়া বেচিচৰ চাকৰি এটা লৈ অসমৰ বাহিৰলৈ গুচি যাবি। তেতিয়ালৈ সীমাকো বিয়া দিব পাৰিম। সুবীৰেও ইতিমধ্যে বি এছ চি পাছ কৰি ওলাব। হায়াৰ ষ্টাডিজৰ বাবে তাক তোৰ তালৈ পঠিয়াই দিম। ইফালে মোৰ চাকৰি শেষ হৈ আহিব। অৱসৰ লোৱাৰ পাছত প্ৰভিডেণ্ট ফাণ্ডৰ ধনেৰে ক্ৰমাক বিয়া দি ইয়াৰ মাটি-বাৰী বিক্ৰী কৰি শিলিগুৰিৰ ফালে গুচি যাম। অথচ তই এতিয়া কৈছ— অসমীয়া ছোৱালী এজনীক বিয়া কৰাবি।

অসমীয়া ছোৱালীজনীক বিয়া কৰাই অসমত থাকিবি! হায়, মোৰ কি দুৰ্কপাল! তই মোৰ সকলো আশা-আকাংক্ষাত চেঁচা পানী ঢালি দিলি! গোটেই জীৱন মই কষ্ট কৰিলো। শেষ জীৱনত সুখ অকণ পাম বুলি আশা পালি এতিয়া দেখিছো সেইকণো মোৰ কপালত নাই।"

এইবোৰ বিননি। প্ৰবীৰৰ সহ্য নহ'ল। বাৰাণ্ডাৰপৰা চোতাললৈ নামিল। চোতালৰ-পৰা আহিল ৰাস্তালৈ। আকৌ সি অস্থিৰ।

চুবুৰীয়া ঘৰবোৰৰ পোহৰবোৰ নুমাই গৈছে। মাজ নিশাৰ সুসুপ্তিৰ আমেজত বুৰ গৈ সকলোৱে দিনৰ ক্লান্তি দূৰ কৰিছে। ওৱে দিনটো প্ৰবীৰৰো আজি যথেষ্ট পৰিশ্ৰম হৈছে। অফিচৰ কাম-কাজৰ উপৰিও গুৱাহাটীৰপৰা বৰপেটা ৰ'ডলৈ তিনিঘণ্টাৰ বাচ ভ্ৰমণ, পাৰমিতাৰ বিষয়ে কথা পতা-নপতা লৈ মানসিক টনা-আজোৰা ... তথাপি তাৰ দেহাত এতিয়া ভাগৰ নাই। মূৰৰ ওপৰত পৰিষ্কাৰ আকাশখন অসংখ্য তৰাৰে জিল-মিল। সেইবোৰ প্ৰবীৰৰ নজৰত পৰা নাই। সেইবোৰলৈ চকু দিব পৰা মনৰ অৱস্থা তাৰ এতিয়া নাই। সি অনবৰত পাইচাৰি কৰি আছে।

"সকলোৱে কয়, ল'ৰাটো মোৰ ৰত্ন। মই হেনো ভাগ্যবান পিতৃ। আজিহে বুজি পাইছো, মই কিমান ভাগ্যবান! পঢ়া-শুনাত ভাল হৈও সি এইখন কৰিলে।" অৱনীয়ে ভোৰভোৰাই আছে, "এনে এটা কাম কৰিবলৈ যাওঁতে আমাৰ কথা সি নাভাবিলেই। এবাৰো সি ভায়েক-ভনীয়েকহঁতৰ কথা চিন্তা নকৰিলে। ঘৰখনৰ বদনাম ৰটিব। এইবোৰ কেলেংকাৰীৰ পাছত ছোৱালী দুজনীৰ বাবে মই জানো দৰা বিচাৰি পাম! শেষ— সকলো মোৰ শেষ হৈ গ'ল—।"

প্ৰবীৰৰ খং উঠিল। কি বলিয়াৰ নিচিনাকৈ দেউতাকে বলকি আছে! ৰাস্তাৰপৰা নামি প্ৰবীৰ আকৌ বাৰাণ্ডাৰ ওচৰলৈকে আহিল। যেন দেউতাকক সি বুজাই ক'ব, পাৰমিতাক বিয়া কৰালে ঘৰখনৰ কোনো অপকাৰ নহয়। সকলোকে আপোন কৰি লোৱাৰ গুণখিনি তাইৰ আছে। কিন্তু এই মুহূৰ্তত মাক-দেউতাকক তাৰ অসহায় যেন লাগিল। দেশ বিভাজনৰ পাছত ভীত-সন্ত্ৰস্ত অৱস্থাত তেওঁলোকে কিছু বছৰ পূব-পাকিস্তানত থাকিল। তাৰপাছত প্ৰাণ আৰু ধৰ্ম ৰক্ষাৰ বাবে মাতৃভূমি ত্যাগ কৰি আহিল অসমলৈ। অসমত প্ৰবীৰহঁতৰ জন্ম হ'ল। অসম আন্দোলনৰ সময়ছোৱাত জীয়াই থকাটো অনিশ্চিত হৈ পৰিছিল। তথাপি মাক-দেউতাকে অসমতে জীৱনৰ ভেঁটি স্থাপন কৰিলে। নানা প্ৰতিকূলতাত কঠোৰ পৰিশ্ৰম কৰি তেওঁলোকে প্ৰবীৰহঁতক ডাঙৰ-দীঘল কৰি তুলিলে। উদ্দেশ্য মাথো এটাই, ভৱিষ্যতটো নিৰাপদ কৰিব লাগে। কিন্তু আজি ৰবপুত্ৰৰ এনেবোৰ

কথা-কাণ্ড জানিবলৈ পাই অন্তহীন হতাশা আৰু দুখ-বেদনাৰ পাহাৰ লৈ তেওঁলোক বিমৰ্ষ। মাক-দেউতাকৰ ফালে চাই প্ৰবীৰে একো ক'ব নোৱাৰিলে। তাৰ বেয়া লাগিল। পাৰমিতাৰ লগত তেনেকুৱা সম্পৰ্ক গঢ়ি তোলাৰ বাবে সি নিজক জগৰীয়া কৰিলে। কিন্তু পাৰমিতাক সি কেনেকৈ অস্বীকাৰ কৰিব? এতিয়া তাইক পাহৰাটো জানো সম্ভব?

"পুৱতি নিশা, চাৰি বজাই নাই— দেউতাৰাই মোৰ নাম কাঢ়ি মাতি আছে। ইমান সোনকালে মই নুঠো। কিন্তু দেউতাৰাই যেনেকৈ মাতি আছিল— ভাবিলো, কিবা অথন্তৰ হৈছে। ধহমহকৈ উঠি বাহিৰৰ দুৱাৰখন মেলি দেখিলো, দেউতাৰাই বাৰাণ্ডাৰ খুটাটোত গা-আউজাই বহি আছে। চকু দুটা দেখিয়েই গম পালো ৰাতি শুব পৰা নাই। কেইবাবাৰো সোধাৰ পাছত লাহে লাহে তোমাৰ কথাবোৰ ক'লে। কৈ কান্দি পেলালে। হয়, কান্দোন। বৰ মৰ্মান্তিক সেই কান্দোন।"

ইয়াকে কৈ, হাৰাধনত চক্ৰৱৰ্তী ৰ'ল। অদ্ভুৎ দৃষ্টিৰে প্ৰবীৰলৈ চাই থাকিল। যোৱা ৰাতি পাৰমিতাৰ বিষয়ে কোৱাৰ পাছত যিবোৰ ঘটনা ঘটিছিল তাৰ দুখ-যন্ত্ৰণা সহ্য কৰিব নোৱাৰি দেউতাকে হাৰাধন চক্ৰৱৰ্তীৰ ঘৰলৈ গৈছিল। বন্ধুৰ আগত সকলো প্ৰকাশ কৰি তেওঁৰ সহায় বিচাৰিছিল আৰু তাৰ বাবেই যে চক্ৰৱৰ্তী এতিয়া ইয়ালৈ আহিছে সেয়া প্ৰবীৰে অনুমান কৰিব পাৰিলে। সেই বুলি সি বিচলিত নহ'ল। সি নিৰ্বকাৰ হৈ শুনি থাকিল মাথো।

"তোমাৰ যিবোৰ শুনিলো— মইনো আৰু কি ক'ম। তুমি এতিয়া ইউনিভাৰচিটিৰ ষ্টুডেন্ট। তুমি মেধাবী, বুদ্ধিমান— তোমাক বুজাবৰ ক্ষমতানো মোৰ কিমান? তোমালোকৰ ঘৰখনৰ তুমি ডাঙৰ ল'ৰা। তোমাৰ ওপৰত যে ঘৰৰ প্ৰত্যেকৰে বহুত প্ৰত্যাশা এই কথা তোমাক মই বহুত বাৰ কৈছো। মোৰ বোধেৰে তোমাৰ প্ৰতিটো পদক্ষেপ, জীৱনৰ প্ৰতিটো সিদ্ধান্ত বিচাৰ বিবেচনা অনুসৰি হোৱা উচিত। কিন্তু তুমি।"

"খুৰাদেউ।" হাৰাধন চক্ৰৱৰ্তীক শেষ কৰিবলৈ নিদি প্ৰবীৰে কৈ উঠিল, "মই এনেকুৱা কোনো সিদ্ধান্ত লোৱা নাই যাৰ বাবে আমাৰ ঘৰখনলৈ দুখ-যাতনা নামি আহিব পাৰে।"

"সেইটো তোমাৰহে ধাৰণা । তোমাক লৈ দেউতাৰাৰ আশংকাটো কিহৰ সেইটো তুমি বুজিব পাৰিছা নে?"

"পাৰিছো। কিন্তু দেউতাৰ এইটো আশংকা অহেতুক। দেউতাই মিছাকৈ বহুত বেছি ভাবি আছে।"

"নাই ভবা। তুমি যেনেকৈ ধাৰণা কৰি লৈছা, কথাবোৰ তেনেকৈ নঘটে।" হাৰাধন চক্ৰৱৰ্তীয়ে ক'লে, "এইটো বয়সত তোমালোকে ভেদাভেদ নামানা, উচ্চ-নিচ নামানা, ধৰ্ম-সম্প্ৰদায়ৰ বাচ-বিচাৰ নকৰা। অৱশ্যে এইবোৰ যৌৱনৰ ধৰ্ম। এইবোৰ প্ৰকৃততেই ভাল গুণ। কিন্তু সংসাৰখন তেনেকুৱা নহয়। এইটো নিশ্চয় জানিবা। তোমাৰ চৌদিশে স্বাৰ্থপৰ মতলবী মানুহইঁতে খাপ পাতি বৈ আছে। তোমাৰ দুৰ্বলতাৰ সুযোগ লৈ সিহঁতে নিজৰ নিজৰ স্বাৰ্থ আদায় কৰি ল'বলৈ নানাধৰণৰ কুট-কৌশল অৱলম্বন কৰিছে।"

"খুৰাদেউ!" প্ৰবীৰৰ মাতত খং, "এইবোৰ কৈ আপুনি কি বুজাব খুজিছে?"

হাৰাধন চক্ৰৱৰ্তীৰ চকু দুটা ডাঙৰ হৈ উঠিল। তেঁৱো ভিতৰি ভিতৰি উত্তেজিত। উত্তেজিত যদিও নিজকে সংযত কৰি প্ৰবীৰৰ মনোভাৱ বুজি লৈ ক'বলৈ ধৰিলে, "চোৱা প্ৰবীৰ, গুৱাহাটীৰ নিচিনা মহানগৰৰ উচ্চ-বিত্ত সবৰ ছোৱালীহঁতৰ চকু সদায়ে তোমাৰ নিচিনা মেধাবী ল'ৰাহঁতৰ ওপৰত থাকে। ৰূপ-যৌৱনৰ প্ৰলোভন দেখুৱাই সিহঁতে তোমালোকক জালত পেলাবলৈ বিচাৰে।"

"নাই, একো নাজানি-নুশুনি আপুনি তেনেকৈ নক'ব।"

"খং নকৰিবা। খং নকৰি অলপ ধৈৰ্য ধৰা। শুনিবলৈ বেয়া লাগিলেও মোৰ ক'বলগীয়াখিনি শেষ কৰিবলৈ দিয়া।"

খঙত প্ৰবীৰৰ মুখখন ৰঙা ক'লা পৰিল। কাণ-মূৰ গৰম হৈ উঠিল।

"তুমি যিজনীৰ মোহত পৰিছা— তাইৰ বাবে তোমাৰ বিচাৰ-জ্ঞান যে পক্ষপাতিত্বপূৰ্ণ হৈ নপৰিব সেয়া তুমি এতিয়াই নিশ্চিত কৰিব নোৱাৰা।" কুটিল দৃষ্টিৰে প্ৰবীৰৰফালে চাই হাৰাধন চক্ৰৱৰ্তীয়ে ক'লে, "তাইৰ প্ৰভাৱত তুমি তোমাৰ ব্যক্তিসত্তা হেৰুৱাই পেলাবও পাৰা। সেইটোৱেই যদি হয়, তেনেহ'লে তুমি তাইৰ কথামতেই চলিব লাগিব। বিয়াৰ পাছত তেনেকুৱা এজনী ছোৱালীৰ মন ৰক্ষা কৰি চলিবলৈ গৈ এইখন ঘৰ, যিখন ঘৰত তোমাৰ জন্ম, যিখন ঘৰে তোমাক পোহ-পাল দি ডাঙৰ-দীঘল কৰি তুলিলে; সেইখন ঘৰৰ বাবে একোকে কৰিব নোৱাৰিবা। তোমাৰ বাবে সেইটো কিমান বেদনাদায়ক হ'ব ভাবিব পাৰিছা নে? নাই, তুমি ভাবিব নোৱৰা। পঢ়াত চোকা হ'লেও সেইখিনি অভিজ্ঞতা বা জ্ঞান তোমাৰ এতিয়াও হোৱা নাই। আৰু তোমাৰ বয়সীয়া ডেকাহঁতৰ ক্ষেত্ৰত সাধাৰণতে এইটোৱেই হয়। অধিকাংশ ডেকাই যৌৱনৰ আবেগেৰে ভৱিষ্যতক ৰূপ দিয়ে। ভৱিষ্যতৰ সেই ৰূপটোক বাস্তৱ জীৱনত ৰূপায়িত কৰিব নোৱাৰি নিজে কষ্ট পায়, ঘৰখনলৈ নমাই আনে এটা অশান্তি।"

হাৰাধন চক্ৰৱৰ্তীৰ কথাবোৰ উলাই কৰা বিধৰ নহয়। পাৰমিতাক জীৱনসংগীনি

হিচাপে গ্ৰহণ কৰিলে দুখন ঘৰৰ মাজত যে এখন প্ৰাচীৰ থিয় হ'ব, তাতে যে দুয়োখন ঘৰত সমস্যা কিছুমান সৃষ্টি হ'ব সেইবোৰ প্ৰবীৰে চিন্তা নকৰাকৈ থকা নাই। এইবোৰ সি পাৰমিতাক কৈছিলও। তাই মনা নাই।

"প্ৰবীৰ, যিমান যি নকৰা লাগে— নিজৰ স্থিতি আৰু নিজৰ ঘৰখনৰ কথা তুমি মনত ৰাখিবই লাগিব। তুমি ক'ৰপৰা আহিছা— এইটোও তুমি অস্বীকাৰ কৰিব নোৱাৰিবা। তদুপৰি ঘৰৰ এটা সন্তান যেতিয়া মেধাবী হয়, তাৰ মেধাশক্তি অকল তাৰ ব্যক্তিগত সুখ-স্বাচ্ছন্দৰ বাবে নহয়। তাৰ বুদ্ধি, তাৰ মেধা শক্তি, তাৰ কৰ্মশক্তি নিজৰ পৰিয়াল আৰু তাৰ পাছত নিজৰ সমাজখনৰ উন্নতি বিকাশৰ বাবে ব্যয় কৰাটোও তাৰ দায়িত্ব।"

হাৰাধন চক্ৰবৰ্তীয়ে শেষৰ কথাবোৰ জোৰ দি উচ্চাৰণ কৰিলে। প্ৰবীৰে একো ক'ব নোৱৰা হ'ল। ভিতৰখন তাৰ দুৰ্বল হৈ উঠিল।

পাঁচ

ৰাতিপুৱা সাতবজাত প্ৰবীৰ গুৱাহাটীলৈ বুলি ওলাল। গা-পা ধুই খাবলৈ বহি দেখিলে, মাকে চকুপানী টুকিছে। মাকৰ ফালে চাই প্ৰবীৰৰ বেয়া লাগিল। খাবলৈ মন নগ'ল। আনকালে গুৱাহাটীলৈ ওলাওঁতে দেউতাকে তাক আগবঢ়াই দিয়ে। বাচত নুঠালৈকে আলিৰ কাষতে থিয় হৈ থাকে। অথচ আজি মাত এষাৰো নিদি ৰাতিপুৱাতে অৱনী ক'ৰবালৈ ওলাই গ'ল। তাৰ মানে পুতেকৰ মুখদৰ্শন কৰাটোও তেওঁৰ বাবে এতিয়া বেদনাদায়ক। পৰহি আবেলিলৈকে প্ৰবীৰ মাক-দেউতাকৰ মৰমৰ ল'ৰা আছিল। পাৰমিতাক ভালপোৱাৰ কথাটো জনাৰ লগে লগে তেওঁলোকৰ লগত তাৰ সম্পৰ্কটো বেয়া হৈ গ'ল।

মাক-দেউতাকৰ লগত ইমানকৈ মত-বিৰোধ হ'ব বুলি প্ৰবীৰে ভবা নাছিল। সি নিৰাশ হ'ল। ঘৰখনৰ প্ৰতি দায়-দায়িত্ব, কৰ্তব্যবোধৰ কথা কৈ হাৰাধন চক্ৰবৰ্তীয়ে যেনেকৈ অনুশাসন কৰিলে, তাতে প্ৰবীৰৰ মনৰ অৱস্থা অতি বেয়া

হৈ পৰিল। আকৌ সি ভাবিলে, পাৰমিতাৰ লগত তাৰ এনেকুৱা এটা সম্পৰ্ক গঢ়ি নুঠা হ'লেই ভাল আছিল। গঢ়ি উঠিল যদিও তাইক বিয়া কৰাবৰ প্ৰতিশ্ৰুতি কিয় দিলে? ... এয়া এক অন্তৰ দহনকাৰী প্ৰশ্ন। কিন্তু প্ৰশ্নটোৱে বেছিপৰ কষ্ট দিব নোৱাৰিলে। যিয়ে যিমানেই নকওক লাগে, প্ৰবীৰে পাৰমিতাক অস্বীকাৰ কৰিব নোৱাৰে। এতিয়া পাৰমিতাক অস্বীকাৰ কৰা মানেই নিজকে অস্বীকাৰ কৰা।

সঁচাকৈয়ে দেউতাক এইবাৰ বাচ-ষ্টেগুলৈ নাহিল। অৱশ্যে সুবীৰ আহিল। ককায়েকে অসমীয়া ছোৱালী এজনীক ভাল পায় বুলি শুনি সি বেয়া পোৱা নাই। সহজভাৱেই সি প্ৰবীৰৰ লগত মাত-বোল কৰিলে। গুৱাহাটীলৈ গৈ প্ৰবীৰে নতুনকৈ লোৱা ভাৰাঘৰটোত থাকি আহিব বুলিও ক'লে। ভায়েকৰ এইখিনি মৰম লৈ, মনে মনে মাক-দেউতাকক সেৱা জনাই প্ৰবীৰ বাচত উঠিল।

বৰপেটা ৰ'ডৰপৰা বৰপেটা হৈ বহৰি, চেঙা, দৌলাশাল, মুকালমুৱা, হাজো হৈ গুৱাহাটী ... বাচেৰে আঢ়ৈ ঘণ্টাৰ বাট। আলিৰ দুয়োকাষে ধাননি। দ ঠাইবোৰত পানী। কিছুমান ঠাইত পানীৰ ওপৰত ধান। ঠায়ে ঠায়ে মৰাপাটৰ খেতি। চৌদিশ শ্যামল-সজীৱ। সেউজীয়া পথাৰৰ মাজে মাজে আম-কঠাল, তামোল-নাৰিকল আৰু বাঁহনিৰে নদন-বদন ঘৰ-বাৰী। ওপৰত বিস্তীৰ্ণ নীলাকাশ। আকাশত ভাহি ফুৰিছে পাতল ডাৱৰ।

... এইখনেই অসম। এইখন অসমতে প্ৰবীৰৰ জন্ম। অসম প্ৰবীৰৰ মাতৃভূমি। অসমৰ জলবায়ুত প্ৰবীৰে তেইছটা বছৰ পাৰ কৰি দিলে। কিন্তু প্ৰায় পচিশ বছৰ বাস কৰিও দেউতাকে অসমখনক নিজৰ দেশ হিচাপে স্বীকাৰ কৰি ল'ব পৰা নাই। দেউতাকৰ ভাবটো এনেকুৱা যেন উপায়বিহীন হৈয়ে অসমত আছে। এনে এটা ভাব মনত থকাৰ বাবেই কালি দেউতাকে অৱসৰ গ্ৰহণৰ পাছত শিলিগুৰিলৈ গুচি যোৱাৰ কথা কৈছিল। প্ৰবীৰে তেনেকৈ ভাবিব নোৱাৰে। দেউতাকে তেনেকৈ ভাবে বুলি তাৰ বেয়া লাগে। প্ৰবীৰে জানে, অসমত বাংলা-ভাষীসকলৰ জীৱনৰ নিৰাপত্তা এতিয়াও সুনিশ্চিত হোৱা নাই। তথাপি কিবা কাৰণত অসম এৰি ক'ৰবালৈ যোৱাৰ কথা উঠিলেই তাৰ বুকুত বেদনা এটা সৃষ্টি হয়।

অসমত সমস্যা আছে। অসমীয়া মানুহৰ এচামে যে বাংলা-ভাষীসকলক বেয়া পায়, সেইটোও নুই কৰিব নোৱাৰি। বিগত আন্দোলনকেইটাত অনেক বঙালীয়ে মাৰ খালে, বহুত বঙালী উচ্ছেদ হ'ল ... তাৰ বাবেই যে মাক-দেউতাকে অসমৰ জাতীয় জীৱনৰ সৈতে জীণ যাব পৰা নাই, সেইটোও প্ৰবীৰে অস্বীকাৰ নকৰে। ইফালে হাৰাধন চক্ৰৱৰ্তীৰ দৰে উগ্ৰ জাতীয়তাবাদীসকলে অসমৰ জাতি গঠনৰ

প্ৰক্ৰিয়াত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে, এইটোও সি নুবুজাকৈ থকা নাই। সি যি কি নহওক লাগে, প্ৰবীৰে যেনেকৈ চলে, বন্ধু-বান্ধৱীহঁতৰ লগত তাৰ যেনেকুৱা ভাব-ব্যৱহাৰ; তাতে দুই একৰ বাহিৰে অধিকাংশ অসমীয়া বন্ধু-বান্ধৱীয়েই তাক ভাল পায়। দৰাচলতে, অসমৰ নতুন পুৰুষসকলৰ দৰে প্ৰবীৰেও অসমৰ বৰ্তমান সমস্যাবোৰ লৈ চিন্তা-ভাৱনা কৰে। অসমৰ পথাৰ-ঘাট, নদ-নদী, চিৰসেউজ পৰ্বতমালা, মনোৰম প্ৰকৃতিৰ সৈতে প্ৰবীৰেও একাত্মীয়তা অনুভৱ কৰে।

গুৱাহাটীলৈ অহাৰ বাটত প্ৰবীৰে এইবোৰকে চিন্তা কৰিলে। এইদৰেই সি মনটো অলপ সুস্থিৰ কৰিলে। প্ৰবীৰৰ মাক-দেউতাকে পাৰমিতাৰ সৈতে তাৰ সম্পৰ্কটো স্বীকাৰ কৰি নল'লে। যি বুজা গ'ল, এইটো কথাত তেওঁলোকে আপোচ নকৰে। আনহাতে পাৰমিতাৰ মাক-দেউতাকেও সিহঁত দুটাৰ সম্পৰ্কটোক অনুমোদন জনোৱা নাই। এতিয়া দুয়োখন ঘৰৰ সকলো অভিভাৱকৰ মতৰ বিপৰীতে জীৱনৰ বাটত খোজ দিয়াটো জানো উচিত হ'ব।

অনিশ্চয়তাৰ যন্ত্ৰণা এটা মনত লৈ প্ৰবীৰে অফিচ কৰিলে। বাৰেপতি পাৰমিতাৰ কথা মনত পৰিল। তাইক লগ পোৱাটো জৰুৰী। তাইক লগ পাবলৈ আটাইতকৈ সুবিধাজনক ঠাই হ'ল বিশ্ববিদ্যালয়। কিন্তু অফিচত কামৰ হেঁচা। বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানে জমা দিয়া চেকবোৰ উল্লেখিত বেংকবোৰলৈ পঠিয়াব লাগে। আমনি লগা কাম। অথচ দৰমহাটোৰ বাবে কৰিবই লাগিব।

চুটীৰ পাছত একেলগে নিযুক্তি পোৱা ধুবুৰীৰ তৰুণ বৰ্মণে প্ৰবীৰক লগ ধৰিলে। বিশেষ কাম আছে বুলি তাক বিদায় দি প্ৰবীৰ চান্দমাৰীলৈ যোৱা বাচত উঠিলে। পাৰমিতাহঁতৰ ঘৰলৈ যাব। আমাবাৰীত সিহঁতৰ ঘৰ। চিটি বাছখন ফাঁচিবজাৰ পাৰ হৈ পাণবজাৰ, কাচাৰীলৈ আহোঁতেই তাৰ মূৰত খেলালে— তাক লৈ পাৰমিতাহঁতৰ ঘৰত উত্তপ্ত বাক-বিতণ্ডা চলিছে। এতিয়া গ'লে তেওঁলোকৰ ঘৰখনত অশান্তি বাঢ়িব। দীঘলীপুখুৰীৰ টাৰ্ণিঙত বাচখন ৰোৱাৰ লগে লগে প্ৰায় উধাতু খাই প্ৰবীৰ নামি আহিল। লগে লগে তাৰ অন্তৰত অপৰিসীম এক যন্ত্ৰণা অনুভূত হ'বলৈ ধৰিলে। ... এয়া পাৰমিতাক ভালপোৱাৰ বাবে। মৰম-ভালপোৱাও যে ইমান বেদনাদায়ক হ'ব পাৰে, সেইটো প্ৰবীৰে কেতিয়াও ভবা নাছিল। পাৰমিতাৰ বাবে সি ইমানকৈ যন্ত্ৰণা ভোগ কৰিছে, অথচ তাইক মুহূৰ্তৰ বাবেও পাহৰি থাকিব পৰা নাই।

ৰাতিপুৱা সাত বজাত মাকে যতনাই দিয়া তপত ভাত এমুঠি খাইছিল। বাচেৰে গুৱাহাটীলৈ আহি অফিচত সোমাইছিল। মাজতে এবাৰ চাহ-কেক্ খালেও ভোকত পেটটো এতিয়া কলমলাই আছে। লগতে ভাগৰ। ইফালে মানসিক টনা-আঁজোৰাখিনিতো আছেই। মুখখন শুকান। খোজ কাঢ়িবৰ শক্তিও নাইকিয়া হৈ

আহিছে। তথাপি লাহে লাহে ৰেল ষ্টেচনৰ ওভাৰ-ব্ৰীজেদি প্ৰবীৰ পল্টন বজাৰলৈ আহিল। তাৰপৰা বাচেৰে ৰিহাবাৰীলৈ যাব পাৰি। কিন্তু গধূলিৰ বাচবোৰত যেনেকুৱা ঠেলা-হেঁচা ... প্ৰবীৰৰ বাচত উঠিবৰ মন নগ'ল। ওচৰৰ দোকান এখনৰপৰা সৰু ব্ৰেড এটা লৈ নতুন ভাৰাঘৰৰ পিনে খোজ ল'লে।

মেইন ৰাস্তাৰপৰা শিল পেলোৱা সৰু গলিটোৰে প্ৰবীৰৰ ভাৰাঘৰলৈ সোমাই যাব লাগে। নতুন ভাৰাঘৰটো এটা পাৰ্ট হাউছ্। চিৰিয়েদি দুমহলালৈ উঠি প্ৰথমটোৱে হ'ল প্ৰবীৰে বন্দবস্ত কৰা ভাৰাঘৰ। সমুখত ছয় ফুট বাই আঠফুট কৰিডৰ। এটাই মাত্ৰ কোঠা। বাৰ বাই বাৰ কোঠাটোৰ লগত ছয় বাই আঠফুট পাকঘৰ। আগতে মালিগাঁৱত কেঁচা ঘৰ এটাত আছিল। সেইটোতকৈ এইটো ভাল। পোহৰ-পাংখা, খোৱা-পানীৰ সুবিধা আছে। বাথৰুমটোও মোটামুটি ভাল। চাৰিশ টকা ভাৰা। হিচাপত অলপ বেছি। কিন্তু এইটো এলেকাত যে এনেকুৱা ভাৰাঘৰ এটা পালে, সেয়া তাৰ সৌভাগ্য বুলিয়েই ক'ব লাগিব।

ভাৰাঘৰটো বন্দবস্ত কৰি এমাহৰ ভাৰা দিয়াৰ দিনাই গৰাকীয়ে চৰ্ত আৰোপ কৰিলে, জাননী দিয়াৰ এমাহৰ মূৰকত ঘৰ খালি কৰি দিব লাগিব। প্ৰবীৰে ইয়াত নিজৰ স্থায়িত্বৰ অধিকাৰ দাবী কৰিব নোৱাৰে। নিজে ঘৰ এটা সাজি ল'ব— সেইটো কল্পনাৰ বাহিৰত। তথাপি প্ৰবীৰক ঘৰ এটা লাগে। নিৰাপদ আশ্ৰয়ৰ বাবে, প্ৰিয়জনক লৈ পৰিকল্পিত জীৱন-বিন্যাসৰ বাবে প্ৰত্যেককে ঘৰ এখনৰ প্ৰয়োজন। ... প্ৰবীৰৰ পাৰমিতাৰ কথা মনত পৰিল। মনত পৰিল ৰাতিপুৱা ঘৰৰপৰা ওলাই অহাৰ সময়ত মাকে চকুলো টুকাৰ সেই দৃশ্যটো। পাৰমিতাক বিয়া কৰাব বিচাৰে বুলি শুনিয়েই মাক-দেউতাক তাৰপৰা আঁতৰি গ'ল। অফিচৰপৰা ওলাই পাৰমিতাক লগ কৰিবলৈ গৈ প্ৰবীৰ আধা ৰাস্তাৰপৰা উভতি আহিল। তাৰ মানে পাৰমিতাৰ ওচৰলৈ সি যাব নোৱাৰিলে। প্ৰবীৰে এতিয়া কাক লৈ জীয়াই থাকিব? উপাৰ্জনৰ উপায় হিচাপে চাকৰি ল'লে, আশ্ৰয়ৰ বাবে ল'লে ভাৰাঘৰ— কিন্তু এতিয়া যেনেকুৱা এটা মানসিক অৱস্থা; তাৰদ্বাৰা জীৱন-বিন্যাস কৰাটো জানো সম্ভৱ?

"তুমি ভাবিছিলা নেকি তোমাক মই বিচাৰি নাপাওঁ? গুৱাহাটী কিয়— কলিকতালৈ গ'লেও তোমাক বিচাৰি উলিয়াম। পৰহি বৰপেটা ৰ'ডৰপৰা আহিলা। সিদিনাই ইউনিভাৰচিটিত নামি মোক লগ ধৰিবা বুলি আশা কৰিছিলো। ইউনিভাৰচিটিলৈ গ'লে অফিচলৈ পলম হ'ব— পাছত ভাবিলো, অফিচ কৰি আমাৰ ঘৰলৈ যাবা। সেইটোও নকৰিলা। নকৰিবাই। মই তোমাক যেনেকৈ ফিল কৰো, তুমি মোক তেনেকৈ ফিল কৰিলেহে মই আশা কৰা ধৰণেৰে কাম কৰিবা।

আজি বিচাৰি বিচাৰি তোমাৰ ঘৰ পালোহি। তুমি বেচেলৰ। অকলে থাকা। মই অহা দেখি ঘৰৰ গৰাকীয়ে তোমাক বেয়াকৈ সন্দেহ কৰিব নেকি? যদি কৰে কোৰা— যাওঁগে।"

ঘূৰি ঘূৰি ভাৰাঘৰটোৰ সকলো দেখি পাৰমিতাই এইদৰে কৈ গ'ল।

প্ৰবীৰ এতিয়া ৰান্ধনি কোঠাত। প্লেট এখনত সিজোৱা সবজি আৰু ভাত বাঢ়ি লৈছে। পাৰমিতাই ইমানখিনি কোৱাৰ পাছতো প্ৰবীৰে কিন্তু মতা নাই।

পাৰমিতা যে ইয়ালৈ আহি ওলাব— প্ৰবীৰে ভাবিবই পৰা নাছিল। তাই অহাৰেপৰা তাৰ ভাল লাগি আছে। মনত শক্তি এটা পাইছে। ঘূৰাই পাইছে হেৰুৱা আত্মবিশ্বাস। কালি পাৰমিতাক লগ কৰিবলৈ সিহঁতৰ ঘৰলৈ বুলি ওলাইছিল। যাব নোৱাৰিলে। তাৰ বাবে বেয়াও লাগিছে। মনত আনন্দ আৰু বেদনাৰ মিশ্ৰ এক অনুভূতি। প্ৰবীৰে ভাতকেইটা তৃপ্তিৰে খাব নোৱাৰিলে। ইফালে ঘৰৰপৰা লৈ আহিছে নিৰাশজনক খবৰ। সেইবোৰ পাৰমিতাক কেনেকৈ ক'ব?

ভাত-পানী খাই-বৈ প্ৰবীৰে মুখ-হাত ধুলে। পেণ্ট-চোলা আগতেই পিন্ধি লৈছিল। কোঠাটোৰ পূবফালে দেৱালত আৰি থোৱা হৈছে সৰু এখন আৰ্চী। আৰ্চীখনৰ সমুখলৈ আহি সি চুলি ফণিয়ালে। গামোছাৰে মুখ মচিলে। তাৰপাছত পাৰমিতাৰ সমুখলৈ আহিল।

পাৰমিতাই প্ৰবীৰৰ পিনে চালে।

প্ৰবীৰৰ মুখৰ দাড়িবোৰ মসৃণভাৱে খুৰোৱা। সজীৱ দুচকু। ক'লা এযোৰ চেলাউৰি। প্ৰশস্ত কপাল। প্ৰবীৰৰ প্ৰতি তাই নিবিড় এক আকৰ্ষণ অনুভৱ কৰিলে। যেন দুই হাতেৰে— আকোৱালি ধৰি প্ৰবীৰৰ ওঠত আবেগ-আকুল চুমা আকি দিব। কিন্তু প্ৰবীৰৰ মুখখন বিষণ্ণ। তাইৰ আকৰ্ষণ-আবেগটোৱে প্ৰাণ নাপালে।

"কি হ'ল? অহাৰেপৰা ময়ে বলকি আছো।"

তথাপি প্ৰবীৰে একো ক'ব নোৱাৰিলে। তাৰ কাণত বাজি আছে, হাৰাধন চক্ৰৱৰ্তীৰ কথাবোৰ। সঁচাকৈয়ে সি পাৰমিতাৰ মোহ-জালত অবশ হৈ পৰিছে নেকি? বিয়াৰ পাছত পাৰমিতাৰ বাবে ঘৰখনৰ লগত তাৰ সম্পৰ্ক নাথাকিব নেকি? প্ৰবীৰে তাইৰ পিনে চাই থাকিল। নাই, তাৰ মনত তেনেকুৱা কোনো আশংকাই বাহ ল'ব নোৱাৰিলে। পাৰমিতা তেনেকুৱা ছোৱালী নহয়। তাইৰ মৰম-ভালপোৱাত কলুষতা নাই।

"উৰা, কেনেকৈ চাই আছা! হ'ল কি তোমাৰ?" আকৌ পাৰমিতাই সুধিলে, "অ', ঘৰৰ এপ্ৰ'ভেল পোৱা নাই। মা-দেউতাৰাই মোক একচেপ্ট কৰা নাই। তাৰ বাবে বেয়া পাবলগীয়া কিটো আছে?"

"মিতা—।" গহীন মাতেৰে প্ৰবীৰে সুধিলে, "তুমি কেতিয়াবা ভাবা নেকি যে মোক বিয়া কৰালে তোমাৰ অসমীয়া সত্তাটো হেৰাই যাব?"

ইমানপৰ প্ৰবীৰে তেনেহ'লে এইবোৰেই ভাবি আছিল। তাৰ বাবেই প্ৰবীৰৰ মনত এনেকুৱা দুখ-বেজাৰ। নিমিষতে প্ৰবীৰৰ প্ৰতি পাৰমিতাৰ খং-অভিমান নাইকিয়া হ'ল।

"এয়া তুমি কি কৈছা! এইবোৰ মোৰ মনতেই নপৰে। তুমি যে এইদৰে সুধিলা— তোমাৰ মনলৈ তেনেকুৱা ভাব আহে নেকি?"

"নাহে। কিন্তু—।"

"কিন্তু কি?"

"মা-দেউতা আৰু মোৰ বিশেষ এগৰাকী শুভাকাংক্ষীৰ আশংকা তোমাক বিয়া কৰালে মই হেনো অসমীয়া হৈ যাম।"

"তেনে আশংকা মোৰ মা-দেউতায়ো পোষণ কৰে। তেওঁলোকে ভাবে, তোমাক বিয়া কৰালে মই ৰসাতললৈ যাম। ঘৰখনৰ মান-ইজ্জত শেষ হৈ যাব।"

"মোক সকীয়াই দিয়া হ'ল, প্ৰেম কৰি বিয়া কৰালে ল'ৰাইতৰ ব্যক্তিসত্তা বোলা কোনো বস্তু নাথাকে। মই হেনো সম্পূৰ্ণভাবে তোমাৰ নিদেৰ্শমতে পৰিচালিত হ'ম।"

"সেইবোৰ শুনি তুমি কি ক'লা?"

"একো কোৱা নাই।"

"কিয়?"

হুমুনিয়াহ এটা কাঢ়ি প্ৰবীৰে ক'লে, "মোৰ তেতিয়া ইমানেই বেয়া লাগিল যে একোকে ক'ব নোৱাৰিলো। মোৰ ধাৰণা হ'ল— এইবোৰ সংস্কাৰাচ্ছন্ন হীনমন্য মানসিকতাৰে কোৱা কথা। এইটো যুগতো এনে মানসিকতা কিমান দুৰ্ভাগ্যজনক মন কৰিছা নে? অভিভাৱকসকলে যেন ইচ্ছা কৰিয়েই বুজিব নিবিচাৰে যে অসমীয়া-ভাষীৰ অসমীয়াত্ব নাইবা বাংলা-ভাষীৰ বঙালীত্বতকৈ মনুষ্যত্ব অৰ্জন কৰাটো অধিক দৰকাৰী কথা।"

"উস্, বৰ টান টান কথা কৈছা দেই! ঘৰত কি ঘটিলে নোকোৱা নেকি?"

প্ৰবীৰৰ অন্তৰৰ যন্ত্ৰণাটো বাঢ়িল। অলপ অস্থিৰও হ'ল। নিজকে স্বাভাৱিক ৰাখিবৰ বাবে ৰাস্তাৰ ফালে থকা খিৰিকীখনৰ কাষলৈ আহি বাহিৰলৈ চালে। তলত টিনপাতেৰে চালি দিয়া ঘৰকেইটাৰ সোফালৰ আলিয়েদি চাইকেল-ৰিক্সা বাচ-টেক্সি আৰু মানুহৰ বিৰামহীন অহা-যোৱা। ওপৰত বিশাল আকাশ।

এইবাৰ ঘৰলৈ যোৱাৰ দ্বিতীয় দিনা হাৰাধন চক্ৰৱৰ্তীয়ে প্ৰবীৰক বঙালীৰ ঐতিহ্য-পৰম্পৰাৰ কথা কৈছিল. আলোচনাৰ শেষত ব্যক্তিৰ স্থিতি-অৱস্থান

সম্পৰ্কে সচেতন থকাৰ পৰামৰ্শ আগবঢ়াইছিল ... সেইবোৰ এতিয়া প্ৰবীৰৰ মনত নাই। মনত নাই মানে, যিটো দৃষ্টিকোণৰপৰা হাৰাধন চক্ৰৱৰ্তীয়ে ব্যক্তিৰ স্থিতি-অৱস্থান বিচাৰ কৰে, প্ৰবীৰৰ দৃষ্টিকোণ সেইটো নহয়। অসমত থাকিও তেওঁলোকে বঙালী জাতিৰ ঐতিহ্য-পৰম্পৰাক ধৰি ৰাখিব বিচাৰিছে, প্ৰবীৰৰদ্বাৰা সিমানখিনি ৰক্ষা কৰি চলাটো সম্ভৱ নহ'বগে। পাৰমিতাক লৈ তাৰ পৰিকল্পিত জীৱনটো সঁচাকৈ বেলেগ। সেই বুলি মাক-দেউতাকক সি পাহৰা নাই। তাৰ বাবেই পাৰমিতাই প্ৰশ্ন কৰাৰ লগে লগে প্ৰবীৰৰ সমুখত ভাহিবলৈ ল'লে বিষণ্ণতাৰে মুমূৰ্ষু মাক-দেউতাকৰ মুখ দুখন। আকৌ প্ৰবীৰে অনুভৱ কৰিলে, একাকীত্বৰ সেই তীব্ৰ বেদনা। বিশেষকৈ ঘৰৰপৰা ওলোৱাৰ সময়ত দেউতাকে যে এইবাৰ তাক মাত এষাৰো নিদিলে— এইটো সি কোনোমতেই পাহৰিব পৰা নাই। মাক-দেউতাক হৈও তেওঁলোক তাৰ প্ৰতি কেনেকৈ ইমান নিষ্ঠুৰ হ'ল? সি ভাবে, ... ভাবি ভাবি কোনো কাৰণ বিচাৰি নাপাই তাৰ অন্তৰ্দহন বাঢ়ে। নাই— এনেকৈ মানুহ জীয়াই থাকিব নোৱাৰে। জীয়াই থাকিবৰ বাবে মানুহক আশ্ৰয় এটা লাগেই। প্ৰবীৰৰ বাবে সেই আশ্ৰয় এতিয়া পাৰমিতা। পাৰমিতাৰ হৃদয়-মনৰ সংবেদনশীলতাতহে সি এতিয়াৰ দুখ-বেদনা পাহৰি থাকিব পাৰিব। প্ৰবীৰ আগবাঢ়ি আহিল। দুই হাতেৰে পাৰমিতাৰ সোঁহাতখন তুলি ধৰি কাতৰভাৱে সুধিলে, "মোৰ বাবে সঁচাকৈয়ে তুমি ঘৰৰ সকলোৰে ইচ্ছা-অভিমতক আওকাণ কৰিব পাৰিবানে?"

পাৰমিতাই তেনেই সহজভাৱে ক'লে, "মইতো কেতিয়াবাৰপৰাই তাৰ বাবে প্ৰস্তুত হৈ আছো।"

"কিন্তু ঘৰখনে তোমাৰ ওপৰত কেতবোৰ বাধা-নিষেধ আৰোপ কৰিছে।"

"সিদিনাইচোন ক'লো, তোমাক পাবৰ কাৰণে মই কোনোধৰণৰ বাধা-নিষেধ নামানো।"

"তেনেহ'লে আহা-- তুমি-মই নতুন ঘৰ এখনৰ পাতনি মোলো।"

"নতুন ঘৰ!"— পাৰমিতাৰ চকুযুৰি উজলি উঠিল।

"অ', তোমাৰ আৰু মোৰ ঘৰ। মো'ৰ আৰু তোমাৰ ঘৰ। আমাৰ ঘৰ।"

"কেতিয়াৰপৰা?"

"সম্ভৱ হ'লে কাইলৈৰপৰাই?"

"ইমান লৰালৰি!"

"মিতা, ইমান দিন তুমি মোক তাগিদা দি আছিলা। এতিয়া মই তোমাক লৰালৰি কৰিবলৈ কৈছো। আমি ইজনে সিজনক বিচাৰো। আমি দুয়ো সুখী হ'ব পাৰিম।

মই চাকৰি এটা পালো যেতিয়া, এতিয়া আমি মা-দেউতাইঁতৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া নহয়। ইফালে সম্পৰ্কটোও আমাৰ এতিয়া এনেকুৱা যে চৌবিশ ঘণ্টাতকৈ অধিক সময় লগ নকৰাকৈ থকাটো দুয়োৰে বাবে কষ্টকৰ হৈ পৰিছে। এইদৰে পঢ়া-শুনা ক্ষতি হৈছে। মানসিক অস্থিৰতাৰ বাবে কোনো এটা কামেই আমি নিয়াৰিকৈ কৰিব পৰা নাই। অফিচত সাধাৰণ এণ্ট্ৰি এটাও লিখোঁতে ভুল হৈছে। আজি ৰাতিপুৱা কমপ্লেক্স ভেৰিয়েবল লৈ বহিছিলো। ৰাইমেনচ্ ইকুৱেশ্বনৰ সহজ অংক এটা উলিয়াব নোৱাৰিলো। তুমি যে ইউনিভাৰচিটিলৈ নগৈ মোক লগ কৰিবলৈ ইয়ালৈ আহিলা— সেয়াও মানসিক অস্থিৰতাৰ বাবেই। প্ৰথম ক্লাছটো কৰিব নোৱাৰিলা। আমাৰ ক্ষতি হ'ল। এইবোৰতকৈ ডাঙৰ কথা হ'ল, আমাৰ দুয়োৰে মনত এতিয়া সদায়ে এটা অনিশ্চয়তা। এনে এটা অনিশ্চয়তা লৈ আমি অনিৰ্দিষ্ট কাললৈ চলি থাকিব নোৱাৰিম।"

প্ৰবীৰৰ আত্মবিশ্বাস, দৃঢ়তাক পাৰমিতাই শ্ৰদ্ধা কৰে। প্ৰবীৰেই তাইৰ ভৰসা। তাৰ লগত তাই যিকোনো ঠাইলৈ যাব পাৰে।

"বাৰু, এতিয়া কোৱাচোন — মোৰ কথা শুনি মাৰা-দেউতাৰাই তোমাক কি ক'লে?"

"সেইবোৰ তোমাক ক'ব নোৱাৰিম।"

"কিয়?"

"সেইবোৰ শুনিলে তোমাৰ বেয়া লাগিব।"

"মা-দেউতাইঁতৰ ওপৰত খং কৰিয়ে তুমি বিয়া পাতিবৰ বাবে জোৰ দিছা নেকি?"

"এইটো অবশ্যে হয়। তেওঁলোকে বাধা দিয়াৰ বাবে মোৰ মনত জেদ লাগিছে। মা-দেউতাইঁতক দেখুৱাব বিচাৰো যে তোমাক ভাল পাই মই কোনো ভুল কৰা নাই।"

পাৰমিতাই প্ৰবীৰৰ মুখখনলৈ চালে। স্থিৰ গভীৰ দৃষ্টি।

"মিতা, এতিয়াই তুমি মোৰ জীৱনলৈ আহিব পাৰিবানে?"

পাৰমিতা নিৰুত্তৰ। সিদ্ধান্তৰ দোমোজাত তাই আউল-বাউল।

"মোক তুমি সহায় কৰা। মোৰ জীৱনলৈ আহি তুমি মোৰ শক্তি হোৱা। তুমি আহিলে মই নিৰ্ভয় হ'ব পাৰিম। তুমি মোৰ লগত থাকিলে দ্বিগুণ উৎসাহেৰে কাম কৰিব পাৰিম। তুমি— তুমি আহিবানে?"

"আহিম। নিশ্চয় আহিম।" পাৰমিতাৰ মাতত আবেগ, "ময়ো ভাবো, আমি দুয়ো যিমান বেছি সময়ৰ বাবে একেলগে থাকিম, সিমানেই আমাৰ কাৰণে

ভাল।”

“কিন্তু একো এটা নকৰাকৈ আমি একেলগে থাকিব নোৱাৰিম।” প্ৰবীৰে ক'লে, “একেলগে থাকিবলৈ হ'লে বিধিগত নিয়ম-নীতিৰ ফালৰপৰা স্বীকৃতি এটা ল'ব লাগিব।”

“তাৰ মানে বিয়া। কিন্তু ৰভা তৰি শ শ মানুহ মাতি ট্ৰেডিশ্বনেল বিয়া পতাৰ হ্যাবিয়াস মোৰ নাই।” — পাৰমিতাই ক'লে।

“থাকিলেও তেনেকৈ বিয়া পতাটো আমাৰ বাবে সম্ভৱ নহয়। কিন্তু দুয়োফালৰ অভিভাৱকসকলে ইমানকৈ অমত কৰিছে যেতিয়া লিগেল প্ৰটেক্‌শ্বন লোৱাটো ভাল হ'ব।”

প্ৰবীৰে কথাবোৰ এনেকৈ ক'লে যেন জটিল সমস্যা এটা লৈ আলোচনা কৰিছে। পাৰমিতাই প্ৰবীৰৰ এই বিচাৰ-বিবেচনা আৰু সিদ্ধান্ত গ্ৰহণটো ভাল পালে। বিগত দুটা সপ্তাহ ধৰি তাই ধুমুহা-ক্ষুব্ধ অন্ধকাৰ এখন জগতত আছিল। এতিয়া তাই সেই জগতখনৰপৰা ওলাই অহাৰ এটা বাট বিচাৰি পালে। পাৰমিতাৰ ওঠত হাঁহি বিৰিঙিল। চকু-মুখত খেলিলে চপলতা। লাজসনা কোমলতাৰে তাই প্ৰবীৰৰ কাষ চাপি আহিল। সকলো ধৰণৰ শংকা-জড়তা পাহৰি প্ৰবীৰে আবেগাকুল হাত দুখনেৰে পাৰমিতাক নিজৰ বুকুৰ মাজলৈ টানি ল'লে। দুয়ো এতিয়া এক, অভিন্ন। সকলো দুখ-যাতনা পাহৰি বিমল এক সুখাবেশেৰে দুয়োৰে চকু দুযোৰ মুদ খাই আছিল।

সময় আগবাঢ়িছে। অথচ সিহঁত দুয়োৰে চেতনাত সময় বৈ আছে। পাঁচ মিনিট মান তেনেকৈ পাৰ হ'ল। তাৰ পাছত উষ্ণ আবেগেৰে প্ৰবীৰৰ বুকু, ডিঙি, ওঁঠত চুমাৰ ধাৰা বৰষি পাৰমিতাই ক'লে, “তুমি যেনেকৈ ক'লা সেইটোৱে হ'ব। তাৰ বাবে মই সাজু হ'ম। এতিয়া 'চলুন'— এই মুহূৰ্তত নোলালে চেকেণ্ড ক্লাছটোও মিছ কৰিম।”

নতুন ভাবাৱৰটোৰপৰা দুয়ো একেলগে ওলাল।

ছয়

লক্ষ্য এতিয়া স্থিৰ। পৰিকল্পনাও নির্দিষ্ট। মোটামুটি মানসিক সুস্থিৰতা এটা লৈ পাৰমিতা ঘৰলৈ আহিল।

গেটখন পাৰ হৈ তাই বাৰাণ্ডাত উঠিল। ড্ৰয়িং ৰুমৰ সন্মুখেদি ভিতৰলৈ সোমোৱাৰ সময়ত দেখিলে কোঠাটোৰ চোফাত বহি দিগন্ত, ৰাজীৱ আৰু সিহঁতৰ লগৰীয়া দুজনে অসমীয়া জাতিৰ অস্তিত্বৰ সংকটৰ বিষয়টো লৈ উত্তপ্ত বাক্-বিতণ্ডা কৰি আছে। অসমীয়া-জাতিৰ সংকটাসপন্ন অস্তিত্বৰ বাবে বাংলাদেশী আৰু নেপালীসকলৰ অনুপ্ৰবেশেই মূল কাৰণ বুলি দিগন্তই কোৱা শুনিবলৈ পালে। ভাগ্যৰ অন্বেষণত ভাৰতৰ অন্যান্য-ৰাজ্যৰ মানুহৰ প্ৰব্ৰজনৰ বাবেও হেনো অসমীয়াৰ জীৱন-যাত্ৰা দুৰ্বিসহ হৈ পৰিছে। দিগন্তহঁতৰ কথাবোৰ ভালকৈ শুনিব পৰাকৈ পাৰমিতা দুৱাৰৰ কাষত থিয় হৈ ৰ'ল।

দিগন্তৰ কোৱা শেষ হ'ল। দিগন্তৰ লগৰীয়া ৰাজীৱ অহিংস আন্দোলনত আস্থাহীন। ৰাজীৱে ক'বলৈ আৰম্ভ কৰিলে অসমবাসীৰ ওপৰত চলি থকা শোষণ-বঞ্চনাৰ কথা। উগ্ৰ সমাজ তান্ত্ৰিক ভাবধাৰাৰে উদ্বুদ্ধ ৰাজীৱৰ মতে, প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ অসমক ভাৰতীয় পুঁজিপতি আৰু বৃহৎ ব্যৱসায়ীবিলাকে নিৰ্বিচাৰে লুণ্ঠন কৰি আছে। অসমৰ ৭৪৬ খন চাহ বাগিচাই সমগ্ৰ পৃথিৱীৰ ৪৫ শতাংশ চাহ উৎপাদন কৰে। অসমত ভাৰতৰ ৪০ শতাংশ খাৰুৱা তেল পোৱা যায়। তথাপি গুজৰাট মহাৰাষ্ট্ৰৰ দৰে ইয়াত শিল্প উদ্যোগ গঢ়ি উঠা নাই। অসমৰ যাতায়াত ব্যৱস্থা শোচনীয়। বানে প্ৰতিবছৰে শ শ কোটি টকাৰ শস্য বিনষ্ট কৰে। অথচ বৃটিছৰপৰা ক্ষমতাগ্ৰহণ কৰি কোনো এখন চৰকাৰেই ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকাৰী বানক নিয়ন্ত্ৰণ কৰাৰ বাবে ফলপ্ৰসূ কোনো ব্যৱস্থা লোৱা নাই। জন-স্বাস্থ্যৰ উন্নতি আৰু শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰতো ভাৰত চৰকাৰে অসমক মাহীমাকৰ দৰে আচৰণ কৰে। পুঞ্জীভূত ক্ষোভ আৰু খঙেৰে ৰাজীৱে তাৰ পাচত ক'লে যে ভাৰত চৰকাৰ তথা ভাৰতীয় নেতা পালিনেতাসকলৰ অসমৰ প্ৰতি দৃষ্টিভংগী উপনিবেশীয়। শেষত উপস্থিত বন্ধুবৰ্গৰ আগত সি দৃঢ়তাৰে সৈতে বক্তব্য ৰাখিলে যে ভাৰতৰ উপনিবেশীয় এই লুণ্ঠনৰপৰা অসম-মাতৃক মুক্ত কৰিবলৈ হ'লে আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰৰ বাবে সশস্ত্ৰ সংগ্ৰামৰ কোনো বিকল্প নাই।

ৰাজীৱে কোৱা কিছুমান কথা পাৰিমিতায়ো যুক্তিযুক্ত বুলি ভাবে। পিছে তাই অলপ ভয় খালে। ভয়টো দিগন্তক লৈ। উগ্ৰপন্থাত দীক্ষিত ৰাজীৱৰ লগত দিগন্তৰ ফুৰা-চকা বাঢ়িছে মাত-কথাত ৰাজীৱ যেনেকুৱা দৃঢ়-দীপ্ত, দিগন্তক সি অনায়াসেই সিহঁতৰ মত-বিশ্বাসত প্ৰভাৱিত কৰিব পাৰিব। এনেয়ে ছাত্ৰ-

আন্দোলনৰ কিছুমান কথাত দিগন্তই দেউতাকৰো আসে পাই থাকে। ৰাজীৱৰ কথাত সঁচাকৈয়ে যদি লাগি পৰে— ভৱিষ্যতটো তাৰ অনিশ্চিত হৈ পৰিব। ইফালে আন্দোলনৰ নেতা হোৱাত দিগন্তৰ কথা-বতৰাত আজিকালি মইৰৰ ভাব এটা আহিছে। পাৰমিতাৰ কথা সি নুশুনেই। তাইৰ মতামতক সি গুৰুত্বই দিব নোখোজে। বৰঞ্চ প্ৰবীৰৰ লগত সম্পৰ্কটো লৈ দিগন্তই তাইক ব্যংগ্য-বিদ্ৰূপ কৰে। তথাপি তাই দিগন্ত-ৰাজীৱৰ মুখামুখি হ'লহেঁতেন। কিন্তু কোঠাটোলৈ নোসোমালে। সিহঁতৰ লগত নতুন ল'ৰা দুজন আছিছে। অচিনাকি ল'ৰা দুজনৰ আগত ৰাজীৱ দিগন্তৰ লগত তৰ্কাতৰ্কি কৰাটো উচিত নহ'ব। সেয়ে তাত আৰু নৰৈ ইফালৰ কৰিডৰেদি ভিতৰলৈ আহিল।

নিজৰ কোঠাটোলৈ আহি হাতৰ কিতাপ কেইখন আৰু বেগটো টেবুলত থৈ বিছনাত বহিল। প্ৰবীৰৰ মনটো আজি বেয়া আছিল। পিছে তাৰ কথা-বতৰাত আত্ম-প্ৰত্যয়ৰ ভাব এটা দেখা গ'ল। পাৰমিতা নিশ্চিত হ'ব পাৰিলে। সোনকালে কিবা এটা কৰিবৰ বাবে প্ৰবীৰে গুৰুত্ব-সহকাৰে চিন্তা কৰিছে। সি তাইক মাক-দেউতাক ককাই-ভায়েকক এৰি যাবলৈ কৈছে— তাতে তাই সঁহাৰি জনাইছে। কিন্তু এৰো বুলিলেই ঘৰখন এৰি যোৱাটো জানো সম্ভৱ? কথাটো তাই আগতেও ভাবিছিল। আগতে প্ৰশ্নটো ইমান ডাঙৰ হৈ দেখা দিয়া নাছিল। আজি ঘৰখন এৰি যোৱাৰ কথা ভাবিবলৈ লওঁতেই তাই দুৰ্বল অনুভৱ কৰিলে। খন্তেকৰ ভিতৰত এনেকুৱা অৱসাদ এটাই হেঁচা মাৰি ধৰিলে যে বহি থকাটো সম্ভৱ নহ'ল। সেইটো অৱস্থাৰেই তাই বিছনাত বাগৰি দিলে।

"বাইদেউ—।'

চকু মেলি পাৰমিতাই দেখিলে, প্ৰচাৰ-পত্ৰ এজাপ লৈ দিগন্ত ৰৈ আছে। ওখ। পাতল স্বাস্থ্যৰ। মুখখনত নতুনকৈ ফুটি ওলোৱা দাড়ি-গোঁফ। স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। পঢ়া-শুনাত ভালেই আছিল। যোৱা বছৰৰপৰা পঢ়াতকৈ ছাত্ৰ-আন্দোলনত বেছিকৈ লাগিছে। তাৰবাবে দেউতাকে বিশেষ একো নকয় যদিও ককায়েকে গালি পাৰে। তথাপিও তাৰ পৰিবৰ্তন হোৱা নাই। বেছিকৈ কিবা ক'লে দিগন্তই খং কৰে। সি তেতিয়া গহীনাই কয়, দেশতকৈ পঢ়া-শুনাটো তাৰ বাবে ডাঙৰ নহয়।

"এটা কথা নহয়—।" দিগন্তই ক'লে, "তই কাম এটা কৰিব লাগে।"

বাগৰাৰপৰা উঠি পাৰমিতাই সুধিলে, "কি কাম?"

"সংগঠনৰ তৰফৰপৰা এই প্ৰচাৰ পত্ৰখন ছপা কৰি উলিওৱা হৈছে। অসমৰ কি কি সম্পদ পুঁজিপতিসকলে কেনেকৈ লুণ্ঠন কৰিছে, তাৰ বাবে অসমীয়া ৰাইজে প্ৰতিবছৰে কিমান হেজাৰ কোটি টকা পোৱাৰ পৰা বঞ্চিত হৈছে— তাৰ

এটা হিচাপ দিয়া হৈছে। এইখিনি তহঁতৰ ক্লাছৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিলাই দিব লাগে।"

"মোৰ দ্বাৰা নহ'ব।"

"কিয়?"

"মইতো তহঁতৰ সংগঠনৰ সদস্যা নহওঁ।"

"সদস্যা নহ'লেও এইটো কাম কৰাত তোৰ আপত্তি থাকিব নালাগে।"

"মই নোৱাৰো বুলি কৈছো নহয়।"

"নোৱাৰ। তই তেনেহ'লে নিজকে অসমৰ সন্তান বুলি নাভাব?"

"হৈছে হৈছে, নিজকে অসমীয়া জাতিৰ জনক বুলি দেখুৱাব নালাগে। মোৰদ্বাৰা নহ'ব বুলি কৈছো যেতিয়া মই নকৰো, যা—।"

"তই কৰিবই লাগিব।"

"কৰিবই লাগিব! ইঃ দাদাগিৰি কৰিবলৈ আহিছ। মই নকৰো।"

"কেনেকৈনো কৰিবি।" দিগন্তৰ মাতত এইবাৰ শ্লেষ, "নিজৰ দেশ, নিজৰ জাতি, নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি তোৰ জানো কিবা টান আছে! দেশ জ্বলিছে, অথচ মনৰ আনন্দেৰে তই প্ৰেম কৰিছ! তোৰ সকলোতে এতিয়া প্ৰবীৰ সেন। প্ৰবীৰ সেনে তোৰ চিন্তা-বুদ্ধি, ভাবনা-চেতনাক গ্ৰাস কৰি পেলাইছে।"

"মুখ চম্ভালি কথা কবি। যিমানৰ মানুহ নহয়, তাতকৈ বহুত ওপৰত কথা কৈছ।"

"যিটো সত্য দেখিছো, সেইটো কমেই। প্ৰবীৰ সেনৰ প্ৰেমত পৰি তই এব্‌নৰমেল হৈ পৰিছ!"

"প্ৰবীৰ সেনৰ লগত মোৰ সম্পৰ্কটো পাৰচ'নেল। মোৰ পাৰচ'নেল কথাত তোৰ মাতিবৰ অধিকাৰ নাই।"

"ইচ্ পাৰচ'নেল! বৰ একেবাৰে পাৰচ'নেলিটি দেখুৱাবলৈ আহিছে।"

"নিতু, তই কিন্তু সীমা চেৰাই গৈছ!" পাৰমিতাৰ চকু দুটা জ্বলিছে। যেন জুইহে বৰষিব। চিএৰি-চিএৰি ক'লে, "ওলা-ওলা তই মোৰ ৰুমৰপৰা।"

চিএৰ-বাখৰ শুনি 'কি হ'ল অ' বুলি মাত দি কোঠালৈ সোমাই আহিল অনিমাদেৱী।

মাকক দেখি দিগন্ত শান্ত হ'ল। বায়েকৰ পিনে কঠোৰভাৱে এবাৰ চাই সি ওলাই গ'ল।

অনিমাদেৱী জীয়েকৰ ওচৰলৈ আহিল। বিৰক্তিৰে কপালত কুঞ্চন তুলি সুধিলে, "বোলো, তহঁতৰ হ'ল কি?"

কি ক'ব পাৰমিতাই? ভিতৰখন ভাঙি আহিছে। মাকৰ মুখখনলৈ চাওঁতেই তাইৰ

দুচকুৰেদি দুধাৰি চকুলো ওলাই আহিল।

"উস্, কি যে অশান্তিখন কৰি থাক!" বিৰক্তিৰে অনিমাদেৱীয়ে ক'লে, "তই এতিয়া ইউনিভাৰচিটিত পঢ়া ছোৱালী। এতিয়াও যে ভায়েৰৰ লগত কিয় ইমানকৈ লাগ বুজিকে নাপাওঁ।"

"মই তাৰ লগত লাগিবলৈ নাযাওঁ। সিয়ে মোক এটেক কৰি কথা কয়। মৰমৰ সৰু পুতেৰক তুমি সাৱধান কৰি দিবা সি যেন প্ৰবীৰৰ কথা তুলি মোক যা-তা নকয়।"

"সি তোক কি ক'লে?"

"সেইটো তাকেই সোধাগে।" উত্তেজিত পাৰমিতাই ক'লে, "প্ৰবীৰৰ লগত মোৰ সম্পৰ্কটোৰ বাবে তোমালোকে বেয়া পোৱা। মা-দেউতা যেতিয়া— তোমালোকে বেয়া পাব পাৰা। সেই বুলি সি কিয় প্ৰবীৰৰ কথা ক'ব? আচলতে, সি তোমালোকৰপৰা লাই পাইছে। প্ৰবীৰৰ বিষয়ে সিও এতিয়া তোমালোকৰ সুৰত কথা কয়।"

অনিমাদেৱীয়ে দেখিলে, কথা বিষম। একো এটা নোকোৱাকৈ চিন্তিতভাৱে কোঠাটোৰপৰা তেওঁ ওলাই আহিল।

ল'ৰাটোৰ প্ৰতি তাইৰ আসক্তি বাঢ়িছে। প্ৰবীৰৰ প্ৰতি এনেকুৱা মোহ ইমানেই আকৰ্ষণ যে তাক লৈ সাধাৰণ অকণ অপমানো তাই সহ্য কৰিব নোৱাৰে। এইজনীয়ে যে কি কৰিব, তাইৰ ভৱিষ্যত যে কেনেকুৱা হ'ব ... এইবোৰ ভাবিলেই অনিমাদেৱীৰ বুকুখন গধুৰ হৈ উঠে।

এনেই জীয়েকৰ সকলো কথা স্বামীক নকয়। বিশেষ বিশেষ ঘটনাৰ বিষয়ে নোকোৱাকৈও থাকিব নোৱাৰে। দিগন্তৰ লগত পাৰমিতাৰ যিটো কাজিয়া হ'ল— একো ডাঙৰ ঘটনা নহয়। পিছে পাৰমিতাই তেতিয়া যিবোৰ কথা ক'লে— তাতহে তেওঁ অস্থিৰ হৈ পৰিছে।

অফিচৰপৰা গিৰীন বৰুৱা আজি অলপ আগতেই আহিল। মুখ-হাত ধুই চাহ-জলপান খালে। তাৰ পাছত বাতৰি কাকতকেইখন লৈ তেওঁ বিছনাত পৰিল।

নিস্তেজ খোজেৰে অনিমাদেৱী কোঠাটোলৈ সোমাই আহিল। স্বামীৰ কাষত বহি মলিন মুখেৰে জীয়েকৰ বিষয়ে সকলো কৈ গ'ল।

গিৰীন বৰুৱাৰ বিচাৰত প্ৰেম-প্ৰণয়ৰ বিষয়বোৰ দোষণীয় নহয়। কিন্তু একমাত্ৰ জীয়েকজনীয়ে প্ৰেম-প্ৰণয়ৰ নামত বেলেগ সম্প্ৰদায়ৰ ল'ৰা এটাৰ লগত যিটো কৰিব বিচাৰিছে— তেওঁৰ বিবেচনাত সেয়া নিজকে ধ্বংস কৰাৰ বাহিৰে একো নহয়। বিষয়টো লৈ বৰুৱা যথেষ্টকৈয়ে চিন্তিত। তেওঁ জানে, এইটো লৈ ৰবাকে

টনা-আজোৰা কৰাটো ভাল নহ'ব। তেইশ বছৰীয়া স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থকা জীয়েকজনীক কঠোৰভাৱে শাসন কৰিব নোৱাৰে। সেই বুলি তাই যেনেকৈ আগবাঢ়িছে— দায়িত্বশীল কোনো অভিভাৱকেই সেইটো মানি ল'ব নোৱাৰে। মাকজনীও এনেকুৱা মহিলা নহয় যাতে বুজাই-বঢ়াই জীয়েকক পৰিচালিত কৰিব। এইবোৰ লৈ বৰপুত্ৰ বিমানে তাইক ভাঙি-পাতি বুজাইছিল। পাৰমিতাৰ পৰিবৰ্তন নহ'ল। তাতে বৰুৱা বেছিকৈ চিন্তিত হৈ পৰিছে।

পাৰমিতাই ভালপোৱা ল'ৰাজন বাংলাভাষী। বঙালীসকলৰ প্ৰতি গিৰীন বৰুৱাৰ এনেই কোনো ঘৃণা বা বিদ্বেষ নাই। বাংলা ভাষা-সাহিত্য উন্নত, বঙালীসকল সংস্কৃতিবান, ভ্ৰমণ পিপাসু, কৰ্মঠ, প্ৰশাসনীয় দক্ষতা সম্পন্ন, সদাচাৰী ... এইবোৰ তেওঁ অকপটে স্বীকাৰ কৰে। সুযোগ-সুবিধা পালেই বঙালী কিতাপ পঢ়ি, বঙালী চিনেমা-থিয়েটাৰ চাই তেওঁ আনন্দ লাভ কৰে। কিন্তু অসমত বাস কৰা বঙালী বিশেষকৈ, জীৱন আৰু ধৰ্ম ৰক্ষাৰ বাবে তাহানিৰ পূব পাকিস্তান আৰু পৰবৰ্তীকালৰ বাংলাদেশৰপৰা অহা বঙালীসকলৰ প্ৰতি তেওঁৰ মনোভাবটো বৰ ভাল নহয়। বৰুৱাই ভাবে, এইসকল বঙালীয়ে অসমখনক অকল জীৱিকা নিৰ্বাহৰ বাবে এখন চৰণীয়া ভূমি হিচাপে লৈছে। অসমৰ বিশেষ ঠাইত খোপনি পুতি নিজৰ ভাষা সাহিত্য প্ৰচাৰ কৰি, বঙালী মাধ্যমৰ স্কুল পাতি এনেকৈ নিজৰ সংখ্যা বৃদ্ধি কৰিছে যে অসমৰ জন-গাঁথনিটোৱেই সলনি হৈ পৰিছে। তদুপৰি বৰুৱাৰ আশংকা, ত্ৰিপুৰাত বঙালীসকলৰ সাংখ্যাধিক্য হোৱাৰ ফলত স্থানীয় ত্ৰিপুৰীসকলৰ অস্তিত্ব যেনেকৈ বিপন্ন হৈ পৰিছে— অসমতো অসমীয়া মানুহ ঠিক তেনেকৈয়ে সংখ্যালঘুত পৰিণত হ'ব। এই প্ৰসংগত গিৰীন বৰুৱাই অতীতৰ কথাও ক্ষোভেৰে সৈতে স্মৰণ কৰে। বৃটিছৰ কৰ্মচাৰী হিচাপে অসমলৈ অহা এচাম বঙালীৰ চক্ৰান্তৰ বাবেই অসমত পঞ্চাশ বছৰ কাল বাংলা ভাষাৰ প্ৰচলন হৈছিল। বৰুৱাৰ অনুমান হয়, অসমৰ উগ্ৰ বঙালী জাতীয়তাবাদীসকলৰ মনত এতিয়াও সম্প্ৰসাৰণবাদী মনোভাব এটা আছে। ভাগ্যৰ সন্ধানত নাইবা শৰণাৰ্থী হিচাপে অসমলৈ অহা অধিকাংশ বঙালীয়ে এতিয়াও অসমৰ সৰ্বাংগীন উন্নতি আৰু অসমীয়া জাতিৰ অস্তিত্ব সুৰক্ষিত হোৱাটো নিবিচাৰে। যিমানে দাবী নকৰক লাগে, অসমত বসবাস কৰা বঙালীসকল কলিকতাৰ বঙালীৰ দৰে সংস্কৃতিবান নহয়। অথচ এওঁলোকে আচাৰ-আচৰণত নিজৰ ভাষা-সংস্কৃতিক লৈ এনেকুৱা অসহনীয় উচাম্বিকা ভাব প্ৰকাশ কৰে যে গিৰীন বৰুৱাৰ গা জ্বলি যায়।

তেনেকুৱা এজন অসমবাসী বঙালী স্কুল শিক্ষকৰ পুতেক হ'ল প্ৰবীৰ। প্ৰবীৰক ভাল পাইছে বৰুৱাৰ একমাত্ৰ ছোৱালী পাৰমিতাই। ভাল পাই প্ৰবীৰক লৈ তাই জীৱনৰ বুনিয়াদ প্ৰতিষ্ঠা কৰিবলৈ কৃতসংকল্প। গিৰীন বৰুৱাৰ দৰে উচ্চ-পদস্থ

চৰকাৰী বিষয়া এগৰাকীৰ বাবে কথাটো যে কিমান বেদনাদায়ক সেইটো পাৰমিতাই বুজি নাপায়। ল'ৰাটোৱে তাইক ইমানেই বিবশ কৰি পেলাইছে যে সেইবোৰ বিচাৰ কৰাৰ শক্তিও তাইৰ নাই। তেওঁৰ বাবে, তেওঁৰ পৰিয়ালখনৰ বাবে এইটো এটা দুৰ্ভগ্যজনক ঘটনা। বৰুৱাৰ জীৱনৰ সকলোতে সাফল্য। বিষয়া হিচাপে সুনাম, কেইবাটাও বেংকত জমা থকা ধন, গুৱাহাটীত ইমান সুন্দৰ ঘৰ-দুৱাৰ, সামাজিক মান-মৰ্যাদা ... পাৰমিতাৰ এই কাণ্ডটোৰ বাবে এইবোৰ সকলো অৰ্থহীন হৈ পৰিছে। জীয়েকৰ কথা ভাবি কেতিয়াবা ইমানেই ভাগি পৰে যে তেওঁৰ নিজকে অপৰাধী যেন অনুভৱ হয়। যেন দুৰ্ঘোৰ কোনো পাপকৰ্মৰ বাবেই সকলোফালে সুন্দৰভাৱে গঢ় লৈ উঠা এইখন ঘৰত এটা অমংগলীয়া ঘটনা ঘটিবলৈ লৈছে।

অনিমাদেৱীৰপৰা সকলো শুনি গিৰীন বৰুৱাই কিছুপৰ চিন্তা কৰিলে। তেওঁ ভালকৈয়ে জানে, পাৰমিতা এতিয়া যিটো পৰ্যায়লৈ গৈছে দেউতাক হিচাপে তেওঁৰ কৰিবলগীয়া বিশেষ একো নাই। তথাপি মনটোৱে নামানে। শেষ চেষ্টা এটা কৰিবৰ বাবে তাইক মাতি পঠিয়ালে। আজিও তাইক বুজাব। তেজপুৰৰপৰা বিয়াৰ প্ৰস্তাব এটা আহিছে, সেই বিষয়েও তাইক ক'ব।

পাৰমিতাই কিতাপ এখন মেলি লৈছিল। চাকৰপৰা দেউতাকে মাতিছে বুলি জানিবলৈ পাই তাই অনুমান কৰিলে, প্ৰবীৰৰ বিষয়েই আলোচনা হ'ব। পাৰমিতাই প্ৰথমতে ভয় খালে। কিন্তু নিজকে প্ৰস্তুত কৰি ল'লে। ঘটনাবোৰে তিক্ততা বঢ়াই তুলিছে। সোনকালে চূড়ান্ত সিদ্ধান্ত এটা হৈ যোৱাই ভাল। দেউতাকৰ সমুখত যাতে দুৰ্বল হৈ নপৰে, তাৰ বাবে মনটো দৃঢ় কৰি ল'লে। ড্ৰেছিং টেবুলৰ আইনাত নিজকে এবাৰ চাই আত্মবিশ্বাস গোটালে। তাৰপাছত শান্ত আৰু অবিচলিতভাৱে মাক-দেউতাকৰ শোৱনি কোঠালৈ আহিল।

ঘৰটোৰ এইটোৱেই আটাইতকৈ ডাঙৰ কোঠা। একে কোঠাত থাকিলেও মাক-দেউতাকৰ বেলেগ বেলেগ বিছনা। তাৰে এখনত ওপৰমুৱা হৈ পৰি গিৰীন বৰুৱাই আজিৰ 'আচাম ট্ৰিবিউন'খন চাই আছে। পূব ফালৰ খিৰিকীৰ কাষত বেতৰ চকী এখনত বহি আছে অনিমাদেৱী। আনফালে এইটো সময়ত তেওঁ চুৰেটাৰ গুঠে নাইবা আলোচনীৰ পাত লুটিয়ায়। পাৰমিতাক লৈ দুশ্চিন্তা এটা মনত বাহ লোৱাত তেওঁ এতিয়া একোতেই মন বহুৱাব পৰা নাই।

ৰাতি আঠ বাজিছে। কোঠাটোত নিয়ন লাইটৰ কোমল পোহৰ। পাৰমিতাই দেউতাকৰ মুখখন চাব পৰাকৈ মাকৰ বিছনাখনৰ দাঁতিত বহিল।

বাতৰিখন ভাঁজ কৰি কাষত থৈ গিৰীন বৰুৱাই জীয়েকৰ পিনে নোচোৱাকৈয়ে সুধিলে, "কালি ইউনিভাৰচিটিৰপৰা পুলিচে কাক এৰেষ্ট কৰিলে অ'?"

পাৰমিতাই বুজিব পাৰিলে, এইবোৰ কথাৰে দেউতাকে তাইৰ লগত সহজ হৈ লৈছে। শান্তভাৱে ক'লে, "সংগঠন কৰা ল'ৰা এটাক ধৰিলে।"

"আৰ্মচ পাইছিল নেকি?"

"মই ভালকৈ নাজানো।"

"আজি চাগৈ ইউনিভাৰচিটিত প্ৰতিবাদ দিবস পাতিলে।"

"অ'। পুলিচ অহাৰ প্ৰতিবাদ জনাই ইউনিয়নৰ নেতাবোৰে ক'লা বেজ পিন্ধিছে।"

"তইঁতৰ পৰীক্ষাৰ ডেট দিলে নে?"

"এতিয়াও দিয়া নাই।"

"পঢ়া-শুনা কেনে চলিছে?"

লাহে লাহে দেউতাক মূল প্ৰসংগটোলৈ আহি আছে। পাৰমিতাও প্ৰস্তুত হৈছে। খন্তেক বৈ স্পষ্টভাৱেই ক'লে, "ভাল হোৱা নাই।"

"কিয়?"

পাৰমিতা নিমাত।

"কিয় পঢ়া-শুনাটো ভালকৈ হোৱা নাই?" বৰুৱাৰ মাতটো কঠোৰ হৈ উঠিল, "কিহৰ অভাৱ হৈছে? ঘৰখনৰপৰা কোন বস্তুটো তই সময়মতে পোৱা নাই।"

মূৰ দাঙি পাৰমিতাই দেউতাকৰ গহীন-গম্ভীৰ মুখখনলৈ চালে। কি ক'ব? এইবোৰ প্ৰশ্নৰ উত্তৰ দিব পৰা মনৰ অৱস্থা তাইৰ নাই। অসহায়ভাৱে তাই মাকৰ ফালে চালে। দুশ্চিন্তাৰে গধুৰ মাকৰ মুখখন। তেওঁ একো নক'লে। পাৰমিতাই তাৰ পাছত তলমূৰ কৰিলে।

বিছনাত বাগৰা অৱস্থাৰপৰা গিৰীন বৰুৱা এইবাৰ লাহে লাহে উঠি বহিল। "তই পঢ়া-শুনা কৰিব পৰা নাই বুলি শুনি দুখ পালো। বহুত বুজালো। সকলো দিশ দাঙি ধৰি ককায়েৰেও বিচাৰ-বিশ্লেষণ কৰি ক'লে। তথাপি তোৰ পৰিবৰ্তন নহ'ল। লিখা-পঢ়াত ইমানখিনি আগবাঢ়িও নিজৰ ভূত-ভৱিষ্যৎ লৈ চিন্তা কৰিবলৈ নিশিকিলি। আমি যে তোৰ ভালৰ বাবে, তোৰ ভৱিষ্যতৰ সুখ-শান্তি সুনিশ্চিত কৰিবৰ বাবে কওঁ তাক তই বুজিবলৈ যত্ন নকৰ। তোক লৈ আমাৰ এতিয়া দুশ্চিন্তা হৈছে। তই আমাৰ দুখ-যন্ত্ৰণা বঢ়াই তুলিছ।"

গিৰীন বৰুৱাৰ মাতটো মৰমলগা। কিন্তু অন্তৰখন দুচিন্তাৰে ভাৰাক্ৰান্ত। পাৰমিতা নিমাত।

"তই যেতিয়া মাৰৰ কোলালৈ আহিলি— তোৰ মুখখনলৈ চাই কিমান যে

সুখী হৈছিলো। ল'ৰালিকালতে মই মাক হেৰুৱাইছিলো— মোৰ মাজনী হৈ তই এইখন ঘৰলৈ আহিলি। আমাৰ ঘৰখন উজ্বলি উঠিল। নিজকে মই ভাগ্যশালী বুলি ভাবিলো। হিয়া উজাৰি তোক মৰম দিলো। সকলো আবদাৰ পূৰণ কৰি তোক ডাঙৰ-দীঘল কৰি তুলিলো। মাৰে প্ৰায়ে শুনাইছিল, মই হেনো ল'ৰা দুটাতকৈ তোক বেছিকৈ মৰম কৰো। অথচ তই— তয়ে এতিয়া বেছিকৈ মোৰ কথা নুশুনা হ'লি। তদুপৰি তোক লৈ আমাৰ দুশ্চিন্তা-আশংকা যিমানেই বাঢ়িছে— নিজৰ বিচাৰ-বিবেচনাত তই সিমানেই আকোৰগোঁজ হৈ পৰিছ—। কিছুদিন ধৰি তোৰ কথা-বতৰা, আচাৰ-আচৰণ এনেকুৱা হৈ পৰিছে যেন কোনোবা অশুভ শক্তিয়ে আমাৰপৰা তোক আঁতৰাই লৈ গৈছে—।"

"তেনেকৈ নক'বা, দেউতা।" পাৰমিতাৰ মাতটো কঁপি উঠিল, "মই কোনো ধৰণৰ শক্তিৰদ্বাৰা পৰিচালিত হোৱা নাই।"

"গণ্ডগোলটোতো তাতেই। নিজৰ ভুলটো বুজি পোৱা হ'লে তোৰ লগত আমাৰ কোনো বিৰোধেই নহ'লহেঁতেন। গিৰীন বৰুৱাৰ মাতটো খং মিহলি, "কথাবোৰ যে ইমান আত্মবিশ্বাসৰে সৈতে কৈছ— তোৰ জ্ঞান-বুদ্ধি জীৱনৰ অভিজ্ঞতা আমাতকৈ বেছি নেকি? সংসাৰৰ কোনটো ঘটনা কিয় ঘটে, কেনেকৈ ঘটে— সেইবোৰ মোতকৈ ভালকৈ জান নেকি? নাই— তেনেকৈ ভাবিব নালাগে। তেনেকৈ ভবাটো ভুল হ'ব। জীৱনটো অকল আবেগ নহয়। আবেগৰ ওপৰত মানুহৰ জীৱনৰ ভেটি গঢ় নলয়। আৰু শুন, এইখিনিতে তোক কথা এটা সোঁৱৰাই দিওঁ। আমাৰ এইখন ঘৰত থাকি তই যে ডাঙৰ-দীঘল হ'লি, আমাৰ মৰম-চেনেহৰে তই যে নিজৰ চেতনা-বোধ পালি— তাৰ বিনিময়ত তোৰপৰা আমি একো নিবিচাৰো। কিন্তু তই যিহেতু আমাৰ সন্তান— তোক লৈ আমাৰ কেতবোৰ সামাজিক দায়-দায়িত্ব আছে, সেইবোৰ যাতে সুকলমে পালন কৰিব পাৰো— সেইটো তই চাব লাগিব। চোৱাটো তোৰ কৰ্তব্য।"

শেষৰ কথাবোৰ তেওঁ ইমানেই জোৰ দি উচ্চাৰণ কৰিলে যে পাৰমিতাৰ বুকুখন টিপটিপাই উঠিল।

অনিমাদেৱী অস্থিৰ হৈ পৰিল। যেন কিবা অঘটন ঘটিব। বহি থাকিব নোৱাৰি তেওঁ উঠি দিলে। কিন্তু কি কৰিব? স্বামীক শান্ত-সংযত কৰাৰ শক্তি তেওঁৰ নাই।

পাৰমিতাই অসহায়ভাৱে মাকৰ ফালে চালে।

দেউতাকৰ কথাবোৰ নিৰ্মম। ইমান কঠোৰভাৱে ইতিপূৰ্বে কেতিয়াও তাইক কোৱা নাছিল। পাৰমিতা দুৰ্বল হৈ পৰিল। তেতিয়াই তাইৰ সমুখত প্ৰবীৰৰ আবেগ-আকুল মুখখন ভাহি উঠিল। প্ৰবীৰৰ বুকুত নিজকে সমৰ্পন কৰি নতুনকৈ

জীৱন গঢ় দিয়াৰ শপত খাই আহিছে। তাইৰ সমুখত সেইটোৱে সত্য। সেই সত্যটোক অস্বীকাৰ কৰা মানে নিজকে অমৰ্যাদা কৰা। এইদৰে ভাবি পাৰমিতাই সেইখিনি দুৰ্বলতা জয় কৰি নিৰ্ভয়ে দেউতাকৰ ৰোষতপ্ত মুখখনলৈ চালে।

"এতিয়া পঢ়া-শুনাত তোৰ মন বহা নাই। তাৰ মানে মেণ্টেলি তই ডিচ্‌টাৰ্বড। তোৰ আৰু পঢ়া-শুনা নহয়। আমাৰ কথা শুনিবলগীয়া হৈছে। ভায়েৰেও তোক ব্যংগ-বিদ্ৰূপ কৰিছে। যিকোনো মুহূৰ্তত তই কিবা এটা কেলেংকাৰী ঘটাব পাৰ।"

বিছনাৰপৰা উঠি পাৰমিতাৰ পিনে দুখোজ আগবাঢ়ি গিৰীন বৰুৱাই তাৰ পাছত ক'লে, "চা মাজনী, মই তোক ইমানকৈ ক'ব নালাগিছিল। কিন্তু দেউতাৰ হৈ মই তোৰ সৰ্বনাশ হ'বলৈ দিব নোৱাৰো। এতিয়াও যাতে সকলো দিশ ঠিক থাকে তাৰ বাবে উপায় এটা উলিয়াইছো। উলিয়াইছো মানে কথাটো আগৰে পৰাই চলি আছিল। তেজপুৰৰপৰা পেহীয়েৰে আগবঢ়োৱা সেই প্ৰস্তাৱটো—।"

"প্ৰস্তাৱ! কিহৰ প্ৰস্তাৱ!" চমকি উঠি পাৰমিতাই চিঞৰি দিলে।

লগে লগে গিৰীন বৰুৱা মৰমিয়াল হৈ পৰিল। পাৰমিতাৰ কাষলৈ আহি মাতটো কোমল কৰি ক'লে, "ল'ৰাটো কম্পিউটাৰ ইঞ্জিনীয়াৰ। দিল্লীত এবছৰ ট্ৰেনিং লৈ অহাৰ পাছতেই বৰঝাৰ এৰ'ড্ৰামত চাকৰি পালে। যোৱা বাৰ যে পেহীয়েৰৰ তালৈ ফুৰিবলৈ গৈছিলি— তেতিয়া ল'ৰাটোৰ মাকে তোক দেখিলে। মানুহগৰাকীৰ পছন্দ হৈছে— তোক বোৱাৰী কৰাৰ মন। পেহীয়েৰৰ লগত টেলিফ'নত খা-খবৰ লৈ সকলো জানিবলৈ পাই মোৰো ভাল লাগিল। ল'ৰাটোৰ বাপেক টি-গাৰ্ডেনৰ মেনেজাৰ। সৰু ল'ৰাটোৱে ইঞ্জিনীয়াৰিং পঢ়ি আছে। আমাৰ লগত মিলিব, বুইছ। তই যদি মত দিয়, পেহীয়েৰক টেলিফ'ন কৰি জনাও। পেহীয়েৰে তেওঁলোকক লৈ ফৰ্মেলি তোক চাবলৈ আহিব।"

পাৰমিতাৰ মুখখন শেঁতা পৰিল।

"চা মাজনী, এইটো বয়সত বহুতৰে সমনীয়া কাৰ'বাৰ লগত 'তেনেকুৱা বন্ধুত্ব' থাকে।" গিৰীণ বৰুৱাই তাৰ পাছত ক'লে, "শেষত সেইবোৰ ফলৱতী নহয়। আৰু এইটো বয়সত তহঁতৰ স্বভাৱটোৱেই এনেকুৱা যে পাৰিবাৰিক বিধি-নিষেধ মানিব নিবিচাৰ, প্ৰচলিত নীতি-নিয়ম, আচাৰ-সংস্কাৰ অস্বীকাৰ কৰি আগবাঢ়িবলৈ চেষ্টা কৰ। লগতে থাকে আবেগ, আবেগে ইমানেই মত্তলীয়া কৰি তোলে যে তহঁতৰ বাবে নিজৰ ঐতিহ্য পৰম্পৰা অৰ্থহীন যেন লাগে। আচলতে সেইটো উচিত নহয়। সেইবোৰ অস্বীকাৰ কৰিব নোৱাৰি। চেঙেলীয়া বয়সৰ সেইবোৰতকৈ সামাজিক নীতি-শৃংখলা অনুসৰণ কৰি দুটা পৰিয়ালৰ মাজত বুজাবুজিৰ জৰিয়তে এহাল যুৱক-যুৱতীৰ বিয়াখন বহুত ডাঙৰ, বহুগুণে মহত্বপূৰ্ণ।"

আকৌ পাৰমিতাৰ ভিতৰখন দুৰ্বল হৈ আছিল। দেউতাকে ইমান ভালকৈ কথাবোৰ ক'লে— অথচ তাই দেউতাকক পৰম-আত্মীয় বুলি ভাবিব পৰা নাই। এবাৰো প্ৰবীৰৰ নাম উচ্চাৰণ নকৰি দেউতাকে চোকা অস্ত্ৰেৰে সুকৌশলেৰে প্ৰবীৰৰ সৈতে তাইৰ সম্পৰ্কটো ছিন্ন কৰিবলৈ লৈছে। ভয় আতংকত পাৰমিতা কঁপিবলৈ ধৰিলে।

তাইৰ মনৰ অৱস্থাটো অনিমাদেৱীয়ে বুজিব পাৰিলে। মাতৃত্বৰ আকুলতাৰে জীয়েকৰ কান্ধত মৰমেৰে সোঁহাতখন থ'লে। লগে লগে বুকুভগা কান্দোনত ভাঙি পৰি পাৰমিতাই ক'লে "মা, দেউতাক তুমি তেওঁলোকক মাতিবলৈ মানা কৰা। তেওঁলোকৰ আগত মই নোলাওঁ। তেওঁলোকৰ আগত ওলোৱাতকৈ মই মৰাই ভাল হ'ব। মই মৰিম।"

"মৰিবি!" গিৰীন বৰুৱাৰ ধৈৰ্য টুটিল। চিঞৰি উঠি ক'লে, "মৰ— তেনেহ'লে তই মৰাই ভাল —।"

"ওহো, কিযে কথাবোৰ কয় আৰু।" যন্ত্ৰণামিহলি মাতেৰে অনিমাদেৱীয়ে ক'লে, "ক'বলৈ পালে আপোনাৰ মুখৰ লাগ-বান্ধ নাথাকে।"

"তোমাৰ বাবেই তাই এনেকুৱা হ'ল।" গিৰীন বৰুৱা গৰজি উঠিল, "আৰম্ভণীত তুমি প্ৰশ্ৰয় দিয়াৰ বাবেই তাইৰ মনত প্ৰেমৰ সেই দৈত্যটোৱে এনেকুৱা ভয়ংকৰ ৰূপ ধাৰণ কৰিবলৈ পালে। তাই যে সেই ল'ৰাটোৰ বাবে ইমান ডিটাৰমিন্‌ড— আমি তাইৰ কোনো নহওঁ নেকি? তুমি তাইক গৰ্ভত ধাৰণ কৰা নাছিলা নেকি?"

কি ক'ব অনিমাদেৱীয়ে? তেওঁৰ মুখৰ মাত হেৰাল।

সাত

"তাই যদি সঁচাকৈয়ে ল'ৰাটোৰ লগত কিবা এটা কৰি পেলায়, মই সহ্য কৰিব নোৱাৰিম। তাইৰ লগত মোৰ কোনো সম্পৰ্ক নাথাকিব।"

"তুমি বেছিকৈ খং কৰিছা, দেউতা। এইটো বয়সত এইদৰে খং কৰিব নাপায়। তুমি ধৈৰ্য ধৰিব লাগিব।" — বিমানে সান্ত্বনা দিয়াৰ সুৰত ক'লে।

"ধৈৰ্য! ধৈৰ্য ধৰিবলৈ কৈছ! ধৈৰ্য ধৰাৰ বাবেই ঘটনাটোৱে আজি এনেকুৱা এটা ৰূপ ল'লে। তাই কাৰো হাক-বচন নুশুনে। উপদেশ পৰামৰ্শ নামানে। ল'ৰাটোৰ মোহত পৰি এনেকুৱা হৈ পৰিছে যে তাই এতিয়া যা-তা কৰি পেলাব পাৰে। তঁহতৰ পেহীয়েৰে দিয়া প্ৰস্তাবটোৰ কথা কোৱাত মৰিব বুলি ভাবুকি দিলে। তাইৰ ভিতৰত দুৰন্ত ইগ' এটাই কাম কৰিছে। ল'ৰাটোৰ বাহিৰে কাকো তাই আপোন বুলি ভাবিব নোৱাৰে। আমাৰ বাবে এইটো কিমান যন্ত্ৰণাদায়ক হৈছে ভাবিব পাৰিছ নে?"

"পাৰিছো। কিন্তু আমাৰপৰা বাধা পাই সিহঁতৰ আকৰ্ষণটো বাঢ়িছে।"

"তাৰ মানে তই মোক তাইৰ এইবোৰ স্বীকাৰ কৰি ল'বলৈ কৈছ?"

"নাই কোৱা। সেইবুলি তুমি তাইৰ সকলো কথা অস্বীকাৰ কৰিবও নোৱাৰিবা। আনহাতে, জোৰ কৰি কিবা এটা কৰোৱাটোও উচিত নহ'ব। তাৰপৰা ভালতকৈ বেয়া হোৱাৰ সম্ভাৱনাই বেছি। তাইও কষ্ট পাব। আমাৰো বদনাম হ'ব।"

সীমাহীন বেদনা আৰু গ্লানিৰে গিৰীন বৰুৱাৰ মুখখন মলিন হৈ পৰিল। ৰাতিৰ সাঁজ ভাত খোৱাৰ পাছত পিতা-পুত্ৰ আলোচনাত বহিছে। বয়স অভিজ্ঞতা কম হ'লেও ঘৰুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত বিমানেই হ'ল বৰুৱাৰ একমাত্ৰ ভৰসা। জীয়েকজনীৰ বাবে ঘৰখনৰ মান-মৰ্যাদা ধূলিস্যাৎ হোৱাৰ উপক্ৰম হৈছে। ৰুদ্ধদ্বাৰ কোঠাত দুয়ো মুখামুখি বহি এঘন্টা সময় কথা পাতিলে। তথাপি সমস্যাটোৰ কোনো সমাধান নোলাব। অৱশেষত প্ৰবীৰ-পাৰমিতাৰ প্ৰতি বিমানৰ মনোভাবটো নৰম দেখি গিৰীন বৰুৱা হতাশ হৈ পৰিল।

"যি দেখিছো, তয়ো মোৰ মনোভাবটো বুজিবলৈ যত্ন কৰা নাই।" যন্ত্ৰণা গধুৰ মাতেৰে গিৰীণ বৰুৱাই তাৰ পাছত ক'বলৈ আৰম্ভ কৰিলে, "মিতুক লৈ কিয় মোৰ মনত এনেকুৱা এটা আশংকাৰ সৃষ্টি হৈছে — সেইটো তোৰ চেতনালৈ অহাই নাই। এইখন ঘৰৰ ছোৱালী মিতু — আমাৰ ছোৱালী হৈ তাই বিয়া কৰাব এজন বাংলাদেশীৰ পুতেকক! এই বাংলাদেশী— বজাৰে ঘাটে, বাটে-পথে, চাকৰি-ব্যৱসায় ... সকলোতে সিহঁত। আমাৰ মানুহে পাবলগীয়া সা-সুবিধাবোৰ সিহঁতে অধিকাৰ কৰি লৈছে। সেইখিনি কৰিয়েই সিহঁত বৈ থকা নাই। আমাৰ সামাজিক পাৰিবাৰিক শান্তি শৃংখলাও বিনষ্ট কৰিবলৈ উদ্যত হৈছে। প্ৰেমৰ মোহ-জালত পেলাই সিহঁতৰ ল'ৰা এটাই আমাৰপৰা মিতুক লৈ যাবলৈ ছলনা কৰিছে। সিহঁতৰ বাবে আমি সঁচাকৈয়ে সংকটৰ গৰাহত। তহঁতৰ পাছৰ প্ৰজন্মত এইখন অসমত অসমীয়াৰ প্ৰভাৱ-প্ৰতিপত্তি নাথাকিব যেনেই লাগিছে।"

বিমান গহীন হৈ পৰিল। অসমীয়াৰ অস্তিত্ব সংকটাপন্ন, অসমত অসমীয়াৰ প্ৰভাৱ প্ৰতিপত্তি নাথাকিব ... এইবোৰ তেওঁ ইমানকৈ নাভাবে। দেউতাকৰ

এনেবোৰ ভয়-আশংকা বিমানৰ মতে অমূলক।

"দেউতা, ইমান বছৰ চৰকাৰী চাকৰি কৰি এতিয়াও কিয় যে তুমি এনেকুৱা মনোভাব এটা লৈ আছা, বুজিকে নাপাওঁ।" বিমানে অলপ বিৰক্তিৰে সৈতে ক'লে "অসমত অসমীয়াৰ অস্তিত্ব সংকটাপন্ন বুলি ভাবিছা—তাৰ বাবে অকল বাংলাদেশী বা বাংলা-ভাষীসকলক দায়ী কৰাটো ঠিক নহয়। যিটো দৃষ্টিকোণৰপৰা এওঁলোকক জগৰীয়া কৰিছা, সেইটো মানি ল'লে নামনি অসমৰ উপৰিও দৰং, শোণিতপুৰ, নগাঁও, লক্ষীমপুৰৰ প্ৰচুৰ খেতি মাটি ময়মনচিঙীয়া মিএগাই দখল কৰি লৈছে, উজনি অসমৰ চাহ-বাগিচাবোৰ কুলিৰ হাতত, অসমৰ ব্যৱসায়-বাণিজ্য মাৰোৱাৰীৰ হাতত, শিল্প-উদ্যোগ, কল-কাৰখানাত কাম কৰা শ্ৰমিক, থেলাবালা, ৰিক্সাবালা, মুচি-মেটৰ, ধোবা-নাপিত, কমাৰ-কুমাৰৰ কামত বিহাৰী নাইবা মিএগ ...। এইবোৰ কথা চিন্তা কৰিলে অসমীয়া জাতি, অসমীয়া ভাষা লৈ বৰ বেছি চিএগৰ-বাখৰ কৰাটো ভাল নহ'ব।"

"তাৰ মানে?"

"মানেটো অতি পৰিষ্কাৰ।" বিমানে ক'লে, "বিশেষ এটা ভৌগোলিক খণ্ডত সমাজ আৰু ৰাষ্ট্ৰীয়ন্তৰৰ সকলোতে সকলো ধৰণৰ কৰ্মৰ বাবে উপযুক্ত মানুহ নাথাকিলে একভাষী এটা গোষ্ঠী নাইবা সম্প্ৰদায়ৰদ্বাৰা এটা জাতি গঢ়ি নুঠে। তুমি যিবোৰ চিন্তাৰে পৰিচালিত হৈ এনেবোৰ আশংকা কৰিছা— মোৰ বিচাৰত সেইটো সঠিক নহয়। তদুপৰি স্থানীয় আৰু বাহিৰৰপৰা বিভিন্ন ভাষা জাতি আৰু ধৰ্মীয় গোষ্ঠীৰ মানুহ আহি যেনেকৈ অসমৰ অৰ্থনৈতিক ভেটি গঢ়ি তুলিছে— তাক বিকাশ কৰিবলৈ হ'লে আমি এওঁলোকক স্বীকাৰ কৰি লৈহে আগবাঢ়িব লাগিব।"

গিৰীন বৰুৱাই বিমানৰ কথাবোৰ সমৰ্থন কৰিব নোৱাৰিলে। আগৰেপৰাই বিমানৰ চিন্তা-ভাবনাবোৰ উদাৰবাদী। দিল্লীত তিনিবছৰ পঢ়া-শুনা কৰি অহাৰ পাছত তেওঁ ৰাষ্ট্ৰীয়বাদী হৈ পৰিছে। বৰুৱাই বহুত ক্ষেত্ৰত বিমানক সহ্য কৰিব নোৱাৰে। সেইবুলি এইবোৰ বিষয়লৈ তেওঁৰ এতিয়া বিতৰ্কলৈ যোৱাৰ মন নাই। তেওঁ নিমাত হৈ বহি থাকিল।

অস্বস্তিকৰ যন্ত্ৰণাৰে মুহূৰ্তবোৰ অতিবাহিত হ'বলৈ ধৰিলে। চকীখনৰপৰা উঠি বিমানে ক'লে, "যি হওঁক, মিতুৰ বিষয়ে মই কথা এটা ভাবিছো।"

হমুনিয়াহ এটা কাঢ়ি গিৰীণ বৰুৱাই ক'লে, "কি কথা?"

"দুই এদিনৰ ভিতৰত মই প্ৰবীৰক লগ কৰিম।"

"লগ কৰিবি! তাক লগ কৰি কিটো হ'ব?"

"তাৰ লগত মই ইতিপূৰ্বে কেইবাবাৰো কথা-বতৰা হৈছো। সি-এজন চেন্‌চিবল

ল'ৰা।" বিমানে ক'লে, "সময় অলপ লৈ ভালকৈ কথা-বতৰা হ'ম। তাৰ পাছত তাৰ ওপৰত এনেকুৱা এটা হেঁচা প্ৰয়োগ কৰাৰ চেষ্টা কৰিম যাতে সি নিজেই মিতুৰ লগ এৰি দিয়ে।"

"লাভ নহয়। সিহঁতৰ প্ৰতি তই দুৰ্বলহে পৰিছ। প্ৰবীৰক তই মটিভেট কৰিব নোৱাৰ।"

"চেষ্টা এটা কৰি চাওঁচোন—।"

"তই যাব নালাগে। গ'লে আমাৰ তৰফৰপৰা দুৰ্বলতা প্ৰকাশ কৰা হ'ব।"

"এনেকুৱা দুৰ্বলতাই আমাৰ লোকচান নকৰে। মই প্ৰবীৰক লগ কৰিমেই—।"

পিছদিনা অফিচলৈ নগৈ বিমান ফাঁচিবজাৰলৈ আহিল। পঞ্জাব নেচ'নেল বেংকৰ প্ৰবীৰ এজন কেৰাণী। সিমান এটা ভিৰ নাই যদিও বেংকত ব্যৱসায়িক বাতাবৰণ। ভিতৰলৈ সোমাই চুকৰ টেবুল এখনত প্ৰবীৰক কৰ্মব্যস্ত দেখি বিমানৰ বেয়া লাগিল। এইজন ল'ৰা— সাধাৰণ কেৰাণী, এওঁ পাৰমিতাক ইমানকৈ প্ৰলুব্ধ কৰি পেলাইছে! ল'ৰাটোৰ এনেকুৱা কি আছে যে তাৰ বাবে তাই মৰিবলৈও প্ৰস্তুত? গুৱাহাটীত ঘৰ-বাৰী নাই, বিশেষ কোনো পদৰ অধিকাৰী নহয়, আনকি ইমান সুদৰ্শনও নহয়। তথাপি কিহেৰে প্ৰবীৰে তাইক ইমান মোহমুগ্ধ কৰি পেলালে? আঁতৰত থিয় হৈ বিমানে প্ৰবীৰক লক্ষ্য কৰিলে। ছাত্ৰ জীৱনত বিমানেও বহুকেইজনী ছোৱালীক লগ পাইছিল। সিহঁতৰ কোনো এজনীৰে লগত তেওঁ ঘনিষ্ঠ হ'ব পৰা নাছিল। সেই ফালৰপৰা প্ৰবীৰ এজন সফল ডেকা। প্ৰবীৰৰ প্ৰতি বিমান ঈৰ্ষান্বিত হৈ পৰিল। খঙো উঠিল অলপ। ঈৰ্ষা আৰু খঙৰ মিশ্ৰ অনুভূতি লৈ তেওঁ প্ৰবীৰৰ কাষলৈ আগবাঢ়ি আহিল।

বিমানক দেখা মাত্ৰকে প্ৰবীৰ থিয় হ'ল। সন্মান সহাকাৰে সমুখৰ খালী চকীখন দেখুৱাই তেওঁক বহিবলৈ অনুৰোধ কৰি ক'লে, "আপুনি ইয়াত! কিবা কাম আছে চাগৈ—।"

"নাই, মই বেংকৰ কোনো কামলৈ অহা নাই।" গহীনমাতেৰে বিমানে ক'লে, "মই তোমাক লগ কৰিবলৈ আহিছো—।"

"মোক লগ কৰিবলৈ!"

"তোমাৰ লগত দুটামান কথা পাতিবলগীয়া আছিল।"

কোনবোৰ প্ৰসংগ লৈ বিমানে কেনেকুৱা কথা পাতিবলৈ আহিছে, প্ৰবীৰে অনুমান কৰি ল'লে। সি সাৱধান হ'ল। সপ্ৰতিভ ভাবেই সুধিলে, "কথাবোৰ আৰ্জেণ্ট নেকি?"

"আৰ্জেণ্ট মানে সুবিধা থাকিলে সোনকালে পাতিব পাৰিলেই ভাল। কিন্তু এতিয়া অফিচ চলিছে। অফিচত এইবোৰ কথা পতাটো উচিত নহ'ব।"

"এতিয়াই পাতিম বুলি ভাবি আহিছে যদি মেনেজাৰক ৰিকুৱেষ্ট কৰি এঘণ্টা-দেড়ঘণ্টাৰ বাবে ছুটী লওঁ—।"

"অসুবিধা নহয়তো?"

"কথাটো মেনেজাৰক জনাওঁচোন—।"

ব্ৰাঞ্চ মেনেজাৰে ডেৰ ঘণ্টাৰ বাবে প্ৰবীৰক অফিচৰপৰা ওলাবলৈ অনুমতি দিলে। বিমানক লৈ প্ৰবীৰ ওলাই আহিল। ফাঁচিবজাৰত এতিয়া ভিৰ্। ৰাস্তাত যান-বাহন মানুহ-দুনুহৰ আহ-যাহ। ওচৰৰ কোনো এখন চাহৰ দোকানত বহি কথা পাতিব নোৱাৰি। ফাঁচি বজাৰৰপৰা পাণবজাৰৰফালে আগবাঢ়িল। অপেক্ষাকৃত কম ভিৰ থকা এটা ৰেস্তোৰাত সোমাই দুয়ো সমুখা-সমুখি হৈ বহিল।

প্ৰবীৰ ইতিমধ্যেই সাৱধান হৈছে। বিমানে কেনেকুৱা প্ৰশ্ন সুধিব, কোন কোন কথাৰে কেনেকৈ তাক পৰিচালিত কৰিবলৈ চেষ্টা কৰিব সেইবোৰো চিন্তা কৰিলে। সি থিৰাং কৰিলে, কপটতাৰ আশ্ৰয় নলয়। কোনো কথাতেই নিজৰ দুৰ্বলতা নাইবা অসহায়তা প্ৰকাশ নকৰে।

"পঢ়াশুনা এৰি চাকৰিত সোমালা, কেনে লাগিছে?"

বিমানে যেনেকৈ সুধিলে প্ৰবীৰৰ বেয়া লাগি গ'ল। অথচ হাঁহি-হাঁহিয়েই সি ক'লে "ককাইদেউ, পঢ়াশুনাটো মই এৰি দিয়া নাই। পঢ়াশুনা চলাবৰ বাবেই চাকৰি ল'বলগীয়া হ'ল। মোৰ বাবে চাকৰিটো উপাৰ্জনৰ এটা মাধ্যম। চাকৰি কৰাত ভাললগা বেয়া-লগাৰ কথাবোৰ মই নাভাবো।"

"চাকৰি কৰিয়েই তুমি তেনেহ'লে প'ষ্ট গ্ৰেজুৱেট কমপ্লিট কৰিবা ?"

"তেনেকৈয়ে ভাবিছো।"

"তাৰ পাছত?"

"পি জি কৰ্ছটো চলাই নিয়াৰ উপৰিও বিভিন্ন ডিপাৰ্টমেণ্টত ইণ্টাৰভিউ দি আছো। কিছুদিন আগতে এল-আই-চিত ইণ্টাৰভিউ এটা দিলো। ডিচেম্বৰত ইণ্ডিয়ান ষ্টেটিক্‌তিকেল ছাৰ্ভিছ পৰীক্ষা দিম।"

"তাৰমানে এতিয়া তুমি নিৰ্দিষ্টকৈ কোনো এটা লক্ষ্য বান্ধি লোৱা নাই।"

"লক্ষ্য এটা আছে, ককাইদেউ।" খন্তেক ৰৈ প্ৰবীৰে ক'লে, "কলেজত পঢ়া দিনৰেপৰা মই কথা এটা ভাবি আছো। বিশেষকৈ, অসমৰ আলফা-আবছুৰ আন্দোলনবোৰ লৈ যেতিয়া ভাবো তেতিয়া মোৰ এনে এটা ভাব হয় যে অসমৰ সম্পদবোৰৰ ষ্টেটিক্‌তিকেল ডাটা কালেকশ্বন, প্ৰছেছিং আৰু সেইবোৰৰ ইকন'মিক এনালিছিছ এটা হোৱা দৰকাৰ। কামটো ডাঙৰ। সময় সাপেক্ষ। কষ্টকৰো। কামটো হাতত [illegible] মোৰ কাৰণে হয়তো দুঃসাহিকতাই হ'ব। তথাপি

চেষ্টা এটা কৰি চাবৰ মন। কিন্তু এনে এটা কাম কৰা-নকৰাটো নিৰ্ভৰ কৰিছে মোৰ ভৱিষ্যৎ স্থিতিৰ ওপৰত। ব্যক্তি হিচাপে থিয় হ'ব নোৱাৰিলে এইবোৰ একোৱেই নহ'ব।"

"সি যি কি নহওক লাগে, তুমি এটা ভাল বিষয় লৈ চিন্তা কৰি আছা।" বিমানে ক'লে, "অসমৰ সম্পদবোৰৰ চিহ্নিতকৰণ আৰু যথাযথভাৱে অৰ্থনৈতিক বিশ্লেষণটো সচাঁকৈয়ে দৰকাৰ। বাৰু প্ৰবীৰ, চলি থকা আছুৰ আন্দোলন আৰু আলফাৰ সংগ্ৰামক তুমি সমৰ্থন কৰানে?"

স্পৰ্শকাতৰ প্ৰশ্ন। বাংলা-ভাষীসকলৰ বাবে অসমীয়াভাষী ব্যক্তি এজনৰ লগত এনেবোৰ বিষয় লৈ আলোচনা কৰাটো টান কাম। প্ৰবীৰে অলপ সময় ল'লে।

"ককাইদেউ, আছুৰ বিদেশী বিতাড়ন আন্দোলনটোৱে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছে। কিন্তু বিদেশী বুলি চিহ্নিত লক্ষ লক্ষ মানুহ কেনেকৈ অসমৰপৰা বিতাড়ন কৰা হ'ব— এইটো মই বুজি নাপাওঁ। আনহাতে, আলফাই প্ৰশ্ন তুলিছে— অসম শোষিত, অৱহেলিত, অসমৰ সম্পদ অসমৰ উন্নতিৰ বাবে বিনিয়োগ হোৱা নাই—এইবোৰ বহুলাংশে সঁচা। এইখিনিত আৰু এটা কথা কৈছো, অসমীয়া জাতিৰ অস্তিত্ব সংকট বুলি যিটো প্ৰশ্ন উঠিছে—তাৰ লগত আন জাতি-গোষ্ঠীবোৰেও একেটা প্ৰশ্ন লৈ আন্দোলনমুখী হৈছে। অস্তিত্বৰ কথাটো মই বুজি নাপাওঁ। মোক আপুনি অলপ বুজাই ক'বনে অস্তিত্ব বোলা বস্তুটো আচলতে কি? ব্যক্তিয়ে কেনেকৈ নিজৰ অস্তিত্ব ৰক্ষা কৰে? জাতীয় অস্তিত্বই বা কেনেকৈ সুনিশ্চিত কৰিব পাৰি?"

"এইবোৰ লৈ মই তেনেকৈ ভবা নাই, প্ৰবীৰ।"

"ভাবিবচোন। এই সন্দৰ্ভত আপোনাৰ লগত এদিন ভালকৈ কথা হ'ব লাগিব। এতিয়া কওকচোন, মোৰ লগত কি কথা পাতিম বুলি আহিছে?"

বিমানে ভালকৈ বুজিব পাৰিলে, দেউতাকৰ লগত পৰামৰ্শ কৰি যিটো কৰিব বুলি ভাবিছিল—সেইটো সম্ভৱ নহয়। তাতোকৈ ডাঙৰ কথাটো হ'ল, প্ৰবীৰক তেওঁৰ বেয়া লগা নাই। তাৰ ওপৰত থকা ঘৃণা-খঙো ক্ৰমাৎ কমি আহিল। অকল পঢ়াতে প্ৰবীৰ মেধাবী নহয়। তাৰ মাত-কথা বিচাৰ-বিবেচনাতো বুদ্ধিৰ দীপ্তি এটা আছে। আনহাতে সাধাৰণ যেন লাগিলেও প্ৰবীৰৰ আচৰণত ব্যক্তিত্ব এটাও ফুটি উঠিছে। বেয়া লগা আৰু খঙটোতো নাইকিয়া হ'লেই, ক'ব নোৱাৰাকৈয়ে তেওঁ প্ৰবীৰৰ প্ৰতি কিছু পৰিমাণে আকৃষ্টও হৈ পৰিল। বিতৰ্কৰ পথ পৰিহাৰ কৰি সহজভাৱে বিমানে ক'লে, "কি কথা পাতিবলৈ আহিছো— তুমি চাগৈ অনুমান কৰিব পাৰিছাই। মিতুৰ লগত তোমাৰ সম্পৰ্কটো লৈ ঘৰখনত যে অশান্তি এটা চলিছে, এইটোও নিশ্চয় তাইৰ পৰা গম পাইছা।"

প্ৰবীৰৰ অন্তৰত শীতল এক অনুৰণণ।

"প্ৰবীৰ, তোমাক অকিঞ্চনপৰা মাতি আনি এইবোৰ পাতিবলৈ লৈছো, তুমি বেয়া পাইছা চাগে—।"

"বেয়া কিয় পাম!" বিনয়সহকাৰে প্ৰবীৰে ক'লে, "পাৰমিতাৰ ককায়েক হিচাপে আপুনি আপোনাৰ দায়িত্ব পালন কৰিছে।"

বিমানে প্ৰবীৰৰ পিনে চালে। অৰ্ন্তভেদী দৃষ্টি। তেনেকৈ চাই প্ৰবীৰৰ ভিতৰখন বুজিবলৈ চেষ্টা কৰিলে।

"তোমালোকৰ বিষয়ে মই জানো। তোমালোকৰ ইজনৰ প্ৰতি সিজনৰ মৰম ভালপোৱাৰ বিষয়ে মোৰ সন্দেহ নাই। কিন্তু মিতুৰ ওপৰত মা-দেউতাৰ হেঁচা কিছুমান আহিছে। অথচ তাই সেও মনা নাই। বাধা-বিঘিনি নেওচি তুমিও হেনো তাইক জীৱনসংগিনী কৰি ল'বলৈ প্ৰস্তুত হৈছা। তদুপৰি মিতুৰ লগত কথা-বতৰা হৈ জানিব পাৰিলো, তোমালোকেহেনো সোনকালেই বিয়া পাতিবলৈ সিদ্ধান্ত লৈছা।"

আলোচনাৰ আৰম্ভণীত প্ৰবীৰে ভয় কৰিছিল। অপমানিত হ'ব পাৰে বুলি আশংকা কৰিছিল। কিন্তু পঢ়াশুনা, চাকৰি, আলু-আলফা আদি বিষয় লৈ মতামত বিচাৰি শেষত যেনেকৈ এইটো প্ৰসংগলৈ আহিল, এতিয়া প্ৰবীৰৰ তেনে ভয় আশংকা নাইকিয়া হ'ল। সেই বুলি সি স্বস্তি পোৱা নাই। বুদ্ধি-কৌশলেৰে বিমানে কি কথা কোনফালে পোনাই লৈ যায়, বুজা টান। এই বিষয়ে সচেতন হৈও সৰলভাৱে প্ৰবীৰে স্বীকাৰ কৰিলে, "হয় ককাইদেউ, আমি তেনেকৈয়ে ভাবিছো।"

"কিন্তু এটা কথা নহয়—।" কপাল কোঁচাই তুলি বিমানে ক'লে, "তোমালোকে এতিয়াও পঢ়ি আছা। ইউনিভাৰচিটিৰ ষ্টুডেন্ট্। ছাত্ৰজীৱনৰ এইটো এটা ভাইটেল পিৰিয়ড। এতিয়া পঢ়া-শুনাতহে মনোযোগ দিব লাগে। সেয়া নকৰি ইমান সোনকালে বিয়া পাতিব খুজিছা।"

শেষত যে বিমান এইটো প্ৰসংগলৈ আহিব— প্ৰবীৰে অনুমান কৰিছিল। তাৰ বাবে সি সাজু হৈয়ে আছে।

"ককাইদেউ, আপোনাৰ বেয়া লাগিলেও কথা এটা ক'বলৈ বাধ্য হৈছো।" অবিচলিত মাতেৰে প্ৰবীৰে কৈ গ'ল, "আজি ছয় বছৰ ধৰি তাইৰ সৈতে মোৰ সম্পৰ্ক। এতিয়া আমি যেনেকৈ লগ হওঁ, এইটো অৱস্থাত আমি ইজনে সিজনক যেনেকৈ বিচাৰো তেনেস্থলত আমি একেলগে থকাটোকে ভাল হ'ব বুলি ভাবো। আপুনি সুধিলে, সেইকাৰণে খোলাখুলিভাৱে ক'লো। ইয়াৰ বাবে মোক ক্ষমা কৰিব।"

"কোৱা— মই বেয়া পোৱা নাই।"

তথাপি প্ৰবীৰ ৰ'ল। বিমানক লক্ষ্য কৰিলে। তাৰ পাছত আত্মবিশ্বাসৰ ওপৰত ভৰসা কৰি সি ক'লে, "আমাক লৈ দুয়োখন ঘৰত অশান্তি চলিছে। গাৰ্জেনসকলৰ ইমান প্ৰেছাৰ যে আমাৰ মনৰ অৱস্থা ভাল নহয়; মনপুতি পঢ়িব পৰা নাই। কেতিয়াবা ইমানেই অস্থিৰ হৈ পৰো যে আমাৰ চাল-চলনে আনকো অস্বস্তিত পেলায়। আমি এতিয়া বহুতৰ অস্বস্তি-খণ্ডৰ কাৰণ হৈছো।"

"কিন্তু বিয়াৰ পাছত ঘৰ-সংসাৰ পাতি পঢ়া-শুনা কৰাটো জানো সম্ভৱ?"

"মইতো অসম্ভৱ একো দেখা নাই।"

"কেনেকৈনো সম্ভৱ বুজাই কোৱাচোন?"

"ককাইদেউ, সঁচাকৈয়ে যদি আমাৰ বিয়া হয়, — পাৰমিতা মোৰ ট্ৰেডিশ্বনেল ওৱাইফ নহয়।"

"মানে?"

"মানে মা-দেউতাহঁতক আমি যেনেকুৱাকৈ ঘৰ-সংসাৰ কৰা দেখো—ঘৰখনত দেউতা উপাৰ্জনশীল, দেউতাৰ ইচ্ছা-অভিৰুচি অনুসৰি মায়ে ঘৰখন চলাই যিয়ে ... এনেকুৱা সাংসাৰিক জীৱন আমি নিবিচাৰো। বিয়াৰ পাছতো আমি ইজন-সিজনৰ বন্ধুৰ দৰেই থাকিম। তেনেকৈ আমাৰ কৰ্মশক্তি বাঢ়িব। আমি ইজন সিজনৰ প্ৰেৰণাৰ উৎস হ'ম।"

ধৈৰ্য ধৰি শুনিলেও প্ৰবীৰৰ কথাবোৰ বিমানৰ ৰোমাণ্টিক ভাব-বিলাসিতা যেন লাগিল।

"তথাপি এম-এছ্-চি পাছ কৰাৰ পাছত ভাল চাকৰি এটা লৈ বিয়া পাতিলে ভাল হ'লহেঁতেন।"

"আপুনি তেনেহ'লে পাৰমিতাৰ লগত মোৰ সম্পৰ্কটো স্বীকাৰ কৰি লৈছে— ।"

"স্বীকাৰ নকৰি উপায় কি?" মলিন হাঁহিৰে বিমানে ক'লে, "কিন্তু মই স্বীকাৰ কৰিলেও মা-দেউতাৰ মনোভাবটো সোনকালে সলনি নহয়। যি কি নহওক, তুমি মোৰ অনুৰোধটো ৰাখিবলৈ চেষ্টা কৰা। এম-এচ-চি কমপ্লিট কৰি ভাল চাকৰি এটাত সোমাই মিতুক বিয়া কৰোৱাৰ সিদ্ধান্ত ল'লে মই সন্তোষ পাম। মা-দেউতায়ো তেতিয়া তেনেকৈ আপত্তি কৰিব নোৱাৰিব।"

এইবাৰ প্ৰবীৰৰ ভাল লাগিল। সিহঁতৰ প্ৰতি বিমানৰ আন্তৰিকতা প্ৰকাশ পাইছে। প্ৰবীৰৰ অন্তৰখন আনন্দেৰে নাচি উঠিল। আৰু সহজ হৈ সি ক'লে, "কিন্তু ককাইদেউ, পঢ়া-শুনাৰ ক্ষেত্ৰত আমি এতিয়া ইজনে-সিজনৰ ওপৰত নিৰ্ভৰশীল। ক্লাছত যিবোৰ বিষয় ক্লিয়েৰ নহয়, সেইবোৰ তাই মোৰপৰা নাইবা মই তাইৰপৰা বুজি লওঁ। আপুনি যদি আমাৰ মংগল কামনা কৰিছে— অনুগ্ৰহ কৰি আপুনি আমাৰ বিয়াখনত বাধা নিদিব।"

"কিন্তু এইদৰে তোমালোকে অকল নিজৰ কথাকে ভাবিছা।" বিমানৰ মাতটো টান হৈ উঠিল, "তোমালোকৰ লগত দুখন ঘৰ সাঙোৰ খাই আছে। বিয়াৰ ক্ষেত্ৰত দুখন ঘৰৰ প্ৰত্যেকৰে চেণ্টিমেণ্ট জড়িত হৈ থাকে। গোটেই বিষয়টো তুমি মা-দেউতাহঁতৰ দৃষ্টিৰে চিন্তা কৰি চোৱাচোন। বিশেষকৈ, মিতু আমাৰ ঘৰৰ একমাত্ৰ ছোৱালী। ছোৱালী এজনীক ঘৰৰপৰা বিয়া দি উলিয়াই দিয়াৰ ক্ষেত্ৰত যিবোৰ সামাজিকতাৰ কথা থাকে, সেইবোৰ ঘৰখনে পালন কৰিব লাগিব নে নাই?"

কথাবোৰ বিবেচনা প্ৰসূত। একেধৰণৰ কথাবোৰ ভাবি প্ৰবীৰৰ মাক-দেউতাকেও দুখ-বেজাৰত কষ্ট ভোগ কৰিব। আদালতৰ সহায় লৈ বিয়া পাতিলে প্ৰবীৰৰ মাক-দেউতাকেও সামাজিকতা ৰক্ষা কৰাৰ কোনো সুযোগ নাপাব। তাৰ বেয়া লাগিল। বেয়া লাগিল যদিও পিছ মুহূৰ্ততে তাৰ মনত থুপ খালে কিছুমান ক্ষোভ। উভয়-পক্ষই নিজৰ নিজৰ পাৰিবাৰিক, সামাজিক মান-মৰ্যাদা, ঐতিহ্য পৰম্পৰাক গুৰুত্ব দিছে। নিজৰ ল'ৰা-ছোৱালীৰ কামনা-বাসনাক গুৰুত্ব দিয়া নাই।

"ককাইদেউ, আপুনি বেয়া নাপাব— সৰু হৈও আপোনাক মই কথা এটা ক'বলগীয়া হৈছে। আমাৰ মানে, পাৰমিতা আৰু মোৰ বাবে এইটো এটা দুৰ্ভাগ্যৰ কথা হৈছে যে আপুনি প্ৰেমত পৰা নাই—।" প্ৰবীৰৰ ভাবটো এতিয়া দীপ্ত, "আপুনি এতিয়া যেনেকৈ আমাক বিচাৰ কৰিছে আৰু যেনেকৈ যুক্তিৰে আমাক অনুশাসন কৰিবলৈ যত্ন কৰিছে— সেয়া প্ৰেম আৰু প্ৰেমিক-প্ৰেমিকাৰ বাবে উচিত বিচাৰ হোৱা নাই—।"

"তাৰ মানে?"

"মানে প্ৰেমিক-প্ৰেমিকাৰ ভাব-অনুভূতিক পাৰিবাৰিক, সামাজিক নীতি-নিয়মেৰে বিচাৰ কৰিব নোৱাৰি।" স্পষ্ট মাতেৰে প্ৰবীৰে ক'লে, "আমাৰ মাজত যেতিয়া সম্পৰ্কটো গভীৰ হৈ উঠিল, তেতিয়া পাৰমিতাক মই কিছুমান কথা কৈছিলো। তাইক বুজাব খুজিছিলো, আপোনালোকৰ যেনেকুৱা আৰ্থিক স্থিতিশীলতা, পাৰিবাৰিক আৰু সামাজিক অৱস্থা— সেইবোৰৰ লগত আমাৰ ঘৰখনৰ কোনো তুলনা নহয়। আপোনালোকৰ তুলনাত মোৰ মা-দেউতা দুখীয়া। অসমত বাংলা-ভাষী। সামাজিক অৱস্থা আমাৰ ইমান স্থিতিশীল নহয়। তাই মোক যেনেকৈ ভাল পায়, মোক যেনেকৈ বিচাৰে ... মইও তাইক সিমানখিনিয়েই ভাল পাওঁ। তাইৰ জীৱনৰপৰা মই কেতিয়াও নিজকে আঁতৰাই নিব নোৱাৰো। তাইৰ মৰম, তাইৰ আকুলতা, তাইৰ হৃদয়ৰ ঐশ্বৰ্য মোৰ মা-দেউতাৰ ইচ্ছা-আকাংক্ষাতকৈ বেছি মূল্যবান। সেয়ে ঘৰৰ বাধা-নিষেধ সত্বেও আমি আগবাঢ়িছো। মই জানো, সামৰ্থ মোৰ সীমিত। মাহিলি আয় মোৰ সামান্য। তথাপি পাৰমিতাক লৈ মই চলিব পাৰিম। আৰু মোৰ বিশ্বাস তেনেকৈ আমি সুখী হ'ম। কিন্তু ।" ইয়াকে

কৈ, কাতৰভাৱে বিমানৰ পিনে খন্তেক চাই থাকি যন্ত্ৰণাগধুৰ মাতেৰে প্ৰবীৰে ক'লে, "আপোনালোকে যদি ভাবে এয়া উচিত হোৱা নাই, পাৰমিতাই মোক বিয়া কৰালে আপোনালোকৰ ঘৰখনৰ মান-মৰ্যাদাৰ হানি-বিঘিনি হ'ব আৰু শেহতীয়াকৈ পাৰমিতায়ো যদি এইটো কথা মানি লয়— মোৰ আপত্তি নাই। তাতে মোৰ কষ্ট হ'ব। মই হয়তো ভাগি পৰিম। তথাপি আপোনালোক আটাইৰে কথা ভাবি সহ্য কৰি ল'বলৈ চেষ্টা কৰিম।"

তাৰপাছত প্ৰবীৰে তাত বহি থাকিব নোৱৰা হ'ল। উঠি দিলে। তাৰ আৰু বিমানৰ পিনে লক্ষ্য নাই। প্ৰবীৰৰ সমুখত এতিয়া পাৰমিতাৰ মুখখন ভাহি উঠিল। তাই এতিয়া বা ক'ত আছে!

আঠ

শেষত বিয়াৰ যো-জা আৰম্ভ হ'ল।

প্ৰবীৰ-পাৰমিতাৰ বিয়া।

দুয়োৰে মাক-দেউতাক আছে। মাক-দেউতাকে উপযুক্ত দৰা বিচাৰি জীয়াৰীক বিয়া দিয়ে। সৰ্বসুলক্ষণা কইনা বিচাৰি পুতেকৰ বিয়া পাতিব। এইবোৰ প্ৰবীৰ-পাৰমিতাৰ ক্ষেত্ৰত নাখাটিব। সিহঁতেই সিহঁতৰ বিয়া পাতিব।

বিয়া এখন হ'ল এহাল ডেকা-গাভৰুৰ একেলগে থকাৰ বিধিবদ্ধকৰণৰ অনুষ্ঠান। এইটো আনন্দৰ অনুষ্ঠান। এনে এটা অনুষ্ঠানত দুয়োটা পৰিয়ালৰ সকলো সদস্য, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ জড়িত হৈ পৰে। কিন্তু সিহঁতৰ বিয়াখনলৈ দুই পক্ষৰ কোনো এখন ঘৰৰে অনুমোদন নাই। শেহতীয়াকৈ বিমানে বিৰোধীতা নকৰিলেও আন্তৰিক অনুমোদন জনাব নোৱাৰিলে। কিন্তু তেওঁ ভালকৈ বুজি গ'ল যে বিয়া পতাৰ কথাটোত সিহঁতক হকা-বাধা কৰাৰ নৈতিক অধিকাৰ কাৰো নাই।

এনে এটা অৱস্থাত সিহঁতে সাধাৰণভাৱে বিয়া পাতিম বুলি থিৰাং কৰিলে। তথাপি বিয়া বোলা কথা। খা-খৰছৰ কথা আছে। ইফালে টকাৰ উৎস একমাত্ৰ প্ৰবীৰৰ দৰমহা। চাকৰিত বাহাল হোৱাৰ পাঁচ মাহ হ'ল। প্ৰথম মাহৰ দৰমহাৰ

এটকাও সাঁচিব পৰা নাই। ভাৰাঘৰৰ বাবে অগ্ৰিম ধন দিয়াৰ উপৰিও ষ্টʼভ, কাঁহী-বাতি-গিলাছ, কাপ-প্লেট আদি লাগতিয়াল কেতবোৰ সামগ্ৰী কিনিলে। ঘৰটোক শুৱনি কৰিবৰ বাবে দুৱাৰ-খিৰিকীকেইখনৰ পৰ্দা, বিছনাৰ চাদৰ আদিও আনিলে। শেষৰ চাৰি মাহৰ বাহি হোৱা ধন বেংকত জমা ৰাখিছে। হিচাপ কৰি খৰছ কৰিলে বিয়াখন পাতিবৰ বাবে ধাৰ কৰিবলগীয়া নহয়।

চিভিল মেৰেজ হʼব। প্ৰবীৰৰ সহকৰ্মী তৰুণ বৰ্মণ। তেওঁক লৈ উকিলৰ সৈতে যোগাযোগ কৰি কাগজ-পত্ৰ জমা দিলে। আদালতত দৰা-কইনা হিচাপে থিয় হোৱাৰ সময়ত তিনিজন সাক্ষী থাকিব। প্ৰবীৰৰ তৰফৰপৰা সাক্ষী হʼব তাৰ বন্ধু শ্যামল। পাৰমিতাৰ ফালৰপৰা সাক্ষী দিয়াৰ বাবে বিমান বৰুৱাক অনুৰোধ কৰা হʼব। তেওঁ অসম্মত হʼলে ভাৰাঘৰৰ গৰাকী আৰু পাৰমিতাৰ বান্ধৱী এজনীক মাতি অনা হʼব। বিবাহ পঞ্জীয়নভুক্ত হোৱাৰ দিনাই সিহঁতে পাণবজাৰত শ্যামলে বন্দবস্ত কৰি ৰখা মিলন মঞ্চলৈ আহিব। তাত নিমন্ত্ৰিত অতিথিসকলক আপ্যায়নৰ বাবে কেক-মিঠাই আদি খোৱা বস্তুৰ যোগাৰ কৰাৰ দায়িত্বও শ্যামলকে দিয়া হʼল।

মিলন মঞ্চত অতিথিসকলক আপ্যায়ন কৰি দৰা-কইনা ৰিহাবাৰীৰ ভাৰাঘৰটোলৈ আহিব। তাতেই 'ফুলশয্যা' ৰচনা কৰা হʼব। পাৰমিতা চহকী ঘৰৰ মৰমৰ ছোৱালী। সিহঁতৰ ঘৰটোৰ দৰে ড্ৰয়িংৰুম, বেডৰুম, গেষ্টৰুম, মোজায়েক-কৰা বাথৰুম, গেছ ষ্টʼভত ৰন্ধা-বঢ়া ... এইবোৰ একোৱেই প্ৰবীৰৰ এইটো ঘৰত নাই। এইবোৰ লৈ প্ৰবীৰে এদিন পাৰমিতাৰ লগত আলোচনা কৰিছিল। খং কৰি তাই কৈছিল, এইটো তাইৰ নিজৰ ঘৰ। কিন্তু সৰুৰেপৰা পাৰমিতা যিটো পৰিৱেশত ডাঙৰ হʼল— এতিয়া এনে একোঠালীয়া ভাৰাঘৰ এটাত নিজকে খাপ খুৱাই লʼবলৈ যে অসুবিধা পাব, সেই বিষয়ে প্ৰবীৰ সচেতন। পাৰমিতাক নোকোৱাকৈয়ে সি আৰু দুটামান কাম কৰিলে। ঘৰৰ গৰাকীক অনুৰোধ কৰি বাথৰুম আৰু কিচেনটো অলপ সংস্কাৰ কৰোৱাই লʼলে। দুজনে শুব পৰা খাট এখন তৈয়াৰ কৰোৱাই তাৰ জোখাৰে তুলি, আঠুৱা, চাদৰ আদিও কিনি আনিলে।

যা-যোগাৰ সম্পূৰ্ণ হʼল বুলিব পাৰি। প্ৰেছৰপৰা চিঠিখিনি আনি আগতেই প্ৰস্তুত কৰি ৰখা তালিকা অনুসৰি নাম-ঠিকনাও লিখা হʼল। দুফালৰপৰা নিমন্ত্ৰণ কৰা হʼব। নিজৰ ভাগৰ চিঠিকেইখন লৈ ওলাওঁতেই প্ৰবীৰৰ মাক-দেউতাকৰ কথা মনত পৰিল। লগে লগে আচুতীয়া দুৰ্বলতা এটাই তাক অৱশ কৰি পেলালে। পাৰমিতাহঁতৰ ঘৰৰপৰা আপত্তি উঠিছিল। পিছে পৰোক্ষভাৱে হʼলেও বিমান বৰুৱাই সিহঁতৰ বিয়াৰ অনুমতি দিলে। প্ৰবীৰহঁতৰ ঘৰৰপৰা এই ক্ষেত্ৰত সামান্যতম সহাৰিও জনোৱা হোৱা নাই। সিবাৰ পাৰমিতাৰ কথা উলিয়াওঁতেই

মাক-দেউতাকৰ যেনে এটা অৱস্থা হৈছিল তাতে বুজাবুজিলৈ অহাৰ উপায় নাছিল। এতিয়া গৈ অনুমতি বিচাৰিলেও তেওঁলোকে যে সন্মতি দিব তাৰ আশা নাই। তথাপি প্ৰবীৰে ঘৰলৈ যাব। বিয়া জীৱনৰ অন্যতম অনুষ্ঠান। মাক-দেউতাকৰ আশীৰ্বাদ ল'বই লাগিব।

শনিবাৰৰ দিনা বেংক ছুটী হোৱাৰ আধাঘণ্টা আগতেই অফিচৰপৰা ওলাই প্ৰবীৰ বিশ্ববিদ্যালয়লৈ আহিল। দুই বজাৰপৰা পাৰমিতাৰ লগত প্ৰেক্‌টিকেল কৰিলে। বিয়াৰ ব্যৱস্থাপনা সম্পৰ্কে আৰু কেতবোৰ বিষয় লৈ দুয়ো কথা পাতিলে। তাৰ পাছত প্ৰবীৰে ক'লে, "মই এতিয়া বৰপেটা ৰ'ডলৈ যাম।"

অবাক হৈ পাৰমিতাই সুধিলে; "কিয়?"

"বিয়াৰ দিন-বাৰ থিৰাং কৰিলো। অনুমতি নাপালেও মা-দেউতাক কথাটো জনাব নালাগিব জানো?"

"জনাবতো লাগেই। তুমি যোৱা। কিন্তু কিয় যে মোৰ ভয় লাগিছে।"

"ভয়! কিহৰ ভয়?"

"বাধা-বিঘিনি কিবা—।"

"মোৰ আগত কোনো বাধাই এতিয়া বাধা হৈ থাকিব নোৱাৰে। আৰু শুনা, তুমিও মা-দেউতাৰাৰ আশীৰ্বাদ ল'ব লাগিব।"

"মা-দেউতাই মোক আশীৰ্বাদ নিদিব।"

"এইটো কথাত তোমাক তেওঁলোকে আশীৰ্বাদ নিদিয়াকৈ নাথাকে।"

"তুমি কেনেকৈ জানিলা?"

"এয়া মোৰ বিশ্বাস।" প্ৰবীৰে ক'লে, "বাৰু, আহিছো। মই সোমবাৰে ৰাতিপুৱা আহিম।"

"আহিয়েই মোক লগ কৰিবা কিন্তু।" -- পাৰমিতাই জোৰ দি ক'লে।

"নিশ্চয়।" — প্ৰবীৰে বিদায় ল'লে।

প্ৰাইভেট বাচেৰে বৰপেটা ৰ'ড পাওঁতে নিশা সাত বাজিল। এইটো সময়ত দেউতাক ঘৰত নাথাকে। আজিও নাই। মাধৱীয়ে আনকালৰ দৰেই ইটো-সিটো সুধিলে। ভাবটো তেওঁৰ আগৰ দৰে সৰল নহয়। প্ৰবীৰৰ অন্তৰত বিচ্ছিন্নতাৰ যন্ত্ৰণা অনুভূত হ'ল। সি বুজিব পাৰিলে, পাৰমিতাৰ লগত সম্পৰ্কটোৰ বাবেই মাক-দেউতাকৰ লগত ব্যৱধান এটা সৃষ্টি হৈছে।

অৱনী আহিল। সীমাৰপৰা প্ৰবীৰ অহা বুলি জানিবলৈ পায়ো তেওঁ আগ্ৰহ নেদেখুৱালে। একেলগে বহি ৰাতিৰ আহাৰ খালে। তেতিয়াও অৱনীয়ে প্ৰবীৰক নামাতিলে। এনে এটা অৱস্থাত প্ৰবীৰে কেনেকৈ ক'ব যে বিয়াৰ যা-যোগাৰ

চলিছে, তাৰিখ পৰ্যন্ত থিৰাং কৰা হৈছে।

ভাত-পানী খাই উঠি প্ৰবীৰ বিছনাত পৰিল। শুবলৈ চেষ্টা কৰিলে। কেইবাবাৰো ইলুটি-পিলুটি কৰিও শুব নোৱাৰিলে। শেষত বিছনাৰপৰা নামিল। ভাবিলে, নাই— কথাটো নকয়। কাইলৈৰ দিনটো কোনোমতে পাৰ কৰি পৰহিলৈ যাবগৈ। এইদৰে ভাবিও শান্তি নাপালে। বিয়া কৰাব— এনেকুৱা এটা কথা মাক-দেউতাকক নজনোৱাটো ভাল নহ'ব। জানোচা শেষ মুহূৰ্তত তেওঁলোকে সন্মতি দিয়েই। প্ৰবীৰে নিজকে দৃঢ় কৰিলে। ৰাতিপুৱা কথাটো পাতিবই লাগিব।

শেষত ক'লে। ভালকৈয়ে ক'লে। সকলোৱে শুনিবলৈ পালে: ঘৰৰ বৰপুত্ৰই বিয়া কৰাব। বোৱাৰী আহিব! আনন্দৰ কথা। অথচ কোনেও আনন্দ প্ৰকাশ নকৰিলে। ঘৰখনলৈ নামি আহিল গভীৰ এক নীৰৱতা।

বহুত সময় পাৰ হ'ল।

প্ৰবীৰৰ বেয়া লাগিল। দুঃসহ এক আত্ম-পীড়নেৰে সি কাতৰ হৈ পৰিল। মাক-দেউতাকৰ সমুখৰপৰা গুচি আহিবলৈ লৈছিল। এনেতে অৱনীয়ে ক'বলৈ ধৰিলে, "শেষ, সকলো শেষ হৈ গ'ল। গুৱাহাটীলৈ পঢ়িবলৈ পঠিয়াইছিলো। তোক বিয়া কৰাবলৈ নহয়। প্ৰেম— প্ৰেম কৰি বিয়া। এইবোৰ কৰিবলৈ গৈ তোৰ মনত নপৰিলেনে তই কেনেকুৱা ঘৰৰ ল'ৰা? মা-দেউতাৰে তোক কেনেকৈ তুলি-তালি ডাঙৰ কৰিলে এইটোও তই নাভাবিলিনে? ইয়াত, এই অসমত আমাৰ স্থিতি এতিয়াও সুনিশ্চিত হোৱাগৈ নাই। জীৱনটো হাতত লৈ কোনোমতে আমি ইয়াত জীয়াই আছো। আমাৰ দৰে মানুহৰ এইবোৰ প্ৰেম-প্ৰণয় শোভা নাপায়। এইটো কৰি নিজকে বিক্ৰী কৰি দিলি। শেষ হৈ গ'লি তই।"

কিনো আৰু মাতিব? মাতিবলৈ একো নাই। তলমূৰ হৈ প্ৰবীৰ বহি থাকিল।

"বিয়া— তেইশ বছৰতে বিয়া। এয়া বিয়া নহয়। উন্মাদনা। এইটো উন্মাদনাৰ জুইত পৰি তই শেষ হৈ যাবি।" হতাশা আৰু খঙেৰে উত্তেজিত অৱনীয়ে কৈ গ'ল, "সকলো ঠিক কৰি থৈ এতিয়া আমাক মাতিবলৈ আহিছ! আমি কৰিবলগীয়া কিটো আৰু থাকিল? এইদৰে খবৰ দিয়াতকৈ আমাক এই বিষয়ে একো নজনোৱাটোৱেই ভাল আছিল। নিজৰ ঘৰ বাদ দি গুৱাহাটীত বিয়া পাতিছ— আমাক তালৈ লৈ গৈ কি কৰিবি? তালৈ গ'লে সকলোৰে আগত আমি অপমানিতহে হ'ম। আজি যিটো কৰিবলৈ লৈছ— তাৰপৰা এইটো সাব্যস্ত হৈছে যে আমি তোৰ কোনো নহয়। আমাতকৈ সেইজনীয়েই এতিয়া তোৰ বেছি আপোন। তাইৰদ্বাৰাই তই পৰিচালিত হৈছ। তোৰ আৰু এতিয়া নিজস্ব কোনো বিচাৰ-জ্ঞান নাই।"

প্ৰবীৰে শুনি আছে। শুনিছে যদিও তাত বহি থাকিব নোৱৰা এটা অৱস্থা।

সেই বুলি উঠিবও পৰা নাই।

"যা— বিয়া পাতগৈ—। সেইজনীৰ বাবে তই যদি মাৰ-দেউতাৰ, ভায়েৰ-ভনীয়েৰ, আত্মীয়-স্বজন, নিজৰ ভাষা-সংস্কৃতি এৰিব পাৰ; আমিও তোৰ মায়া-মমতা ত্যাগ কৰিব পাৰিম। আজিৰপৰা তোৰ লগত আমাৰ কোনো সম্পৰ্ক নাই।

প্ৰবীৰ স্তম্ভিত। মাক-দেউতাক, ভায়েক-ভনীয়েকহঁতৰ লগত তাৰ সম্পৰ্ক নাথাকিব! কাতৰভাৱে সি মাকৰ পিনে চালে। মাকজনী নিমাত! ভালপোৱা ছোৱালীজনীক বিয়া কৰাব বুলি মাক-দেউতাক তাৰ প্ৰতি ইমান নিষ্ঠুৰ হ'ল! ইফালে অৱনীৰ দুচকুত জুই। কিন্তু জ্বলন্ত সেই চকু দুটাৰপৰা দুৰন্তবেগেৰে নামি আহিল চকুলো।

প্ৰবীৰে দেউতাকৰ পিনে চাব পৰা নাই। মাতিবৰ মন যোৱা নাই। তথাপি সি ক'লে, "দেউতা, কথাবোৰ বেছিকৈ ভাবি লৈ নিজৰ কষ্ট-যন্ত্ৰণা বঢ়াই লৈছা।"

"বেছিকৈ ভাবি লৈছো মানে? এইখন ঘৰৰ ডাঙৰ ল'ৰা তই। ঘৰখনৰ বহুত কথা তোৰ ওপৰত নিৰ্ভৰ কৰিছে। আমাৰ আশা-আকাংক্ষাক তই মূল্য দিব পৰা নাই কিয়?"

"তোমালোকৰ আশা-আকাংক্ষাক মূল্য দিবৰ বাবেই মই আহিছো।"

"মিছা কথা। বিয়াৰ সকলো ঠিক-ঠাক কৰি থৈ আমাক কেৱল মাতিবলৈ আহিছ। হায় ভগৱান, কিয় যে তই এনেকুৱা হ'লি। আমাৰপৰা এইদৰে আঁতৰি যাবি বুলি জনা হ'লে, মই তোক গুৱাহাটীলৈ নপঠিয়ালোহেঁতেন।"

এনেতে মাধৱীয়ে কিবা এটা ক'বলৈ লৈছিল। কিন্তু স্বামীয়ে পুতেকৰ লগত সম্পৰ্ক ছিন্ন কৰিলে। তেওঁৰ বুকুখন হেঁচা মাৰি ধৰিছে অৱৰুদ্ধ এক কান্দোনে। লগতে আবেগ ইমানেই বেছি যে তেওঁ একোকে ক'ব নোৱাৰিলে। তেওঁলৈ চাই ভেকাহি মাৰি অৱনীয়ে ক'লে, "তেনেকৈ ফেকুৰিলে কি হ'ব! বৰ হেঁপাহৰে তাক গাত লৈছিলা। পিয়াহ দি, গু-মুত চাফা কৰি, খুৱাই-বুৱাই, বেমাৰে-আজাৰে যত্ন কৰি তুলি-তালি ডাঙৰ কৰিলা। পুতেৰে এতিয়া বিয়া পাতিব— কথাটো তোমাক জনাবলৈ আহিছে। তুমি জানি লোৱা।"

সৎ উদ্দেশ্য এটা লৈ প্ৰবীৰ আহিছিল। ভালকৈ কথা-বতৰা হৈ দেউতাকক পতিয়ন নিয়াবৰ মন আছিল। সেয়া নহ'ল। কিবা ক'বলৈ গ'লেই দেউতাকৰ খং-উত্তেজনা বাঢ়িব। গালি-গালাজ পাৰিব। এনে এটা অৱস্থাত ঘৰত থকাটো বেদনাদায়ক। প্ৰবীৰে সিদ্ধান্ত ল'লে, এতিয়াই গুৱাহাটীলৈ গুচি যাব। তেনেকৈ ভাবি লৈ বেগটোত নিজৰ গামোছা, পাইজামা-চোলা, টুথব্ৰাছ-পেষ্ট আদি ভৰাই ল'লে।

ককায়েকৰ এইবোৰ দেখি ক্ষমা দৌৰি গৈ মাধৱীক খবৰটো দিলে। হাতৰ কাম পেলাই মাধৱী পুতেকৰ সমুখলৈ আহিল।

"এতিয়াই যাবলৈ ওলাইছ!"

প্ৰবীৰে নামাতিলে। বেগটোত সকলো বস্তু ভৰোৱা শেষ কৰি জোতা পিন্ধিবলৈ ল'লে।

"কি হ'ল?" মাধৱীৰ মাতটো থোকাথুকি হৈ পৰিল, "তই মতা নাই কিয়?"

"মাতিমনো কি? মোৰ কথা তোমালোকে শুনিবই নোখোজা।"

মাধৱীৰ মুখখন কোমল হৈ পৰিল। প্ৰবীৰে যিটো কৰিবলৈ লৈছে, তেওঁ মাতিব নোৱাৰে। সেইবুলি গিৰিয়েকৰ দৰে তেওঁ কঠোৰ হ'বও নোৱাৰে।

"মা, তোমালোকে যিটো ভয় কৰিছ— সেইটো নহয়। পাৰমিতা এইখন ঘৰৰ বোৱাৰী হৈ আহিলে তোমালোকে তাইক বেয়া পাই থাকিব নোৱাৰিবা।" ব্যথিত প্ৰবীৰে গহীন মাতেৰে ক'লে, "দেউতাক ক'বা, তাইক বিয়া কৰালেও তোমালোকৰপৰা মই বেলেগ হৈ নাযাওঁ।"

মাধৱীৰ চকু দুটা সজল।

মাকৰ সজল চকু দুটালৈ চাই প্ৰবীৰৰ অন্তৰখন ভাঙি পৰিল।

"ওলাইছ যেতিয়া মানা নকৰো।" শাড়ীৰ আচলেৰে চকুলো মোহাৰি লৈ মাধৱীয়ে ক'লে, "কিন্তু দেউতাৰৰ কথা ভাবিবি। কিয় দেউতাৰে খং কৰে বুজিবলৈ যত্ন কৰিবি।"

"মই বুজি পাওঁ, মা। দেউতাৰ হতাশা-যন্ত্ৰণা মই উপলব্ধি কৰিব পাৰো। পিছে দেউতাই মোৰ যন্ত্ৰণাটো বুজিবলৈ চেষ্টা নকৰিলে—।"

মাধৱীয়ে কি ক'ব? অসহায়ভাৱে পুতেকৰ পিনে চাই অনাবিল মৰমেৰে ক'লে, "মাছৰ জোল হ'লেই। আহ, তপতে তপতে ভাত এমুঠি খাই ল'—।"

বৰপেটা ৰ'ডৰপৰা আহি পাৰমিতাৰ লগত কথা-বতৰা হৈ প্ৰবীৰে আশংকা কৰিলে, পাৰমিতাহঁতৰ ঘৰৰপৰা আৰু এটা প্ৰতিৰোধ আহিব। অৱশ্যে তেনেকুৱা একো নঘটিলে। ঘৰৰপৰা ওলাই অহাৰ সময়ত কোনেও পাৰমিতাক বাধা নিদিলে। আচৰিত কথা এইটোৱেই যে যি দিগন্তই বায়েকৰ লগত ইমানকৈ কাজিয়া কৰে, সিয়ে তাইৰ লগ হ'ল। প্ৰবীৰ-পাৰমিতাৰ বিয়াত দিগন্তই সহায়কৰ ভূমিকা পালন কৰিবলৈ ল'লে। দিগন্তক লগত পাই সিহঁতে মানসিক শক্তি এটা পালে।

বিবাহ পঞ্জীয়নভুক্ত হোৱাৰ পাছত পাণবজাৰৰ মিলন মণ্ডপত অতিথি আপ্যায়নও নিয়াৰিকৈ সম্পন্ন হ'ল। বন্ধু-বান্ধৱীহঁতৰ দুই-এজনে প্ৰবীৰ-পাৰমিতাক 'বিয়া-

বলিয়া' বুলি ব্যংগ-বিদ্রূপ কৰিছিল। সিহঁতো নহাকৈ নাথাকিল। আপ্যায়নৰ দায়িত্ব শ্যামলৰ ওপৰত থাকিলেও আন বন্ধুহঁতেও সহায় কৰিলে। সঘনাই আলোকচিত্ৰ তোলা হ'ল। পাৰমিতাহঁতৰ গুৱাহাটীস্থ আত্মীয়-স্বজনৰ কেইবাগৰাকীয়ে উপহাৰ লৈ আহি দৰা-কইনাক আশীৰ্বাদ যাচিলে। প্ৰবীৰে কাম কৰা বেংকৰ নিমন্ত্ৰিত সহকৰ্মীসকলেও সমূহীয়াভাৱে উপহাৰ এটা দি চাহ-মিঠাই খাই বিদায় ল'লে।

সন্ধিয়াৰ পাছত অন্তৰংগ বন্ধু-বান্ধৱীকেইজনহে থাকিল। ৰং-ধেমালি চলিল। পাটৰ মেখেলা-চাদৰ পিন্ধি মূৰত ওৰণি লৈ কইনা পাৰমিতা, ধুতি-কামিজ পিন্ধি সুদৰ্শন দৰা প্ৰবীৰ ...। সিহঁতৰ আজি মিলন উৎসৱ। সিহঁতলৈ চাই ডেকা বন্ধুহঁতৰ মনত জীৱনৰ প্ৰতি এটা সতৃষ্ণ অনুৰাগ সৃষ্টি হ'ল। ইমান বছৰ ধৰি অন্তৰত পুহি ৰখা এটা সপোন আজি বাস্তৱায়িত হ'ল— উৎফুল্ল হাঁহিৰে পাৰমিতাই সকলোৰে সৈতে কথা পাতিছে। কিন্তু প্ৰবীৰৰ আচৰণত পৰিলক্ষিত হৈছে নিৰ্বিকাৰ এক উদাসীনতা। বিবাহ জীৱনৰ এটা মুখ্য অনুষ্ঠান। এইটো জীৱন লাভ কৰিছে মাক-দেউতাকৰপৰা। অথচ এনে এটা অনুষ্ঠানত. তেওঁলোক উপস্থিত নাথাকিল।

নিশা চাৰে আঠ বজাৰ আগতেই শ্যামলৰ বাহিৰে বাকীসকলে নব-দম্পতীক "শুভ মিলন নিশা'লৈ মধুৰ সম্ভাষণ জনাই বিদায় ল'লে। দৰা-কইনা সিহঁতৰ নিজৰ ভাৰাঘৰলৈ যাব। শ্যামলে অট' এখন মাতি আনিবলৈ ওলাল।

তেতিয়াই পাৰমিতাৰ ককায়েক বিমান আহিল। ককায়েকক দেখি পাৰমিতা আবেগ-আকুল হৈ উঠিল। প্ৰবীৰৰ হাতত ধৰি তাই আগবাঢ়ি আহিল। দুয়ো একেলগে বিমানৰ ভৰি স্পৰ্শ কৰি সেৱা জনালে।

প্ৰচলিত সামাজিকতা ৰক্ষা কৰি ভনীয়েকজনীক বিয়া দিয়া নহ'ল। ঘৰত মাকে দুখ-বেজাৰত চকুলো টুকিছে। দেউতাকৰ অৱস্থাও তেনেকুৱাই। তথাপি বিমান আহিল। ভনীয়েকৰ প্ৰতি থকা মৰম-চেনেহেই তেওঁক টানি আনিলে। ইতিমধ্যে পাৰমিতাৰ বিয়া হৈ গৈছে। নব-বিবাহিতা ভনীয়েকজনীলৈ চাই তেওঁ বেদনাকাতৰ হৈ পৰিল। এতিয়া আৰু প্ৰবীৰক অস্বীকাৰ কৰাৰ উপায় নাই। প্ৰবীৰক বুকুৰ মাজলৈ টানি লৈ কঁপা কঁপা মাতেৰে বিমানে ক'লে, "প্ৰবীৰ, মোৰ আৰু ক'বলগীয়া একো নাই। তোমালোক সুখী হোৱা।"

শেষ মুহূৰ্তত আহি বিমানে সিহঁতক আশীৰ্বাদ দিলেহি। অভিভাৱকসকলৰ এজন অন্ততঃ আহিল। প্ৰবীৰ-পাৰমিতাৰ বিয়াৰ অনুষ্টুপীয়া অনুষ্ঠানটো মহিমাময় হৈ উঠিল। বিমান অহাটো আনন্দৰ কথা যদিও প্ৰবীৰৰ অন্তৰৰ দুখ-বেদনা বাঢ়িল। ইফালে বৰপেটা ৰ'ডৰপৰা আহোঁতে সিদিনা প্ৰবীৰে সুবীৰক কৈছিল, সি যেন বিয়ালৈ আহে। তাৰ বাবে টকা পঞ্চাশটাও তাৰ হাতত দি আহিছিল।

সুবীৰ নাহিল। মিলন মণ্ডপৰ পৰা উপহাৰবোৰ লৈ অট'ত পাৰমিতাৰ লগত ৰিহাবাৰীলৈ আহোঁতে প্ৰবীৰৰ সমুখত ভাহি উঠিল মাক-দেউতাকৰ মুখ, মনত পৰি আছিল সীমা-ক্ষমাৰ কথা। ইফালে ককায়েক-ভায়েক বিয়ালৈ আহিলেও মাক-দেউতাকৰ কথা ভাবি পাৰমিতাও উদাস।

অৱশেষত দুটা হৃদয়ে সহাবস্থানৰ সামাজিক বৈধতা অৰ্জন কৰি ল'বলৈ সক্ষম হ'ল। সেই বুলি সিহঁত আনন্দিত নহয়। নিজৰ নিজৰ বিচাৰ বোধ-সত্তাৰে যিখিনি কামনা কৰিছিল, সেইখিনি পোৱাৰ পাছতো এতিয়া এনে এটা ধাৰণা হৈছে যেন আৰু কিবা এটা পাবলৈ থাকি গ'ল। আৰু কিবা এটা নোপোৱাৰ বেদনাত দুয়োৰে বুকু গধুৰ।

এহাল স্বামী-স্ত্ৰী হিচাপে প্ৰবীৰ-পাৰমিতা ভাৰাঘৰটোলৈ সোমাল। মালিক আৰু মালিক পত্নীয়ে সিহঁতক আদৰণি জনালে। সকলো যথাসময়ত ঠিকে-ঠাকে হৈ গ'ল বুলি জানিবলৈ পাই তেওঁলোক সুখী হ'ল। তেওঁলোকে বিদায় লোৱাৰ পাছত দুৱাৰখন বন্ধ কৰি পাৰমিতা প্ৰবীৰৰ সমুখলৈ আহিল।

প্ৰবীৰৰ সমুখত এতিয়া পাৰমিতা। পাৰমিতাই তাৰ জীৱন। সমৰ্পণৰ আবেগ-অনুৰাগেৰে অপৰূপা পাৰমিতা চঞ্চল। কিন্তু প্ৰবীৰৰ দুচকুত অশ্ৰু। অশ্ৰু মানে ধাৰাসাৰ অশ্ৰু; মুখত মাত নাই। পাৰমিতাক পাবৰ বাবে ইমানখিনি কৰিলে— অথচ তাইক বাহুবন্ধনৰ পৰিসৰত পায়ো প্ৰবীৰ কল্পনাতীতভাৱে নিস্পৃহ।

ন

"উঠি দিলা যে! পাঁচ বজাই নাইচোন।
আহা— আৰু খন্তেক শুই থাকো।"

"নাই, এতিয়া উঠা। ৰাতিপুৱা পঢ়াটো ভাল।"

"ইচ্, বিয়াৰ দুদিনেই হোৱা নাই! অলপ সুখ নকৰিম নে?"

"ওৰে ৰাতিটোতচোন সুখ কৰিলা। আকৌ ৰাতি আহিব।"

"নহয় নহয়—।"

ইয়াকে কৈ, পাৰমিতাই প্ৰবীৰৰ হাতত ধৰি টানি নিজৰ বুকুত মিলাই লৈ অবিশ্ৰান্ত ধাৰাৰে চুমা খাবলৈ ধৰিলে। প্ৰবীৰেও তাইলৈ সহাৰি নজনোৱাকৈ থাকিব নোৱাৰিলে।

"চোৱা মিতা, আমি কিন্তু এতিয়াও ষ্টুডেন্ট।"

"হ'লেও আমি ব্ৰহ্মচৰ্য ব্ৰত লোৱা নাই। আমেৰিকাৰ ইউনিভাৰচিটিৰ ছাত্ৰইঁতে নিজৰ বান্ধৱীৰ সৈতে একেটা কোঠাত থাকে।"

"আমি আমেৰিকান নহওঁ।" প্ৰবীৰে ক'লে, "ডেকা-গাভৰুৰ সম্পৰ্কক সিহঁতে যিমান সহজভাৱে লয়, আমাৰ সম্পৰ্ক তেনেকুৱা নহয়। আমি ইজনে-সিজনক ভাল পাওঁ।"

পাৰমিতা গহীন হৈ পৰিল। আলুলায়িত কেশ। বিবস্ত্ৰ বসন। তিতা ওঁঠ। দুচকুত মূৰ্ত আবেদন। বিছনাৰপৰা নামি আউল-বাউল চুলিকোছা পৰিপাটীকৈ লৈ খোপা বান্ধিলে।

"ই, বৰ ম'ৰেল টিচাৰটো আহিছে!" মুখখন ওন্দোলাই তাই ক'লে, "বেছিকৈ নীতিবচন গালে কিন্তু কথা বেলেগ হ'ব।"

"ঠিক আছে, ইমানেই যদি স্ফূৰ্তি কৰিবৰ মন— ব'লা শ্বিলঙলৈ যাওঁ। দুদিন থাকি আহোঁগৈ। হনিমুন হ'ব—।"

"শ্বিলঙলৈ গৈ হনিমুন পাতিবলৈ টকা এসোপা লাগিব। বিয়াত ইমান খৰছ হ'ল, এতিয়াই হেজাৰ টকা খৰছ কৰিব নালাগে।"

বিছনাৰপৰা নামি পাৰমিতা বাথৰুমলৈ সোমাব। কিন্তু প্ৰবীৰক মৰম কৰাৰ আবেগ তাইৰ কমা নাই। নিটোল বাহু দুখনেৰে আকৌ প্ৰবীৰক আকোৱালি ধৰি তাই সুধিলে, "বিয়াৰ নিশা ইয়ালৈ আহি তুমি তেনেকৈ চকুলো টুকিছিলা কিয়?"

প্ৰবীৰৰ অন্তৰখন বিণবিণাই উঠিল। বিয়াৰ নিশা সমৰ্পিতা প্ৰাণ-প্ৰেয়সীক নিজৰ কৰি পোৱাৰ পাছতো যে তাৰ দুচকুৰেদি ধাৰাসাৰে চকুলো বৈছিল— তাত আছিল পাৰমিতাক পোৱাৰ আনন্দ, মাক-দেউতাকৰ লগত সম্পৰ্ক-ছেদ হোৱাৰ বিষাদ আৰু পাৰমিতাক সুখী কৰিব পাৰিব নে নাই তাৰ দুঃচিন্তা। অথচ এইবোৰ প্ৰবীৰে ক'ব নোৱাৰিলে। সি মাথো ক'লে, "হঠাৎ মোৰ কি হ'ল— বুজিব নোৱাৰিলো।"

"আগলৈ তুমি আৰু তেনেকৈ চকুপানী নুটুকিবা।"

"চকুপানী আহিলে কেনেকৈ ধৰি ৰাখিম?"

"নাই, মতা মানুহে তেনেকৈ চকুপানী টুকিব নাপায়। দৃশ্যটো মনত পৰিলে মোৰ বেয়া লাগে। মই লক্ষ্য কৰিছো— এতিয়াও তুমি কষ্ট পাই আছা। প্ৰায়ে

মন মাৰি থাকা। কিয়? কিয় তুমি মন মাৰি থাকা? এতিয়া আমি সুখী। এয়া আমাৰ আনন্দৰ দিন।"

"কেনেকৈ হয়। কিন্তু সঁচাকৈয়ে জানো আনন্দিত হ'ব পাৰিছো?"

"তাৰমানে তুমি এতিয়াও সুখী নহয়।" পাৰমিতা অস্থিৰ হৈ পৰিল, "কিহত তুমি অসুখী? কথাবোৰ ভাঙি-পাতি কোৱাচোন।"

প্ৰবীৰ সুখী হ'ব নোৱৰাৰ কাৰণ অনেক। পাৰমিতাক সেইবোৰ ক'ব নোৱাৰে। কিছুপৰ মনে মনে থাকি ক'লে, "তুমি যিখন ঘৰৰ ছোৱালী, মাৰাৰ ঘৰত যেনেকৈ ডাঙৰ-দীঘল হ'লা— তাৰ একোৰেই মোৰ ইয়াত নাই।"

"কি? কি ক'লা তুমি?" উচাট মাৰি প্ৰবীৰৰ বাহুবন্ধনৰপৰা আঁতৰি গৈ পাৰমিতাই দপ্‌দপাই উঠিল, "এইটো তোমাৰ ঘৰ! তাৰমানে তুমিহে মোক ইয়াত ৰাখিছা! মোৰ তেনেহ'লে ইয়াত কোনো অধিকাৰ নাই?"

"নাই, মই ঠিক সেইটো বুজাব খোজা নাই।"

"কি বুজাব খুজিছা তেন্তে? মই কিবা তোমাতকৈ বেলেগ নেকি?"

"নহয়— মানে, কথাটো হ'ল— ।"

"কি কথা— কিহৰ কথা?"

"চোৱা মিতা, সৰুৰেপৰাই মই কষ্ট কৰি আছো। কষ্ট কৰি চলাৰ অভ্যাস মোৰ আছে। ইয়াত তোমাৰ—।"

"ইয়াত মোৰ কষ্ট হোৱা নাই। আগলৈ তেনেকৈ নক'বা, কৈ দিছো। আৰু শুনা, এতিয়া এইটোৱেই মোৰ ঘৰ। মোৰ মানে আমাৰ ঘৰ। বেছি 'মোৰ' 'মোৰ' কৰি থাকিলে কথা বেয়া হ'ব কিন্তু।"

বিয়াৰ আগতে সিহঁতে ভাবিছিল, মনপুতি পঢ়া-শুনা কৰিব পাৰিব। কিন্তু বিবাহিত জীৱন মানেই প্ৰেম-প্ৰণয়ৰ বাধাহীন আদান-প্ৰদান। ইয়াৰপৰা দেহজ কামনা-বাসনাক বেলেগ কৰিব নোৱাৰি। সুদীৰ্ঘ ছয় বছৰ প্ৰেমৰ পাছত বিয়াৰ প্ৰথম বছৰত মদমত্ত যৌনতা অস্বাভাৱিক নহয়। ইফালে সংসাৰ পৰিচালনাৰ লগতে কেতবোৰ সামাজিকতাৰ কথাও আছে। ফলত, বিয়াৰ পাছত ব্যৱহাৰিক জীৱনটো যেনেকৈ অতিবাহিত কৰিব বুলি ভাবিছিল— সেয়া সম্ভৱ হৈ নুঠিল। এই ক্ষেত্ৰত পাৰমিতা ইমান সচেতন নহয়। কিন্তু যৌন আবেগ বেছি হ'লেই প্ৰবীৰে দেউতাকৰ কথা মনত পেলায়। দেউতাকে গালি পাৰি কৈছিল— এইটো বয়সত বিয়া পতাটো হ'ল কামনাৰ অগ্নিত পুৰি শেষ হোৱা। প্ৰবীৰ তেতিয়া সংযত হয়। কষ্টদায়ক যদিও বৃত্তিটোক সি লেকামহীন হ'বলৈ নিদিয়ে।

বিশ্ববিদ্যালয়ত ইতিমধ্যে শতকৰা সত্তৰ ভাগ পাঠ্যক্ৰমেই পঢ়ুওৱা হ'ল। আঢ়ৈ মাহ প্ৰবীৰে ক্লাছ কৰিব পৰা নাই। ঘৰত পঢ়িলেও বহুতো বিষয় বুজিবলৈ আছে।

সেইবোৰ পাৰমিতাৰ লগত আলোচনা কৰে। কিছুমান কথা পাৰমিতায়ো বুজি নাপায়। তাৰ বাবে প্ৰবীৰে উপৰঞ্চি কিতাপ পঢ়ে। বিশ্লেষণাত্মক গাণিতিক পদ্ধতিৰে কথাবোৰ বিচাৰ কৰে। শেষত প্ৰবীৰেই পাৰমিতাক বুজায়। তাৰ মানে ক্লাছ কৰিব নোৱাৰিলেও পাৰমিতাৰ বাবে পঠন-পাঠনত প্ৰবীৰৰ বিশেষ লোকচান হোৱা নাই। লোকচান এটাই হৈছে— প্ৰেক্‌টিকেল কৰিব পৰা নাই। প্ৰেক্‌টিকেল ক্লাছ্ কৰিবৰ বাবে পৰীক্ষাৰ আগে আগে দেৰ মাহ ছুটী ল'ব।

সেইকাৰণেই পাৰমিতাই যাতে এটা ক্লাছো ক্ষতি নকৰে— সেইফালে প্ৰবীৰ সচেতন। সেইবুলি পঢ়া-শুনা লৈ প্ৰবীৰৰ ইমানখিনি তৎপৰতা পাৰমিতাই ভাল নাপায়। প্ৰবীৰৰ লগত তাই কিছুদিন মুক্ত জীৱন কটাবলৈ বিচাৰে। প্ৰবীৰে নিজকে লেকামহীন নকৰে। তাৰ বাবে পাৰমিতা নিৰাশ হয়। প্ৰবীৰৰ ওপৰত তাইৰ খং উঠি যায়।

ৰাতিপুৱা ন বজাৰ আগতেই দুয়ো ওলাল। খোজ কাঢ়িয়েই পাণবজাৰলৈ আহিল। পাৰমিতা ইউনিভাৰচিটিৰ বাচত উঠালৈকে প্ৰবীৰে অপেক্ষা কৰে। আজি উজান বজাৰৰপৰা বাচ অহাত পলম হোৱা দেখি পাৰমিতাই ক'লে, "আজি অফিচ বাদ দিয়া না—।"

"কিয়?"

"ব'লা— কামাখ্যা মন্দিৰলৈ যাওঁ। ভুৱনেশ্বৰ মন্দিৰৰ কাষত বহি ব্ৰহ্মপুত্ৰৰ শোভা চাম—।"

"তাৰমানে ইউনিভাৰচিটিলৈ যাবৰ মন নাই।"

"আজি নাযাওঁ দিয়া।"

"ঘৰৰপৰা কিতাপ-পত্ৰ লৈ ওলাই এতিয়া এইবোৰ কি গাইছা! কামাখ্যালৈ গ'লে ক্লাছ ক্ষতি হ'ব। আনহাতে লাইব্ৰেৰীৰপৰা কিতাপ তিনিখন নানিলে চেম্‌নশিঙৰ নটচ্‌খিনি শেষ কৰিব নোৱাৰিম। আনহাতে মই অফিচলৈ নোযোৱা মানেই আৰু এটা লিভ যাব। পৰীক্ষাৰ আগতে যে দীঘলীয়াকৈ ছুটী ল'ব লাগিব, কথাটো মহোদয়াৰ মনত আছে নে নাই?"

"এদিন লিভ ল'লে একো নহয় দিয়া।"

"মিছাকৈ লিভ এটা কিয় নষ্ট কৰোঁ? অহা সপ্তাহত ছুটী এটা পাম। ৰাতিপুৱা পঢ়া-শুনা কৰি সিদিনাখন ওলাম—।"

"বৰ চিৰিয়াচ দেখুৱাইছা দেই!" অভিমান মিহলি মাতেৰে পাৰমিতাই ক'লে, "এইদৰে লাইফটো আমাৰ মেকানিকেল হৈ পৰিব—।"

প্ৰবীৰ উদাস হৈ পৰিল। পাৰমিতাৰ পিনে চাই হুমুনিয়াহ এটা কাঢ়িলে।

"কি হ'ল, মোক বেয়া পালা যেন লাগিছে।"

"বেয়া কিয় পাম? তোমাক ফুৰাব পৰা নাই, তাৰ বাবে নিজৰ বেয়া লাগিছে।"

"ওহো, তুমি চেণ্টিমেণ্টেল হৈ পৰিলা।"

"অ' মিতা, মই অলপ চেণ্টিমেণ্টেলেই হৈছো। বিয়াৰ আগতে ৰৰপেটা ব'ডলৈ গৈ —যেতিয়া আমাৰ বিয়াৰ কথাটো জনালো, দেউতাই তেতিয়া আমাৰ পঢ়া শুনাৰ বিষয়ে দুটামান কথা শুনাইছিল।"

"কি সেইবোৰ কথা?"

"দেউতাই কৈছিল, তোমাক বিয়া কৰাবৰ বাবেই মই হেনো চাকৰি লৈছো আৰু বিয়াৰ পাছত মোৰ আৰু পঢ়া-শুনা নহয়।" প্ৰবীৰে ক'লে, "সিদিনাই মই প্ৰতিজ্ঞা কৰিছিলো— বি এছ চিত্তকৈ বেছি নম্বৰ লৈ এম এছ চি পাছ কৰিব লাগিব। আনহাতে, তোমাৰ দেউতাৰাৰ দৃষ্টিত মই এতিয়া বেংকৰ এজন কেৰাণী। মই জানো তেওঁলোকৰ সমপৰ্যায়ৰ হ'ব নালাগিব।"

"নিশ্চয় হ'বা। তোমাৰ মেধা আৰু কৰ্মক্ষমতা তেওঁলোকতকৈ কম নহয় — ।"

"সেইখিনি আত্মবিশ্বাস মোৰো আছে। পিছে চেষ্টা নকৰিলে জানো কিবা কৰিব পাৰিম।" শান্তভাৱে প্ৰবীৰে ক'লে, "মোৰ বাবে তুমি মাৰাৰ ঘৰ এৰিলা। তোমাক লৈ মোৰ যিটো স্থিতি— তাতে আমাৰ জীৱনটো এতিয়াও সুৰক্ষিত হোৱাগৈ নাই। নিজৰ নিজৰ মাক-দেউতাকৰ ঘৰৰপৰা ওলোৱাৰ পাছত ব্যৱহাৰিক দিশত আমাৰ নিজৰ বুলিবলৈ একোৱেই হোৱা নাই। কিন্তু আমাৰ বুদ্ধি আছে, পৰিশ্ৰম কৰাৰ ক্ষমতা আছে। যথাসময়ত যথাযথভাৱে শক্তি-বুদ্ধি প্ৰয়োগ কৰিব পাৰিলেহে আমাৰ স্থিতি নিশ্চিত হৈ উঠিব।"

প্ৰবীৰৰ ভিতৰত পাৰমিতাই অনন্ত শক্তিৰ উৎস এটা দেখিবলৈ পালে। তাইৰ ভাল লাগিল। প্ৰবীৰৰ বাবে তাইৰ গৰ্ব হ'ল। তাইৰ দুচকুৰ ভাবাতে মৰম-অনুৰাগ প্ৰকাশ পালে। তাৰ পাছত কপট খং কৰি ক'লে, "ভুল হৈছে। কামাখ্যা মন্দিৰলৈ যোৱাৰ কথা কোৱাটো মোৰ অন্যায় হৈছে। অনুগ্ৰহ কৰি মোক মাফ কৰি দিয়ক, ছাৰ।"

বিগত কেইমাহত প্ৰবীৰে বেংকৰ কাম-কাজবোৰ মোটামুটিভাৱে বুজি ল'ব পাৰিলে। কৰিবলৈ দিয়া কামখিনি তাৰ নিৰ্ধাৰিত সময়ৰ আগতেই শেষ হৈ যায়। কাৰণ, বেংকৰ কামতো প্ৰবীৰ দায়িত্বশীল। আন বহুত ষ্টাফৰ দৰে টেবুলত বহি সি চিনেমা বা পলিটিক্স লৈ কথা নাপাতে। ইউনিয়নৰ নেতাসকলৰ গৰম বক্তৃতা নুশুনে। 'বিশেষ কাম আছে' বুলি বাহিৰলৈ ওলাই নাযায়। প্ৰবীৰে দেখিলে কৰ্মচাৰীসকল দা-দৰমহা সম্পৰ্কে যিমান সচেতন: অফিচৰ কাম-কাজৰ বিষয়ে

তাৰ চাৰিভাগৰ এভাগো সচেতন নহয়। প্ৰবীৰৰ কাম কৰাৰ ধৰণ-কৰণ লক্ষ্য কৰি দুই একে বিৰূপ মন্তব্য কৰে। উপযাচি উপদেশও দিয়ে। প্ৰবীৰে সেইবোৰ সমূলি আওকাণ কৰি চলে।

পাঁচ বজাত অফিচ ছুটী হয়। আজি চাৰি বজাৰ ভিতৰতে প্ৰবীৰৰ কাম শেষ হৈ গ'ল। তাৰ পাছত সি আৰু অফিচত নৰল। অফিচৰপৰা ওলাই ফাঁচিবজাৰত বাচ ধৰি পাণবজাৰ বাচ-ষ্টেণ্ড পালেহি। বিশ্ববিদ্যালয়ৰপৰা পাৰমিতা অহাৰ সময় হৈছে।

বেছিপৰ অপেক্ষা কৰিবলগীয়া নহ'ল। পাৰমিতা আহিল। দুয়োৰে দেহাত দিনৰ ভাগৰ। অথচ লগ হোৱা মাত্ৰকে ভাগৰ-অৱসাদ নাইকিয়া হ'ল। ইজনে-সিজনলৈ চাওঁতেই ওঁঠত বিৰিঙিল হাঁহি। তাৰ পাছত দুয়ো আগবাঢ়িল ভাৰাঘৰটোলৈ।

সিহঁত পাণবজাৰৰ যশোৱন্ত ৰ'ডেদি আগবাঢ়িছে। কিছুদূৰ আগবাঢ়োতেই পাৰমিতাৰ মনত পৰিল ৰাতিপুৱাৰ কথা। তেতিয়া প্ৰবীৰৰ কথাবোৰ শুনি ভাল লাগিছিল। এতিয়া কিন্তু হাঁহি উঠিল। হাঁহি চেপি কপট অভিমান আৰু খঙেৰে মুখখন ওন্দোলাই ক'লে, "তুমি ইউনিভাৰচিটিলৈ যাওঁতে মোক বাচত উঠাই দিয়া, আহোঁতেও বাচ-ষ্টেণ্ডত অপেক্ষা কৰি থাকা— মই কিবা স্কুলত পঢ়া সৰু ছোৱালী নেকি? তুমি ভাবা নেকি এইছোৱা বাট মই অকলে যাব নোৱাৰিম?"

পাৰমিতাৰ স্বভাৱটোৰ বিষয়ে প্ৰবীৰে ভালদৰে জানে। এনেবোৰ কথাত মনে মনে থাকিয়েই সি ভাল পায়।

"অ' বুজিছো— মোক লৈ টেনশ্বনত থাকা। তুমি চাগৈ অফিচত বহি ভাবি থাকা, ইউনিভাৰচিটিত মই কাৰ'বাৰ সৈতে প্ৰেম কৰি আছো। সেই কাৰণেই হ'বলা অফিচ ছুটী নৌহওঁতেই ইয়ালৈ আহি বৈ থাকা। অফিচৰ ষ্টাফসকলে তোমাক নোজোকায় নে?"

প্ৰবীৰ নিৰুত্তৰ।

"কি হ'ল, কথাবোৰ তোমাৰ গাত লগা নাই নেকি?"

প্ৰবীৰে গহীন মাতেৰে ক'লে, "গাত লগাই লৈ কিবা ক'তিলেই তোমাৰ এই মিঠা গালিবোৰ বন্ধ হৈ যাব দিনৰ শেষত আমি লগ হৈছো। তোমাৰ এতিয়া মৰম কৰাৰ হেঁপাহ। ৰাজআলিত সেয়া সম্ভৱ নহয়। বাটকৰাৰ লগত গৈ থকা অৱস্থাত তুমি মোক এইদৰেই মৰম কৰিব লাগিব—।"

নিমিষতে পাৰমিতাৰ মুখখন শৰতৰ আকাশৰ নিচিনাকৈ ফৰকাল হৈ পৰিল। ৰাস্তাত ভিৰ থকা সত্ত্বেও প্ৰবীৰৰ গাতে গা লগাই তাই খিলখিলাই হাঁহি দিলে। তাৰ পাছত নিজেই ক'বলৈ ধৰিলে ক্লাছত ছাৰহঁতে পঢ়ুওৱা বিষয়বোৰৰ কথা.

প্ৰেক্‌টিকেলৰ কথা।

পাণবজাৰ ওভাৰব্ৰীজ পাৰ হৈ পল্টন বজাৰ। পল্টন বজাৰৰ মেঘদূত চিনেমা হল পোৱাৰ আগতেই সিহঁত বজাৰত সোমাল। শাক-পাচলি আৰু মাছ কিনিলে। ভাৰাঘৰটোলৈ আহি হাতৰ কিতাপ আৰু বস্তুবোৰ থৈ দুৱাৰ-খিৰিকীকেইখন খুলি দিলে। মুখ-হাত ধুই চিৰা-গাখীৰেৰে জলপান খালে। তাৰ পাছত বিছনাত বাগৰি বিশ্ৰাম ল'লে। নৱবিবাহিত পতি-পত্নীৰ বিশ্ৰাম মানেই প্ৰেম নিবেদন। ইজনে-সিজনক আকোৱালি ধৰি আবেগ-অনুৰাগ ঢালি দিলে। সেইটোৱে স্বাভাৱিক। তেনেকৈয়ে গধূলি পাৰ হৈ ৰাতিৰ আন্ধাৰ নামি আহিল। তাৰ পাছত পোহৰ জ্বলাই লৈ সুবোধ বালক-বালিকাৰ নিচিনাকৈ দুয়ো কিতাপ-বহী লৈ পঢ়িবলৈ বহিল।

পাৰমিতাই পঢ়ে। প্ৰবীৰে পাৰমিতাই লিখি অনা ক্লাছ নটচ্‌বোৰ নিজে লিখি লৈ বুজি নোপোৱা কথাবোৰ তাইৰপৰা বুজি লয়। ছাৰহঁতে বুজাই দিয়া কিছুমান বিষয় পাৰমিতায়ো ধৰিব নোৱাৰে। সেইবোৰ লৈ দুয়ো আলোচনা কৰে।

প্ৰ'বাবিলিটি ডিচষ্ট্ৰিবিউচন ফাংশ্যনৰ কৰি দিয়া এটা অংকৰ ক্ৰমান্বয় পৰ্যায়বোৰ পাৰমিতাই ধৰিব পৰা নাছিল। এনেও বিষয়টো টান। এই বিষয়টো পাৰমিতাই এৰাই চলে। কিন্তু এনেবোৰ ক্ষেত্ৰত প্ৰবীৰৰ স্বভাবটো পাৰমিতাৰ বিপৰীত। য'তেই টান কথা, তাতেই সি বেছিকৈ লাগি ধৰে। অংকটো লৈ অৱকলজ আৰু অনুকলনৰ কামবোৰ সি ভালকৈ চাবলৈ ধৰিলে।

প্ৰবীৰে চকী-টেবুলত বহি অংক কৰিছে। কাষত পাৰমিতা। এঘণ্টা যুঁজিও সি অংকটোৰ উত্তৰ উলিয়াব নোৱাৰিলে। বৈ থাকি থাকি ভাগৰি পৰি পাৰমিতা বিছনালৈ আহিল। ইফালে প্ৰবীৰে যুঁজিয়েই আছে। কাগজ তাৰ ৰণক্ষেত্ৰ। মগজুত থকা গাণিতিক যুক্তি-তৰ্কৰ সূত্ৰবোৰ তাৰ কৌশল। কলম তাৰ অস্ত্ৰ। অৱশেষত ৰাতি চাৰে দহ বজাত অংকটোৰ উত্তৰ ওলাল। অংক-যুদ্ধত বিজয়ী উৎফুল্লিত প্ৰবীৰে 'মিতা' বুলি চিঞৰি উঠি দেখিলে, বিছনাত পাৰমিতা টোপনিত লালকাল।

প্ৰবীৰৰ মুখৰ হাঁহিটো হেৰাই গ'ল। হতাশো হ'ল অলপ। চকীখন এৰি বিছনাৰ কাষলৈ আহি শুই থকা পাৰমিতাৰ বিশেষ ভংগীটোলৈ চাই তাৰ বেয়া লাগিল। ৰাতিপুৱা পাঁচ বজাৰপৰা তাই দিনৰ কাম আৰম্ভ কৰে। পঢ়া-শুনা কৰি ভাত ৰান্ধি তাক খুৱাই নিজে খাই-বৈ সকলো সাৰি-পুচি খোজকাঢ়ি পাণবজাৰলৈ গৈ বাচেৰে বিশ্ববিদ্যালয়লৈ যোৱা, প্ৰেক্‌টিকেলৰে সৈতে চাৰিটা ক্লাছ এটেণ্ড কৰা, আকৌ বাচেৰে পাণবজাৰলৈ আহি খোজ কাঢ়ি ঘৰলৈ অহা, সন্ধিয়াৰপৰা ইমানপৰ লিখা-পঢ়া কৰা ... অৱসাদ-ভাগৰে এইদৰে শুই দিয়াটো সাধাৰণ কথা। এইবাৰ

পাৰমিতালৈ প্ৰবীৰৰ মৰম উপজিলে। মাকৰ ঘৰৰ আৰাম-আয়াস বিসৰ্জন দি প্ৰবীৰৰ বাবে সকলো কষ্ট-অসুবিধাক তাই স্বীকাৰ কৰি লৈছে। প্ৰবীৰে দেখিলে, কিশোৰীসুলভ নিষ্পাপ এক সৰলতা লৈ তাই শুই আছে। তাইৰ মুখখনৰ ওপৰত চুলি কেইডালমান আউল-বাউল হৈ পৰিছে। চুলিকেইডাল আঁতৰাই দি প্ৰবীৰে তাইৰ মুৰৰ গাৰুটো ঠিক কৰি দিলে।

ইফালে বন্ধা-বঢ়াৰ একোৱেই হোৱা নাই। প্ৰবীৰে নিজেই প্ৰেছাৰ কুকাৰত চাউল-দাইল সকলো একেলগে ষ্টভত তুলি দি মাছখিনি বাছি-ধুই ল'লে। সিমানখিনি কৰোঁতে ষ্টভত তুলি দিয়া প্ৰেছাৰ কুকাৰৰ হুইচেলৰ শব্দত সাৰ পাই পাৰমিতাই জাপ মাৰি উঠিল।

"হেৰা, অংকটো ওলালে—।" — প্ৰবীৰে উৎসাহেৰে ক'লে।

কিন্তু অংকটোৰ প্ৰতি পাৰমিতাৰ আগ্ৰহ নাই। খঙেৰে তাই ক'লে, "এইবোৰত তোমাক কোনে লাগিবলৈ ক'লে? গাটো বেয়া লাগি আছিল, কেতিয়া শুই দিলো— ক'বকে নোৱাৰো। মোক তুমি মাতিব নোৱাৰিলা নেকি?"

প্ৰবীৰে একো নক'লে। মিচিকিয়াই হাঁহিলে।

"হাঁহিছা!" পাৰমিতাৰ খং বাঢ়িল, "তুমি বাদ্ধি তুমিয়েই খোৱাগে। মই নাখাওঁ।"

প্ৰবীৰে কোনোধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। কামখিনি শেষ কৰি তিতা হাত দুখন মচিলে। টেবুলত কৰি থোৱা অংকৰ কাগজখিলা লৈ পাৰমিতাক দেখুৱাই ক'লে, "অংকটোৰ এইখিনিত যে ডিফাৰেন্‌চিয়েশ্যন কৰি লিমিট লোৱাৰ কথা এটা আছিল, আমি ধৰিবই পৰা নাছিলো। আনহাতে এই থাৰ্ড ষ্টেপটোত কেলকুলেশ্বনত গণ্ডগোল এটা হৈছিল। তুমি কাম এটা কৰা, ডবকাৰী হয় মানে অংকটো ভালকৈ লিখাচোন। এইবাৰ তুমি নিজেই বুজি পাবা।"

পাৰমিতাই এতিয়াও কাগজখিলালৈ চোৱা নাই। তাইৰ দৃষ্টি অংকটোৰ জটিল যুক্তিজাল ভেদ কৰা বুদ্ধিদীপ্ত প্ৰবীৰৰ মুখখনলৈ। খং-অভিমান নাইকিয়া হ'ল। প্ৰবীৰৰ প্ৰতি মৰম-শ্ৰদ্ধাৰে হৃদয়খনি তাইৰ পূৰ্ণ হৈ উঠিল।

"মোলৈ কি চাইছা।" প্ৰবীৰৰ মুখখনত বিৰক্তি, "ইমানপৰ যুঁজি উত্তৰ উলিয়ালো— তুমি অংকটোলৈ চোৱা নাই!"

পাৰমিতাৰ অন্তৰত অপৰিসীম এক আনন্দ।

প্ৰবীৰৰ হাতত্যপৰা অংক কৰা কাগজখিলা লৈ টেবুলত থ'লে। তাৰ পাছত তাক আকোৱালি ধৰি আবেগজড়িত মাতেৰে তাই ক'লে, "মই তোমাক চাব। মোৰ কাৰণে অংকতকৈ তুমি ডাঙৰ।"

"এইটো তুমি বেছিকৈ ক'লা।"

"নাই কোৱা।"

"গণিত পৰম সত্য। গণিততকৈ 'মোৰ দৰে অৰ্বাচিন এটাক গুৰুত্ব দিয়াটো তোমাৰ ভুল হৈছে।"

"হ'লেও মই তোমাক বিচাৰো।"

দিনজোৰা পৰিশ্ৰমৰ ক্লান্তি পাহৰি নৱজীৱন লাভৰ আনন্দেৰে প্ৰবীৰে পাৰমিতাক বুকুৰ মাজলৈ টানি ল'লে।

দহ

"নহয় প্ৰবীৰদা, আমাৰ সংগঠনটোত অসমীয়া, বঙালী, মাৰোৱাৰী, বিহাৰী, আহোম, চুতীয়া, বড়ো-কছাৰী বুলি কোনো ভেদাভেদ নাই। ভাষা, ধৰ্ম, সাম্প্ৰদায়িকভিত্তিত মানুহক আমি ভাগ নকৰো। অসমৰ ভৌগোলিক সীমাৰ ভিতৰত বাস কৰা সকলোকে আমি এটা জাতি হিচাপে স্বীকৃতি দিছো। আপুনি জানে, কৃষি, বন, খনিজ, জল আদিত প্ৰচুৰ সম্পদ থকা সত্বেও আমাৰ অসমখন ভাৰতৰ অন্যান্য ৰাজ্যতকৈ পিছ পৰি আছে। পূৰ্বৰেপৰা স্থানীয় অধিবাসীসকল ৰাজনৈতিক, অৰ্থনৈতিক দিশত সচেতন নোহোৱাৰ বাবে দেশী-বিদেশী পুঁজিপতিসকলে অসমৰ সম্পদ লুণ্ঠন কৰি আছে। আমাৰ মানুহে যাতে এইবোৰ বুজি পায় আৰু তেওঁলোকৰ মনত শুদ্ধ অৰ্থনৈতিক চেতনাৰ বিকাশ হয় তাৰ বাবে আমি ব্যস্ত থাকো।"

"তোমালোকৰ এইটো তেনেহ'লে এটা ৰাজনৈতিক সংগঠন?"

"নহয়। নিৰ্বাচনৰ জড়িয়তে ৰাজনৈতিক ক্ষমতা দখলৰ পোষকতা আমি নকৰো। আমি আমাৰ অসমৰ ওপৰত চলি থকা উপনিৱেশীয় শাসনৰ অন্ত পেলাবলৈ দৃঢ় প্ৰতিজ্ঞ।"

"তোমালোকৰ মূল উদ্দেশ্যটো কি?" — প্ৰবীৰে সুধিলে।

"আমাৰ উদ্দেশ্যটো হ'ল জাতীয় চেতনা বিকাশৰ জড়িয়তে জাতিৰ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ অৰ্জন।"

"জাতিৰ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰৰ লগত জাতিৰ অস্তিত্ব ৰক্ষাৰ কিবা সম্পৰ্ক

আছে নেকি?”

“আছে। অসমৰ আন্দোলনবোৰৰ প্ৰকৃতি লক্ষ্য কৰি আপুনি নিশ্চয় বুজি পাইছে, অস্তিত্ব সুদৃঢ় কৰাৰ বাবেই একো একোটা আন্দোলন গঢ় লৈ উঠিছে। বিদেশী বিতাড়ন আন্দোলনৰ লগত-জড়িত থকা আত্ম-ত্যাগী চিন্তাশীল এচামে উপলব্ধি কৰিলে যে আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ অৰ্জন কৰিলেও জাতিৰ অস্তিত্ব সুৰক্ষিত হ'ব।”

“তাৰমানে তোমালোকে অসমখনক ভাৰতৰপৰা বিচ্ছিন্ন কৰিব বিচাৰিছা।”

“ইমান সম্পদ থকা সত্ত্বেও এটা জাতি যদি শাসনৰ নামত শোষিত হৈ থাকে, সেইটো জাতিয়ে ৰাজনৈতিক অধিকাৰ অৰ্জনৰ বাবে সংগ্ৰাম কৰিবই।”

প্ৰবীৰৰ ভিতৰখন সিৰ্সিৰাই উঠিল। অসম পুঁজিপতিসকলৰ দ্বাৰা শোষিত, অসমৰ সম্পদ অসমত বিনিয়োগ নহয়, অসমবাসী বঞ্চিত ... সকলো সি স্বীকাৰ কৰে। কিন্তু অসমক ভাৰতৰপৰা বিচ্ছিন্ন কৰাৰ কথাটো প্ৰবীৰে সমৰ্থন কৰিব নোৱাৰে। ইফালে মুক্তভাৱে মতামত প্ৰকাশ কৰিবলৈও ভয়। সমৰ্থন নকৰিলে জানোচা ৰাজীৱহঁতে তাক বেয়া পাই যায়। সদ্যহতে প্ৰসংগটো ইয়াতেই সামৰি প্ৰবীৰে সুধিলে, “সি যি নহওক লাগে, মোক তোমালোকে কি দৃষ্টিৰে বিচাৰ কৰা?” মিচিকিয়াই হাঁহি ৰাজীৱে ক'লে, “আপুনি চোকা মানুহ। ভাল মানুহ।”

“এঃ, মোৰ বিষয়ে ডাঙৰ চাৰ্টিফিকেট দিলা দেখোন।”

“অৱশ্যে এটা কথাত আমি আপোনাক অলপ বেয়া পাওঁ।”

“সেইটো নো কি?”

“আপুনি কেৰিয়াৰিষ্ট। নিজৰ কেৰিয়াৰ সম্পৰ্কে আপুনি বেছিকৈ সচেতন। আপোনাৰ কথা-বতৰা, আচাৰ-আচৰণ দেখি এনেকুৱা এটা ধাৰণা হয় যেন নিজৰ দেশখনৰ কথা আপুনি নাভাবেই।”

স্থিৰ দৃষ্টিৰে প্ৰবীৰে ৰাজীৱৰ পিনে চাই থাকিল।

ৰাজীৱ-দিগন্ত বিছনাত বহিছে। চকীখনত বহিছে প্ৰবীৰ।

বিয়াৰ পাচত ৰাজীৱক লৈ দিগন্ত এই প্ৰথম আহিছে। সিহঁতক-অহা দেখিয়েই পাৰমিতাই ওচৰৰ দোকানখনৰপৰা মিঠাই লৈ আহিল। ষ্টভত তুলি দিলে চাহৰ কেটলি। জলপানৰ যা-যোগাৰ কৰাৰ সময়ত তাই ৰাজীৱ প্ৰবীৰৰ আলোচনা শুনি আছে।

ৰাজীৱ বিপ্লৱী সংগঠনৰ সক্ৰিয় সদস্য। গোপনে প্ৰশিক্ষণ লৈ অহা ল'ৰা। বন্দুক-পিষ্টল চলাব জনা। নিষিদ্ধ ঘোষিত সংগঠনটোৰ কামত ঘূৰি ফুৰে। ৰাজীৱৰ লগত অস্ত্ৰ এপাত থাকেই। দিগন্ত তাৰ লগত থাকে। সেই বুলি সি ৰাজীৱৰ সমান সক্ৰিয় নহয়। যিহওক, সিহঁতৰ লগত প্ৰবীৰে যিবোৰ কথা পাতিছে —

তাতে পাৰমিতা চিন্তিত হৈ পৰিল। প্লেটত মিঠাই বিস্কুট যতনাই ললে। তাৰ পাছত পিয়লাত চাহ বাকি সিহঁতৰ সমুখলৈ লৈ আহিল।

তেতিয়াও আলোচনা পূৰ্ণ গতিত চলিছে। প্ৰবীৰে ছাত্ৰ-আন্দোলনৰ সমালোচনা কৰিছে। পাৰমিতাই বৈ থাকিব নোৱাৰিলে।

"এইবোৰ কথা কিয় ইমানকৈ পাতিব লাগে? কথাবোৰ যে আজি কালি বিতৰ্কিত হৈ পৰিছে মন কৰিছা নে নাই?"

"বিতৰ্কিত।"

"এতিয়া প্ৰত্যেকেই একো একোটা মত লৈ চলে। কোনো এটা বিষয়ত তুমি হয়তো ঠিকেই কৈছা।" পাৰমিতাই কৈ গ'ল, "কিন্তু সিহঁতৰ মত-বিশ্বাস অনুসৰি তুমি কোৱা কথাবোৰৰ অৰ্থ বেলেগে হৈ যাব পাৰে। ইফালে সহনশীলতা গুণবোৰ আমাৰ নাইকিয়াই হৈ আহিছে। বক্তাৰ দৃষ্টিভংগী বুজিব পৰা বা বক্তব্যৰ সত্য-অসত্য বিচাৰ কৰাৰ উদাৰতা আমি হেৰুৱাই পেলাইছো।"

"বাইদেউ, তই বেছিকৈ কৈ পেলালি।" দিগন্তৰ মাতত খং, "আমাৰ প্ৰতি-এতিয়াও তোৰ মনোভাবটো সলনি নহ'ল!"

"মানুহ মাৰি আন্দোলন কৰাটো বিবেকশীল কোনো ব্যক্তিয়েই সমৰ্থন কৰিব নোৱাৰে। তেনেকৈ দেশ উদ্ধাৰ নহয়।"

"সংগঠনে মানুহ নামাৰে। গণশত্ৰুক আঁতৰাই দিয়ে।" দিগন্তই জোৰ দি ক'লে, "দেশৰ সম্পদ যিসকলে লুণ্ঠন কৰিছে, জনগণক যিসকলে শোষণ কৰিছে আৰু শোষকসকল নাইবা লুণ্ঠনকাৰীৰ দালাল হৈ যিমখাই কাম কৰিছে সিহঁতৰ জীয়াই থকাৰ অধিকাৰ নাই।"

পাৰমিতাই তবধ মানিলে। দিগন্তৰ মুখেদি এইবোৰ কথা ওলাল।

"ওহো, দিগন্ত— ইমান খং কৰিছ কিয়?" ৰাজীৱে মধ্যস্থতা কৰিলে, "কথাবোৰ লাহেকৈ ক'চোন।"

"নাই অ' — তাই সদায়ে মোক এটেক কৰি কথা ক'য়।" দিগন্তই ক'লে, "নিজকে বৰ একেবাৰে মানবীয় গুণসম্পন্না বুলি দেখুৱায়! এইখন দেশৰপৰা হেজাৰ হেজাৰ কোটি টকাৰ সম্পদ লুটি নি আমাৰ জাতিটোক জুৰুলা কৰি পেলাইছে। এইবোৰ জানো অমানবীয় হোৱা নাই? আমাৰ মাতৃভূমিত গঢ় লৈ উঠা সংগঠনটোৱে এতিয়া আমাৰ হক বিচাৰিছে। এইটো সংগঠনৰ সদস্যসকলক বাধা দিবলৈ অহা লুণ্ঠনকাৰী শোষকহঁত সাৰি যাব নোৱাৰে।"

পাৰমিতাই এইবাৰ একো নক'লে। দিগন্তৰ ভৱিষ্যতৰ কথা ভাবি তাই শিয়ৰি উঠিল।

"বাইদেউ, তুমি বেয়া পাব নালাগে।" ৰাজীৱে ক'লে, "প্ৰবীৰদাৰ লগত আমি

আলোচনাহে কৰিছো। আমাৰ সংগ্ৰামৰ পথটো সশস্ত্ৰ। সেইবুলি আমি কেচিষ্ট নহওঁ। মুক্ত সামালোচনাক আমি সন্মান কৰোঁ।"

দিগন্তৰ খং উত্তেজনা জামৰি আহিল। বাৰ্য়েকৰ পিনে চাই ক'লে, "প্ৰবীৰদাক তই এনেয়ে টান কথা কিছুমান শুনালি।"

"তেওঁ মোক এতিয়া শুনাব পাৰে। সেইটো অধিকাৰ তেওঁ ইতিমধ্যেই পালে।" হাঁহি হাঁহি প্ৰবীৰে ক'লে, "খোৱা, চাহ খোৱা । সমুখত চাহ-মিঠাইৰ প্লেট থৈ হাত সাবটি বহি থকাটো ভাল হোৱা নাই।"

প্ৰবীৰৰ কথাত সকলোৱে গিৰ্জনি মাৰি হাঁহিলে আৰু খাবলৈ আৰম্ভ কৰিলে।

চাহৰ কাপত শোহা এটা মাৰি প্ৰবীৰে ক'লে, "বাৰু, এতিয়া ঘৰুৱা কথা অলপ পাতোচোন। দিগন্ত, মা-দেউতাৰ ভালতো?"

মাক-দেউতাকৰ কথা সোধাৰ লগে লগে পাৰমিতাৰ মুখখনলৈ ক্ষোভ আৰু যন্ত্ৰণাৰ ছাঁ নামি আহিল।

"ভালেই।" দিগন্তই ক'লে, "কিন্তু আপোনালোকে নাযায় কিয়? যোৱা কেইদিন ধৰি মায়ে আপোনালোকৰ কথা কৈ আছে।"

"আমি যাব লাগে বুলি কৈছ। মায়ে জানো ইয়ালৈ এবাৰ আহিব নালাগে।" খঙেৰে পাৰমিতাই ক'লে, "প্ৰবীৰক বিয়া কৰালো বুলি মা-দেউতাই যদি মোক ত্যাগ কৰিব পাৰে, ময়ো— ।"

"মা-দেউতাই তইঁতক ত্যাগ কৰা নাই অ'। সেয়া হ'লে ককাইদেউ আৰু মই তইঁতৰ বিয়ালৈ নাহিলোহেঁতেন।"

"তইঁত আহিছ, তইঁতৰ লগত সম্পৰ্ক ৰাখিম। মা-দেউতা নহালেকে আমিও নাযাওঁ।" —পাৰমিতাই খাটাং খাটাংকৈ কথাখিনি ক'লে।

"তেনেকৈকোৱাটো উচিত নহ'ল, মিতা।" প্ৰবীৰে ক'লে, "তেওঁলোক নাহিলেও তুমি যাব পাৰা। বিমানে যি নহওক লাগে, সেইখন তোমাৰ মাৰাৰ ঘৰ— ।"

"তুমি মনে মনে থাকাচোন। তেনেকৈ কৈ তুমি মোক চেণ্টিমেণ্টেল কৰি নুতুলিবা।" পাৰমিতা টিকচি বিকচি উঠিল। মাতটো কিন্তু গধুৰ। চকু দুটাও চলচলীয়া, "মোক যাবলৈ কৈছা— তুমি তোমাৰ মা-দেউতাৰাক চাবলৈ যোৱা নাই কিয়?"

"মোৰ কথাটো অলপ বেলেগ।" শান্তভাৱেই প্ৰবীৰে ক'লে, "তোমাৰ মা-দেউতাৰ নাহিলেও আমাৰ বিয়ালৈ তেওঁলোকৰ পৰোক্ষ স্বীকৃতি আছিল। তদুপৰি ককাইদেউ আৰু দিগন্ত বিয়ালৈ আহিছিল। এতিয়াও এওঁলোকে আমাৰ খা-খবৰ লৈয়ে আছে। কিন্তু আমাৰ ঘৰৰ মানুহবোৰ সেইবোৰ একেবাৰেই হোৱা

নাই। দেউতাই মোৰ লগত সম্পৰ্ক নাৰাখে বুলি জনাই দিলে। সেইকাৰণেহে এতিয়াই আমাৰ ঘৰলৈ যোৱাটো উচিত বুলি বিবেচনা নকৰোঁ। বিশেষকৈ, আজি দিনতেই আমাক যেনেকৈ চাবলৈ আহিছে, তুমিও তেনেকৈ—।"

"তুমি। তুমি মানে? অকল মই নেকি? তাৰ মানে তুমি-মই এতিয়াও বেলেগ হৈ আছোঁ! তোমাক বাদ দি মই অকলে গ'লে মোৰ ভাল লাগিবনে? নাই— নাযাওঁ।"

তাইৰ মাতটো কৰুণাকাতৰ। কিন্তু মুখখনত অদ্ভুত এক দীপ্তি।

ৰাজীৱ-দিগন্তৰ বাবে পৰিস্থিতিটো অস্বস্তিকৰ হৈ পৰিল। এনে এটা পৰিস্থিতিত বেলেগ কোনো প্ৰসংগ উত্থাপন কৰিব নোৱাৰি। চকুৰ ইংগিতেৰে ৰাজীৱে দিগন্তক উঠিবলৈ ক'লে।

"আমি এতিয়া উঠোঁ—।"

পাৰমিতা তেনেকৈয়ে বহি আছে। তাইৰ মনত ক্ষোভ, যন্ত্ৰণা। প্ৰবীৰে উঠি ক'লে, "ভাল। ব'লা, তোমালোকক আগবঢ়াই দিওঁ—।"

ৰাজীৱ-দিগন্তক লৈ প্ৰবীৰ ওলাই আহিল। চিৰিয়েদি তললৈ নামিল। আলিৰ কাষলৈ আহি দিগন্তৰ হাতত ধৰি প্ৰবীৰে ক'লে, "বুজিছাই নহয়, মা-দেউতাই এতিয়াও আমাক স্বীকাৰ কৰি ল'ব পৰা নাই। তেওঁলোকৰ মতৰ বিৰুদ্ধে বিয়া পতাৰ বাবে তেওঁলোক অপমানিত হৈছে। আমাৰ বাবে সমাজত অপমানিত হৈছে বুলি মা-দেউতাই কষ্ট পাই আছে। তেওঁলোকে সোনকালে আমাৰ ইয়ালৈ আহিবলৈ অসুবিধা পাবই। ইফালে আমাৰ বাবেও কথাটো বেদনাদায়ক হৈছে। বিশেষকৈ, কথাটো মই তোমাৰ বাবেহে এইখিনি ক'লো। তোমালোকে বেয়া নাপাবা দেই।"

ৰাজীৱে হাঁহিলে। হাঁহি হাঁহিয়ে ক'লে, "প্ৰবীৰদা, এইবোৰ মই সকলো বুজিয়ে নাভাবোঁ। যেনেকৈ চলিছে— চলিবলৈ দিয়ক। এইবোৰ চিন্তা কৰি লাভ নাই।"

ৰাজীৱ-দিগন্তক বিদায় দি প্ৰবীৰ কোঠালৈ সোমাই আহিল। লগে লগে পাৰমিতাই প্ৰবীৰক চেক্‌চেক্‌কৈ ধৰিলে, "সিহঁতৰ লগত তুমি ৰাজনীতিৰ কথা পাতিব লাগে কিয়?"

তাইৰ মুখখনত খং-বিৰক্তি। লগতে কিবা যেন এক ভয়। আতংক।

"ক'ত ৰাজনীতিৰ কথা পাতিলো? সেইবোৰ দেশৰ কথাহে।"

"নাপাতিবা।"

"কিয়?"

"সিহঁতৰ লগত তুমি সেইবোৰ পাতিব নালাগে।"

"অসমত যিবোৰ ঘটিছে, সচেতন কোনো ব্যক্তিয়েই এইবোৰ চিন্তা নকৰাকৈ থাকিব নোৱাৰে।"

"কিন্তু তোমাৰ কথাটো বেলেগ।"

"কিয়? মোৰ কথা কিয় বেলেগ হ'ল? মই বঙালী সম্প্ৰদায়ৰ বাবে?" প্ৰবীৰৰ খং উঠিল, "অসমৰ ভাল-বেয়া চিন্তা কৰা অধিকাৰ মোৰ নাই নেকি?"

"ৰাজীৱহঁতে যেনেকৈ চিন্তা কৰে, সিহঁতৰ যিবোৰ কথা-কাণ্ড— তাৰে দেশৰ ভাল একো নহয়। তুমি-মই সিহঁতৰ লগত খোজ মিলাই চলিব নোৱাৰো। তদুপৰি তোমাৰ মনত যে বেয়া একো নাই, সেইটো মই জানো। সিহঁতৰ লগত তুমি সৰল মনেৰে কথা পাতিবা। সেইবোৰ কথা মত-বিশ্বাসৰ পৰিপন্থী হ'লেই সিহঁতে তোমাক বেয়া পাব।"

"ৰাজীৱে দেখোন ক'লে, আনৰ মতামত, সমালোচনাক সিহঁতে সন্মান কৰে।"

"এইবোৰ কোৱা কথা। মই সিহঁতক বিশ্বাস নকৰো। সিহঁতে আৰ্মচ লৈ ফুৰে। কেতিয়া কোন মুহূৰ্তত—"

"নাই নাই, তুমি বৰ বেছিকৈ চিন্তা কৰিছা।" প্ৰবীৰে ক'লে, "সিহঁত তোমাৰ ভায়েৰা। ভায়েৰাৰ বন্ধু।"

"সিহঁতে বিশ্বাস কৰা নীতি-আদৰ্শৰ প্ৰতি কমিটেড। সিহঁতে আত্মীয়-স্বজন নামানে। সিহঁতৰ লগত এনেবোৰ বিষয় লৈ কথা নপতাই ভাল।"

"বৰ্তমান পৰিস্থিতিত সেইটো সম্ভৱ নহয়।" প্ৰবীৰে ক'লে, "বাৰু মিতা, তুমি সিহঁতক সমৰ্থন নকৰা নেকি?"

পাৰমিতা নিমাত। অবুজ এক বেদনাৰে কাতৰ।

"এইবোৰ মোৰ ভাল নালাগে, প্ৰবীৰ।" খন্তেক পাছত তাই ক'লে, "শত্ৰু বুলি কৈ সিহঁতে দেশৰ মানুহক হত্যা কৰিছে। চৰকাৰে সিহঁতক দেহদ্ৰোহী বুলি ঘোষণা কৰি গুলিয়াইছে, জেইলত ভৰাইছে। দেশখনৰ যে কি হ'ব! নিতু এনেকুৱা নাছিল। নেতাগিৰি কৰিলেও সি পঢ়াশুনা কৰিছিল। এতিয়া সি কাৰো কথা নুশুনে। ৰাজীৱহঁতৰ লগত যেনেকৈ লাগিছে—সিও সেইবোৰেই কৰিব।"

পাৰমিতাৰ গাত গা-লগাই প্ৰবীৰে বিছনাত বাগৰ দিলে।

"মই মিঠাই আনিবলৈ যোৱাৰ সময়ছোৱাত সিহঁতে তোমাক আৰু কি ক'লে?"

পাৰমিতাৰ উৎকণ্ঠিত মুখখনলৈ চাই প্ৰবীৰে ক'লে, "জাতিৰ কথা ক'লে।"

"জাতি।"

"প্ৰথমতে জাতিৰ সংজ্ঞা দিলে। তাৰ পাছত জাতিৰ অস্তিত্ব আৰু আত্ম-নিয়ন্ত্ৰণৰ বিষয়েক'লে।" বাগৰ দি থকা অৱস্থাত প্ৰবীৰে ক'লে, "কিন্তু জাতিৰ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ পালেই যে শোষিত জাতিৰ বিকাশ হ'ব সেইবুলি মই নাভাবো।"

"তুমিও তেনেহ'লে এইবোৰ লৈ ভাবা—।"

"অলপ অচৰপ চিন্তা কৰোঁ—।"

"নাই, এইবোৰ তুমি চিন্তা কৰিব নালাগে। এইবোৰ ভাবিবলৈ ললে তুমি ডিচষ্টাৰ্ব হৈ পৰিবা। ইফালে ৰাজীৱে দিগন্তক যেনেকৈ সিহঁতৰ সংগঠনৰ সক্ৰিয় সদস্য কৰিবলৈ উৎসাহিত কৰিছে, তোমাকো সি তেনেকৈয়েই সদস্য কৰি ল'বলৈ চেষ্টা কৰিব।"

"মোৰ কিন্তু তেনেকুৱা যেন নালাগিল।"

"সিহঁতক তুমি কেনেকৈ সমৰ্থন কৰিবলৈ আৰম্ভ কৰিবা, বুজিকে নাপাবা। আমাৰ অৱস্থা সিহঁতত্তকৈ বহুত বেলেগ। তোমাৰ-মোৰ অস্তিত্বটোৱেই নিশ্চিত হোৱা নাই। এতিয়াই আমি জাতিৰ অস্তিত্ব লৈ কেনেকৈ চিন্তা কৰিম?"

ইয়াকে কৈ, পাৰমিতাই প্ৰবীৰৰ বুকুত মূৰটো থ'লে। খন্তেক পাছত ক'লে, "প্ৰবীৰ, তুমি যে পঢ়াশুনা লৈ থাকা—সেইটোৱেই মোৰ ভাল লাগে। তোমাৰপৰা সেইটোকে বিচাৰো।"

তাৰ পাছত তাই চকু মুদিলে। প্ৰবীৰে কিন্তু ৰাজীৱ দিগন্তই কোৱা কথাবোৰ পাহৰিব নোৱাৰিলে।

এঘাৰ

প্ৰিভিয়াচ পৰীক্ষালৈ বেছিদিন আৰু নাই। প্ৰবীৰে প্ৰথমতে চাৰিদিন কেজুৱেল ললে। তাৰ পাছত ললে ডেৰ মাহৰ ছুটী। পোন্ধৰদিন একেৰাহে তিনিৰপৰা পাঁচ ঘণ্টালৈকে প্ৰেক্টিকেল কৰিলে। এই সময়ছোৱাত পাৰমিতাই প্ৰবীৰক যেনে ধৰণেৰে সহায় কৰিলে তাৰ তুলনা নাই। প্ৰবীৰে উপলব্ধি কৰিলে, প্ৰকৃত অৰ্থত পাৰমিতা তাৰ জীৱনসংগিনী। এনেয়ে অধ্যয়নটো এটা সাধনা। অধ্যয়নত ব্ৰতী হ'বৰ বাবে সংযমী হ'ব লাগে। কিন্তু সিহঁত এতিয়া নব-বিবাহিত। একেলগে থাকে। সিমানখিনি সংযমত থকাটো সিহঁতৰদ্বাৰা সম্ভৱ নহ'ল। সেই বুলি অধ্যয়নত সিহঁতৰ কোনো শিথিলতাও দেখা নগ'ল।

তাৰ পুৰস্কাৰো পালে। বি-এছ্-চিত কৈ দুয়োৰে পৰীক্ষা ভাল হ'ল। পৰীক্ষাৰ মাজত পাৰমিতাৰ পানী লগা অসুখ হ'ল। থাৰ্ড পেপাৰখনৰ প্ৰশ্ন এটাৰ উত্তৰ লিখিব নোৱাৰিলে। প্ৰবীৰে নিয়মিত ক্লাছ কৰিব পৰা নাছিল। প্ৰেক্টিকেল বেয়া হ'ব বুলি ভয় এটা আছিল। কিন্তু এক্সটাৰনেলে সোধা প্ৰশ্নবোৰৰ যেনেকৈ উত্তৰ দিলে, তাতে প্ৰবীৰৰ ভয়-আশংকা দূৰ হ'ল। শেষৰ দিনা ঘৰলৈ অহাৰ বাটত সিহঁতে পৰীক্ষাবোৰৰ মূল্যাংকন কৰিলে। প্ৰবীৰে শতকৰা পয়সত্তৰ আৰু পাৰমিতাই পয়ষষ্ঠিৰ ওপৰত নম্বৰ পাব বুলি আশা কৰিলে।

পৰীক্ষা শেষ হোৱাৰ এসপ্তাহ পাছত প্ৰবীৰে লাইফ ইনচুৰেন্সৰ ইন্টাৰ-ভিউ এটা দিলে। ভাল চাকৰি। পৰিসংখ্যান বিষয়া। দা-দৰমহাও আকৰ্ষণীয়। পাঠ্য-বিষয়ৰ লগত সংগতি থকা বুলি পৰীক্ষাটো ভাল হ'ল। ইন্টাৰ-ভিউত পাছ কৰিলে চাৰিমাহৰ ভিতৰত চাকৰিটোত বাহাল হ'ব পাৰিব।

ইন্টাৰ-ভিউ দিয়াৰ পিছদিনা প্ৰবীৰৰ ভায়েক সুবীৰ আহিল। বিগত ছয় মাহ ধৰি ঘৰৰ কাৰো লগত প্ৰবীৰৰ কোনো যোগাযোগ নাই। সুবীৰক দেখি প্ৰবীৰ আনন্দিত হ'ল। ঘৰখনৰ লগত সম্পৰ্কটো সহজ হোৱাৰ আশা এটা দেখিবলৈ পালে। উপৰ্যুপৰি প্ৰশ্ন কৰি সকলোৰে কথা সুধিলে। মাক-দেউতাকৰ স্বাস্থ্য এতিয়া কেনেকুৱা, সীমা-ক্ষমাৰ পঢ়া-শুনা কেনে চলিছে, সুবীৰে নিজে পঢ়া-শুনা কৰিছে নে নাই, হৰাধন চক্ৰৱৰ্তীৰ খবৰ কি ... আদি জানি ল'লে।

সুবীৰ অহাত পাৰমিতায়ো ভাল পালে। আথে-বেথে আদৰি চাহ-জলপান খুৱালে। প্ৰবীৰহঁতৰ ঘৰৰ প্ৰত্যেকৰ বিষয়ে তাই জানে। তেওঁলোকৰ কথা সুধিলে। তাইৰ মাত-কথাত অনাবিল এক আন্তৰিকতা প্ৰকাশ পালে। সঁচাকৈয়ে তাই সিহঁতৰ ঘৰৰ সকলোকে নিজৰ আত্মীয় বুলি স্বীকাৰ কৰি লৈছে। কথাটো বুজিব পাৰি সুবীৰ আনন্দিত হ'ল।

প্ৰবীৰে ভায়েকক বিয়ালৈ মাতিছিল। সুবীৰৰো আহিবৰ মন আছিল। দেউতাকৰ গালিৰ ভয়ত অহা নহ'ল। কিন্তু ককায়েকে বিয়া পাতিলে। বাংলাভাষী হৈও অসমীয়া ছোৱালী একজনীক বিয়া কৰাই ঘৰ-সংসাৰ কৰিছে। নবৌগৰাকী কেনেকুৱা নিজ চকুৰে এবাৰ চাবৰ মন। বহুদিন ধৰি মনত আশা পালি আছিল। শেষত আৰু থাকিব নোৱাৰিলে। ঘৰৰ কাৰো নজনোৱাকৈ মনে মনে গুচি আহিল। বাছৰপৰা নামি ফাঁচিবজাৰত বেংকলৈ গৈ ককায়েকক লগ কৰিলে। প্ৰবীৰে তাক ভাৰাঘৰলৈ লৈ আহিল। অহাৰ পাছত খন্তেকৰ ভিতৰত পাৰমিতা সুবীৰৰ মাজত মৰম চেনেহৰ সুন্দৰ এটা সম্পৰ্ক গঢ়ি উঠিল।

পিছদিনাই সুবীৰ বৰপেটা ৰ'ডলৈ যাবলৈ ওলাল। বাছত সুবীৰক উঠাই দিবলৈ

পাৰমিতা পল্টন বজাৰলৈ আহিল। তাইৰ হাতত ধৰি সুবীৰে ক'লে, "বৌদি ঘৰলৈ গৈ তোমাৰ কথা ক'ম। মই নিশ্চয় কৰি ক'ব পাৰো, তোমাক দেখাৰ পাছত দেউতাই খং কৰি থাকিব নোৱাৰে। কথা দিয়া, ককাইদেউক লৈ ঘৰলৈ আহিবা— ।"

"ককায়েৰাই লৈ গ'লেহে মই যাব পাৰিম।"

"তুমি ক'লে ককাইদেৱে আনো নোযোৱাকৈ থাকিব পাৰিব!" মিচিকিয়াই হাঁহি পাৰমিতাই ক'লে, "ক'ম বাৰু।" বিমল আশা এটা লৈ সুবীৰে বিদায় ল'লে।

ঘৰলৈ আহিয়েই পাৰমিতাই প্ৰবীৰক বৰপেটা ব'ডলৈ যোৱাৰ কথা ক'লে। প্ৰবীৰ গহীন হৈ পৰিল।

"ঘৰলৈ যাবৰ মোৰো মন।" বেজাৰ মনেৰে প্ৰবীৰে ক'লে, "ক'তদিন মা-দেউতা, সীমা-ৰুমাক দেখা নাই! বিশেষকৈ মা'লৈ বৰকৈ মনত পৰে।"

"যাওঁ ব'লা—।"

"এতিয়াই যোৱাটো ঠিক নহ'ব।"

"কিয়?"

"তোমাক বিয়া কৰাম বুলি ক'লত দেউতাই মোৰ লগত সম্পৰ্ক নাৰাখো বুলি কৈছিল।" প্ৰবীৰে ক'লে, "সম্পৰ্ক— তাতে 'আক' বাপেক-পুতেকৰ সম্পৰ্ক। এই সম্পৰ্কটো যে ছিঙিব নোৱাৰি— এইটো দেউতাই বুজিব লাগিব।"

"একেটা কাণ্ড মোৰ মা-দেউতায়ো কৰিলে।" — পাৰমিতাই অনুযোগ কৰিলে।

"তেওঁলোকে সিমানখিনি কৰা নাই।"

"মোৰ বিবেচনাত দুয়ো পক্ষ সমান। নিজৰ নিজৰ পদমৰ্যাদা, সমাজ লৈ থকাটোহে তেওঁলোকৰ অহংকাৰ।" পাৰমিতাই ক'লে, "যিহওক, তোমাক লৈ বৰপেটা ব'ডলৈ যাম বুলি কথা দিলো। ব'লা দুদিনৰ বাবে ফুৰি আহোঁগে— ।"

"দিগন্তই সিদিনা তোমাক মাৰাৰ ঘৰলৈ যাবলৈ কৈছিল। মই তোমাক যাবলৈ উৎসাহিত কৰিছিলো। মোক তেতিয়া কেনেকৈ গালি পাৰিছিলা, মনত পৰেনে?"

তলমূৰ হৈ খন্তেক বহি থাকি পাৰমিতাই ক'লে, "কিন্তু তোমালোকৰ ঘৰখন মই চোৱা নাই।"

"নিশ্চয় চাবা। তাৰ বাবে আমি এম-এছ-চি পাছ কৰালৈকে ধৈৰ্য ধৰিব লাগিব।" হমুনিয়াহ এটা কাঢ়ি প্ৰবীৰে ক'লে, "বাৰু, তোমাৰ যদি আমনি লাগিছে— ব'লা, ফুৰিবলৈ ওলাওঁ।"

"ফুৰি আনন্দ স্ফূৰ্তি কৰাৰ সময় আমাৰ হোৱা নাই। কালি আমাৰ স্কুলৰ কল্পনা বাইদেউক লগ পাইছিলো। মিছট্ৰেচ এগৰাকীয়ে মেটাৰনিটি লিভ ল'ব। কাইলৈৰ

ইয়েৰৰ ক্লাছ আৰম্ভ হোৱালৈকে তেওঁৰ লিভ ভেকেঞ্চিত কাম কৰিম নেকি?”

“কৰিব পাৰা। অভিজ্ঞতা এটা হ'ব।

“টকাও অলপ পাম। দৰকাৰী বস্তু কেইপদমান ল'ব পাৰিম।”

কালি সন্ধিয়া নলবাৰী জিলাত উগ্ৰপন্থী বুলি সন্দেহ কৰি পুলিচে পলায়নৰত ছাত্ৰ দুজনক গুলিয়ালে। তাৰ প্ৰতিবাদত ৰাজ্যৰ দুটা ছাত্ৰ সংগঠনে বন্ধ ঘোষণা কৰিলে। আজি ৰাতিপুৱা ছয় বজাৰপৰা গধূলি ছয় বজালৈকে অসম বন্ধ।

এইদৰে বন্ধ ঘোষণা আৰু পালন কৰাটো অসমত এটা পৰম্পৰা হৈ পৰিছে। যিসকল বন্ধৰ সমৰ্থক নাইবা বিৰোধী, তেওঁলোকৰ বাবে অসুবিধা নাই। আহুকলীয়া অৱস্থা এটাৰ সৃষ্টি হয় প্ৰবীৰহঁতৰ দৰে মধ্যম পন্থীসকলৰ। বন্ধ আন্দোলনক সিহঁতে আন্তৰিকতাৰে সৈতে সমৰ্থন কৰিব নোৱাৰে। বিৰোধীতা কৰাৰ সাহসো নহয়। পাৰমিতাৰ কথাটো অৱশ্যে অলপ বেলেগ। তাই কিছু পৰিমানে ছুটীৰ আনন্দ উপভোগ কৰে। ঘৰুৱা কামৰ উপৰিও বিধে বিধে ব্যঞ্জন ৰান্ধি খোৱাৰ আয়োজন কৰে। প্ৰবীৰৰ বেয়া লাগে। ঘৰত আৱদ্ধ থাকি অস্বস্তিকৰ এক আশংকাতে দিনটো কটাবলগীয়া হয়।

বাৰ বজাৰ আগে আগে খায়-বৈ প্ৰবীৰ বিছনাত বাগৰিলে। খিৰিকীৰ কাষত থিয় হৈ বন্ধৰ প্ৰভাৱত জন-প্ৰাণীহীন দুপৰীয়াৰ ৰাজ-আলিটোলৈ চাই পাৰমিতাই ক'লে, “নিতু চাগে এতিয়া ঘৰত নাই। সংগঠনৰ ল'ৰাহঁতৰ লগত ঘূৰি ফুৰিছে। তাৰ কথা ভাবিলেই অথন্তৰ কিবা ঘটিব যেন লাগে।”

“তুমি তাক মৰম কৰা—।” বাগৰা অৱস্থাত থাকিয়েই প্ৰবীৰে ক'লে, “সেই কাৰণেই তাক লৈ তোমাৰ এনেকুৱা আশংকা হৈছে।”

“যি কোনো মুহূৰ্তত তাৰ বিপদ হ'ব পাৰে।” গধুৰ মাতেৰে পাৰমিতাই ক'লে, “দেশৰ মুক্তি সংগ্ৰামৰ কথা কৈ বন্দুক-পিষ্টলেৰে মানুহ মাৰিবলৈ গৈ সিহঁতো মৰিছে। সিও কেতিয়াবা মৰি থাকিব—।”

“মৃত্যুলৈ সিহঁতৰ ভয় নাই। আদৰ্শ পথ যেনেকুৱাই নহওক লাগে, দিগন্তহঁত দেশৰ কাৰণে মৰিছে—।” — প্ৰবীৰে ক'লে।

পাৰমিতাই থৰ লাগি গ'ল। প্ৰবীৰ এতিয়া তাইৰ একমাত্ৰ আশ্ৰয়। প্ৰবীৰ তাইৰ জীৱন। প্ৰবীৰেই তাইৰ জীয়াই থকাৰ প্ৰেৰণা। অথচ প্ৰবীৰে এইবোৰ কৈছে!

“অ', পেটে পেটে তুমিও সিহঁতক চাপৰ্ট কৰিবলৈ লৈছা!” সন্দিগ্ধ চকুৰে প্ৰবীৰৰ পিনে চাই পাৰমিতাই ক'লে, “ৰাজীৱে তেনেহ'লে তোমাৰ ব্ৰেইনটোক ভালকৈ ওৱাচ কৰিলে। সেইবোৰত লাগিলে তুমি কিন্তু মোক নোপোৱা।”

"ক'লৈ যাবা?" — প্ৰবীৰে কৌতুক মিহলি সুৰেৰে ক'লে।

"ক'লৈনো যাম! মোৰ আৰু যাবলৈ ঠাই নাই। মই চায়ানাইড খাম।"

বাগৰা অৱস্থাৰপৰা প্ৰবীৰে জাপ মাৰি উঠিল। পাৰমিতাৰ কাষলৈ আহি কাতৰ যন্ত্ৰণাৰে ক'লে, "খবৰদাৰ, আগলৈ তুমি এইদৰে মৰাৰ কথা নক'বা। আমি নমৰো। মৰিবৰ বাবে ইমান বাধা-বিঘিনি অতিক্ৰম কৰি আমি এক হোৱা নাই। আনহাতে, এইটো কথাত তুমি ইমান চিৰিয়াছ হ'ব নালাগে। ৰাজীৱহঁতৰ দেশপ্ৰেমক প্ৰশংসা কৰিলো বুলিয়ে সিহঁতক মই সমৰ্থন কৰা নুবুজায়।"

তাৰ পাছত সমুখৰ দুৱাৰখন মাৰি দুয়ো বিছনালৈ আহিল। বিছনাত বাগৰি দুয়ো নিমাত। শৰীৰত ভাতৰ ভাগৰ। অথচ কাৰো চকুলৈ টোপনি অহা নাই। প্ৰবীৰৰ সোঁহাতখন পাৰমিতাৰ পিঠিত। লাহে লাহে মোহাৰি দিছে। প্ৰাণ প্ৰেয়সীক মৰম কৰি জীৱনৰ উত্তাপ অনুভৱ কৰিছে। সুখৰ আমেজত খন্তেক নিশ্চুপ থাকি পাৰমিতাই সুধিলে, "সিদিনা ৰাজীৱ-নিতুৱে বিদায় লোৱাৰ পাছত ঘৰৰ কথা কৈ তুমি অলপ আবেগিক বৈ পৰিছিলা। আচলতে তোমাৰ কি হৈছিল, কোৱাচোন?"

প্ৰবীৰে সিদিনাৰ কথাবোৰ মনত পেলালে। তাৰপাছত পাৰমিতাৰ পিনে থিৰচকুৰে চাই ক'লে, "মই এতিয়া প্ৰায়ে অনুভৱ কৰো, আমাক এখন ঘৰ লাগে।"

"আমি যে ইয়াত আছো, এইটো জানো আমাৰ ঘৰ নহয়?

"এইটো ভাৰঘৰ। ইয়াত আমাৰ স্থায়িত্বৰ নিশ্চয়তা নাই। ঘৰৰ মালিকৰ ইচ্ছাৰ ওপৰতে ইয়াত আমাৰ থকা-নথকাটো নিৰ্ভৰ কৰে।"

"সেইটো অৱশ্যে হয়।"

"চোৱা, তুমি আৰু এতিয়া মাৰাৰ ঘৰখনক নিজৰ ঘৰ বুলি দাবী কৰিব নোৱাৰিবা। বৰপেটা ৰ'ডত আমাৰ ঘৰ এটা আছে। কিন্তু তাত আমি বিচৰামতে জীৱন কটাব নোৱাৰিম।"

"মহাশয়ৰ তেন্তে নিজাববীয়াকৈ ঘৰ এটা সাজিবৰ মন।"

"অ' মিতা। আমাৰ এডোখৰ মাটি থাকিব। সেইডৰা মাটিৰ পৰিসীমাত অকল আমাৰ কৰ্তৃত্ব থাকিব। তাত আমি আমাৰ পৰিকল্পনা অনুসৰি এটা ঘৰ সাজিম। ঘৰটোৰ সমুখত থাকিব ফুলনিবাৰী, পাছফালে থাকিব শাকনি-বাৰী—।"

"তুমি কিন্তু বহুত আগলৈ চিন্তা কৰিছা।"

"সেইবুলি অবাস্তৱ একো চিন্তা কৰা নাই।"

তাৰ পাছত দুয়ো নিমাত। প্ৰায় পাঁচ মিনিট মান সময় তেনেকৈ পাৰ হ'ল।

"এই, শুলা নেকি?"

চকু নেমেলাকৈয়ে প্ৰবীৰে ক'লে, "নাই শোৱা।"

"কিবা ভাবিছা?"

"অ', চিন্তা এটা হৈছে।"

"কিহৰ চিন্তা?"

ওপৰমুৱা অৱস্থাৰপৰা কাতি হৈ মুখটো সৌহাতেৰে ভেঁজা দি প্ৰবীৰে ক'লে, "নিজৰ অস্তিত্ব সুনিশ্চিত কৰিবৰ বাবে আমাক ঘৰ এটা লাগে বুলি ক'লো। কিন্তু আমাৰ মা-দেউতাহঁতৰ ঘৰ আছে। আমাক লৈ তেওঁলোকে সেইখন ঘৰৰ অস্তিত্ব সুনিশ্চিত কৰাৰ কথা ভাবিছিল। তেওঁলোকে বিচৰামতে তেওঁলোকৰ ঘৰখনক আমি নিজৰ ঘৰ বুলি গ্ৰহণ নকৰিলো। ইফালে চোৱা, বিদেশী-বিতাড়ণ আন্দোলনৰ পাছত অসমত যেনেকৈ জাতি-গোষ্ঠীগত চেতনা বাঢ়িছে— তাৰ গুৰিতে হ'ল অস্তিত্বৰ সচেতনতা। আজি অসমৰ অধিকাংশ জাতি-গোষ্ঠীয়ে নিজৰ নিজৰ ভৱিষ্যত সুনিশ্চিত কৰিবৰ বাবে সংগ্ৰামমুখী হৈ পৰিছে। অৰ্থাৎ এতিয়া প্ৰত্যেককে নিজৰ বাবে এখনকৈ ঘৰ লাগে।"

"তাৰমানে তোমাৰ মূৰত অনবৰত এইবোৰকে খেলাই থাকে।" অস্থিৰ মাতেৰে পাৰমিতাই কৈ উঠিল, "ব্যক্তিগত জীৱনত আমাৰ ইমানবোৰ সমস্যা— অথচ তুমি দেশৰ ভূত-ভৱিষ্যৎ লৈ মূৰ ঘমাই আছা!"

"দেশত এতিয়া বিবোৰ ঘটি আছে— এইবোৰ দেখি-শুনি আমি চকু-কাণ নিদিয়াকৈ থকাটো জানো উচিত হ'ব?"

"ব্যক্তিগত সমস্যাবোৰ সমাধান নকৰাকৈ তুমি দেশৰ সমস্যা সমাধান কৰিবলৈ যাবা নে?"

পাৰমিতাৰ মাতত খং। ভিতৰি ভিতৰি উত্তেজিত। প্ৰবীৰে উগ্ৰবাদী সংগঠনৰ লগত জড়িত ৰাজীৱ-দিগন্তহঁতৰ প্ৰতি দুৰ্বলতা দেখুৱাইছে। এই বিষয়ে আৰু কিবা ক'বলৈ ল'লেই পাৰমিতাৰ খং-উত্তেজনা বাঢ়িব। বিছনাত মূৰটো পেলাই প্ৰবীৰে চকু মুদিলে।

"উত্তৰ নিদি চকু মুদিলা— অ', মোৰ প্ৰশ্নটো তোমাৰ ভাল নালাগিল?"

চকু মেলি মিচিকিয়াই হাঁহি প্ৰবীৰে ক'লে, "ভাল নলগাৰ কথা নহয়। এইটো এটা হাঁহি উঠা কথাহে ক'লা।"

"হাঁহি উঠা কথা ক'লো!"

"অ'—।" বাগৰাৰপৰা উঠি বিছনাত বহি লৈ প্ৰবীৰে ক'লে, "কথাবোৰ আমি আলোচনাহে কৰিছো। এই সম্পৰ্কে মোৰ কি মতামত তালৈকে বুজি লোৱাৰ

আগতেই তুমি খং কৰিবলৈ ল'লা— ।"

পাৰমিতাই নিজৰ ভুল বুজিব পাৰিলে। লাজ পালে। কিন্তু লাজ প্ৰকাশ নকৰি ক'লে, "যিহওক, ৰাজীৱ-নিতুহঁতে যি সংগ্ৰাম কৰিছে— সেইটোতকৈ আমাৰ জীয়াই থকাৰ সংগ্ৰামটো ডাঙৰ হয়নে নহয়?"

"অকল ব্যক্তিগত দিশটো বিবেচনা কৰি জীয়াই থকাটোৱেই এতিয়া আমাৰ বাবে ডাঙৰ কথা।"

"এইটো অৱস্থাত, পোনপ্ৰথমে আমাৰ ব্যক্তিগত সমস্যাবোৰ লৈয়েই ভাবিব লাগিব। ৰাজীৱহঁতৰ লগত আমাৰ তুলনা নহয়। মনত ৰাখিবা, সিহঁতে ঘৰৰ খাই সংগ্ৰাম কৰিছে। সিহঁতৰ নিজৰ নিজৰ ঘৰ আছে। আমাৰ এতিয়াও ঘৰ এখন হোৱাগৈ নাই। ঘৰ এখন সাজি তুলিবৰ বাবে এতিয়াও আমি ভূমি এডৰা বিচাৰি পোৱা নাই। তাৰ বাবে আমি অশেষ কষ্ট কৰিব লাগিব। এইটো সময়ত সিহঁতে আমাক পৰিচালিত কৰিবলৈ ল'লে আমি শেষ হৈ যাম।"

পাৰমিতাই বেছিকৈ চিন্তা কৰিছে। প্ৰবীৰৰ প্ৰতি মৰম-ভালপোৱা গভীৰ বুলিয়ে তাই ইমানকৈ ভাবিছে। তাই মৰমৰ অন্ধ। বৰ অবুজ। প্ৰবীৰে পাৰমিতাৰ অন্তৰৰ আকুলতা বুজিব পাৰিলে। লাহে লাহে সি তাইৰ ওচৰ চাপি আহিল।

বাৰ

"খট্ খট্ খট্ —।"

বাহিৰৰপৰা বন্ধ দুৱাৰত টোকৰ।

কিতাপ-পত্ৰ সামৰি প্ৰবীৰ-পাৰমিতা বিছনাত পৰিছে মাথো। ৰাতি চাৰে এঘাৰ। দিন-কাল বেয়া। নিতৌ হত্যা-অপহৰণৰ খবৰ ওলাইছে। সকলোৰে মনত ভয়-আতংক। ইফালে নিষিদ্ধ ঘোষিত সংগঠনটোৰ ল'ৰাহঁতক ধৰিবৰ বাবে চৰকাৰে পুলিচ-চি আৰ পি মেলি দিছে। যেতিয়াই-তেতিয়াই পুলিচ-চি আৰ পিয়ে যিকোনো ঘৰ বা কেতিয়াবা সম্পূৰ্ণ এটা এলেকা ঘেৰাও কৰি খানা-তালাচী চলাইছে। তেনেকৈ প্ৰশিক্ষণ লোৱা বিদ্ৰোহীহঁতক ধৰিব নোৱাৰি নিৰপৰাধী ল'ৰা

কিছুমানকে ধৰি নি হাৰাহাত্তিও কৰিছে। সাধাৰণ গৃহস্থৰ এতিয়া বিদ্ৰোহীইতলৈ ভয়, শান্তি ৰক্ষাকাৰী পুলিচ-চি আৰ পিলৈও ভয়। এনে এটা পৰিস্থিতিত নিশা চাৰে এঘাৰ বজাত প্ৰবীৰ-পাৰমিতাইতৰ ঘৰলৈ কোন আহিব?

আকৌ দুৱাৰত টোকৰ, "খট্ খট্—।"

পাৰমিতাৰ পিঠিত হেঁচুকি ফুচফুচাই প্ৰবীৰে ক'লে, "উঠাচোন—।"

ভয়ত পাৰমিতাৰ মুখখন শেঁতা পৰিল। তাই সুধিলে, "দুৱাৰ খুলিবা নেকি?"

"উঠি ড্ৰেছ ঠিক কৰি লোৱা—।"

পাৰমিতা বিছনাৰপৰা নামিল। পাতল গাউনটোৰ ওপৰত শাড়ি এখন মেৰিয়াই ল'লে।

প্ৰবীৰে লাইট জ্বলালে। নিঃশব্দে খিলি খুলি দুৱাৰখন অলপ মেলি লৈ সুধিলে, "কোন?"

"মই, প্ৰবীৰদা। মই ৰাজীৱ!"

প্ৰবীৰে আশ্বস্ত হ'বলৈ লৈছিল। পিচ মুহূৰ্ততে তাৰ কাণ-মূৰ গৰম হৈ উঠিল। ৰাজীৱ ফুকন বিপ্লৱী সংগঠনৰ সদস্য। ৰাজীৱক ভিতৰলৈ সোমোৱাই লোৱা মানে নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যক আশ্ৰয় দান কৰা। ৰাষ্ট্ৰৰ দৃষ্টিত এইটো অপৰাধ। প্ৰবীৰৰ ডিঙি শুকাই আহিল। কোনো মতে ক'লে, "অ'— তুমি!"

"পুলিচে মোক ফল' কৰিছে— আপোনালোকৰ ইয়াত নিশাটো কটাব বিচাৰিছো। অসুবিধা পাব নেকি?"

কি ক'ব প্ৰবীৰে? পিছফালে বৈ আছে পাৰমিতা। ভাব-লেশহীন প্ৰবীৰক তাই একো নক'লে। যন্ত্ৰণাদায়ক এক স্থিতাৱস্থা। শেষত প্ৰবীৰেই ৰাজীৱক ভিতৰলৈ অনাৰ সিদ্ধান্ত ল'লে, "আহা ভিতৰলৈ আহা—।"

ৰাজীৱ ভিতৰলৈ আহিল।

"আৰু কোনোবা আছে নেকি?"

"আছিল। সিহঁতে বেলেগ ঠাইত আশ্ৰয় ল'ব।" উত্তেজিত ৰাজীৱ থিয় হৈ থাকিব নোৱাৰিলে। টেবুলৰ কাষৰ চকীখনত বহি ক'লে, "ভয় নকৰিব। পুলিচে আপোনালোকৰ ঘৰটো সন্দেহ নকৰে। দুৱাৰখন বন্ধ কৰি লাইট নুমাই দিয়ক।"

প্ৰবীৰে ৰাজীৱৰ নিৰ্দেশ পালন কৰিলে।

আন্ধাৰ হ'লেও খিৰিকীখনৰ ওপৰৰ গ্লাছেদি ৰাস্তাৰ বিজুলী চাকিৰ পোহৰ পৰিছে। পাৰমিতাৰ ভয় আতংক কমা নাই। তাই প্ৰবীৰৰ কাষ চাপি আহিল।

"বাইদেউ, অণ্ঠ-কণ্ঠ শুকাই আহিছে।" ৰাজীৱে ক'লে, "ঠাণ্ডা পানী এগিলাচ দিয়া—।"

প্ৰবীৰে বিছনাৰ গাৰুৰ তলত ৰখা টৰ্চটো হাতত ল'লে। টৰ্চৰ পোহৰত কাঁচৰ

গিলাচত পানী ভৰাই আনি পাৰমিতাই ৰাজীৱক দিলে।

ৰাজীৱ সঁচাকৈয়ে বৰ পিপাৰ্বাৰ্ত আছিল। একে উশাহতে পানীখিনি শেষ কৰি শূন্য গিলাচটো টেবুলত থ'লে।

"আৰু লাগিব নেকি?"

"নালাগে।"

পাৰমিতাই ৰাজীৱৰ ফালে চাই আছে। উৎকণ্ঠা আৰু কাতৰতা মিহলি দৃষ্টি।

"তইঁতৰ লগত নিতুও আছিল নেকি?"

"নাই। সি আমাৰ লগত অহা নাই।"

"তই এতিয়া ক'ৰপৰা আহিলি?"

"সেইবোৰ ক'বলৈ নিৰ্দেশ নাই।"

"বাৰু ৰাজীৱ—।" প্ৰবীৰে ক'লে, "সেইবোৰ যিয়ে হওঁক, গৃহস্থ হিচাপে সুধিছো— খোৱা-বোৱা হ'লনে?"

আন্ধাৰতো ৰাজীৱৰ চকু দুটা কৃতজ্ঞতাবে স্নিগ্ধ হৈ উঠিল। শিশুসুলভ সৰলতাৰে ক'লে, "নাই, খোৱা নহ'ল।"

"কি খাবা এতিয়া?"

"ঘৰত যি আছে তাকে দিয়ক। অলপ দিব। ৰাতি হ'ল, বেছিকৈ খালে পুৱতি নিশা সাৰ পাবলৈ দিগদাৰ হ'ব।" ৰাজীৱে ক'লে।

পাৰমিতাই ৰাজীৱক ভোক পলোৱা ধৰণৰ কিবা-কিবি খাদ্য আনি দিলে। ৰাজীৱে সেইখিনি খাই উঠি যথেষ্ট আশ্বস্ত হ'ল। তাৰ পাছত ৰাজীৱৰ কাষতে প্ৰবীৰো বহি ল'লে। বহুদিনৰপৰা সুধিম সুধিম বুলি ভাবি থকা কথাষাৰ প্ৰবীৰে আজি এই চেগতে ৰাজীৱক সুধিলে, "ৰাজীৱ, তোমালোকে সশস্ত্ৰ সংগ্ৰাম নকৰি গান্ধীৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ অহিংস আন্দোলন নকৰিলা কিয়?"

প্ৰবীৰৰ প্ৰশ্নটোৰ উত্তৰ এটা মিচিকীয়া হাঁহিৰে ৰাজীৱে দিলে, "প্ৰবীৰদা, অসমীয়াৰ দৰে শোষিত, নিষ্পেষিত এটা জাতিয়ে অহিংস পথেৰে আন্দোলন কৰিলে একো নাপায়, কেৱল হেৰুৱাবহে লাগিব। ইয়াৰ উদাহৰণ আগতে বহুতবাৰ পোৱা হৈছে।"

কিন্তু অসমত অহিংস আন্দোলনৰ পৰম্পৰা এটা আছে। বিগত বিদেশী-বিতাড়ণ আন্দোলনটোও মোটামুটি অহিংস আছিল—।"

"সেইটো আন্দোলনে আমাক একো দিয়া নাই, প্ৰবীৰদা। তেনে আন্দোলনৰদ্বাৰা জনশক্তিৰ অপচয় হৈছে। আন্দোলনৰ নেতাসকলে ভাৰতীয় ৰাষ্ট্ৰশক্তিৰ সৈতে

আপোচ কৰি অসমৰ অৱস্থা অধিক বেয়া কৰিলে। প্ৰশাসন, আমোলা-বিষয়া দুৰ্নীতি পৰায়ণ হৈ পৰিল। এতিয়া চৰকাৰৰ লগত জড়িত থকা কোনো ব্যক্তিৰে সততা নাই, নিষ্ঠা নাই, আত্মত্যাগ নাই, চাৰিত্ৰিক শৃংখলা নাই। আমাৰ দৃষ্টিত দিল্লীৰদ্বাৰা নিয়ন্ত্ৰিত আমাৰ শাসককুল ব্যভিচাৰী, ক্ষমতালোভী, শোষক। ইহঁতৰ হাতৰপৰা দেশমাতৃক মুক্ত কৰিবলৈ হ'লে ৰাজনৈতিক অধিকাৰ কাঢ়ি ল'ব লাগিব। তাৰ বাবে সশস্ত্ৰ সংগ্ৰামৰ বাহিৰে আন উপায় নাই।"

পাৰমিতাই এইবোৰ কথা ভালপোৱা নাই। প্ৰবীৰে প্ৰয়োজনতকৈ বেছি আগ্ৰহ দেখুৱাইছে।

"দুপৰ ৰাতি এইবোৰ নপতাই ভালনেকি।" ইয়াকে কৈ, পাৰমিতাই প্ৰবীৰক সাৱধান কৰিলে, "সি অহাৰেপৰা তুমি তাৰ লগত লাগি আছা। ভাতকেইটা খালে। এতিয়া সি ৰেষ্ট লওক—।"

ৰাজীৱৰ ওঁঠত হাঁহি বিৰিঙিল। সৰল হাঁহি। তাৰ পিনে চাই কোনেও তাক বেয়াকৈ সন্দেহ কৰিব নোৱাৰে। হাঁহি হাঁহিয়ে ৰাজীৱে ক'লে, "ইমানপৰ বহিলো, ভাতকেইটা খালো— তাতেই মোৰ ৰেষ্ট হৈ গ'ল। এতিয়াই মই ওলাব পাৰো। কিন্তু ৰাস্তাত পুলিচ-চি আৰ পি। ইয়াৰপৰা ওলাই আন কাৰবাৰ ঘৰলৈ গৈ আমনি কৰিব লাগিব। সেইটো মোৰ বাবে বিপজ্জনক হ'ব পাৰে। বাইদেউ, তুমি যদি বেয়া নোপোৱা প্ৰবীৰদাক কথা পাতিবলৈ দিয়া। এইদৰে গোটেইটো নিশা কথা পাতি পাৰ কৰি দিয়াত আমি অভ্যস্ত—।"

"নহয় মানে এওঁতো তহঁতৰ বিষয়ে তেনেকৈ নাজানে।" সেমেনা-সেমেনি কৰি পাৰমিতাই ক'লে, "ইফালে তহঁতৰ এটা আদৰ্শ আছে। সেইবোৰ ভালকৈ নাজানি-নুবুজি কিবা এটা যদি কৈ দিয়ে, তহঁতে আক' বেয়া পাবি নহয়—।"

"বাইদেউ, তোমাক আমি আগতেই এদিন কৈছিলো— আমি ইমান বিচাৰ-জ্ঞানহীন নহওঁ। আচলতে তুমি ভয় কৰিছা, নহয়নে?"

"নাই, নাই। মই ভয় কৰা নাই।" — ভয়াৰ্ত কণ্ঠ পাৰমিতাৰ।

"ভয় মানে আমি প্ৰবীৰদাৰ কোনো অপকাৰ কৰিব পাৰো বুলি আশংকা কৰিছা। নাই— তেনেকুৱা আশংকা কৰিব নালাগে। আমাৰ বাবে প্ৰবীৰদা কেনেকুৱা সেয়া আমি চিন্তা নকৰাকৈ থকা নাই। দ্বিতীয়তে, আজি যেতিয়া মই দুৱাৰমুখত থিয় হৈ ভিতৰলৈ আহিব বিচাৰিলো— তেতিয়া প্ৰবীৰদাই তোমালৈ চাইছিল। তুমি কোনো ইংগিত নিদিয়াত তেওঁ নিজেই মোক ভিতৰলৈ সোমোৱাই ল'লে। ইয়াৰদ্বাৰা স্পষ্টকৈ প্ৰমাণিত হয়, কিছুমান কথা সমৰ্থন কৰিব নোৱাৰিলেও আমাৰ প্ৰতি প্ৰবীৰদাৰ 'চিম্‌পেথি' আছে।"

কথাবোৰ কওঁতে ৰাজীৱৰ চকু দুটাত অদ্ভুত এক দীপ্তি প্ৰকাশ পালে। আগতে প্ৰবীৰে ৰাজীৱক ইমান এটা ভাল পোৱা নাছিল। বিয়াৰ পাছত তাৰ লগত প্ৰবীৰৰ সম্পৰ্কটো ভাল হৈ উঠিল। মত-পথ যিয়েই নহওক লাগে, দেশৰ বাবে যে সি আত্ম-নিবেদিত, তাত সন্দেহ নাই। চেমনীয়া বয়সতে ৰাজীৱৰ এনে দেশপ্ৰেম নিঃসন্দেহে প্ৰশংসনীয়। ব্যক্তিগত জীৱনৰ সুখ-স্বাচ্ছন্দ্য আশা-আকাংক্ষাক বিসৰ্জন দি নিজৰ মত-বিশ্বাসত সি দৃঢ়ভাৱে আস্থাশীল।

"বাৰু ৰাজীৱ, তোমালোকে সংগ্ৰাম কৰিছা— সংগ্ৰামত কেনেকৈ সফল হ'বা বুলি ভাবিছা?"

"প্ৰবীৰদা, আপুনি ভবামতে আমি সংগ্ৰাম কৰা নাই।" ৰাজীৱে ক'লে, "সংগ্ৰাম কৰিছে অসমৰ শোষিত-বঞ্চিত-অৱহেলিত জনগণে। জনগণৰ নিৰ্দেশমতে আমি মাথো সংগ্ৰামৰ বাৰ্তা আগবঢ়াই লৈ গৈ আছো। অৱশ্যে গণ চেতনা বঢ়াবৰ বাবে আমি কেতবোৰ কাম কৰিছো। এইদৰে অসমৰ সকলো জনগণৰ মনত যেতিয়া চেতনা আহিব— তেওঁলোকে তেতিয়া ঐক্যবদ্ধভাৱে সংগ্ৰামত নামি পাৰিব। বিস্ফোৰিত সেই জনশক্তিৰ সমুখত শোষকৰূপী শাসকৰ বুলেট-বেয়নেট অকামিলা হৈ পৰিব।"

"বৰ্তমানৰ ৰাষ্ট্ৰশক্তিক ওফৰাব পাৰিলেই আমাৰ দেশখন সমৃদ্ধশালী হৈ উঠিব নে?" — প্ৰবীণে সুধিলে।

"বৰ্তমানৰ ৰাষ্ট্ৰশক্তিয়ে শোষকৰ ভূমিকা পালন কৰিছে। শোষকৰূপী এই ৰাষ্ট্ৰশক্তিক উৎখাত কৰিব পাৰিলে জনগণে নিজৰ ভূমিৰ ওপৰত, নিজৰ ভূমিত থকা সম্পদৰ ওপৰত আৰু নিজৰ সাহিত্য-সংস্কৃতিৰ ওপৰত অধিকাৰ লাভ কৰিব। এইবোৰ লাভ কৰাটো এটা জাতিৰ জন্মগত অধিকাৰ। আৰু আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ পালেহে জাতি এটাই স্বনিৰ্ভৰতাৰ পথত আগবাঢ়ি যাব পাৰিব।"

প্ৰবীৰে সিদিনা এই বিষয়ে পাৰমিতাৰ লগত কথা পাতিছিল। ব্যক্তিত্বৰ বিকাশৰ জড়িয়তে ব্যক্তিৰ অস্তিত্বক সুৰক্ষিত কৰাৰ কথাটোত পাৰমিতাই গুৰুত্ব দিছিল। প্ৰবীৰে তাইৰ কথাটো নুই কৰিব পৰা নাছিল। এতিয়া ৰাজীৱে ক'লে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পালেহে জাতি এটা স্বনিৰ্ভৰতাৰ পথত আগবাঢ়িব পাৰিব। তাৰমানে বিষয়টো সম্পৰ্কে পাৰমিতা আৰু ৰাজীৱৰ মত পৰস্পৰবিৰোধী।

"যিহওক, ৰাতি চাগে ডেৰ বাজিলেই—।" প্ৰসংগটো তাতেই সামৰিবৰ উদ্দেশ্যেৰে প্ৰবীৰে ক'লে, "শোৱাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু দেখিছাই নহয়, আমাৰ কোঠা মাথো এটা। বিছনাও এখনেই। তুমি বিছনাখনতে—।"

"নাই নাই, মই বিছনাত নুশুওঁ, আপোনালোক বিছনাত শোওক। মই মজিয়াত

পৰি থাকিম। মৃৰত দিবলৈ গাৰুৰ নিচিনা কিবা এটা দিলেই হ'ব—।"

"সেইটো আক' কেনেকুৱা কথা! তোমাক মজিয়াত শুবলৈ দি আমি দুটাই আৰাম কৰি বিছনাত শুম! ভদ্ৰতাৰ কথা এটা—।"

"ভদ্ৰতা কৰাৰ সময় এইটো নহয়, প্ৰবীৰদা। আমি কেতিয়াবা এনেকৈয়ে ৰাতি কটাবলগীয়া হয়। আপোনালোক অভ্যস্ত নহয়। পকীত শুলে আপোনালোকৰ ঠাণ্ডা লাগিব।"

"তথাপি শালীনতাৰ কথা এটা আছে।" প্ৰবীৰে ক'লে, "কাম এটা কৰো দিয়া। বায়েৰা ওপৰতে শোওক। আমি দুটা তলত বাগৰ দিওঁ।"

"পিছে গা বেয়া হ'লে বাইদেৱে আপোনাক গালি পাৰিব।"

"পাৰিবলৈ দিয়া।" পাৰমিতালৈ চাই মিচিকিয়াই হাঁহি প্ৰবীৰে ক'লে, "মই এতিয়া বায়েৰাৰ গালি সহ্য কৰিব পৰা হ'লো।"

আঠুৰাবিহীন অৱস্থাত ৰাজীৱৰ লগত মজিয়াত বাগৰি প্ৰবীৰে শুব নোৱাৰিলে। অথচ ভাৰতবৰ্ষপৰা অসমক বিচ্ছিন্ন কৰি নতুন অসম গঢ়াৰ সপোন দেখা বিদ্ৰোহী ৰাজীৱ ফুকন তৎক্ষণাৎ নিদ্ৰাত লালকাল হ'ল। ওপৰৰ বিছনাত পাৰমিতাই ইলুটি-সিলুটি কৰিছে। তাইৰো চকুলৈ টোপনি অহা নাই। ৰাজীৱৰ লগত পিষ্টল এটা আছে। প্ৰতিকুল পৰিস্থিতিত সেইপাত অস্ত্ৰ সি ব্যৱহাৰ কৰিব পাৰে। এইবোৰ ভাবিয়ে তাই শুব পৰা নাই। প্ৰবীৰৰ অৱশ্যে তেনেকুৱা ভ- বা দুশ্চিন্তা হোৱা নাই। সি ৰাজীৱহঁতৰ সংগঠনটোৰ কথা ভাবিছে।

ৰাজীৱ— ৰাজীৱ ফুকন। প্ৰবীৰহঁততকৈ চাৰে তিনি চাৰি বছৰৰ সৰু। স্নাতক প্ৰথম বৰ্ষত নাম লগোৱাৰপৰা ৰাজীৱ এইটো সংগঠনৰ লগত জড়িত। বিভিন্ন অপাৰেশ্বনৰ নেতৃত্ব নলʼলেও সংগঠনৰ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰে। অথচ ৰাজীৱৰ এতিয়া পঢ়া-শুনা কৰাৰ বয়স। পঢ়া-শুনা কৰি নিজকে গঢ় দিয়াৰ বয়স। সেয়া নকৰি, ঘৰৰ লগত সম্পৰ্ক নাৰাখি সংঘাতময় অনিশ্চিত জীৱন এটা বাছি লৈছে। এয়া উদ্দীপনাময় অৰণ্যৰ অবাস্তৱ আবেগ লৈ স্বৰ্গীয় ঐশ্বৰ্যৰে সম্ভাৱনাপূৰ্ণ দেশপ্ৰেম? দেশৰ বিদগ্ধ ৰাজনৈতিক নেতাসকলে ৰাজীৱহঁতক লৈ কি চিন্তা কৰিছে? ক্ষমতাত থাকি তেওঁলোকে ৰাজীৱহঁতৰ ক্ষোভ-অসন্তোষৰ কাৰণ উপলব্ধি কৰাৰ যত্ন কৰা নাই কিয়? দেশৰ বুদ্ধিজীৱীসকলেই বা কি কৰিছে? জাতিৰ সম্ভাৱনাময় এটা প্ৰজন্মই যে মৃত্যুঞ্জয়ী পণ লৈ বজ্ৰকঠোৰ সংগ্ৰামত নামিছে— এইটো লৈ গভীৰভাৱে চিন্তা কৰি সমাধান সূত্ৰ উলিয়াবলৈ যত্ন কৰা নাই কিয়? নে এই সমস্যাটোৰ কোনো সমাধান নাই?

প্ৰবীৰে প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি নাপালে। তাৰপাছত ৰাজীৱহঁতৰ মূল

উদ্দেশ্যটোলৈও তাৰ মনত আৰু কেতবোৰ প্ৰশ্ন খেলালে। অসমত ইমানবোৰ জাতি-গোষ্ঠী, বিগত এটা দহক ধৰি এই জাতি গোষ্ঠীসমূহৰ মাজত যেনেকুৱা দ্বন্দ্ব-সংঘাত আৰম্ভ হৈছে, অসমৰে দুই এটা অঞ্চলক যেনেকৈ পৃথক কৰাৰ প্ৰশ্ন উঠিছে ... তেনেকুৱা এটা অৱস্থাত সকলোৰে মাজত ঐক্য স্থাপন কৰি জাতি-ধৰ্ম-ভাষা-গোষ্ঠী নিৰ্বিশেষে সংখ্যাগৰিষ্ঠ অসমবাসীয়ে জানো অসমক ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন কৰিবলৈ বিচাৰিব? তদুপৰি ইমান ডাঙৰ এখন ৰাষ্ট্ৰ ভাৰতৰ পুলিচ-মিলিটেৰীৰ সৈতে যুঁজি বিপ্লৱী ল'ৰাইঁতে জানো অসমৰ ৰাজনৈতিক স্বাধীনতা অৰ্জন কৰিবলৈ সক্ষম হ'ব? অসমৰ সৰ্বসাধাৰণ ৰাইজে ভাৰতীয় সাহিত্য-সংস্কৃতি আৰু ধৰ্মৰ সৈতে বিচ্ছিন্নতাক জানো স্বীকাৰ কৰি ল'ব পাৰিব? তাতোকৈ ডাঙৰ কথাটো হ'ল— ধৰ্মভিত্তিক ভাৰত বিভাজন হৈ পাকিস্তান সৃষ্টি হ'ল, পৰৱৰ্তী কালত অৰ্থনৈতিক শোষণ-নিৰ্যাতনৰ বিৰুদ্ধে সংগ্ৰাম কৰি বাংলাদেশেও সাৰ্বভৌমত্ব পালে ... এই দুয়োখন দেশৰ অৰ্থনৈতিক-সামাজিক-ৰাজনৈতিক অৱস্থা জানো ভাৰতবৰ্ষতকৈ ভাল?

কেৰজালিতে ৰাজীৱে সাৰ পালে। মাজনিশা নতুন এটা ঘৰত তুলিবিহীন মজিয়াত বাগৰ দিয়াৰ লগে লগে টোপনিত বুৰ যোৱা, তিনি ঘণ্টা সময় পাৰ নৌহওঁতেই আকৌ সাৰ পোৱা ... আহাৰ নিদ্ৰাৰ ওপৰত ৰাজীৱৰ এনেকুৱা নিয়ন্ত্ৰণ দেখি প্ৰবীৰে তবধ মানিলে। ৰাজীৱে যেন প্ৰকৃততেই নিজকেদেশৰ বাবে উছৰ্গা কৰিছে।

জাপ মাৰি ৰাজীৱ উঠিল। কঁকালৰ পিষ্টলটো মজিয়াত থৈ বাথৰুমত সোমাল। তিনিমিনিটৰ ভিতৰত ওলাই আহি পেন্ট-চোলা পিন্ধি লৈ পিষ্টলটো পেণ্টৰ ভিতৰত ভৰাই ঠাণ্ডা পানী এগিলাচ খুজি খালে।

"প্ৰবীৰদা, এতিয়া আহোঁ—।"

"খন্তেক ৰহা।" প্ৰবীৰে ক'লে, "চাহ একাপ খাই যোৱা।"

"নাই, নালাগে। আপুনি চাহ কৰিবলৈ ল'লে বাহিদেৰে সাৰ পাই যাব।"

তাৰ পাছত ৰাজীৱে দুৱাৰখনৰ খিলি খুলি বাহিৰলৈ ওলাল। প্ৰবীৰে তাক অনুসৰণ কৰিলে। কিছুদূৰ আগবাঢ়ি ৰাজীৱৰ কান্ধত সোঁহাতখন থৈ কাতৰ মাতেৰে ক'লে, "কথা এবাৰ কৈছো। মোক তুমি ভুল নুবুজিবা—।"

"কওকচোন—।"

"তোমাৰ ভিতৰত যেনেকুৱা এটা সংগ্ৰামী সত্তা দেখিবলৈ পালো, এই সত্তাটোক মই শ্ৰদ্ধা কৰোঁ।" ওবে নিশাৰ অনিদ্ৰাত বিদীৰ্ণ প্ৰবীৰৰ মুখখন। অথচ সি শান্ত সংবেদনশীল মাতেৰে ক'লে, "কিন্তু এই হিংসাৰ পথটো তোমালোকে সলনি কৰিব নোৱাৰানে?" ৰাজীৱে বৈ দিলে। স্থিৰদৃষ্টিৰে প্ৰবীৰৰ পিনে চালে।

"মানে, মোৰ সীমিত বিচাৰ-বোধেৰে যিটো অনুভৱ কৰিছো— সেইটোকে তোমাক সৰলভাৱে ক'লো।" প্ৰবীৰৰ মুখখন কৰুণ, "সংসাৰখনত আমি এবাৰহে জন্ম লওঁ। যিমানেই শক্তিধৰ নহওঁ লাগে, মানুহক জীৱন দান কৰাৰ ক্ষমতা কিন্তু আমাৰ নাই। বেয়া কাম কৰিলে বুলি নাইবা কোনো এটা আদৰ্শক প্ৰতিষ্ঠা কৰিবৰ বাবে মানুহক হত্যা কৰাটো জানো উচিত?"

"এতিয়া এই বিষয়ে বহলাই আলোচনা কৰাৰ সময় নাই, প্ৰবীৰদা।" ৰাজীৱে ক'লে, "তথাপি আপোনাক জনাইছো, ৰাষ্ট্ৰৰ ক্ষমতা-শক্তিৰ লগত যুঁজি জনগণৰ মনত সংগ্ৰামী চেতনা সঞ্জীৱীত কৰিবৰ বাবেই আমাৰ সংগঠনটোৱে তেনেকুৱা সিদ্ধান্ত লয়।"

"কিন্তু মানৱীয়তা?"

"ব্যক্তি বিশেষৰ প্ৰতি মানৱীয়তা প্ৰদৰ্শন কৰাতকৈ দেশ-জাতিৰ সামগ্ৰিক স্বাৰ্থ আমাৰ বাবে ডাঙৰ।"

তাৰপাছত ৰাজীৱ আৰু নৰ'স। পুৱতি নিশাৰ চকামকা পোহৰত লাহে লাহে অদৃশ্য হৈ গ'ল।

দুৱাৰখন বন্ধ কৰি চিন্তিত প্ৰবীৰ বিছনালৈ আহিল।

পাৰমিতাই ইতিমধ্যে সাৰ পাইছে। নিশাৰ আন্ধাৰ লাহে লাহে আঁতৰি গৈছে। খিৰিকীৰ গ্লাছেদি দিনৰ প্ৰথম পোহৰ আহি পাৰমিতাৰ মুখখনৰ ওপৰত পৰিছে। তাইৰ মুখখনত ভয়। এতিয়াও এক আতংক। লগতে প্ৰবীৰৰ প্ৰতি তাইৰ মনত খং বিৰক্তি। প্ৰবীৰ বিছনাত বহাৰ লগে লগে দুৰন্ত ৰোষত তাই ক'লে, "তোমাৰ বাবে, তোমাৰ বাবেই ৰাজীৱে ইয়ালৈ আহিলে। সিহঁতৰ লগত সংগঠনৰ নীতি-আদৰ্শৰ বিষয়ে কথা পাতা নহয়—এতিয়া পোৱা মজাটো। তোমাক সিহঁতে শুদাই নেৰে। তোমাক লৈ যাব। তোমাকো সংগঠনৰ কামত লগাব। সেইবোৰতে যদি ইমান মন, বিয়া পাতিলা কিয়? ভৱিষ্যৎ জীৱন লৈ ইমান ভাৱনা-পৰিকল্পনাইনো কিহৰ বাবে?"

ৰাজীৱে বিদায় লোৱাৰ পাছত পাৰমিতাৰপৰা যে এলানি গালি শুনিব লাগিব—প্ৰবীৰে অনুমান কৰিছিল। তাইৰ গালি মানেই অভিমান আৰু ক্ষোভৰ প্ৰকাশ। একো এটা নকৈ প্ৰবীৰ মনে মনে থাকিল।

"হৈছে, আমাৰ সকলো শেষ হ'বলৈ লৈছে। সকলো শেষ হোৱাৰ বাট আজি মোকলাই লোৱা হ'ল। যুৱক সেইবোৰ সোমাল যেতিয়া পঢ়া-শুনা আৰু নহয়। জীৱনৰ চিন্তাতকৈ দেশৰ চিন্তা ডাঙৰ হৈ পৰিছে।"

প্ৰবীৰে নামাতিলে। পাৰমিতাই লৈ থকা কম্বলখন টানি লৈ গাৰুত মূৰটো

পেলাই চকু মুদিলে।

"কি হ'ল, মই বকি আছো— কথাবোৰ তোমাৰ গাত লগা নাই নেকি?"

"কৈ থাকা। মই শুনি আছো নহয়।"

"বোলো, তুমি যে ৰাজীৱহঁতৰ লগত জাতিৰ অস্তিত্ব, আত্মনিয়ন্ত্ৰণৰ কথা পাতি ইমান ভালপোৱা— নিজকে প্ৰতিষ্ঠিত কৰিবৰ বাবে আমি জানো সংগ্ৰাম কৰা নাই?"

"নিশ্চয় কৰিছো।"

"তেনেহ'লে নিজৰ জীৱন প্ৰতিষ্ঠা কৰাৰ সংগ্ৰামতকৈ দেশ-জাতিৰ অস্তিত্বৰ সংগ্ৰামৰ কথাবোৰ তোমাৰ আগত ইমান ডাঙৰ হৈ দেখা দিছে কিয়?"

"কাৰণ, দেশ-সমাজৰ লগত আমাৰ অস্তিত্বটো জড়িত। দেশ-সমাজক বাদ দি নিজৰ অস্তিত্বটো কেতিয়াও সুদৃঢ় নহয়। অকল তুমি আৰু মই এটা দ্বীপ হৈ এইখন সংসাৰত জীয়াই থাকিব নোৱাৰোঁ।" — প্ৰবীৰে কঠোৰভাৱে ক'লে।

পাৰমিতাৰ বিচুৰ্তি খোৱাৰ দৰে অৱস্থা হ'ল। প্ৰবীৰ তাইৰ অন্তৰতম। প্ৰবীৰৰ বাবেই মাক-বাপেকক এৰি আহিল। প্ৰবীৰৰ লগত ঘৰ-সংসাৰ পাতি তাক সৰ্বস্ব দিলে। প্ৰবীৰৰ বাবে তাই মৰিবলৈও প্ৰস্তুত। অথচ প্ৰবীৰে এতিয়া এইবোৰ কৈছে। প্ৰবীৰৰ মনত তাইকৈও দেশ-সমাজে বেছিকৈ গুৰুত্ব পাবলৈ লৈছে? বাহিৰত শান্ত যদিও পাৰমিতাৰ অন্তৰখন অশান্ত। লাহে লাহে একৰকম নিঃশব্দে প্ৰবীৰৰ কাষৰপৰা তাই আঁতৰি আহিল।

"কলৈ গৈছা—।" পাৰমিতাৰ হাতত ধৰি টানি প্ৰবীৰে ক'লে, "আহা— আৰু এঘণ্টা শুব পাৰিম—।"

"নুচুবা মোক—।" প্ৰবীৰৰ হাতৰপৰা নিজকে মোকলাই লৈ চেপা উত্তেজনাৰে পাৰমিতাই কৈ উঠিল, "মই তোমাৰ কোনো নহয়—।"

প্ৰবীৰৰ ভিতৰখন কঁপি উঠিল। ৰাজীৱৰ লগত দেশৰ কথা পতাৰ বাবে পাৰমিতাই ইমানকৈ বেয়া পাব পাৰে, সেয়া সি ভাবিব পৰা নাছিল। মাক-দেউতাকে তাৰ জ্ঞান বুদ্ধি কৰ্মশক্তি অকল পাৰিবাৰিক সুখ-নিৰাপত্তা উন্নতি বিকাশৰ বাবে ব্যয় কৰাটোকে বিচাৰিছিল। প্ৰেমিকা আৰু পত্নীৰ অধিকাৰ লৈ পাৰমিতায়ো ঠিক তেনেকৈয়ে প্ৰবীৰৰ মেধা কৰ্মক্ষমতা ব্যক্তিজীৱনৰ সুখ ভোগ সুনিশ্চিত কৰিবৰ বাবে দাবী কৰিছে। প্ৰবীৰৰ মাক-দেউতাকৰ তুলনাত পাৰমিতা শিক্ষিতা, ভাল ঘৰৰ ছোৱালী। তদুপৰি এই প্ৰসংগটোলৈ তাইৰ লগত এদিন ভালকৈ কথা-বতৰাও হ'ল। তথাপি তাই বুজিবলৈ যত্ন কৰা নাই যে অকল ব্যক্তিগত সুখ ভোগৰ সমলখিনি যোগাৰ কৰাৰ উপায়টো সুনিশ্চিত কৰিলেই

জীৱনৰ স্থিতিশীলতা নাহে। পাৰমিতাৰ বাবে প্ৰবীৰৰ বেয়া লাগিল। সেইবুলি তাইৰ ওপৰত খং নুঠিল। পাৰমিতাই তাক অন্ধভাৱে ভাল পায়। তাৰ ওপৰত তাই সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰে। ... বাগৰি থকা অৱস্থাৰপৰা প্ৰবীৰ উঠিল। চিন্তিতভাৱে আগবাঢ়ি আহিল পাৰমিতাৰ কাষলৈ।

সন্ধিয়াৰপৰা বাত্তি পুৱালেই— অথচ প্ৰবীৰে খন্তেকৰ বাবেও শুব পৰা নাই। ৰাজীৱৰ লগত কথা-বতৰা হোৱাৰ উপৰিও তাৰ মনত অতবোৰ ভাবনা-চিন্তা খেলালে। তাৰপাছত বিছনাত বাগৰি আৰাম কৰিবলৈ লৈও পাৰমিতাৰ লগত এইখন! প্ৰবীৰ ভীষণ ধৰণেৰে ক্লান্ত। কপালখন বিষাই আছে। পাৰমিতাৰ খং ক্ষোভেৰে ভৰা মুখখনলৈ কাতৰভাৱে চাই যন্ত্ৰণাগধুৰ মাতেৰে প্ৰবীৰে কৈ গ'ল, "মিতা, কেতবোৰ ভুল ধাৰণা লৈ মিছাকৈ এইদৰে ভাবিছা। এইবোৰে তোমাক কষ্ট দিছে। অহেতুক আশংকাৰে ভয় খাইছা। অথচ তুমি ভালদৰে জানা, তুমিয়ে মোৰ জীৱনৰ ভেটি। তোমাৰ বাবেই মই ভালপাবলৈ শিকিলো। তোমাৰ মৰম ভালপোৱাই মোক দেশৰ বৰ্তমান পৰিস্থিতিটো লৈ চিন্তা কৰিবলৈ প্ৰেৰণা দিলে।"

"মোৰ মৰম ভালপোৱাই তোমাক দেশৰ কথা চিন্তা কৰিবলৈ প্ৰেৰণা দিলে। এইবোৰ তুমি কি কৈছা?"

"ঠিকে কৈছো।"

"মইতো কেতিয়াও তোমাক এইবোৰ লৈ মূৰ ঘমাবলৈ কোৱা নাই।"

"কোৱা নাই ঠিকেই। তথাপি তোমাৰ বাবেই এইবোৰ ভাবো। ভাবিবলৈ বাধ্য হওঁ। এনেও তোমাক বাদ দি মোৰ কোনো চিন্তা-ভাবনা নহয়। তুমি মোক ভুল নুবুজিবা, প্লিজ।"

কিয় প্ৰবীৰে এইদৰে ক'লে পাৰমিতাই বুজিব নোৱাৰিলে। কিন্তু তাই নাৰী। বিচাৰ-বুদ্ধিতকৈ স্নেহৰ মমতা তাইৰ বেছি। পাৰমিতাইদেখিবলৈ পালে, প্ৰবীৰৰ অন্তৰত এতিয়া অপৰিসীম এক যন্ত্ৰণা। তাৰ প্ৰতি তাইৰ মৰম উপজিলে। সেইবুলি খং-অভিমান, ক্ষোভ-বিৰক্তি, ভয়-আশংকা নাইকিয়া নহ'ল। মুখেৰে শব্দ এটাও উচ্চাৰণ নকৰি প্ৰবীৰৰ গাতে গা লগাই তাই বাগৰি দিলে।

প্ৰিভিয়াচ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। যথাৰীতি প্ৰবীৰ প্ৰথম হ'ল। পাৰমিতায়ো ফাৰ্ষ্টক্লাছ পালে। আৰু দেখা গ'ল, বি-এছ-চিতকৈ এইবাৰ তাইৰ নম্বৰ শতকৰা হাৰ বেছি। ফলাফল ঘোষণা কৰাৰ আগৰেপৰাই ক্লাছ আৰম্ভ হৈছিল। ফলাফল জানি প্ৰবীৰ বিশ্ববিদ্যালয়লৈ আহিল। সহপাঠী বন্ধু-বান্ধবীসকলৰ মাজত সিহঁত দুটাক লৈ আনন্দমুখৰ এটা পৰিস্থিতিৰ সৃষ্টি হ'ল। ডিপাৰ্টমেণ্টৰ সকলোকে চাহ-মিঠাই খুৱাবলগীয়া হ'ল। প্ৰেমিক-প্ৰেমিকা হিচাপে প্ৰবীৰ-পাৰমিতা বিখ্যাত আছিল। পতি-পত্নী হিচাপেও যে পৰীক্ষাত পাৰদৰ্শিতা দেখুৱাব পাৰিলে— তাতে সকলো আচৰিত হ'ল। ডিপাৰ্টমেণ্টৰ সন্মানীয় অধ্যাপকসকলেও সিহঁতক অভিনন্দন জনালে।

পাৰমিতাৰ মুখত হাঁহি। সেইবুলি তাই আনন্দোৎফুল্ল নহয়। সিদিনা বাজীৱৰ লগত কথা-বতৰা হোৱা লৈ প্ৰবীৰৰ লগত তাইৰ মানসিক ব্যৱধান এটা সৃষ্টি হৈছে। সেইটো নাইকিয়া হোৱা নাই। অৱশ্যে তাৰ কোনো প্ৰকাশ নাই। পাৰমিতা চঞ্চল স্বভাৱৰ সবল ছোৱালী। কথাই কথাই তাইৰ মান-অভিমান। ইটো-সিটোলৈ কপটীয়া খঙেৰে প্ৰবীৰক গালি-গালাজো পাৰে। সেইবোৰো তাইৰ এতিয়া নাই।

পৰীক্ষাৰ ফলাফলৰ বাবে সকলোৰে অভিনন্দন শুভেচ্ছা গ্ৰহণ কৰি প্ৰবীৰও আছিল শান্ত। তাৰ মনত পৰি আছিল দেউতাকৰ কথা। পাৰমিতাক বিয়া কৰাই পৰীক্ষাত যে বেয়া ফল কৰা নাই, টেলিগ্ৰাম কৰি দেউতাকক জনাবলৈ মন গ'ল। পিছে কথাটো পাহৰি থাকিল। তাৰ মনত তেতিয়া মহিমাময়ী হৈ উঠিল পাৰমিতা। পাৰমিতাৰ বাবেই ইমান কষ্টতো ফলাফল ইমানখিনি ভাল হ'ব।

বিশ্ববিদ্যালয়ৰপৰা ভাবাঘৰলৈ আহি দুৱাৰখন খুলিয়ে চিঠি এখন পালে। চিঠিখন ৰৰপেটা ব'ডৰপৰা অহা। প্ৰবীৰৰ মাকে লিখিছে। বিয়া পতাৰ আগেয়ে ঘৰলৈ গৈছিল— তাৰ পাছত ন মাহ অতিবাহিত হ'ল। ইতিমধ্যে এবাৰো ঘৰলৈ যোৱা হোৱা নাই। মাকে বৰ করুণ ভাষাত লিখিছে চিঠিখন। অভিমান কৰি মাক-দেউতাকৰ লগত, নিজৰ ঘৰখনৰ লগত সম্পৰ্ক নৰখাটো উচিত হোৱা নাই। এমাহমান আগেয়ে দেউতাকৰ বেমাৰ হৈছিল। দহদিন বিচনাত পৰি আছিল। এতিয়া স্কুললৈ অহা-যোৱা কৰিলেও স্বাস্থ্যটো তেওঁৰ আগৰ নিচিনা ভাল নহয়। শেষত মাকে লিখিছে, মনত খং অভিমান পুহি নাৰাখি বোৱাৰীক লৈ প্ৰবীৰ যেন সোনকালেই ঘৰলৈ যায়।

চিঠিখন পঢ়ি প্ৰবীৰৰ বেয়া লাগিল। ভালো লাগিল অলপ। মাকে অন্ততঃ পাৰমিতাক বোৱাৰী হিচাপে স্বীকৃতি দিলে। দেউতাকৰ খঙো নিশ্চয় কমি

আহিছে। তাৰ মানে এইখন চিঠি হ'ল মাক-দেউতাকৰ লগত বুজাবুজিলৈ অহাৰ আগজাননী। চিঠিখন পাৰমিতাৰ হাতত দি প্ৰবীৰে বিছনাত বাগৰ দিলে।

পাৰমিতাই চিঠিখন পঢ়িলে। কিন্তু চিঠিখনৰ বিষয়বস্তু সম্পৰ্কে তাই কোনোধৰণৰ প্ৰতিক্ৰিয়া ব্যক্ত নকৰিলে।

"মায়ে মাতিলে যেতিয়া যাব পাৰি। যাবা নেকি?"

নিস্পৃহভাৱে পাৰমিতাই ক'লে,"তুমি গ'লে যাম।"

"তুমি নিজে যাবলৈ মন নকৰা নেকি?"

"মোৰ নিজৰ ইচ্ছা-আগ্ৰহৰ জানো কিবা মূল্য আছে! তুমি যিটো উচিত বুলি বিবেচনা কৰা সেইটোৱে হ'ব।"

"উস্ ৰাম! এতিয়াও তোমাৰ খং মাৰ যোৱা নাই! মিছাকৈ তুমি কষ্ট ...।"

"অ' মিছাকৈ মই কষ্ট পাই আছো। সৰু ছোৱালীৰ নিচিনাকৈ মই খং কৰোঁ। পাগলীজনীৰ দৰে বকি থাকো। তোমাৰ সমান মোৰ ব্ৰেইন নাই।"

তাইৰ মাতটো গধুৰ। মনত দ'ম হৈ আছে ক্ষোভ-যন্ত্ৰণা। কৰুণভাৱে পাৰমিতাৰ পিনে চাই থাকি প্ৰবীৰে মাকৰ চিঠিখনৰ উত্তৰ লিখিবলৈ ল'লে।

"মা, প্ৰণাম ল'বা। তোমাৰ চিঠিখন পঢ়ি ঘৰৰ সকলো খবৰ জানিবলৈ পাই সুখি হ'লো। আহিবলৈ লিখিছা— মোৰো আহিবলৈ মন। ইমান দিন ধৰি তোমালোকৰ লগত দেখা-সাক্ষাৎ নাই, বেয়া লাগি থাকে। কিন্তু বিয়া পতাৰ কথাতো ক'বলৈ লওঁতেই দেউতাই মোৰ লগত যেনেকৈ সম্পৰ্ক ছেদ কৰিলে— সেইতো মই এতিয়াও পাহৰিব পৰা নাই। তথাপি আহিলোহেঁতেন। তোমালোকৰ অমত সত্বেও মই এতিয়া পাৰমিতাৰ লগতেই ঘৰ-সংসাৰ কৰিছো। পত্নী বুলি স্বীকাৰ কৰিছো যেতিয়া তাইৰ মান সন্মানৰ কথাবোৰ মই ভাবিব লাগিব। সেয়ে তোমালোকে পাৰমিতাক ঘৰৰ বোৱাৰী হিচাপে স্বীকাৰ কৰাৰ প্ৰতিশ্ৰুতি দিলেহে মই তাইক লৈ আহিম।"

শেষত পৰীক্ষাৰ ফলাফলৰ বিষয়ে লিখি, পুনৰ দেউতা লৈ শ্ৰদ্ধা জনাই, ভায়েক আৰু ভনীয়েক দুজনীলৈ মৰম যাচি চিঠিখন শেষ কৰিলে।

এনেতে তলৰ গেটৰ সমুখত স্কুটাৰ এখন ৰোৱাৰ শব্দ হ'ল। খিৰিকীৰ পৰ্দাখনৰ ফাঁকেদি প্ৰবীৰে দেখিলে, নীলা স্কুটাৰখন ষ্টেণ্ড কৰি পাৰমিতাৰ ককায়েক বিমান ভিতৰলৈ সোমাই আহিছে। তেওঁক দেখিয়ে প্ৰবীৰৰ ভাল লাগি গ'ল। এনেয়ে যিয়েই নহওক লাগে, যিকোনো বিষয় সম্পৰ্কে তেওঁ বিশ্লেষণধৰ্মী মতামত দাঙি ধৰিব পাৰে। হাতত কেৰি বেগ এটা লৈ চিৰি বগাই ওপৰলৈ উঠা সুদৰ্শন বিমান বৰুৱাক দেখি প্ৰবীৰে তেওঁক আদৰি আনিবলৈ আগবাঢ়ি আহিল।

"আহক— আহক ককাইদেউ—।"

"কনগ্ৰেচুলেশ্বন! কনগ্ৰেচুলেশ্বন ফৰ ইউৰ ব্ৰিলিয়েণ্ট ৰিজাল্ট।" উৎফুল্ল বিমানে ক'লে, "অফিচৰপৰা ইউনিভাৰচিটিলৈ ফোন কৰি মই তোমালোকৰ ৰিজাল্ট জানিব পাৰিলো। মিতু অ' মিতু—।"

ককায়েক যে আহিব— এয়া পাৰমিতাৰ বাবে আছিল অপ্ৰত্যাশিত। মনত দুখ-বেজাৰ থাকিলেও ককায়েকক দেখি তায়ো আনন্দিত হ'ল।

"এই ল'— গুৱাহাটী ডায়েৰীৰ মিঠাই আনিছো। আজি 'মিষ্টিমুখ' কৰাৰ দিন।" বিমানে ক'লে, "প্ৰেমৰ পৰীক্ষাৰ লগত ইউনিভাৰচিটিৰ পৰীক্ষাতো ভালকৈ পাছ কৰি দেখুৱালি। প্ৰবীৰ, তুমি ভাই ডাঙৰ কাম এটা কৰিলা। এইটো তোমাৰ এটা গ্ৰেট এলিভ্‌মেণ্ট। চাকৰি কৰি, ঘৰ-সংসাৰ চলায়ো ইউনিভাৰচিটিৰ টপ্— ।"

"এইটো ৰিজাল্ট অকল মোৰদ্বাৰা হোৱা নাই, ককাইদেউ।" সবিনয়ে প্ৰবীৰে ক'লে, "মই যে এইটো ৰিজাল্ট কৰিব পাৰিলো— তাৰ বাবে আপোনালোকৰ মিতুৰ কষ্টটোৱেই মেইন।"

"ক্ৰেডিট দুয়োৰে। বিয়া পাতিলা— মই আশংকা কৰিছিলো, পঢ়াত আগ্ৰহ কমি যাব। ৰিজাল্ট বেয়া হ'ব। সেইবোৰ আশংকা অমূলক প্ৰমাণিত হ'ল। তোমালোকে দেখুৱাই দিলা যে তোমালোকৰ প্ৰেম-ভালপোৱা সচাঁকৈয়ে নিষ্কলুষ।"

মিঠাইৰ বেগটো লৈ গৈ পাৰমিতাই ৰান্ধনি কোঠালিৰ টেবুলৰ ওপৰত প্লেটত সজাই আছিল। তাইৰ মুখখনলৈ নামি আহিছে দুখ-বেজাৰ। বৰপেটা ৰ'ডৰপৰা অহা প্ৰবীৰৰ মাকৰ চিঠিখনৰ ভাষাত মৰম-চেনেহ প্ৰকাশ পাইছে। পাৰমিতাৰ মাক-দেউতাক গুৱাহাটীত থাকে। অথচ আজিলৈকে তেওঁলোক ইয়ালৈ নাহিল। আনকি, কাৰ'বাৰ হতুৱাই সিহঁতক ঘৰলৈ নামাতিলেও।

"কি হ'ল অ', মিতু? বিমানে সুধিলে, " এইচোন মাত-বোল কৰা নাই। ঘৰৰ খা-খবৰো সোধা নাই?"

"কিনো সুধিম?" ক্ষোভৰ সুৰত পাৰমিতাই ক'লে, "মা-দেউতাৰ পৰিত্যক্ত ছোৱালীহে মই।"

"নহয় অ'— দেউতাই এতিয়া প্ৰায়ে তোৰ কথা সুধি থাকে।"

"মিছা। সমূলি মিছা।"

"বিশ্বাস নকৰিলেতো তোক জোৰকৈ পতিয়ন নিয়াব নোৱাৰিম। কিন্তু এইখিনিত এটা কথা ক'বই লাগিব— তয়ো একেবাৰে আপোচবিহীন মনোভাব এটা লৈ আছ।"

"মানে? কি ক'ব খুজিছ্ তই?"

"কৈ আছো। অলপ ধৈৰ্য ধৰ। বিমানে ক'লে "বাৰু ক'চোন, তহঁতৰ এইতো ঘৰলৈ আমি ককাই-ভাই দুজন আহি আছো নে নাই?"

"অ', আহি আছ্।"

"আমি যেনেকৈ ইয়ালৈ আহোঁ— প্ৰবীৰক লৈ ভয়ো তেনেকৈ মা-দেউতাক চাই আহিব পাৰ। কিবা এটা কথাত তেওঁলোকে তহঁতক বেয়া পাইছে। মানিছো, তেনেকৈ বেয়া পোৱাতো তেওঁলোকৰ উচিত হোৱা নাই । সেই বুলি তই কিয় উদাৰ হ'ব পৰা নাই ?"

"চা ককাইদেউ, মাইঁতক বিয়ালৈ মাতিছিলো। তেওঁলোকৰ অমতত বিয়া পাতিলো বুলি বেয়া পাই নাহিলে। বাৰু নাহক। তাৰপাছত ঘৰ-সংসাৰ পাতিলো। ক'ত কেনেকৈ আছো, কি খাইছো, কি পিন্ধিছো ... খবৰ এটাও নকৰিলে। ঘৰৰপৰা ফুটাকৰি এটাও নোলোৱাকৈ কেনেকৈ যোৱা বছৰ ইউনিভাৰচিটিত ক্লাছ কৰিলো, পৰীক্ষা দিলো ... মাত্ৰ চাৰি কিল'মিটাৰ আঁতৰত থাকি তেওঁলোকে মোক এবাৰ চাবলৈ নাহিল। তাৰপিছত মোক এইদৰে ঘৰলৈ যোৱাৰ কথা কৈছ! ইফালে মই ইয়াত—।"

ইয়াকে কৈ, পাৰমিতাই প্ৰবীৰৰ পিনে চালে। প্ৰবীৰে বুজিব পাৰিলে এতিয়া তাই সিহঁতৰ মাজত লগা দ্বন্দ্ব-বিৰোধৰ কথা ক'ব। চকুৰ ইংগিতেৰে তাইক সি সেইবোৰ নক'বলৈ অনুৰোধ কৰিলে।

"কি হ'ল?" বিমানে সুধিলে, "তহঁতৰ মাজত কিবা লাগিলে নেকি?"তলমূৰ হৈ পাৰমিতাই ক'লে "নাই, তেনেকুৱা একো নহয়—।"তেনেকৈ কোৱা সত্বেও বিমানৰ মনত সন্দেহ ঘনীভূত হৈ উঠিল। কিন্তু এই বিষয়ে তেওঁ একো নক'লে। কোঠালিৰ পৰিবেশটো থমথমীয়া হৈ পৰিল। সন্মুখৰ চাপৰ টেবুলখনত ৰখা হৈছে বিমানে অনা মিঠাইৰ প্লেট। কোনেও খোৱা নাই। এনেবোৰ ৰসাল বস্তুৰ প্ৰতি মানুহে অনিহা দেখুৱালে মাখিৰ দৰে জীৱই ভাগ লবলৈ আহিবই। কিন্তু প্ৰবীৰে মাখিমখাক বহিবলৈ দিয়া নাই। হাত লৰাই খেদি আছে।

"বহি বহি তুমি মাখি খেদিছা।" পাৰমিতাই কৈ উঠিল, "ককাইদেউক খাবলৈ কোৱা নাই কিয়? ককাইদেউ, খা আক'—।"

"অ' খাম। কিন্তু অকল মই খাবৰ বাবে এইবোৰ অনা নাই। তহঁতেও খা। তই এটা বেছিকৈ খা। মিঠাই খালে তোৰ খংটো অলপ কমিব।" — কৈ বিমানে খুক্‌খুক্‌কৈ হাঁহিলে।

মিঠাই খোৱাৰ পাছত চাহৰ পিয়লা আৰু নিমখীয়া বিস্কুট লৈ তিনিও একেলগে

বহিল। এইবাৰ আন্তৰিকতাৰে আলোচনা চলিল। খন্তেক পাছতেই অসমৰ বিপ্লৱী সংগঠনটোৰ প্ৰসংগ উত্থাপিত হ'ল। বাজীৱে যে সিদিনা এইটো ঘৰত আশ্ৰয় লৈছিল— কথাটো বিমানক জনোৱা হ'ল। তেতিয়া বিমানে জনালে, দিগন্তই আজিকালি বিপ্লৱী সংগঠনৰ ল'ৰাইতৰ লগত বেছিকৈ ফুৰা-চকা কৰে বুলি পুলিচে তাক সন্দেহ কৰিবলৈ লৈছে। দিগন্তৰ লগৰীয়া ল'ৰা এজন পুলিচ এনকাউণ্টাৰত মৰিল। দিগন্তকো পুলিচে এৰেষ্ট কৰিব পাৰে বুলি আশংকা কৰি ঘৰৰ সকলো চিন্তিত।

এইবোৰ শুনি পাৰমিতাই খং কৰিলে। ঘৰৰ সক ল'ৰাটোৱে নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈছে— তাৰ বাবে তাই মাক-দেউতাক আৰু ককায়েকক জগৰীয়া কৰিলে। অভিভাৱকসকল কঠোৰ নহ'লে দিগন্তও এদিন ঘৰৰপৰা ওলাই যাব বুলি পাৰমিতাই সকীয়াই দিলে।

প্ৰবীৰে তেতিয়া বিপ্লৱী সংগঠনটোক সমৰ্থন কৰা-নকৰাৰ প্ৰশ্নটো উত্থাপন কৰিলে। সংগঠনটোৰ কৰ্ম-পদ্ধতি, নীতি আৰু উদ্দেশ্যক সমালোচনা কৰি বিমানে মন্তব্য আগবঢ়ালে যে সংগঠনটোৰ ভৱিষ্যৎ অন্ধকাৰ। তাৰপাছত তেওঁ ক'লে, উগ্ৰপন্থীসকলৰ ভয়ত অসমত বিনিয়োগকাৰী সংস্থাবোৰে বুজন পৰিমাণৰ ধন বাহিৰলৈ লৈ গ'ল। ফলস্বৰূপে, অৰ্থনৈতিক দিশত অসম বহুত পিছ পৰিল।

এইবোৰ পাৰমিতাই ভাল নোপোৱা বিষয়। আলোচনা ঠন ধৰি উঠাৰ লগে লগে তাইৰ মুখখন গোমোঠা হৈ পৰিল। প্ৰবীৰে সেইটো লক্ষ্য কৰিলে। বেছিপৰ এইবোৰ আলোচনা চলিলে পাৰমিতাৰ খং-অভিমান বাঢ়িব। কিন্তু যোৱা কেইদিন ধৰি প্ৰবীৰৰ মনত কিছুমান কথা খেলাই আছে। বিমানৰ লগত সেইবোৰ লৈ আলোচনা কৰাটো বিশেষ প্ৰয়োজন।

"ককাইদেউ, পাণবজাৰৰ চাহৰ দোকানত বহি আমি এদিন জাতিৰ অস্তিত্ব সম্পৰ্কে কথা পাতিছিলো। সিদিনা বিষয়টো বিতংকৈ পতা নহ'ল।" প্ৰবীৰে ক'লে, "এচামে অসমৰ অস্তিত্ব সংকটাপন্ন বুলি কৈ আছে। অস্তিত্ব সুৰক্ষিত কৰিবৰ বাবে অসমক তেওঁলোকে ভাৰতৰপৰা বিচ্ছিন্ন কৰিব লাগে বুলি ভাবে।"

"অস্তিত্ব সুৰক্ষিত কৰা—।" বিমানৰ কপালত কুঞ্চন, "আচলতে যিসকলে অস্তিত্বৰ কথা কয়— তেওঁলোকক তুমি কেতিয়াও অস্তিত্ব, অৰ্থাৎ জাতিৰ অস্তিত্ব বস্তুটো আচলতে কি— এই বিষয়ে সুধিছা নে? নাই সোধা। সুধিলে দেখিবা— সিহঁতে তোমাক এই বিষয়ে ভালকৈ বুজাই ক'ব নোৱাৰে। শোষণ-বঞ্চনাৰ কথা কৈ প্ৰতিবাদী সংগঠন কৰি সিহঁতে যি এটা ভাবমূৰ্তি গঢ়ি তুলিছিল— এই সংগ্ৰামো এতিয়া দিশহাৰা। সিহঁতে অনেক নিৰস্ত্ৰ মানুহক

মাৰিলে। পুলিচ-মিলিটেৰীৰ অপাৰেশ্বন আৰম্ভ হওঁতেই আত্মসমৰ্পণ আৰম্ভ হ'ল। এওঁলোকে অস্তিত্ব ৰক্ষা কৰাটো দূৰৈৰ কথা ৰাজনৈতিক স্বতন্ত্ৰতা দিলেও ইহঁতে অসমখনৰ ৰক্ষা কৰিব নোৱাৰে।"

পাৰমিতাই জুইবৰষা চকুৰে প্ৰবীৰৰ পিনে এবাৰ চাই ওলাই গ'ল। ইয়াৰ সাংঘাতিক প্ৰতিক্ৰিয়া যে এটা হ'বই সেয়া প্ৰবীৰে অনুমান কৰিব পাৰিলে। কিন্তু সেই চিন্তাটোক অবদমিত ৰাখি প্ৰবীৰে বিমানক ক'লে, "কিন্তু ৰাজীবহঁতে সংগ্ৰাম কৰিছে। আৰু যিটো লক্ষ্য কৰিলো, সিহঁতৰ এই সংগ্ৰামী চেতনাটো পবিত্ৰ।"

"সংগ্ৰাম। সংগ্ৰামী চেতনা! কিন্তু যিটো উদ্দেশ্য সমুখত ৰাখি সংগ্ৰাম কৰিছে, সেই উদ্দেশ্যটো সঠিক নে?"

প্ৰবীৰে কি ক'ব বুজিব নোৱাৰিলে।

"অস্তিত্বৰ কথাটো যে আজি সকলোৰে মনত ইমান ডাঙৰ প্ৰশ্ন হৈ দেখা দিছে মানুহৰ অস্তিত্বটো আচলতে কিহত, কোৱাচোন ?" প্ৰশ্ন কৰি বিমানে তাৰ পাছত নিজেই কৈ গ'ল, " বিশেষ এটা ভৌগোলিক ক্ষেত্ৰত এসময়ত বিকশিত অকল নিজৰ ভাষা-কৃষ্টিক লৈ জীয়াই থকাটোকে অস্তিত্ব সূচায় নেকি? ন'— নেভাৰ। তেনেকৈ কোনো এখন দেশ, কোনো এটা জাতি জীয়াই থাকিব নোৱাৰে। অস্তিত্ব সুদৃঢ় কৰাৰ মূলতে হ'ল নিজকে বিকাশ আৰু সমৃদ্ধ কৰাৰ ক্লান্তিবিহীন কৰ্মতৎপৰতা। মানুহৰ অস্তিত্বৰ স্বীকৃতি হ'ল মানুহৰ উদ্ভাৱন শক্তি, উদাৰ মানবীয়বোধ, অসাধাৰণ সৃজনী প্ৰতিভা। মনত ৰাখিবা, অকল ৰাজনৈতিক স্বতন্ত্ৰতাই জাতিৰ অস্তিত্বক সুনিশ্চিত নকৰে। জাতিৰ অস্তিত্ব অধিকতৰ সুনিশ্চিত হয় সাহিত্য-কলা, বিজ্ঞান-দৰ্শনৰ ক্ষেত্ৰত অনন্য সাধাৰণ ব্যক্তিসকলৰ অলোক সামান্য সৃষ্টিকৰ্মৰদ্বাৰা।"

অস্তিত্বৰ বুনিয়াদ সম্পৰ্কে প্ৰবীৰৰো স্পষ্ট কোনো ধাৰণা নাছিল। বিমানৰ কথাবোৰ মনোযোগেৰে সৈতে শুনিলে। শুনি ভাল লাগিল। কিন্তু বিমানে আগবঢ়োৱা মতবোৰ সমৰ্থনযোগ্য হয় নে নহয়— সেইটো প্ৰবীৰে বুজিব নোৱাৰিলে।

"ককাইদেউ, এইখিনিত— মানে এই অস্তিত্ব সুনিশ্চিত কৰাৰ লগত আত্ম-নিয়ন্ত্ৰণৰ বিষয়টোৰ কিবা সম্পৰ্ক আছে নেকি?"

"এই সন্দৰ্ভত আজিকালি বাতৰি কাকত আলোচনীত যিবোৰ প্ৰবন্ধ-পাতি ওলাই আছে— সেইবোৰৰ অধিকাংশ লেখকেই ভূমি আৰু সম্পদৰ ওপৰত ভূমিপুত্ৰৰ জন্মসিদ্ধ অধিকাৰৰ কথা কয়। মোৰ বোধেৰে ভিতৰৰা কথাটো ৰাজনৈতিক। জাতিৰ আত্ম-নিয়ন্ত্ৰণৰ কথা কৈ দলবোৰে ৰাজনৈতিক সুবিধা লাভ কৰিবলৈ

সচেষ্ট। এনেই আত্ম নিয়ন্ত্রণ বিষয়টো ইমান সহজ কথা নহয়। আত্ম নিয়ন্ত্রণ মানে নিজকে নিজৰ ইচ্ছা অনুসৰি পৰিচালিত কৰা। এইটো অত্যন্ত টান কাম। শিক্ষা-মনন আধ্যাত্মিক নৈতিক দিশত উন্নত ব্যক্তিত্বৰ অধিকাৰী নহ'লে সেয়া সম্ভৱ নহয়। তদুপৰি জাতিৰ আত্ম নিয়ন্ত্ৰণৰ কথাটোৰ লগত কেইবাটাও উপাদান সাঙোৰ খাই আছে। সেই উপাদানকেইটা হ'ল ঐতিহাসিক, সাংস্কৃতিক, সামাজিক, ধৰ্মীয়, অৰ্থনৈতিক আৰু ৰাজনৈতিক। ইমানকেইটা উপাদানৰ সংমিশ্ৰণেৰে আমি ভাৰতীয়। ভাৰতীয় হিচাপে আমি এটা জাতি। আনহাতে, আঞ্চলিকভাৱে অৰ্থাৎ অসমত আমি অসমীয়া। অসমীয়া জাতি। অসমখন ভাৰতৰ অংগৰাজ্য হ'লেও ইয়াত অসমীয়া হিচাপে উন্নতি-বিকাশ হোৱাত অসুবিধা নাই। ভাৰতীয় সংবিধানে সেইবোৰ সুবিধা দিছে। তাৰ পাছতো যদি কিবা অসুবিধা বা জাতি হিচাপে বিকাশৰ পথত বাধা থাকে— গণতান্ত্ৰিক পদ্ধতিৰে সংসদত সেইটো উত্থাপন কৰি তাৰ বাবে প্ৰয়োজনীয় সংবিধান সংশোধন কৰি ল'লেই হ'ল - অৰ্থাৎ বিশেষ জাতি বা গোষ্ঠীৰ ভিতৰত জাতীয় ব্যক্তিত্বৰ গঢ় দি ভাৰতত থাকিয়েই জাতি এটাই আত্ম-নিয়ন্ত্ৰণৰ বাবে আৱশ্যকীয় সুবিধাখিনি আদায় কৰি ল'ব পাৰে।

কথাবোৰ যুক্তিপূৰ্ণ যদিও প্ৰবীৰ চিন্তিত হৈ পৰিল।

"প্ৰবীৰ, ৰাজনৈতিক দৃষ্টিকোণৰপৰা বিচাৰ নকৰি সাধাৰণভাৱে চিন্তা কৰিলে মোৰ ধাৰণা হয়— অস্তিত্ব ৰক্ষাৰ শক্তিটো অৰ্জন কৰি ল'ব লাগে। যিজন ব্যক্তি বা যিটো জাতিৰ অস্তিত্ব ৰক্ষা কৰাৰ ক্ষমতা বিদ্যমান, সেইজন ব্যক্তি বা সেইটো জাতিয়ে এনেই আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ প্ৰাপ্ত হয়।" খন্তেকৰ বিৰতি লৈ বিমান বৰুৱাই ক'লে, "তোমাক মই ভাল পাওঁ, কাৰণ তোমাৰ মাজত সেইবোৰ গুণ কিছু পৰিমাণে হ'লেও দেখিবলৈ পাওঁ। মিতুক বিয়া কৰোৱাৰ পাছতো পৰীক্ষাত এনে এটা ফলাফল কৰি তুমি সেইটোকে প্ৰমাণ কৰিলা। মই আজি মা দেউতাক ক'ব পাৰিম প্ৰবীৰক বিয়া কৰাই মিতুৱে ভুল কৰা নাই। তোমালোকে চেষ্টা কৰা। নিজকে অধিকতৰ যোগ্য কৰি তুলিবলৈ যত্ন কৰা। বহুতৰ মতে, সংসাৰত যোগ্যবানসকলেই জীয়াই থাকে মতবাদটো অমানৱীয়। তথাপি আমি মনত ৰাখিব লাগিব অকল যোগ্যবানসকলেই বিশ্বৰ বুকুত নিজৰ অস্তিত্বক বাহাল ৰাখিবলৈ সক্ষম হৈছে।"

গধূলিৰ আগে আগে বিমান বৰুৱাই বিদায় ল'বলৈ উঠি পাৰমিতাক মাতিলে। কিন্তু তাই বাহিৰৰ কৰিডৰত নাই। মালিকৰ ঘৰলৈ গ'ল বুলি ভাবি প্ৰবীৰে তাইক মাতি আনিবলৈ ওলাল। বিমানে তাক যাবলৈ হাক দিলে। তেওঁক আগবঢ়াই

দিবলৈ প্ৰবীৰ গেটলৈকে আহিল।

"এটা কথা নহয়, প্ৰবীৰ! কথাটো মিতুৰ আগত পাতিব নোৱাৰো। কাৰণ, মই ভালকৈয়ে জানো,— মোৰ এই প্ৰপ'জেলটো তাই কোনোপধ্যেই মানি নলয়।" বিমান বৰুৱাই যেনেকৈ ভূমিকা কৰিলে প্ৰবীৰে ভয় খালে। কেনেকুৱা প্ৰস্তাৱ বা উত্থাপন কৰে?

"এইবাৰ ইউনিভাৰচিটিত তোমালোকৰ ফাইনেল ইয়েৰ। এইবাৰো যাতে পৰীক্ষাৰ ফলাফল ভাল হয়, সেইতো চোৱা আমাৰ কৰ্তব্য। দুজনৰ খোৱা বোৱা, কাপোৰ-কানি, কিতাপ-বহী, ঘৰভাৰা ... এইবোৰৰ বাবে টকা পইচাটো লাগিবই। যোৱা বছৰ চাকৰি কৰি ক্লাছ কৰাটো তোমাৰ বাবে কষ্টকৰ হৈছিল। এইবাৰ মানে এই বছৰটোত তোমালোকে অকল পঢ়া-শুনাকে কৰা।"

"তাৰমানে আপুনি মোক চাকৰি এৰিবলৈ কৈছে?"

"নাই নাই, চাকৰি এৰিবলৈ কোৱা নাই। লিভ লোৱা। লিভ উইদাউত পে। বিনা দৰমহাত থাকি দুয়ো নিয়মিতভাৱে ক্লাছ কৰা, মনপুতি পঢ়া—।"

প্ৰবীৰে বিমানৰ কথাবোৰ ধৰিব নোৱাৰিলে। অস্ফুট মাতেৰে কৈ উঠিল "কিন্তু—।"

"তাৰমানে তোমালোকে যদি বেয়া নোপোৱা, অহা কেইমাহত মানে এম-এছ্-চি ফাইনেল পৰীক্ষা শেষ হোৱালৈকে তোমালোকৰ খা-খৰছখিনি মই দি থাকিম।"

"আপুনি আমাৰ খা-খৰছৰ ধন দিব!"

"চোৱা প্ৰবীৰ, কথাতো তুমি অন্য ধৰণে নল'বা। ঘৰৰ ফালৰপৰা তোমালোকৰ বাবে আমি একো কৰা নাই। আনকি বিয়াত উপহাৰ এটাও দিয়া নাই। এতিয়া, তোমালোকৰ পঢ়া-শুনাৰ কথাটোত এইখিনি সহায় কৰিব পাৰিলে মই ভাল পাম।"

বিমানৰ কথাবোৰত এনে এটা মৰম-আন্তৰিকতা আছে যে প্ৰবীৰ অবাক হৈ গ'ল। ব্যক্তি হিচাবে তেওঁ ভদ্ৰ, মননশীল। তেওঁ প্ৰবীৰৰ প্ৰতি সহানুভূতিশীল। একমাত্ৰ তেওঁৰ বাবেই পাৰমিতাক বিয়া কৰোৱাৰ ক্ষেত্ৰত গিৰীণ বৰুৱা বাধা হৈ থাকিব পৰা নাই। তথাপি প্ৰবীৰে বিমানক আপোন বুলি ভাবিব পৰা নাছিল। কিন্তু আজি, ঘৰলৈ আহি এইদৰে সহায় কৰাৰ প্ৰস্তাৱ আগবঢ়োৱাৰ বাবে প্ৰবীৰৰ এনে এটা বিশ্বাস উপজিল যেন সঁচাকৈয়ে তেওঁ তাক পৰম আত্মীয় হিচাপে গ্ৰহণ কৰিছে।

"কি হ'ল প্ৰবীৰ, তুমি মোক বেয়া পালা নেকি?"

"নাই বেয়া কিয় পাম। এইয়া মোৰ ভাগ্য যে আপুনি এতিয়া এনেকুৱা এটা প্ৰস্তাৱ আগবঢ়ালে।" শান্ত মাতেৰে প্ৰবীৰে ক'লে, "কিন্তু বিগত কেবা মাহ আমি তেনেকৈয়ে পাৰ কৰি আহিলো। আৰু যোৱা বছৰটোৱেই আমাৰ বাবে আটাইতকৈ জটিল আছিল। আৰ্থিক দিশতো আমি যথেষ্ট কষ্ট কৰিলো। বিয়াত খৰছ হ'ল। সংসাৰ পতাৰ বাবে ইটো-সিতো ভালেকেইপদ বস্তু কিনিবলগীয়া হ'ল। তেনেকুৱা এটা পৰিস্থিতিতো আমি কাৰো ওচৰত বিশেষ কোনো সহায় বিচৰা নাছিলো। এইদৰে এটা সংকটপূৰ্ণ বছৰ পাৰ কৰি এতিয়া আমাৰ মনত এনে এটা বিশ্বাস উপজিছে যে এইবাৰো আমি চলিব পাৰিম। আপুনি ক'লে— আমাৰ কষ্ট হৈছে, হয় কষ্ট অলপ হৈছে। বিশেষকৈ, আপোনালোকৰ ঘৰৰ ছোৱালী হিচাপে মিতাই অশেষ কষ্ট স্বীকাৰ কৰিলে। তাই যে মোৰ বাবে এইদৰে কষ্ট কৰিছে— তাৰ বাবেই যেন মোৰ কষ্ট কৰাৰ ক্ষমতা বাঢ়ি গৈছে। তদুপৰি আজি মোৰ ওপৰত আস্থা-ভৰষা ৰাখি আপুনি যিবোৰ ক'লে, আপোনাৰপৰা ব্যক্তিৰ অস্তিত্ব আৰু আত্মনিয়ন্ত্ৰণ সম্পৰ্কে যিখিনি বুজিব পাৰিলো – তাতে মোৰ আত্মবিশ্বাস বাঢ়িল। আপুনি আশীৰ্বাদ কৰক, কষ্ট কৰাৰ এই শক্তি যেন মোৰ অটুট থাকে আৰু মিতাক যেন সুখী কৰিব পাৰো।"

কথাবোৰ প্ৰবীৰৰ অন্তৰৰ গভীৰৰপৰা উচ্চাৰিত হ'ল। ব্যৱহাৰিক দিশত সহজ-সৰল হৈও পৰিকল্পিত জীৱনটো প্ৰতিষ্ঠিত কৰিবৰ বাবে সংগ্ৰামী চেতনাৰে প্ৰবীৰ যে অসীম শক্তিৰ অধিকাৰী সেইটো বিমানে বুজিব পাৰিলে। আৰু তেনেকৈয়ে সাধাৰণভাৱে উদাৰ যেন লাগিলেও ভিতৰি ভিতৰি অহংকাৰী বিমান বৰুৱাক সি জয় কৰিবলৈ সক্ষম হ'ল।

বিমান বৰুৱা যোৱাৰ আধা ঘণ্টা পাছত পাৰমিতা কোঠাটোলৈ সোমাই আহিল। প্ৰবীৰে ইতিমধ্যে পঢ়া-টেবুলৰ কিতাপ-বহীবোৰ পৰিপাটীকৈ সজাই পেলালে। বাৰ দিন আগৰেপৰাই ফাইনেল ইয়েৰৰ ক্লাছ আৰম্ভ হৈছে। প্ৰিভিয়াচৰ ফলাফল দিয়া নাছিল বুলি ইমানদিন পঢ়াত মন বহুৱাব পৰা নাছিল। এতিয়া পঢ়িব লাগিব। এইবাৰৰ পেপাৰ চাৰিখনৰ দুখন পেপাৰ বেছ টান। যোৱা বছৰ আৰম্ভণীত ডেৰ মাহমান ক্লাছ কৰিব পাৰিছিল। এইবাৰ প্ৰবীৰে ক্লাছ কৰিব নোৱাৰে। পাঠ্য বিষয়বোৰ আহৰণ কৰাৰ বাবে অধিক সময় ব্যয় কৰিব লাগিব। এইবোৰ লৈ এতিয়াই পাৰমিতাৰ লগত আলোচনা এটা কৰিব পাৰিলে ভাল হয়। কিন্তু মুখখন গোমা কৰি বিছনাখনৰ দাঁতিত পাৰমিতাই যেনেকৈ বহিল, তাতে তাৰ বেয়া লাগিল।

সৰুৰেপৰা বহুত কষ্ট কৰিলে। বিয়াৰ পাছত প্ৰবীৰৰ ধাৰণা হৈছিল, পাৰিবাৰিক-সামাজিক দিশত নিজৰ স্থিতি-অৱস্থান সুনিশ্চিত কৰাৰ সংগ্ৰামৰ বাহিৰে— আন

কোনো সংঘাতৰ সন্মুখীন হ'ব নালাগে। পাৰমিতাৰ লগতো যে বিৰোধ সৃষ্টি হ'ব পাৰে, এয়া আছিল কল্পনাৰো অতীত। সুদীৰ্ঘ ছয় বছৰৰ প্ৰেম আৰু এবছৰ দাম্পত্য জীৱন অতিবাহিত কৰাৰ পাছত কিবা কাৰণত সম্পৰ্কটো এতিয়া বেয়া হৈ পৰিলে সকলোফালে সি শেষ হৈ যাব। হয়তোবা মানসিক শৃংখলা হেৰুৱাই পেলাব। প্ৰবীৰে কাতৰ দৃষ্টিৰে পাৰমিতাৰ পিনে চালে। অথচ পাৰমিতাৰ কোনো পৰিবৰ্তন নহ'ল। আনকি, মূৰ দাঙি প্ৰবীৰৰ পিনে চোৱাও নাই। এইদৰে ভিতৰি ভিতৰি তাই কষ্ট পাই আছে। প্ৰবীৰকো কষ্ট দি আছে।

"সিদিনা ইমানকৈ কোৱাৰ পাছতো তুমি মোক বেয়া পাই আছা—।" অৱশেষত প্ৰবীৰে ক'লে, "আজি ককাইদেউৰ লগত সাম্প্ৰতিক পৰিস্থিতি লৈ কথা পাতিবলৈ ল'লো বুলি তোমাৰ খং উঠিল। মাত এষাৰো নিদিয়াকৈ গুচি গ'লা। ককাইদেৱে যাবৰ সময়ত তোমাক বিচাৰিছিল। তেওঁ চাগে ভাবিয়ে ল'লে— আমাৰ মাজত অশান্তি চলিছে। কিহত মোৰ ভুল হ'ল কোৱাচোন?"

"তোমাৰ আৰু কিহত ভুল হ'ব!" খং-অভিমানেৰে গধুৰ পাৰমিতাৰ মাত, "তুমি এতিয়া বুদ্ধিজীৱী, তাত্বিক। এনেহেন তাত্বিক ব্যক্তিয়ে জানো ভুল কৰে! তোমাৰ উৰ্বৰ মগজুত খেলিছে দেশ-জাতিৰ সমস্যা। তোমাৰ ওচৰত জানো এতিয়া মোৰ দৰে সাধাৰণ ছোৱালী এজনীৰ মান-অভিমান, ভালপোৱা-বেয়াপোৱাৰ কোনো মূল্য আছে!"

তাই মুখ মেলিলে যেতিয়া প্ৰবীৰে সকাহ পালে। খন্তেক কথা ক'লে তাইৰ বুকুত দম হৈ থকা দুখ-বেদনাটো কমি আহিব। 'টু' শব্দ এটাও নকৰি প্ৰবীৰ থিয় হৈ থাকিল।

"মুখেৰে কোৱা— মই তোমাৰ শক্তি। এইবোৰ আচলতে তোমাৰ কোৱা কথা। তোমাৰ চকুত মই আৰু এতিয়া অপৰূপা হৈ থাকিব পৰা নাই। আগৰ নিচিনাকৈ তুমি আৰু মোৰ প্ৰতি আকৰ্ষণ অনুভৱ নকৰা।"

প্ৰবীৰে তেতিয়া ৰৈ থাকিব নোৱাৰিলে। আগবাঢ়ি আহি দুই হাতেৰে পাৰমিতাক বুকুৰ মাজলৈ টানি নিবলৈ চেষ্টা কৰিলে। পাৰমিতাই নিজকে সমৰ্পণ নকৰিলে। তাই অনমনীয়। প্ৰবীৰেও জোৰ নকৰিলে। লগে লগে সীমাহীন গ্লানি আৰু বিষণ্ণতাৰে মলিন মুখ হৈ সি বিছনাত বহিল।

"মিতা, আজিৰ দিনটো আমাৰ বাবে আনন্দৰ।" ভিতৰৰ গ্লানি আৰু অস্থিৰ যন্ত্ৰণাক অৱদমিত কৰি প্ৰবীৰে কৈ গ'ল, "পৰীক্ষাৰ ৰিজাল্টৰ বাবে ডিপাৰ্টমেণ্টৰ সকলোৱে আমাক অভিনন্দন জনালে। বৰপেটা ৰ'ডৰপৰা মায়ে আমাক মাতি চিঠি লিখিলে। আৰু এটা ডাঙৰ খবৰ হ'ল, ককাইদেৱে আমাৰ পঢ়া-শুনাৰ খা-

খৰছ দিব বুলি প্ৰপ'জেল এটা দিলে। সন্মানেৰে সৈতে সেইটো প্ৰপ'জেল মই প্ৰত্যাখ্যান কৰিলো। তাতে ককাইদেৱে মুগ্ধ হ'ল। আমাক লৈ তেওঁ গৰ্ববোধ কৰিলে। অৰ্থাৎ আমি তেওঁৰ মনটো জয় কৰিব পাৰিলো। শেষত ককাইদেৱে যেনেকৈ ক'লে, তাতে সোনকালেই আমাৰ পাৰিবাৰিক সমস্যাবোৰ সমাধান হৈ যাব যেন লাগিছে। চাবা, মা-দেউতাও আমাৰ ইয়ালৈ আহিব। আজি তুমি খং নকৰিবা, প্লিজ। যিবোৰ কথা লৈ বেচিকৈ ভাবিছা— সেইবোৰ একোৱেই হোৱা নাই।"

"একোৱেই হোৱা নাই মানে? বাহিৰা কথাবোৰ লৈ তুমি মূৰ ঘমাই থকা নাই নেকি? ককাইদেউৰ লগত এনেকৈ কথা পাতিবলৈ ল'লা যেন মোক তুমি চিনিকে নোপোৱা। বাহিৰা কথা পাতিবলৈ ল'লে তুমি এনেকুৱা ভাব এটা দেখুওৱা যেন মই তোমাৰ কোনো নহওঁ। আনকি, মোৰ উপস্থিতি পৰ্যন্ত পাহৰি যোৱা।"

"আকৌ সেই একেবোৰ কথা। শুনা, সেইবোৰ বাহিৰা কথা নহয়। ইমান কথা বুজি পায়ো মাজে-সময়ে কিয় যে ইমান অবুজ হৈ পৰা ধৰিবকে নোৱাৰো। আৰু যি দেখিলো, এইটোৱে এতিয়া আমাৰ মাজত অশান্তিৰ কাৰণ হৈ পৰিছে।" প্ৰবীৰৰ মাতটো টান হৈ পৰিল, "চকুৰ আগত অতবোৰ ঘটনা ঘটিছে। ঘটনাবোৰে বেয়া পৰিস্থিতিৰ সৃষ্টি কৰিছে। কিয় এইবোৰ ঘটিছে, এইবোৰৰ সমাধান কি— এইবোৰলৈ আ[illegible] চিন্তা-ভাবনা অলপ নকৰিম নে? আজি দিগন্তই যে সেইবোৰ কৰিছে— তাৰ কিবা হ'লে তুমি সুখেৰে থাকিব পাৰিবা নেকি?"

"মোক তাৰ কথা নক'বা। সি বিপথগামী।"

"বিপথগামী হ'লেও তাৰ লগত তোমাৰ তেজৰ সম্পৰ্ক আছে। তাৰ কথা তুমি ভাবিবই লাগিব। মাক-দেউতাক, ককায়েক-বায়েকৰ মৰম চেনেহৰ বান্ধোন ছিঙি কিয় দিগন্তই এনে এটা পথ বাছি ল'লে, সেয়া তুমি বিচাৰ কৰিবই লাগিব।" ইয়াকে কৈ, প্ৰবীৰ ক্ষন্তেক ৰ'ল। তাৰ পাছত আকৌ কৈ গ'ল, "মই জানো, তুমি মোক অকল তোমাৰ কৰি পাবলৈ বিচৰা। মোৰ সকলো ক্ষমতা-শক্তি, চিন্তা-ভাবনা বুদ্ধি-বৃত্তি অকল তোমাৰ-মোৰ সুখ-সমৃদ্ধিৰ বাবে ব্যয় হওক— এইটোকে তুমি কামনা কৰা। কিন্তু তেনেকৈ আমাৰ জীৱনটো সুখৰ নহয়। সেয়া হ'লে তোমাৰ মা-দেউতাৰা সুখী হ'লহেঁতেন, মোৰ মা-দেউতাৰো দুখ-যাতনা, অভাৱ-অনাটন নাথাকিলহেঁতেন। তেওঁলোক সুখী হোৱা নাই। তেওঁলোকৰ ভৱিষ্যৎ সুনিশ্চিত নহয়, সুৰক্ষিত নহয়।"

এইটো প্ৰবীৰৰ বেলেগ এটা ৰূপ। এই ৰূপটোৰ এনে এটা সন্মোহন আছে যে তাৰ ওপৰত পাৰমিতাই খং-অভিমান ধৰি ৰাখিব নোৱাৰে। তথাপি তাই অনুযোগৰ সুৰত

ক'লে, "কিন্তু তুমিয়েচোন কৈছিলা, আমাক এখন ঘৰ লাগে— ।"

"কৈছিলো হয়। তাৰ লগতে এইটোও কৈছিলো যে আমাৰ পৰিকল্পনা মতে ঘৰ এটা সাজি লৈ অকল তুমি আৰু মই ইয়াত এইখন সংসাৰত এটা দ্বীপ হৈ থাকিব নোৱাৰো। সেইটো কৰিবলৈ গ'লে তোমাৰ-মোৰ অৱস্থাও এসময়ত আমাৰ মা-দেউতাহঁতৰ নিচিনাই হ'ব।"

"আমাৰ অৱস্থা মা-দেউতাহঁতৰ দৰে হ'ব!"

"মানে জীৱনৰ বাটত খোজ দি তেওঁলোকে অকল নিজৰ পৰিয়ালটোৰ উন্নতি আৰু ব্যক্তিগত সুখ-ভোগৰ কথা ভাবিছিল। স্বাৰ্থপৰৰ দৰে কেৱল পৰিয়ালখনৰ বাবে কাম কৰিছিল। ব্যক্তি-সুখ আৰু পাৰিবাৰিক সমৃদ্ধিৰ বাবে বেছিকৈ সচেষ্ট থকাৰ বাবেই তেওঁলোকৰ চেতনাত তেতিয়া দেশ-জাতিৰ চিন্তা নাছিল। সেইকাৰণেই আজিৰ জীৱনত এনেবোৰ অশান্তি-অনিশ্চয়তা, নিজৰ নিজৰ অস্তিত্ব লৈ প্ৰত্যেকৰ মনত ইমান আশংকা ইমান ভীতি। আমি অসমৰ সন্তান, অসমৰ পোহৰ-বায়ুত আমি ডাঙৰ-দীঘল হ'লো, লিখা-পঢ়া শিকিলো, অসমৰ পৰিবেশ-পৰিস্থিতিয়েই আমাৰ চেতনা-বোধক সমৃদ্ধ কৰিলে আৰু এতিয়া আমি ইয়াতেই থাকো। ইয়াত ঘটি থকা ঘটনাক্ৰমৰপৰা আমি কেনেকৈ নিজকে আঁতৰাই ৰাখিম? নাই— আঁতৰি থকা সম্ভৱ নহয়। তেনেকৈ আঁতৰি থাকিবৰ ‹‹ৰ চেষ্টা কৰাটো উচিত নহ'ব। তেনেকৈ আঁতৰি থাকি ব্যক্তিগত সুখ-সমৃদ্ধিৰ কথা ভাবিলে আমাৰ অৱস্থাও এদিন মা-দেউতাহঁতৰ দৰেই হ'ব।"

পাৰমিতা শান্ত। তাইৰ খং-অভিমানো কমি আহিল।

"সেইবুলি এইদৰে ভাবনা-চিন্তা কৰি আমি যে ডাঙৰ কিবা এটা কৰিব পাৰিম— সেইটো নহয়। এইবোৰ ক্ষেত্ৰত আমাৰ ক্ষমতা শক্তি তেনেই সীমিত। তথাপি ঘটি থকা ঘটনাবোৰৰ বিষয়ে আমি সচেতন নাথাকিম নে? আৰু এইবোৰ লৈ ভাবিলেই তুমি, মোৰ অন্তৰত গুৰুত্বহীন হৈ পৰিবা, তোমাৰ প্ৰতি মোৰ মোহ-আকৰ্ষণ কমিব ... এইবোৰ তোমাৰ কেনেকুৱা চিন্তা!"

অলপ আগতে খং-অভিমানেৰে পাৰমিতা প্ৰবীৰৰপৰা আঁতৰি গৈছিল। প্ৰবীৰে তাইক বুকুৰ মাজলৈ টানি ল'বলৈ যাওঁতে তাই অনমনীয় আছিল। এতিয়া তাই নিজেই প্ৰবীৰৰ কাষ চাপি আহিল।

"এইবোৰ যে অমূলক চিন্তা মই বুজি পাওঁ। তথাপি মোৰ ভয় হয়।" — পাৰমিতা কুচি-মুচি প্ৰবীৰৰ বুকুৰ মাজত সোমাল।

"ভয়টো মোৰ প্ৰতি তোমাৰ ভালপোৱাৰ বাবে। তোমাৰ মৰম-ভালপোৱা ৰৱ

অবুজ।” পাৰমিতাক বুকুৰ মাজত লৈ প্ৰবীৰে ক'লে, “অবুজ অন্ধ ভালপোৱাৰ লগত তোমাক এনে এটা আবেগে পৰিচালিত কৰে যে তেতিয়া সাধাৰণ বিচাৰ শক্তিটোও হেৰুৱাই পেলোৱা।”

“তুমি মোক বেয়া পালা নহয়নে?” — আবদাৰৰ সুৰত ক'লে পাৰমিতাই।

“তোমাক মই বুজি পাওঁ, মিতা। বুজি পাওঁ বাবে তুমি খং কৰিলেও তোমাৰ ওপৰত মই খং কৰিব নোৱাৰো। খং কৰি তুমি যেনেকৈ কষ্ট পোৱা তাৰ বাবে মোৰ বেয়াহে লাগে।”

চেষ্টা

মাধৱীৰপৰা আৰু এখন চিঠি আহিল। পাৰমিতাক অনুৰোধ কৰি শাহুৱেক হিচাপে এইবাৰ তেওঁ লিখিছে, তাই যেন সোনকালেই ৰবপেটা ৰ'ডলৈ আহে। তাৰ পাছত তেওঁ লিখিছে, পাৰমিতা এতিয়া এইখন ঘৰৰ বোৱাৰী। তাইক অপমান-অমৰ্যাদা কৰাৰ প্ৰশ্ন নুঠে। চিঠিখন প্ৰথমতে পাৰমিতাৰ হাতত পৰিল। প্ৰবীৰৰ সৈতে আলোচনা নকৰাকৈয়ে তাই থিৰাং কৰিলে, ডিচেম্বৰ মাহৰ তৃতীয় দেওবাৰৰ লগত ছুটী এটা আছে। শনিবাৰৰ দিনা ৰাতিপুৱাৰ বাচেৰে সিহঁত দুয়ো ৰবপেটা ৰ'ডলৈ ওলাব।

শহুৰ-শাহুৱেকক সেৱা-যত্ন কৰাটো বিবাহিতা নাৰীৰ কৰ্তব্য। মাকৰ ক্ষেত্ৰত তাই সেইটো দেখিছে। এতিয়া যৌথ পৰিয়াল নাই। বিয়াৰ পাছত অধিকাংশ দম্পতী আজিকালি মাক-দেউতাকৰ লগত নাথাকে। ইচ্ছা থাকিলেও বোৱাৰীয়েকে শহুৰ-শাহুৱেকক সেৱা-যত্ন কৰিবৰ সুযোগ নাপায়। দুদিনৰ বাবে পাৰমিতা শহুৱেকৰ ঘৰত থাকিব। তেতিয়া বিমানখিনি সম্ভৱ তাই কৰিব। অসমীয়া ছোৱালী বিয়া কৰোৱাৰ বাবে শহুৰেকে পুতেকৰ লগত সম্পৰ্ক নাৰাখিছিল। শাহুৱেকে চিঠিৰে মাতিলেও শহুৰেকে একো জনোৱা নাই। তেওঁৰ সম্মতি নোপোৱাকৈ যোৱাটো উচিত হ'ব নে নাই সেইটো বিবেচনা নকৰাকৈ পাৰমিতাই যাবলৈ সিদ্ধান্ত ল'লে। তাৰ বাবে তাই প্ৰবীৰৰ লগত বাংলা কথা

পাতিবলৈ আৰম্ভ কৰিলে। স্কুল-কলেজত পঢ়োতে বাংলা উপন্যাস, 'নৱকল্লোল', 'দেশ' আদি আলোচনী পঢ়িছিল। বাংলা মাত-কথা তাই বুজি পায়। ক'বও পাৰে। কেৱল উচ্চাৰণ ঠিক নহয়। কিন্তু যোৱা কেইদিন প্ৰবীৰৰ সৈতে নিয়মিতভাৱে বাংলাত কথা পাতি কাম চলাব পৰা বাংলা তাই শিকি পেলালে।

বিয়া পতাৰ এবছৰেই হ'ল। পিছে সিহঁত দুটাক পতি-পত্নী যেন নালাগেই। সাজ-পোচাকত পাৰমিতা এতিয়াও ছাত্ৰী। বিশেষ অনুষ্ঠানলৈ যাবলগীয়া হ'লেহে মেখেলা নাইবা শাড়ী পিন্ধে। শহুৰেকৰ ঘৰলৈ যাব। তাত চেলোৱাৰ-কামিজ নচলিব। প্ৰবীৰৰ লগত গৈ ফাঁচিবজাৰৰপৰা তাঁতৰ শাড়ী দুখন কিনি আনিলে। কিনিলে এযোৰ 'শাখা'। ওলাবৰ দিনা ৰাতিপুৱাতে উঠি গা-পা ধুই তাঁতৰ শাড়ীখন পিন্ধি, কপালত ফোঁট, শিৰত সেন্দুৰ লৈ পাৰমিতাই সাজি-কাচি ওলাল। তেতিয়া তাইলৈ চাই প্ৰবীৰ থৰ লাগি ৰ'ল।

পত্নী হিচাপে পাৰমিতাক পাই প্ৰবীৰৰ কোনোধৰণৰ অপূৰ্ণতা নাছিল। তথাপি নব বিবাহিতা— বঙালী বধূ এগৰাকীক দেখিলে ক্ষণিকৰ বাবে হ'লেও মনটো তাৰ উদাস হৈ পৰিছিল। বঙালী বধূৰ বিশেষত্ব যে পাৰমিতাৰ মাজত পোৱাটো সম্ভৱ নহয়, সেয়া প্ৰবীৰে স্বীকাৰ কৰি লৈছিল। কিন্তু সাজ-পোচাকেৰে আজি তাই প্ৰমাণ কৰি দেখুৱালে যে সেইফালেও তাই সমানেই গুণৱতী। গভীৰ অনুৰাগেৰে পাৰমিতাৰ কাষলৈ আহি শাড়ীৰ আচলখন মূৰত তুলি ওৰণি দি প্ৰবীৰে তাইলৈ চাই থাকিল।

ওঁঠত লাজসনা মধুৰ হাঁহি বিৰিঙাই লৈ পাৰমিতাই ক'লে, "কি হ'ল, এনেকৈ চাইছা যেন কোনোদিন মোক দেখাই নাই!"

"অ', মিতা, তোমাৰ এই ৰূপটো সঁচাকৈয়ে মই আগতে দেখা নাছিলো।"

"হ'ব, আঁকৰাটোৰ দৰে চাই থাকিব নালাগে। ব'লা— এতিয়া নগ'লে সাত বজাৰ বাচখন নাপাম।"

দুয়ো ওলাল। ৰিহাবাৰীৰপৰা ৰিক্সাৰে পল্টন বজাৰৰ ব্লু-হিল কাউণ্টাৰলৈ আহিল। সমুখত ৰৈ আছে নামনিলৈ যোৱা বাচ। সিহঁত উঠি বহাৰ দুমিনিট পাচত বাচখন এৰিলে। গতিশীল বাচত বহি প্ৰবীৰে কেতবোৰ বিষয় আলোচনা কৰিব বুলি ভাবিলে। সিহঁতৰ ঘৰৰ কোন কেনেকুৱা স্বভাৱৰ, কাৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিব লাগিব, চুবুৰীয়াহঁতৰ লগত কেনেকৈ কথা-বতৰা হ'ব ... আদি আগতীয়াকৈ ক'লে পাৰমিতাই সকলোৰে লগত সোনকালে সহজ হ'ব পাৰিব। কিন্তু পাৰমিতাই নিজেই সেইবোৰ সোধ-পোছ কৰিবলৈ ধৰিলে। প্ৰবীৰে ভাল পালে। আনন্দেৰে সৈতে পাৰমিতাক সি সকলো কথা বুজাই ক'লে।

দহ বজাৰ আগতেই বৰপেটা ৰ'ড পালেহি। পাৰমিতা গুৱাহাটীৰ ছোৱালী। বিশ্ববিদ্যালয়ৰ ছাত্ৰী। তদুপৰি বিয়াৰ পাছত প্ৰবীৰৰ লগত এবছৰ ঘৰ-সংসাৰ কৰিলে। মাজতে প্ৰবীৰৰ লগত বিৰোধ সৃষ্টি হৈছিল। সেইবোৰ অতিক্ৰম কৰি প্ৰবীৰৰ চেতনা-বোধত আকৌ তাই নিজৰ সজীৱ অস্তিত্ব অনুভৱ কৰে। তাইৰ মনত এতিয়া এনে এটা বিশ্বাস উপজিছে যে প্ৰবীৰক লৈ তাইৰ ভবিষ্যৎ সঁচাকৈয়ে সম্ভাৱনাময়। তথাপি শহুৰেকৰ ঘৰটোৰ যিমানেই কাষ চাপিছে, সিমানেই তাইৰ চকু-মুখত অজান ভয় এটা ফুটি উঠিছে। জানোচা তাইক লৈ প্ৰবীৰহঁতৰ ঘৰত অশান্তিটো বাঢ়ি যায়! আনহাতে, প্ৰবীৰৰ মনতো আশংকা। দেউতাকে যদি পাৰমিতাক অপমান কৰে?

ঘৰৰ সমুখৰ ৰাস্তাত থিয় হৈ থকা সীমাই ৰিক্সাৰপৰা প্ৰবীৰ-পাৰমিতাক নমা দেখিয়ে দৌৰ মাৰি ভিতৰলৈ গৈ জাননী দিলে, "মা, 'বৌদিক' লৈ 'বড়দা' আহিল।" ক্ষমা আৰু সুবীৰ ওলাই আহিল। মাধৱীয়ে সমুখৰ দুৱাৰখনৰ পৰ্দাৰ ফাঁকেৰে জুমি চায়ে সীমাক চুবুৰীয়া আয়তীসকলক মাতি আনিবলৈ পঠিয়ালে।

প্ৰবীৰ-পাৰমিতাই ঘৰৰ চোতালত ভৰি দিলে। তেতিয়াই সিহঁতক ভিতৰলৈ সোমাবলৈ দিয়া নহ'ল। কুলা অনা হ'ল। কুলাত চাকি জ্বলোৱা হ'ল। ধান দুটা' বিচাৰি অনা হ'ল। দুৱাৰৰ সমুখত একেলগে থিয় হৈ থকা পুত্ৰ-পুত্ৰবধূক ধান দুটাৰে বৰণ কৰি মংগলাশীষ জনোৱা হ'ল। প্ৰবীৰ-পাৰমিতাই মাধৱীৰ ভৰি স্পৰ্শ কৰি সেৱা জনালে। মাধৱীৰ মাতৃমনত অদ্ভুত এক আবেগ। তেওঁ আৰু নিজকে সংযত কৰি ৰাখিব নোৱাৰিলে। বোৱাৰী হিচাপে পাৰমিতাক লৈ এবছৰ পাছত হ'লেও ঘৰপুত্ৰক ঘৰলৈ অহাৰ বাবে আনন্দ-উৎফুল্লতাৰে কান্দি পেলালে।

কোঠাটোত ল'ৰা-ছোৱালী তিৰোতাসকলৰ ভিৰ। ন-কইনাৰ প্ৰতি এনেই সকলোৰে আকৰ্ষণ এটা থাকে। তাতে এই গৰাকী অবঙালী ন-কইনা, পাৰমিতাৰ পিনে সকলোৰে কৌতূহলপূৰ্ণ দৃষ্টি।

ঘৰলৈ আহি পোৱাৰ লগে লগেই যে এনেকুৱা আবেগীয় পৰিস্থিতি এটা সৃষ্টি হ'ব পাৰে প্ৰবীৰে ভবা নাছিল। চুকত থিয় হৈ সি আচৰিত হৈ কাণ্ড কাৰখানাবোৰ চাই থাকিল।

আবেগ প্ৰশমিত হোৱাৰ পাছত মাধৱীয়ে বয়োজ্যেষ্ঠ আয়তীসকলক সেৱা জনাবলৈ ক'লে। অকণো সংকোচ নকৰাকৈ পাৰমিতাই শাহুৱেকৰ নিৰ্দেশ পালন কৰিলে। তাৰপাছত শাড়ীখনৰ আচল টানি, মুখৰ ওপৰত আউল-বাউল হৈ পৰা চুলিকেইডাল পৰিপাটিকৈ লৈ মাধৱীক তাই পৰিষ্কাৰ বাংলাত সুধিলে, "মা, দেউতা এতিয়া ঘৰত নাই নেকি?"

পাৰমিতাৰ মুখত ব্যাংলা মাত! উপস্থিত সকলো আচৰিত হ'ল। তাইলৈ সকলোৰে মৰম উপজিল। মাধৱীয়ে উত্তৰ দিয়াৰ আগতেই সীমাই ক'লে, "দেউতা বজাৰলৈ গৈছে। এতিয়াই আহিব—।"

বজাৰৰপৰা অহাৰ বাটতে অৱনীয়ে খবৰটো পালে। ইমান দিনৰ মূৰকত পুতেকক দেখিবলৈ পাব— কথাটো ভাবিয়ে অৱনীৰ ভাল লাগি গ'ল। একেলগে পঢ়া অসমীয়া ছোৱালী এজনীক বিয়া কৰাবৰ অনুমতি বিচাৰি আহিছিল— কথাটো শুনাৰ লগে লগে খং-উত্তেজনাৰে ইমানেই অন্ধ হৈ পৰিছিল যে পুতেকৰ লগত সম্পৰ্কটোকে ত্যাগ কৰিছিল। পাছত যেতিয়া জানিবলৈ পালে যে সেইজনীক বিয়া কৰাই সংসাৰ পাতিছে— অৱনীৰ মন-মানসিকতা তেতিয়া অধিক বেয়া হৈ পৰিল। দেশত্যাগ কৰি ইয়ালৈ আহি অশেষ কষ্ট কৰি যিটো ল'ৰাক তুলি-তালি ডাঙৰ কৰিলে, যিটো ল'ৰাৰ ওপৰত তেওঁৰ বাকী ল'ৰা-ছোৱালী তিনিটাৰ ভূত-ভৱিষ্যৎ নিৰ্ভৰ কৰিছে, যিটো ল'ৰাৰ ওপৰত তেওঁ বাৰ্দ্ধক্যৰ আশ্ৰয় আৰু নিৰাপত্তাৰ কথা ভাবিছিল, সি যে ছোৱালী এজনীৰ মোহজালত পৰি তেওঁলোকক অস্বীকাৰ কৰি আগবাঢ়িব— এয়া আছিল অৱনীৰ কল্পনাৰো অতীত। অৱনী ভাঙি পৰিছিল। জীয়াই থকাটো তেওঁৰ বাবে অৰ্থহীন হৈ পৰিছিল।

কিন্তু সময়ৰ গতিৰ লগতে মনৰ পৰিৱৰ্তন হয়। সময়েই অৱনীক শিকালে, পুতেকৰ লগত তেনেকৈ সম্পৰ্ক ত্যাগ কৰাটো উচিত হোৱা নাই। ইফালে বন্ধু-বান্ধৱসকল— বিশেষকৈ, হাৰাধন চক্ৰৱৰ্তীয়ে বুজালে, অসমীয়া-বঙালীৰ মাজত আজিকালি বিয়া-বাৰু হৈয়ে আছে। তেনেকৈ বিয়া পাতি বহুতে শান্তিৰে ঘৰ-সংসাৰ কৰিছে। ইতিমধ্যে প্ৰিভিয়াচ পৰীক্ষাত পুতেকে পোৱা নম্বৰৰ শতকৰা হাৰ জানিবলৈ পাই তেওঁৰ খঙটো জামৰি আহিল। অৱনীয়ে বুজিব পাৰিলে, চাৰিত্ৰিক দৃঢ়তা নাথাকিলে বিয়াৰ পাছত প্ৰবীৰে পৰীক্ষাত এনেকুৱা ফলাফল কৰিব নোৱাৰিলেহেঁতেন। তাৰ মানে প্ৰেমৰ আবেগত সি ভাঁহি যোৱা নাই। অৱনীয়ে নিজৰ ভুলটো উপলব্ধি কৰিলে। কিন্তু পুতেকৰ আগত ভুলটো কেনেকৈ স্বীকাৰ কৰে? নিজে দুৰ্বলতা প্ৰকাশ নকৰি ঘৈণীয়েকৰ হতুৱাই পুতেকলৈ চিঠি এখন লিখোৱালে। চিঠিখন পায়ে প্ৰবীৰ ঘৰলৈ আহিল। তাৰ বাবে তেওঁ সকাহ এটা পাইছে। আকৌ পুতেকলৈ মৰম-চেনেহৰ আকৰ্ষণ অনুভৱ কৰিছে।

এতিয়া সমস্যা হ'ল, প্ৰবীৰে বিয়া কৰাই অনা ছোৱালীজনীক তেওঁ কেনেকৈ 'বাড়িৰ বৌ' হিচাপে স্বীকৃতি দিয়ে? যিজনীক বিয়া কৰাবৰ বাবে প্ৰবীৰৰ ওপৰত

ইমানকৈ খং কৰিলে— সেইজনীৰ সমুখত তেওঁ থিয় হ'ব কেনেকৈ? তায়ে বা তেওঁৰ বিষয়ে কেনেকুৱা ধাৰণা লৈ আছিছে? অৱস্থা সম্পন্ন অসমীয়া পৰিয়ালৰ শিক্ষিতা ছোৱালী। তাই তেওঁক শহুৰেক হিচাপে মানি ল'ব পাৰিব নে নাই?

এনেবোৰ চিন্তাৰে ভাৰাক্রান্ত অৱনীৰ খোজৰ গতি লেহেম হৈ আহিল। ঘৰলৈ যোৱাৰ উৎসাহ পোৱা নাই। ইমান দিনৰ পাছত আহিল, প্ৰবীৰৰ মনোভাবটোনো এতিয়া কেনেকুৱা?

অৱনী সেনৰ ঘৰটো পোৱাৰ আগৰ ঘৰটো হাৰাধন চক্রবর্তীৰ। বাহিৰৰ পদূলিমুখৰ কৰবী গছজোপাৰ ছাঁত তেওঁ বৈ আছে। পাৰমিতাক লৈ প্ৰবীৰ অহাৰ কথাটো চক্রবর্তীয়ে ইতিমধ্যেই গম পালে। প্ৰবীৰৰ বিষয়ে পৰামৰ্শ এটা দিবৰ বাবে তেওঁ অৱনীলৈ বাট চাই আছে। অৱনী কাষ চাপি অহাৰ লগে লগে চক্রবর্তীয়ে ক'লে, "প্ৰবীৰ অহাটো চাগে গম পালিয়েই।"

"অ' পালো।" অৱনীয়ে ক'লে, "ধৰণীয়ে ক'লে।"

"ভালপোৱা ছোৱালীজনীক বিয়া কৰাৰ কথাটোত ময়ো বাধা দিছিলো— মোৰো এতিয়া প্ৰবীৰৰ সমুখত ওলাবলৈ বেয়া লাগিছে। তথাপি যাম। তাক লগ কৰিম। সেইজনীক লৈ ঘৰলৈ আহিল যেতিয়া এতিয়া আৰু কাজিয়া কৰাটো উচিত নহ'ব। সিহঁতক স্বীকাৰ কৰি লোৱাটোতে সকলো কুল ৰক্ষা হ'ব, বুইছ।"

অন্তহীন অন্তৰ্দ্বন্দ্বতাৰে অৱনীৰ বুকুখন ভাঙি আহিল। আঠু দুটাত বল নাইকিয়া হ'ল। হুমুনিয়াহ এটা কাঢ়ি ক'লে, "সকলো কুল ৰক্ষা হ'ব। তই কি কৈছ, হাৰাধন? এইখন দেশত আমাৰ আৰু কোনো কুল নাই। আমাৰ বাবে এতিয়া কোনোমতে জীয়াই থকাটোৱে একমাত্র কথা। পাপ কৰিছিলো— এটা এটা দিন পাৰ কৰিছো আৰু পূৰ্বকৃত পাপৰ স্খলন হৈছে।"

"তই বেছি হতাশ হৈ পৰিছ, অৱনী।"

"মোৰ সমস্যাটো যে কিমান গভীৰ, মইহে বুজি পাইছো। মই তাক ত্যাগ কৰিছিলো। ত্যাগ কৰি থাকিব নোৱাৰিলো। পৰিবাৰৰ হতুৱাই চিঠি লিখি তাক মাতি আনিবলগীয়া হ'ল। এতিয়া মোৰ গাত বল নাই। হাতত নাই ধন। চাকৰিও বেছিদিন নাই। সকলো ফালে পংগু হৈ আহিছো। তাৰ ইমান অন্যায়, ইমানখিনি অপমান সহ্য কৰিও আজি মই তাক স্বীকাৰ কৰি ল'ব লাগিব।"

"তই বাপেক। বাপেকে পুতেকৰ অন্যায় মাফ কৰিব পাৰে।" হাৰাধন চক্রবর্তীয়ে ক'লে, "আনহাতে অসমীয়া ছোৱালী বিয়া কৰালেও প্ৰবীৰে ঘৰখনৰ প্ৰতি দায়-দায়িত্ব পালন নকৰাকৈ থাকিব নোৱাৰে।"

"মাফ কৰি দিলেও সি জানো আমাৰ কথা চিন্তা কৰিব! নাই— নকৰে, সেইখিনি আশা মই কৰিব পৰা নাই। এতিয়া আমাৰ প্ৰতি তাৰ আৰু সিমান এটা আকৰ্ষণ নাথাকে। বাৰু হাৰাধন, সেইজনীক লৈ যে ঘৰ-সংসাৰ কৰিছে— সেইটো তাৰ কেনেকুৱা জীৱন? সিহঁত দুটা অসমীয়া নে বঙালী? ল'ৰা-ছোৱালী উপজিলে কোনটো ভাষাত শিক্ষা দিব?"

"সেইবোৰ পাছৰ কথা। এতিয়া সেইবোৰ লৈ মূৰ ঘমোৱাটো অৰ্থহীন। তই ঘৰলৈ যা—।"

বন্ধুৰ সজ-পৰামৰ্শত বল-ভৰসা অলপ পাই অৱনী অৱশেষত ঘৰলৈ আহিল।

ভিতৰ মহলাত পাৰমিতাই তেতিয়া সীমা-ক্ষমা আৰু সিহঁতৰ সমনীয়া ছোৱালী-কেইজনীৰ লগত হাঁহি-স্ফূৰ্তিত মজগুল।

ধুতি-পাঞ্জাবি পিন্ধি, চকুত পাৱাৰ থকা চশ্‌মা, প্ৰবীৰৰ সৈতে মুখৰ মিল থকা, আদহীয়া মানুহজনক দেখিয়েই পাৰমিতাই বুজিব পাৰিলে যে এইজনেই তাইৰ শহুৰেক। তাইৰ বাবেই প্ৰবীৰৰ লগত তেওঁ সম্পৰ্ক ছেদ কৰিছিল। সেইবুলি অৱনী সেনৰ প্ৰতি পাৰমিতাৰ খং নাই, ঘৃণা-আক্ৰোশ নাই। বৰঞ্চ শহুৰেকৰ মুখখনত অসহায় ৰূপ এটা দেখিবলৈ পাই তাইৰ নিজৰ দেউতাকলৈ মনত পৰিল। অনুভৱ কৰিবলৈ ল'লে দেউতাকৰ মৰম-চেনেহ। লগতে অপৰাধ বোধৰ যন্ত্ৰণা এটাই তাইক ছাটি ধৰিলে। গুৱাহাটীত থাকিও বিগত এটা বছৰত দেউতাকক চাবলৈ যোৱা নাই। অথচ আজি তাই শহুৰেকক চাবলৈ আহিছে! পাৰমিতা তলমূৰ হ'ল। সেইবুলি তাই নিজৰ কৰ্তব্য পাহৰি থকা নাই। ছোৱালীকেইজনীৰ মাজৰপৰা উঠি অবিচলিত খোজেৰে আগবাঢ়ি আহিল অৱনীৰ পিনে।

প্ৰবীৰৰ ওপৰত অৱনীৰ খং সমূলি নাইকিয়া হোৱা নাই। খং কৰাৰ বাবেই জেদৰ বশৱৰ্তী হৈ প্ৰবীৰে আদালতৰ সহায় লৈ বিয়া কৰালে। সেইখন বিয়াত পিতৃ হিচাপে অৱনীয়ে কোনো ধৰণৰ সামাজিকতা কৰিব পৰা নাই। তাৰ বাবে নিজৰ সমাজখনত তেওঁৰ মান-সন্মানৰ হানি-বিঘিনী হ'ল। তদুপৰি প্ৰবীৰে যিজনীক বিয়া কৰালে, তাইৰ প্ৰতিও অৱনীৰ আক্ৰোশ-ঘৃণা সৃষ্টি হৈছিল। অৱনীয়ে ভাবিয়ে লৈছিল, সেইজনীক তেওঁ কোনোদিনেই 'বাড়িৰ বড়-বৌ' হিচাপে গ্ৰহণ কৰিব নোৱাৰে। কিছুদিনৰ পাছত খং পৰি আহিল। তথাপি পাৰমিতাক বোৱাৰী হিচাপে স্বীকাৰ কৰি লোৱা-নোলোৱাটো লৈ তেওঁৰ মনত দ্বন্দ্ব এটা আছিল। কিন্তু পাৰমিতা সমুখলৈ আহি বিনম্ৰভাৱে থিয় হোৱাৰ লগে লগে অৱনীৰ মনত বেলেগ ধৰণৰ ভাব এটা খেলি গ'ল। পাৰমিতাৰ পিন্ধনত শাড়ী, হাতত লোৱা শাখা, কপাল-শিৰত মধ্যাহ্নৰ বেলিৰ কিৰণেৰে দীপ্ত সেন্দুৰ

দেখি অৱনী মুগ্ধ হ'ল। পাৰমিতাৰ দীৰ্ঘায়িত চকু, পাতল অধৰ, সোণবৰণীয়া শৰীৰ, মুখখনত মাতৃসুলভ কমনীয়তা ... নিমিষতে তেওঁ পাহৰি গ'ল যে এইজনী বেলেগ ভাষী বা বেলেগ সম্প্ৰদায়ৰ ছোৱালী।

অৱনীয়ে অনুভৱ কৰিলে, এইজনীক বিয়া কৰাই প্ৰবীৰে ভুল কৰা নাই। মাধৱীৰ দৰে তেৰোঁ আবেগিক হৈ পৰিল। তেওঁৰ মনতো প্ৰত্যয় উপজিলে, নাৰীৰ সকলো গুণেৰে পাৰমিতা বিভূষিতা। আৰু এনেকুৱা এজনী ছোৱালীক বোৱাৰী হিচাপে পোৱাটো ভাগ্যৰ কথা। বিমুগ্ধ বিস্ময়েৰে তাইলৈ চাই থাকিল। "হেৰা শুনিছানে"— অৱনীয়ে মাধৱীক মাতিলে।

পাকঘৰত মাধৱীয়ে ৰন্ধা-বঢ়াত লাগিছিল। তেওঁ ওলাই আহিল।

মাধৱীক দেখি অৱনীয়ে ক'লে, "নেকলেছ এধাৰ যে গঢ়াই আনি থৈছো— লৈ অহা। সোণৰ কিবা এটা উপহাৰ নিদিয়াকৈ 'বৌমাৰ' মুখদৰ্শন কৰাটো ঘৰখনৰ বাবে অমংগল হ'ব।"

পাৰমিতাৰ ওঁঠত হাঁহি। চকু দুটা কিন্তু সজল।

ডাঙৰ এটা দুশ্চিন্তাৰপৰা প্ৰবীৰে মুক্তি পালে। মাক-দেউতাকে পাৰমিতাক সাদৰে বোৱাৰী হিচাপে মৰ্যাদা দিলে। তাতেই তেওঁলোক সন্তুষ্ট নাথাকিল। পিছদিনাই আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলক নিমন্ত্ৰণ কৰি মধ্যাহ্ন ভোজনৰ আয়োজন কৰিবলৈ থিৰাং কৰিলে। অসমীয়াৰ দৰে বঙালী সমাজতো বিয়াৰ পাছত দৰাঘৰত আয়োজন কৰা প্ৰীতিভোজত বহি সমাজখনে ন-কইনাই পৰিবেশন কৰা অন্ন গ্ৰহণ কৰে। তেনেকৈ অন্ন গ্ৰহণ কৰি ন-কইনাজনীক তেওঁলোকে সমাজৰ 'এজন' হিচাপে স্বীকাৰ কৰি লয়। পাৰমিতাৰ ক্ষেত্ৰতো সেইটো কৰিবৰ বাবেই অনুষ্ঠুপীয়া এই অনুষ্ঠানটোৰ আয়োজন কৰা হ'ল।

এনে এটা অনুষ্ঠানলৈ প্ৰত্যাশিতভাৱে আগধৰি আহিল হাৰাধন চক্ৰৱৰ্তী। পাৰমিতাৰ সৈতে তেওঁৰ কথা-বতৰা হ'ল। তাইৰ সৰল-সপ্ৰতিভ আচৰণত তেওঁ মুগ্ধ হ'ল। তাৰপাছত পাৰমিতাৰ হাতত ৰবীন্দ্ৰনাথৰ নিৰ্বাচিত কবিতাৰ সংকলন "সঞ্চয়িতা" উপহাৰ দি চক্ৰৱৰ্তীয়ে হিয়া উজাৰি আশীৰ্বাদ যাচিলে।

ভোজৰ শেষত নিমন্ত্ৰিতসকলে বিদায় লোৱাৰ পাছতো হাৰাধন চক্ৰৱৰ্তী থাকিল। প্ৰবীৰক তেওঁ বেলেগকৈ মাতি আনিলে। কিন্তু পূৰ্বৰ দৰে মুকলি-মূৰীয়াকৈ কথা পাতিব পৰা নাই। পাৰমিতাক বিয়া কৰাই প্ৰবীৰৰ অসমীয়া প্ৰীতিটো বাঢ়ি গৈছে বুলি তেওঁ সন্দেহ কৰিছে। এতিয়া আৰু যা-তা ক'ব নোৱাৰিব। মাতটো অলপ নমাই আনি চক্ৰৱৰ্তীয়ে ক'লে, "শুনিছো, তোমাৰ

শহুৰেবাৰ ঘৰখন ভালেই।"

"হয়, গুৱাহাটীত তেওঁলোক ওৱেল এষ্টাব্লিছড।" প্ৰবীৰে ক'লে, "পাৰমিতাৰ দেউতাক চিনিয়ৰ এ চি এচ্। দিছপুৰ চেক্ৰেটাৰিয়েটত এডুকেশ্বন চেক্ৰেটাৰী। ককায়েক প্লেনিং ডিপাৰ্টমেণ্টৰ ষ্টেতিক্‌টিকেল অফিচাৰ।"

"ভাল কথা। তেনেকুৱা এখন ঘৰৰ জোঁৱাই হোৱাটো সঁচাকৈয়ে গৰ্ব্বৰ কথা।" হাৰাধন চক্ৰৱৰ্তীয়ে ক'লে, "পিছে তেওঁলোকে তোমাৰ মা-দেউতাৰৰ খা-খবৰ লয় নে নলয়?"

প্ৰবীৰে অস্বস্তিবোধ কৰিলে। সন্মান কৰে যদিও চক্ৰৱৰ্তীৰ খুঁচৰি থকাৰ এই স্বভাৱটো সি ভাল নাপায়। প্ৰবীৰে ভাবিলে, এইটো প্ৰশ্নৰ উত্তৰ নিদিয়ে। কিন্তু উত্তৰ নিদিলেও উপাই নাই।

"খুৰা, আপুনি চাগে নাজানে— মোক যে পাৰমিতাই বিয়া কৰালে, এইটো কথাত সিফালে, মানে তাইৰ মাক-দেউতাকৰো মত নাছিল।" প্ৰবীৰে ক'লে, "তেওঁলোকো আমাৰ বিয়ালৈ অহা নাই। তাইৰ ককায়েক আৰু ভায়েক মাজে-সময়ে আমাৰ ঘৰলৈ আহে যদিও সেইখন ঘৰৰ লগত আমাৰ এতিয়ালৈকে যোগাযোগ হোৱা নাই।"

"কিয়?"

"পাৰমিতাক বিয়া কৰাম বুলি শুনি মোৰ মা-দেউতাই যেনেকৈ নিজৰ সমাজ, নিজৰ ভাষা-সংস্কৃতিৰ কথা ভাবিছিল, যিবোৰ কথাৰ বাবে মোক ত্যাগ কৰিবলৈও প্ৰস্তুত হৈছিল— তেনেকুৱা কেতবোৰ কাৰণত তেওঁলোকেও আমাক স্বীকাৰ কৰি ল'বলৈ টান পাইছে।"

"সেইটো অস্বাভাৱিক একো নহয়। তোমাক মই আগতেই এদিন কৈছিলো— নিজৰ সম্প্ৰদায়, নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি প্ৰত্যেকৰে টান এটা থাকেই। বিয়া বোলা কথাটো অকল যুৱক-যুৱতী এহালৰ মিলন নহয়। বিয়াটো হ'ল দুটা পৰিয়ালৰ মাজত সম্পৰ্ক স্থাপন। এই অনুষ্ঠানটোৰদ্বাৰা মানুহৰ সামাজিক বন্ধনটো দৃঢ় হয়। সেই কাৰণেই স্বজাতিৰ মাজত বিয়া অনুষ্ঠিত হোৱাটোকে মানুহে সৰ্বাধিক গুৰুত্ব দিয়ে।" গহীন মাতেৰে হাৰাধন চক্ৰৱৰ্তীয়ে মন্তব্য আগবঢ়ালে, "তথাপি ইফালে এইখন ঘৰৰ লগত যেনেকৈ মিল হ'ল, কিছুদিনৰ ভিতৰত সেইখন ঘৰৰ লগতো তোমালোকৰ যোগাযোগ হৈ যাব—।"

"মই হ'লে সোনকালে তেনেকুৱা কিবা হোৱাৰ আশা দেখা নাই।"

"হৈ যাব। জোঁৱাই যেতিয়া তোমাৰ লগত যোগাযোগ নোহোৱাকৈ নাথাকে। কিন্তু শহুৰ-শাহুৰেবাৰ লগত তোমাৰ মা-দেউতাৰাৰ বিয়ই-বিয়নীৰ যি এটা মধুৰ

সম্পৰ্ক— সেইটো সুখ মা-দেউতাৰাই নাপাবই নেকি?"

আলোচনাটো গ্লানিময় হৈ উঠিছে। অস্বস্তিৰ উপৰি প্ৰবীৰৰ খঙো উঠিল। টেঙৰ হাৰাধন চক্ৰৱৰ্তীয়ে প্ৰবীৰৰ মানসিকতা বুজিব পাৰিলে। প্ৰসংগটো তাতেই সামৰি তেওঁ সুধিলে "যিহওক এতিয়া আমাৰ ভূত-ভৱিষ্যত কেনে দেখিছা?"

"আমাৰ মানে? আপুনি কাৰ কথা সুধিছে?"

"মই অসমত বাস কৰা বঙালীসকলৰ কথা কৈছো।" হাৰাধন চক্ৰৱৰ্তীয়ে ক'লে, "অসমৰ অনেক জাতি-গোষ্ঠীয়েই এতিয়া নিজৰ নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ সংগ্ৰামত লিপ্ত হৈছে। আছুৰ বিদেশী বিতাড়ণ আন্দোলনৰ পাছত এই প্ৰৱণতাটো বাঢ়িছে। উন্নতি-বিকাশৰ কথাবোৰত ইটো জাতিয়ে সিটো জাতিক জগৰীয়া কৰি সংগ্ৰামত লিপ্ত হৈছে। সংঘাত বাঢ়িছে, লক্ষ লক্ষ মানুহ উচ্ছেদ হৈছে। শ শ মানুহ মৰিছে। আমিও ইতিমধ্যে কেইবাবাৰো তেনেকুৱা সংঘাতত মাৰ খালো। আকৌ যে কোনো জাতিৰ খং-বিদ্বেষৰ চিকাৰ নহ'ম তাৰ নিশ্চয়তা নাই। মুঠতে অসমত আমাৰ আৰু শান্তি নহয়।"

প্ৰবীৰে নিমাতে থাকিল।

"ইফালে আত্ম-নিয়ন্ত্ৰণৰ প্ৰসংগ উত্থাপন কৰি বিচ্ছিন্নতাবাদী আন্দোলনটো পূৰ্বতকৈ জোৰদাৰ হৈ উঠিছে। অসমীয়া ল'ৰাইতে হেনো বাহিৰৰপৰা প্ৰশিক্ষণ লৈ আহি গাঁৱে-ভূঁএে সংগঠন চলাইছে। অসমক ভাৰতৰপৰা বিচ্ছিন্ন কৰিলে আমাৰ অৱস্থা একেবাৰেই শোচনীয় হৈ পৰিব। সেইবোৰ ভাবিলে বেয়া লাগি যায়। সকলো অন্ধকাৰ যেন দেখো।" তাৰ পাছত হাৰাধন চক্ৰৱৰ্তীয়ে ক'লে, "চোৱা প্ৰবীৰ, অসমীয়া ছোৱালী বিয়া কৰাইছা যেতিয়া অসমীয়াই তোমাৰ অপকাৰ নকৰে। কিন্তু তুমি ঘৰৰ ডাঙৰ ল'ৰা। ঘৰখনৰ কথা তুমি ভাবিবই লাগিব। মেট্ৰিকৰপৰা প্ৰতিটো পৰীক্ষাত তোমাৰ ৰিজাল্ট ভাল। চেষ্টা কৰিলেই অল ইণ্ডিয়া বেচিচৰ চাকৰি পাবা। এম এচ চি ফাইনেল পৰীক্ষাটো দিয়াৰ পাছত তেনেকুৱা চাকৰি এটা লৈ অসমৰ বাহিৰলৈ যোৱাৰ চেষ্টা কৰা—।"

আকৌ সেই পলায়ন মনোবৃত্তিৰ কথা। এইবাৰ প্ৰবীৰে খং-বিৰক্তি চেপি ৰাখিব নোৱাৰিলে। টান মাতেৰেই সি ক'লে, "খুৰা, অসমত জন্ম লৈছো— অসমৰ মাটিত ডাঙৰ হ'লো। অসমতে মই থাকিম বুলি ভাবিছো।"

থতমত খাই হাৰাধন চক্ৰৱৰ্তীয়ে ক'লে, "নহয়, তোমাৰ যেনেকুৱা ব্ৰিলিয়েণ্ট ৰিজাল্ট— পশ্চিম বাংলাত অনায়াসে চাকৰি পাবা। সিফালে চাকৰি এটা লৈ কলিকতা নহ'লে কলিকতাৰ ওচৰে-পাজৰে পাৰমানেণ্ট হোৱাৰ কথা ভাবি মাটি-বাৰী—।"

"দেউতায়ো এইটোৱেই বিচাৰে। কিন্তু এইটো আপোনালোকৰ এটা ভুল

পৰিকল্পনা—।”

“ভুল পৰিকল্পনা?”

“অকল ভুল পৰিকল্পনাই নহয়, এইটো আমাৰ বাবে এটা আত্মঘাতী মানসিকতা।” দৃঢ়তাৰে সৈতে প্ৰবীৰে ক'লে, “যুগ যুগ ধৰি বসবাস কৰা পাছতো পূৰ্ব পাকিস্তান তথা বাংলাদেশত আপোনালোকৰ জীৱনৰ অস্তিত্ব সুনিশ্চিত নহ'ল। বাংলাদেশত নিজৰ অস্তিত্ব চিৰস্থায়ী কৰাৰ বাবে সংগ্ৰাম কৰাৰ পৰিবৰ্তে পলায়নৰ অপমান লৈ চৈধ্য পুৰুষৰ ভেটিমাটিৰ লগত সম্পৰ্ক ছিন্ন কৰি গুচি আহিল। তাৰপৰাই আপোনালোকৰ মনত এটা পলায়ন মনোবৃত্তি সৃষ্টি হ'ল। ইফালে অসমলৈ অহাৰ পাছত ইমান বছৰতো অসমৰ মাটি, অসমৰ জলবায়ুৰ লগত আপোনালোকৰ সম্পৰ্কটো আত্মীক হৈ নুঠিল। অসমক আপোনালোকে নিজৰ দেশ বুলি স্বীকাৰ কৰি ল'ব নোৱাৰিলে। ইয়ালৈ অহাৰ পাছত বঙালীৰ ওপৰত যিবোৰ কষ্ট-যাতনা-দুৰ্ভোগ নামি আহিল— সেইবোৰৰ কাৰণ স্থানীয় জাতি-গোষ্ঠীবোৰৰ ফালৰপৰা বিচাৰ নকৰি, ইয়াৰ অৰ্থনৈতিক সমস্যাবোৰ বুজিবলৈ যত্ন নকৰি, স্থানীয় সমাজ-জীৱনৰ লগত কেনেকৈ আমাৰ সম্প্ৰদায়ৰ জীৱনৰ ভেটিটো সুদৃঢ় কৰিব পৰা যায়, সেইটো বিশ্লেষণ নকৰি আপুনি মোক ইয়াৰপৰা পশ্চিম বাংলালৈ যাবলৈ কৈছে! শিলিগুৰিত আপোনাৰ ঘৰ আছে, আপুনি যাব পাৰিব। মোৰ চাকৰি পোৱাৰ যোগ্যতা আছে, মই যাব পাৰিম। কিন্তু ইয়াত বাস কৰা লক্ষ লক্ষ খেতিয়ক, কমাৰ-কুমাৰ, কাঠ-মিস্ত্ৰি, সৰু-সুৰা বেহা-বেপাৰ কৰি চলা বঙালীসকলে জানো যাব পাৰিব? নাই খুৰা, এইটো উচিত নহ'ব। এইটো সুবিধাবাদ। অসমৰ প্ৰতি তেতিয়া অকৃতজ্ঞতা দেখুওৱা হ'ব। আনহাতে, চাকৰি লৈ মোক বাহিৰলৈ যোৱাৰ পৰামৰ্শ আগবঢ়ালে বাহিৰত জানো সমস্যা নাই? এতিয়া ভাৰতবৰ্ষৰ কোনখন এনেকুৱা ৰাজ্য আছে য'ত মানুহে সকলোফালে নিৰাপদ জীৱন কটাই আছে?”

প্ৰবীৰৰ প্ৰশ্নবোৰ খণ্ডন কৰাৰ সবল যুক্তি হাৰাধন চক্ৰবৰ্তীৰ নাই। তেওঁৰ মুখখন মলিন হৈ পৰিল।

তেওঁলৈ চাই প্ৰবীৰৰ বেয়া লাগিল। কিন্তু সি নিৰুপায়। খন্তেক পাছত সুধিলে, “খুৰা, পাৰমিতাৰ লগত আপুনি কথা-বতৰা হ'ল। তাইক কেনেকুৱা পালে?”

“ভাল। বৰ ভাল ছোৱালী তাই। চক্ৰবৰ্তীয়ে ক'লে, “তোমালোক সুখী হোৱা। তোমালোকৰ সুখটোৱেই আমাৰ সুখ।”

পোন্ধৰ

সকলোৰে অনুৰোধ উপেক্ষা কৰে কেনেকৈ? আৰু এদিন থাকিবলগীয়া হ'ল। প্ৰবীৰহঁতৰ ঘৰৰ অৱস্থা বিশেষ ভাল নহয়। ঘৰৰ ভেটি কেঁচা। কোঠাবোৰ সৰু সৰু। দুৱাৰ-খিৰিকীবোৰো তেনেকুৱাই। বিজুলী চাকি জ্বলোৱাৰ সুবিধা নাই। গা-ধোৱাৰ ঠাই আৰু পাইখানাৰ অৱস্থাও শোচনীয়। এনেকুৱা ঘৰত পাৰমিতা কোনোদিন থকা নাই। তাইৰ কষ্ট হ'ল। বিয়াৰ আগতে ককায়েকে কোৱা কথাবোৰ মনত পৰিল। সুচল জীৱন যাত্ৰাৰ বাবে আনুসংগিক সুবিধাবোৰ থকাটো যে আৱশ্যক সেইটো তাই এতিয়াহে বুজিব পাৰিলে। তাই হতাশ হ'ল। সেইবুলি হতাশাৰ যন্ত্ৰণাটো বেছিপৰ তাইৰ মনত নাথাকিল। প্ৰবীৰৰ ভনীয়েক সীমা-ক্ষমা তাইৰ সকলো কথাত ইমানেই মনোযোগী যে কোনো এটা অসুবিধাই অসুবিধা হৈ নাথাকিল। বিয়াৰ পাছত ভাষাও এটা সমস্যা হ'ব বুলি ককায়েকে কৈছিল। কিন্তু ভাষাই কোনোধৰণৰ আহুকালৰ সৃষ্টি নকৰিলে। উভয় পক্ষৰ আন্তৰিকতা ইমানেই বেছি যে মনৰ ভাব প্ৰকাশৰ বাবে ইজনে সিজনৰ ভাষাত কথা পাতিবলৈ ব্যস্ত হৈ পৰিল। পাৰমিতাই ভঙা ভঙা বাংলাত কথা পাতিলে। তাইৰ লগত অনবৰত লাগি থকা সুবীৰ-সীমা-ক্ষমাই অসমীয়াত ভাব-বিনিময় কৰিলে। এইখন ঘৰত ব্যৱহাৰিক জাকজমকতা নাই। কিন্তু ইয়াত বাস কৰা প্ৰত্যেকেই সৰল আৰু আন্তৰিক।

বিদায়ৰ দিনা ৰাতিপুৱা ওলোৱাৰ প্ৰস্তুতি চলিছে। এনেতে ক্ষমাৰ হতুৱাই অৱনীয়ে পাৰমিতাক মাতিলে। ভিতৰৰ কো[illegible] শহুৰ-শাহুৰেক থিয় হৈ আছে। মাধৱীৰ হাতত নতুন এখন শাড়ী। শান্তিপুৰী শাড়ী খনৰ লগত সেন্দুৰৰ এটা বাকচ। পাৰমিতা তেওঁলোকৰ সমুখলৈ আহোঁতেহে মাধৱীয়ে সেইবোৰ তাইৰ হাতত তুলি দিলে।

"বৌমা'— লখিমী হৈ তুমি আমাৰ ঘৰলৈ আহিছা।" কাতৰ মাতেৰে অৱনীয়ে ক'লে, "তোমাক বিয়া কৰাবৰ কথাটো ক'লত প্ৰবীৰক মই বৰ বেয়াকৈ গালি পাৰিছিলো। সি চাগৈ সেইবোৰ তোমাক কৈছিল। তাৰ বাবে মোক বেয়া পাই নাথাকিবা। মই এতিয়া প্ৰতিটো মুহূৰ্তত অনুভৱ কৰিছো, তোমাক নোচোৱাকৈ

কোনোধৰণৰ খা-খবৰ নোলোৱাকৈ তাক তেতিয়া তেনেকৈ গালি পাৰিব নালাগিছিল। তুমি আহিলা— তোমাক দেখি মোৰ ভুল ভাগিল। আমাক তুমি আপোন কৰি লোৱা। তোমাৰ শিক্ষা-জ্ঞান মৰম-চেনেহৰে ভাঙিবলৈ লোৱা এইখন ঘৰ ঠন লৈ উঠক।"

কি ক'ব পাৰমিতাই? শহুৰেকৰ মুখখনত মূৰ্ত এক জীৱনানুৰাগ। বিনম্ৰভাৱে আগবাঢ়ি গৈ প্ৰথমতে অৱনীৰ তাৰপাছত মাধৱীৰ ভৰি চুই সেৱা জনালে। যেন সেই সেৱাতেই ঢালি দিলে সমূহ শ্ৰদ্ধা, ভক্তি।

এনে এটা ঘটনা— ঘটনাটোৱে বাবে পাৰমিতাৰ হৃদয়খনি পূৰ্ণ হৈ উঠিল। সকলোৰেপৰা বিদায় লোৱাৰ সময়ত তাইৰ এনেকুৱা এটা ভাব হ'ল যেন ঘৰখনৰ লগত তাইৰ বহুত দিনৰ সম্পৰ্ক। বাটখন এৰাৰ পাছত মনটো উদাস হৈ পৰিল। চকুৰ সন্মুখত বোলছবিৰ দৰে ভাহিবলৈ ল'লে এৰি অহা মাকৰ ঘৰখন। সেয়া তাইৰ কোঠা, কোঠাটোত তাইৰ পঢ়াটেবুল, ড্ৰেছিং টেবুল, আলনা ...। সেইখন ঘৰত তাইৰ ল'ৰালি কাল, সচঞ্চল কৈশোৰ, কল্পনা-আবেগেৰে ভৰা যৌৱন ...। ঘৰটোৰ সন্মুখত ফুলনি, আবেলি ফুলনিৰ মাজত বেতৰ চকী পাৰি বহি কিতাপ বা আলোচনী পঢ়া ...। তাত মাক-দেউতাকৰ শাসন, ককায়েকৰ লগত বিতৰ্ক, ভায়েকৰ লগত দন্দ-কাজিয়া ...। খন্তেকৰ ভিতৰত ইমানেই দুৰ্বল হৈ পৰিল যে মাক-দেউতাকৰ প্ৰতি তাইৰ আৰু অভিযোগ-অনুযোগ খং-অভিমান নাথাকিল। প্ৰবীৰৰ মাক-দেউতাকে সিহঁতক আদৰি ল'লে। সমুখলৈ গৈ থিয় দিলে তাইৰ মাক-দেউতাকেও সিহঁতক স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰে। তাৰপাছত পাৰমিতাই ভাবিলে, এইবাৰ যাব। গুৱাহাটীলৈ গৈ দুই-এদিনতে তাই মাকৰ ঘৰলৈ ওলাব।

কিন্তু কি বিচিত্ৰ মানুহৰ মন! গুৱাহাটীলৈ অহাৰ পাছত তাইৰ মনোভাবটো সলনি হৈ গ'ল। তাই ভাবিলে, মাহঁতে আহিবলৈ টান পাইছে— কাৰ'বাৰ হতুৱাই মাতিব পাৰিলেহেঁতেন। সেইটোও নকৰিলে। তাৰমানে মাক-দেউতাকে সিহঁতৰ লগত সম্পৰ্ক ৰাখিব নোখোজে। নাই নাযায়। অনাহুতভাৱে গ'লে দেউতাকে প্ৰবীৰক অপমান কৰিব পাৰে। তেনেকুৱা কিবা হ'লে তাই ইকুল সিকুল দুয়োকুলেই হেৰুৱাব।

"কেনেকুৱা দেখিলা? তোমাৰ ভাল নালাগিলে হ'বলা?"

"এনেই ভালেই লাগিল। কিন্তু ঘৰবোৰ বৰ কনজাষ্টেড্। তদুপৰি অধিকাংশ মানুহৰে স্বাস্থ্যও ইমান ভাল নহয়।"

"আমাৰ তাত সকলো বাংলাদেশৰপৰা অহা মানুহৰ বসতি। এওঁলোক ছিন্নমূল হোৱা মানুহ। ইটো সিটো কৰি কোনোমতে পেট প্ৰবৰ্তাই আছে। জীয়াই থকাৰ

সুবিধাখিনি কৰিব পাৰিলেহে দেহাৰ ফালে মন-কাণ দিব পাৰিব।"

পাৰমিতাৰ বেয়া লাগিল। এই বিষয়ে তাই আৰু একো নক'লে। কিছুপৰ মনে মনে থাকি প্ৰবীৰে ক'লে, "এনেই দেখাত মা-দেউতাৰ লগত আমাৰ সম্পৰ্কটো ঠিক হৈ আহিল যেন লাগিলেও ব্যৱধান এটা থাকিয়েই গ'ল।

"ব্যৱধান থাকি গ'ল!"

"চোৱা মিতা, এফালে তোমাৰ মা-দেউতাৰ-সমাজ, আনফালে, মোৰ মা-দেউতাৰ সমাজ— এই সমাজ দুখনৰ মাজত কেতবোৰ বিবোধ আছে। ভাষিক, সাম্প্ৰদায়িক, অৰ্থনৈতিক কাৰণত এতিয়াও সাধাৰণ অসমীয়া সমাজখনে অসমৰ বঙালী সম্প্ৰদায়ক সম্পূৰ্ণভাৱে বিশ্বাসত ল'ব নোৱাৰে। বিশেষ এইটো কাৰণেই দুয়োখন সমাজতে তোমাৰ মোৰ স্থিতিটো কেতিয়াবা অস্বস্তিকৰ হ'ব পাৰে।"

"বিয়াৰ আগতে ককাইদেৱে মোক এইবিষয়ে কৈছিল। কিন্তু তোমালোকৰ ঘৰলৈ গৈ মই দেখোন তেনেকুৱা কোনো অসুবিধা নাপালো। তোমাৰ মা-দেউতাৰাই মোক যথেষ্ট মৰম কৰিলে।"

"সেয়া একপ্ৰকাৰ উপায়ন্তৰ হৈ। মোক, মানে আমাক অস্বীকাৰ কৰিলে তেওঁলোকৰ ভৱিষ্যৎ বেছিকৈ অনিশ্চিত হৈ পৰিব। মোৰ জড়িয়তে যিমানখিনি আশা কৰিছিল, তাৰ একোৱেই পোৱা নাই। সেইবুলি তেওঁলোকে মোক সকলোফালে হেৰুৱাব খোজা নাই। আনহাতে, তোমালোকৰ ঘৰখনৰ আৰ্থিক অৱস্থা আমাৰ ঘৰখনতকৈ বহুত ভাল। মোৰ বাবে তুমি-গুচি অহাৰ বাবে মা-দেউতাৰাই কষ্ট পাই আছে। দুখ-বেজাৰত অসুস্থও হৈ পৰিছিল। তথাপি তোমাৰ প্ৰতি তেওঁলোকে এতিয়াও নমনীয় মনোভাৱ গ্ৰহণ কৰা নাই।"

পাৰমিতাৰ মুখখন শেঁতা পৰিল। বুকু ভঙা নিশ্বাস এটা পেলাই ক'লে, "মা দেউতাই চাগে ধৰিয়েই লৈছে— মই মৰি গৈছো। মোৰ প্ৰতি তেওঁলোকে কেনেকৈ যে ইমান নিষ্ঠুৰ হ'ল ভাবিয়েই নাপাওঁ। দেউতাৰ খং বেছি, তেওঁ নাহে। মায়ে অন্ততঃ এবাৰ আহিব লাগিছিল। মোৰ যাবলৈ মন যায়, বুজিছা! অকল দেউতাৰ খং আৰু গালিৰ কথা ভাবি নাযাওঁ।"

প্ৰবীৰে তাইৰ দুখ-বেজাৰ বুজিব পাৰে। কৰপেটা বঢ়লৈ গৈ শহুৰ-শাহুৰেকৰ মৰম-চেনেহ পাই পাৰমিতাৰ মাক-দেউতাকলৈ বেছিকৈ মনত পৰিছে। তাইৰ দুখ-বেদনা পাতলাবৰ বাবে সিও উপায় বিচাৰে। কিন্তু-মাক-দেউতাকৰ মৰম-চেনেহৰ প্ৰতি সন্তানৰ যিটো আকৰ্ষণ, সেয়া কেনেকৈ পূৰাব?

"মিতা, তুমি এবাৰ যোৱা—।"

"নাযাওঁ।" যন্ত্ৰণাগধুৰ মাতেৰে পাৰমিতাই কৈ উঠিল, "মোক পাহৰি থাকিব

পাৰিলে মই কিবা তেওঁলোকক পাহৰিব নোৱাৰিম নেকি?"

"এয়া তুমি জেদৰ বশৱৰ্তী হৈ কৈছা।" প্ৰবীৰে ক'লে, "চোৱা, তোমাক মই আগতেও কৈছো— ককাইদেউ, নিতু আমাৰ ইয়ালৈ আহে। এতিয়া তুমি এবাৰ যোৱাটো ভাল হ'ব। দেউতাৰাই খং কৰিব বুলি ভাবিছা যদি তেখেত অফিচত থকা সময়ত যোৱা।"

"তেনেকৈ নক'বা—।" পাৰমিতাৰ দুচকুত চকুলো, "নাযাওঁ বুলি কৈছো যেতিয়া নাযাওঁ।"

খং কৰিলেও পাছত প্ৰবীৰৰ কথাটোৰ যথাৰ্থতা পাৰমিতাই বিচাৰি পালে। মাক-দেউতাকক চাবলৈ যোৱাটো তাইৰ কৰ্তব্য। গৈ ওলালে মাকে একো নকয়। কিন্তু দেউতাকে কিবা-কিবি ক'বই। তেওঁৰ কথাবোৰৰ যাতে যথোচিত উত্তৰ দিব পাৰে তাৰ বাবে মানসিকভাৱে সাজু হ'ল। তথাপি যোৱাৰ উৎসাহ পোৱা নাছিল। এনেতে আমবাৰীৰ ফালৰ বান্ধৱী মণীষাক লগ পালে। মণীষাই জনালে, পুলিচে হেনো দিগন্তক এদিন থানালৈ লৈ গৈছিল। অস্থিৰ হৈ পাৰমিতা সিদিনাই ওলাল।

সুদীৰ্ঘ চাৰে-তেৰ মাহ পাছত মাকৰ ঘৰলৈ যাব— কথাটো ভাবোতেই তাইৰ ভাল লাগি গ'ল। আমবাৰী ষ্টপেজত চিটিবাছৰপৰা নামি বেয়া লাগিল। ইয়াত তাইৰ জন্ম হৈছিল। ল'ৰালি কালৰপৰা ইয়াতেই একৈচটা বছৰ অতিবাহিত কৰিছিল। প্ৰবীৰক বিয়া কৰাবৰ বাবে মাক-দেউতাকে তাইক বেয়া পালে। তেওঁলোকৰ ওপৰত অভিমান কৰি-কেনেকৈ এইটো পৰিৱেশৰপৰা ইমানদিন আঁতৰি থাকিল?

ৰাজআলিৰপৰা ঘৰলৈ যোৱা আলিটো আগতকৈ ভাল হৈছে। সকলো আগৰ দৰে আছে যদিও দুই এখন নতুন দোকান দেখা গ'ল। চিনাকি মানুহবোৰে কৌতূহলৰে তাইলৈ চাইছে। পাৰমিতাই তাতে অস্বস্তিবোধ কৰিছে। নাই, ইমানদিন নহাকৈ থকাটো উচিত হোৱা নাই। কিন্তু কি আচৰিত, ঘৰটোৰ ওচৰলৈ আহি মনটোৱে আকৌ বিদ্ৰোহ কৰি উঠিল। আকৌ তাই ভাবিলে, "নাই নাযাওঁ। এইখন ঘৰৰ লগত মোৰ আৰু কোনো সম্পৰ্ক নাই।" অথচ উভতি যাবও পৰা নাই। নিঃশব্দে গেটখন খুলি ক'ব নোৱাৰাকৈয়ে ভিতৰলৈ সোমাল। যেন অদৃশ্য শক্তি এটাই তাইক টানি লৈ আহিল।

চাৰে এঘাৰ বাজিছে। আজি বিশ্ববিদ্যালয় বন্ধ কিন্তু চৰকাৰী অফিচবোৰ খোলা। ঘৰত দেউতাক নাই। ককায়েকও নাই। দিগন্ত থাকিলেও থাকিব পাৰে। বাৰণ্ডাত উঠি পাৰমিতা ৰ'ল। বুকুখন গধুৰ। লাহে লাহে ভিতৰলৈ সোমাই আহিল।

কতদিন মাকক 'মা' বুলি মতা নাই। মাতিবলৈ কেনেকুৱা এটা জড়তা। শেষত আবেগৰুদ্ধ আকুলতাৰে মাতিলে, "মা—।"

অনিমাদেৱী কাষৰ কোঠালিটোত আছিল। মাত শুনা মাত্রকে তেওঁ পাৰমিতা অহা বুলি গম পালে। কোবাকুবিকৈ ইটো কোঠালিলৈ আহি চিঞৰি দিলে, 'মিতু—।"

মাকৰ পিনে চাই পাৰমিতা থৰ লাগি গ'ল। স্বাস্থ্য বেয়া হৈ পৰিছে। শৰীৰৰ আগৰ উজ্জ্বলতাটো নাই। দুচকুৰ তলত কালিমা। মুখখন শেঁতা পৰা।

ইমান দিনৰ পাছত হঠাৎ জীয়েকক দেখি অনিমাদেৱী হতভম্ভ হৈ পৰিল। তেওঁ মাতিব পৰা নাই। কেৱল ওঁঠ দুখন অলপ অলপকৈ কঁপিছে।

মাকৰ ভগ্ন-স্বাস্থ্য আৰু মুখখনৰ কষ্ট-যন্ত্রণা দেখি পাৰমিতাৰ মনত দ'ম হৈ থকা মান-অভিমান ভাঙি চুৰমাৰহৈ গ'ল। "মা-মা" বুলি চিঞৰি উঠি তাই দৌৰ মাৰি আহিল। যেন বহুত দিনৰ পাছত হেৰাই যোৱা মাকক লগ পাইছে। দুই হাতেৰে সাবটি ধৰি সশব্দ কান্দোনত ভাগি পৰিল।

কন্দা-কটাৰ পাছত অনিমাদেৱীয়ে জীয়েকৰ হাতত ধৰি, আতৌ-পুতৌকৈ চাবলৈ ধৰিলে। বিয়াৰ পাছত প্রায় চৈধ্য মাহ ধৰি ঘৰসংসাৰ কৰি জীয়েকৰ কি কি পৰিবর্তন হ'ল— সেইবোৰ তেওঁ বিচাৰি উলিয়াবলৈ ধৰিলে। নাই, কমনীয়তা অলপ, কমাৰ বাহিৰে পাৰমিতাৰ বিশেষ পৰিবর্তন হোৱা নাই। অনিমাদেৱীয়ে সিহঁতৰ ঘৰতোৰ বিষয়ে সোধ-পোছ কৰিলে। বিহাবাৰীৰ কোনটো এলেকাত সেইতো ঘৰ, পৰিবেশটো কেনেকুৱা, ভাৰাঘৰটোৰ মালিকৰ ব্যৱহাৰ কেনেধৰণৰ, ঘৰটোত সা-সুবিধাখিনি আছেনে নাই . ? ইফালে পাৰমিতাৰ মনতো অনেক প্রশ্ন। মাকৰ ব্লাদ প্রেছাৰ বাঢ়িছিল, ডাক্তৰে পৰীক্ষা কৰি কি কি দৰব দিলে, দৰব খোৱাৰ পাছত এতিয়া গাটো কেনেকুৱা আদি জানি লোৱাৰ পাছত এবুকু আবেগ লৈ তাই দেউতাকৰ কথা সুধিলে।

"দেউতাৰৰ ভাল নহয়। তই যোৱাৰ পাছৰেপৰা ইটো-সিটো লাগিয়ে আছে। মানুহটো এতিয়া মানুহ হৈ থকা নাই।" গধুৰ মাতেৰে অনিমাদেৱীয়ে কৈ গ'ল, "আজিকালি এচিডিটি হয়। বেছিকৈ চিন্তা কৰে— হাইপাৰ টেনশ্বন। এফালে তোক লৈ চিন্তা। আনফালে দিগন্ত। তহঁত দুটাৰ চিন্তাত তেওঁ ৰাতি শুব নোৱাৰে।"

ইমানবোৰ ঘটনা ঘটি গৈছে। পাৰমিতাই এইবোৰ নাজানেই। ককায়েক-ভায়েকে তাইক মাক-দেউতাকৰ স্বাস্থ্যৰ বিষয়ে একো কোৱা নাই।

"দেউতাই ডাক্তৰক দেখুৱালে নে নাই।" অনিমাদেৱীয়ে ক'লে, "আৰম্ভণীৰেপৰা দেখি আছো মানুহটো আত্মাভিমানী। সদায়ে আত্ম-মর্যাদাক ধৰি ৰাখিবলৈ চেষ্টা

কৰে। ইমানদিন তেনেকৈয়ে চলি আহিল। এতিয়া তইঁতৰ কালত সেইবোৰ ধৰি ৰাখিব পৰা নাই। তইঁতেই দেউতাৰাৰ সেইবোৰ ধৰি ৰাখিবলৈ দিয়া নাই। ঘৰখন ভাঙি পৰিছে।"

পাৰমিতাৰ ভিতৰখন দুৰ্বল হৈ পৰিল। দেউতাকক এবাৰ চাবলৈ তাইৰ বৰ মন গ'ল।

"প্ৰবীৰৰ কথা ক'চোন—।" অনিমাদেৱীয়ে তাৰপাছত ক'লে, "আগৰ দৰেই আছে নে সি অলপ শকত-আবত হ'ল? চাকৰি কৰিছে, পঢ়িছেও। পৰীক্ষাত তইঁত দুটায়ে বেচ ভাল ৰিজাল্ট কৰিলি! ইফালে প্ৰবীৰে হেনো এতিয়াৰ চাকৰিটোতকৈ ভাল চাকৰি এটা পাব! ল'ৰাটোৱে পাৰিছে দেই! তাক লৈ নাহিলি কিয়?"

মাকে প্ৰবীৰৰ বিষয়ে যেনেকৈ সোধ-পোছ কৰিছে তাতে ভাল লগাৰ পৰিবৰ্তে পাৰমিতাৰ খং উঠিল।

"ঘৰুৱা কথাবোৰত সি কেনেকুৱা অ'? "মাতটো নমাই আনি অনিমাদেৱীয়ে সুধিলে, "ভাল পাই বিয়া কৰোৱাৰ পাছত নানাধৰণৰ সমস্যা দেখা দিয়ে। বহুতৰে ঘৰুৱা জীৱন সুখৰ নহয়। তইঁতৰ তেনেকুৱা একো হোৱা নাইতো? বন কৰা ল'ৰা নাইবা ছোৱালী এটা লোৱা নাই। প্ৰবীৰে তোক ইটো-সিটো কামত সহায় কৰে নে? নে ডাবি-ধমকি দিয়ে? ঘৰৰ সকলোৰে আপত্তি সত্ত্বেও তেনেকৈ গুচি গ'লি। প্ৰবীৰৰ লগত সচাঁকৈয়ে সুখী হ'ব পাৰিছ নে?"

এইবাৰ পাৰমিতাৰ ধৈৰ্য টুটিল। খঙেৰে জ্বলি উঠি ক'লে, "এতিয়া এইবোৰ কথা ইমানকৈ কিয় সুধিছা? প্ৰবীৰক ভাল পাইছিলো, প্ৰবীৰৰ বাবে ঘৰ এৰিলো— এইটোৱেই মোৰ অপৰাধ। ঘৰৰপৰা ওলাই ইমান দিন মই ক'ত আছো, কি খাইছো, কেনেকৈ দিনবোৰ কটাই আছো, বেমাৰ-আজাৰত পৰিছো নে নাই ... এইবোৰ এবাৰো চাবৰ প্ৰয়োজন অনুভৱ নকৰিলা। তেনেকৈ মৰি গ'লেও তোমালোকে মোক চাবলৈ নগ'লাহেঁতেন।"

"তেনেকৈ নকবি, মাজনী। মই তইঁতৰ খা-খবৰ লৈয়ে আছো। বিমান-নিতু-ৰাজীৱৰ উপৰিও মণীষাই তোৰ খবৰ দি থাকে—।"

"সেইবোৰ আনৰ জৰিয়তে লোৱা খবৰ। মা হৈ কেনেকৈ তুমি ইমানদিন মোক নেদেখাকৈ থাকিব পাৰিলা? দেউতা নগ'লেও তুমি মোক এবাৰ চাবলৈ যাব পাৰিলাহেঁতেন! কতদিন তোমালৈ বাট চালো— নাই, তুমি নগ'লা। কেনেকৈ তুমি মোৰ প্ৰতি ইমান নিষ্ঠুৰ হ'ব পাৰিলা?"

এইবোৰ প্ৰশ্নৰ কোনো উত্তৰ নাই। কোনো মাতৃয়েই সন্তানৰ এনেবোৰ প্ৰশ্নৰ

উত্তৰ দিব নোৱাৰে।

"আজি আহিলো— এতিয়া সুধিছা, প্ৰবীৰক লৈ মই সুখী হ'ব পাৰিছো নে নাই!" পাৰমিতাই কৈ গ'ল, "নিজৰ মত অনুসৰি বিয়া কৰালো যেতিয়া হেজাৰ কষ্ট হেজাৰ অশান্তি থাকিলেও মই এতিয়া সুখী বুলিয়েই ক'ব লাগিব। মই এতিয়া তোমালোকতকৈ বেলেগ। প্ৰবীৰক লৈ মই বেলেগকৈ ঘৰ পাতিলো। ইমানদিনেও আমাৰ ঘৰখন এবাৰ নাচালা যেতিয়া এতিযা আৰু সেইবোৰ নুসুধিবা।"

"মাজনী, কথাবোৰ তই তেনেকৈ কিয় কৈছ? আমি তোক বেলেগ কৰি দিয়া নাই। তইহে নিজকে বেলেগ কৰি লৈ গুচি গ'লি।" কৰুণ মাতেৰে অনিমাদেৱীয়ে ক'লে, "আনহাতে, মোক যে তইতৰ ঘৰখন চাবলৈ যোৱাৰ কথা কৈছ— এইফালৰপৰা মোৰ অৱস্থাটো তই চিন্তা কৰা নাই কিয়? ঘৰৰপৰা ওলাই গ'লি— যোৱাৰ পাছত বাপেৰৰ অৱস্থাটো কেনেকুৱা হ'ল এবাৰো ভাবিছিলি নে? মানুহটো চাৰিটা দিন ঘৰৰপৰা ওলোৱা নাছিল। ভাত-পানী এৰিছিল। ৰাতি শুব নোৱাৰিছিল। শেষত বিছনাৰপৰা উঠিব নোৱাৰা হ'ল। মই জানো, বাপেৰে যিটো অহংকাৰ আৰু বংশ-মৰ্যাদা লৈ চলিছে এতিয়া তেওঁৰ সিমানখিনি থকাতো উচিত নহয়। কিন্তু সেইবোৰ ৰক্ষা কৰিব নোৱাৰাৰ বাবে তেওঁৰ মনত যেনেকুৱা দুখ-বেদনা সেইটো অৱস্থাত ময়ো যদি তেওঁৰ মন ৰক্ষা কৰি নচ'লা, মানুহটো ভাগি নপৰিবনে? মই লিখা-পঢ়া সিমান শিকা নাই। তইতৰ দৰে ভাল-বেয়া কথাবোৰ ইমানকৈ বুজি নাপাওঁ। কিন্তু এইখিনি মই জানো যে বাপেৰৰ এইটো বয়সত ময়ে শেষ ভৰষাস্থল। এইটো বয়সত তেওঁ নিবিচৰা, তেওঁ বেয়া পোৱা কাম মই কেনেকৈ কৰো? এইখন ঘৰত জনম লৈ, ইয়াত ডাঙৰ-দীঘল হৈ, ইমানখিনি লিখা-পঢ়া শিকি তই যদি অকল প্ৰবীৰৰ বাবে ঘৰখন এৰি যাব পাৰ; ইমানবছৰ ঘৰ-সংসাৰ কৰি দেউতাৰৰ প্ৰতি মোৰ জানো দায়িত্ব-কৰ্তব্য নাথাকিব? ভাল পালি বুলি প্ৰবীৰক লৈ বেলেগকৈ ঘৰ এখন পাতিবৰ বাবে তই আমাৰ প্ৰতি ইমান নিৰ্মম হৈছ, ইফালে ইমান বছৰত গঢ়ি তোলা এই ঘৰখনক জানো মই ৰক্ষা কৰিব নালাগিব?"

এয়া কি কৈছে মাকে? অবাক হৈ পাৰমিতাই মাকৰ পিনে চালে। মাতিব নোৱাৰিলে। তাইৰ এনেকুৱা এটা ভাব হ'ল যেন এইগৰাকী তাইৰ মাক নহয়। বিচ্ছিন্নতাৰ সুতীব্ৰ যন্ত্ৰণাৰে তাইৰ কলিজাখন ফাটি চিৰা-চিৰ হৈ পৰিল।

মাকক বেলেগ এটা ৰূপত চিনিবলৈ পাই পাৰমিতা ভিতৰি ভিতৰি ভাঙি পৰিল।

তেতিয়াই গুচি যাবলৈ মন কৰিলে। কিন্তু একো এটা নোসোধাকৈ মাকে তেতিয়া দুখন কাঁহিত ভাত-দাইল যতনাই লৈছে। তাৰমানে অনিমাদেৱীয়ে ধৰিয়ে লৈছে যে পাৰমিতাই তেওঁৰ লগত খাব। দৃশ্যটো দেখি বিদায় লোৱাৰ কথাটো ক'বলৈ বেয়া লাগিল। আকৌ আচহুৱা ধৰণৰ এক দুৰ্বলতা অনুভৱ কৰিলে। লগতে তাইৰ মনত প্ৰশ্ন এটা উদয় হ'ল, সকলোকে অস্বীকাৰ কৰি ঘৰ এৰি যোৱাটো সঁচাকৈ উচিত হোৱা নাছিল নেকি?

অনিমাদেৱীয়ে তাইক খাবলৈ মাতিলে। উচ্-বাইচ নকৰি বাধ্য ছোৱালীৰ নিচিনাকৈ পাৰমিতা টেবুলত খাবলৈ বহিল।

কতদিন পাছত মাকে বাঢ়ি দিয়া এসাঁজ ভাত। খাবলৈ লৈ তাইৰ দুই চকুৰেদি চকুলো নামি আহিল।

অনিমাদেৱীৰো সেই একে অৱস্থা।

ভালকৈ খোৱা নহ'ল। কিন্তু দুয়োৰে বুকুত দ'ম হৈ থকা দুখ-যন্ত্ৰণা বহুতখিনি কমিল। তাৰপাছত মাক-জীয়েকৰ আলোচনাত ঠাই পালে দিগন্তৰ প্ৰসংগ। দেশৰ ডেকা এচামৰ মনত বিদ্ৰোহী চেতনাৰ সৃষ্টি হৈছে। দেশমাতৃক শোষণমুক্ত কৰিবৰ বাবে সিহঁতে নিজস্ব ধৰণেৰে সংগ্ৰাম কৰিছে। সেইটো সোঁতত দিগন্ত ভাহি গৈ আছে। সিদিনা পুলিচে তাক ঘৰৰপৰা গাড়ীত তুলি লৈ গৈ সোধ-পোছ কৰি সাৱধান কৰি পঠিয়ালে। ঘৰতো তাক বুজোৱা হ'ল। আৰক্ষীত প্ৰশ্ৰয় দিলেও দেউতাকেও সিদিনা তাক গালি পাৰিলে। তথাপি তাৰ পৰিবৰ্তন হোৱা নাই।

ভাত-পানী খাই বৈ উঠি পাৰমিতা যাবলৈ ওলাল। অথচ ভৰিত জোৰ পোৱা নাই। দেউতাকৰ শৰীৰ-মন ইমান বেয়া বুলি গম পালে, এবাৰ চাব পাৰিলে মনটোৱে শান্তি পালেহঁতেন। আবেলিলৈকে থাকিলে চাই যাব পাৰে। অনিমাদেৱীয়ে তাইক অপেক্ষা কৰিবলৈ কাবৌ কৰিলে। পাৰমিতায়ো ভিতৰি ভিতৰি থাকিবলৈ বিচাৰে। অথচ অভিমানে তাইক এতিয়াও মুক্তি দিয়া নাই। তাইৰ ক'বলৈ মন গ'ল, প্ৰবীৰক বিয়া কৰোৱাই তাই যেনিবা ভুলেই কৰিলে। এইটো এনে এটা ভুল—যাক সংশোধন কৰিব নোৱাৰি। তথাপি নিজৰ সন্তান হিচাপে দেউতাকে তাইক ক্ষমা কৰিব পৰা নাই কিয়? সন্তানৰ প্ৰতি মৰম চেনেহতকৈ পাৰিবাৰিক-সামাজিক মৰ্যাদাটো ডাঙৰ নে? ... কিন্তু নক'লে। তেনেকৈ কৈ মাকক আঘাত দিবলৈ তাইৰ বেয়া লাগিল।

আমবাৰীত চিটি বাছত উঠি প্ৰথমতে কাছাৰী, কাছাৰীৰপৰা খানাপাৰাগামী আন এখন বাছেৰে উলুবাৰীত নামি কেনেকৈ ভাৰাঘৰটোলৈ আহিল তাই ক'ব নোৱাৰে। মনত অপৰিসীম দুখ-বেজাৰ। দেহাত ভাগৰ। তাইৰ বাবে জীৱনটো এতিয়া

গ্লানিময়। কোনোমতে বন্ধ দুৱাৰখনৰ তলাটো খুলি ভিতৰলৈ সোমালে। হাত ভৰি ধোৱাৰ শক্তি নাই। তেনেকৈয়ে বিছনাত পৰিল। তাৰপাছত কান্দোন, কান্দোনত মূৰত লোৱা গাৰুটো তিতি গ'ল।

পাঁচ বজাৰ আগতেই অফিচৰপৰা ওলাই বজাৰ-সমাৰ কৰি প্ৰবীৰ ঘৰ পালেহি। বিয়াৰ পাছত আজি এই প্ৰথম পাৰমিতা মাকৰ ঘৰলৈ গৈছে—অঘটন কিবা ঘটিব পাৰে বুলি মনত আশংকা এটা খেলাই আছে। পাৰমিতা আহি পাইছে দেখি সি নিশ্চিত হ'ল। মাকৰ ঘৰত কি ঘটিল, মাক-দেউতাকে তাইক কেনেকৈ গ্ৰহণ কৰিলে .. আদি জানিবৰ মন। কিন্তু পাৰমিতা যেনেকৈ শুই আছে, তাইৰ মুখখনত যেনেকুৱা এটা বিষণ্ণতা ... তাইক মাতিবলৈ প্ৰবীৰৰ বেয়া লাগিল। বজাৰৰপৰা কিনি অনা বস্তুকেইপদ যথাস্থানত থৈ মুখ-হাত ধুলে। ষ্টভটো জ্বলাই চাহৰ কেটলিটো তুলি দি পাৰমিতাৰ কাষলৈ আহিল। তাইৰ মুখখনত অবিনস্তভাৱে পৰিছে কেইডালমান চুলি। চুলিকেইডাল আঁতৰাই প্ৰবীৰে তাইৰ গালত এটা চুমা আঁকি দিলে।

ধহমহকৈ পাৰমিতা উঠি বহিল। সমুখত প্ৰবীৰক দেখি তাই আশ্বস্ত হ'ল।

পাৰমিতাৰ মুখখনত আবেগ নাই। চাৱনিত নাই অনুৰাগ। অৰ্থহীন দৃষ্টিৰে প্ৰবীৰৰ পিনে চাই থাকিল। খন্তেক পাছত নিস্তেজভাৱে বিচনাৰপৰা নামিল। মাত এষাৰো নিদি বাথৰুমত সোমাল।

প্ৰবীৰৰ বুকুখন গধুৰ হৈ পৰিল। চিন্তিতভাৱে টেবুলৰ ডাঙৰ প্লেট এখনত খোৱাবস্তুবোৰ বাঢ়ি লৈ পিয়লা দুটাত চাহ বাকি ল'লে।

বাথৰুমৰপৰা ওলাই পাৰমিতা প্ৰবীৰৰ সমুখৰ চকীখনত বহিল।

টেবুলত ধুমায়িত চাহ, ব্ৰেড, কল ... অথচ সেইবোৰলৈ কাৰো চকু নাই।

পাৰমিতাৰ পিনে চাই মিচিকিয়াই হাঁহি প্ৰবীৰে ক'লে, "বেয়া কিবা ঘটিলে যেন পাইছো—।"

"প্ৰবীৰ—।" যন্ত্ৰণাগধুৰ মাতেৰে পাৰমিতাই ক'লে, "তোমাৰ কেতিয়াবা এনে এটা ধাৰণা হয় নেকি যে মোক বিয়া কৰাই তুমি ভুল কৰিছা?"

তাৰমানে মাকৰ ঘৰত পাৰমিতাই কাজিয়া কৰাটো খাটাং। গহীন মাতেৰে প্ৰবীৰে ক'লে, "চাহ ঠাণ্ডা হৈ যাব, খাই লোৱা—।"

চাহৰ পিয়লাটো তুলি লৈ অন্যমনস্কভাৱে পাৰমিতাই শোহা এটা মাৰিলে।

"তুমি কিন্তু মোৰ প্ৰশ্নৰ উত্তৰ নিদিলা।"

প্ৰবীৰে ঘূৰাই প্ৰশ্ন কৰিলে, "মাৰাৰ ঘৰৰপৰা আহি একো নকৈ চিধা এইটো প্ৰশ্ন সুধিলা যে?"

পাৰমিতা নিমাত।

"তাৰমানে—।" প্ৰবীৰে ক'লে, "তাত এনেকুৱা কিবা ঘটিলে যাৰ বাবে তুমি নিজেই এইটো ভাবনাৰে আলোড়িত হৈছা।"

"তোমাক মই বিয়া কৰোৱাটো এতিয়াও দেউতাই মানি ল'ব পৰা নাই।"

"তাৰ বাবে হতাশ হ'ব নালাগে। হতাশ হোৱা মানেই দুখ-বেজাৰত কষ্ট পোৱা।"

"তথাপি—।"

প্ৰবীৰৰ হাঁহিটো অৰ্থপূৰ্ণ হৈ উঠিল। হাঁহি হাঁহিয়ে ক'লে, "তুমি চাগে এতিয়া ভালদৰেই বুজিব পাৰিছা যে অকল প্ৰেমিকক লৈ সংসাৰখনত সুখী হ'ব নোৱাৰি।"

"নাই, তেনেকৈ নক'বা। মোৰ বাবে তোমাতকৈ ডাঙৰ একোৱেই নহয়। মোৰ বেয়া লাগিছে দেউতাৰ কথা ভাবি। ইমান দিনৰ পাছতো আমাৰ প্ৰতি দেউতাৰ আপোচহীন মনোভাবটোৰ বাবেই মোৰ মনত এতিয়া এনেবোৰ ভাব-ভাবনা খেলাই আছে।"

"তাৰ বাবে তোমাক মই বেয়া পোৱা নাই। বৰঞ্চ তোমাৰ মনত যে অৱশেষত এইবোৰ চিন্তাৰ উদয় হ'ল, তাৰ বাবে সকাহ পাইছো।" শান্তভাবে প্ৰবীৰে ক'লে, "বিয়াৰ পাছত তোমাৰ মনোভাবটো এনেকুৱা আছিল যেন আমি দুটা স্বয়ংসম্পূৰ্ণ। আমাক আৰু মা-দেউতাইঁতক নালাগে, আত্মীয় স্বজন নালাগে, দেশ-সমাজ নালাগে। এতিয়া নিশ্চয় বুজিব পাৰিছা, প্ৰেমিকৰ মৰম-চেনেহৰ উপৰিও পৰিয়াল, আত্মীয়-স্বজনৰ মৰম-চেনেহ আশীৰ্বাদ শুভেচ্ছাৰে জীৱনটো অধিক অৰ্থবহ হৈ উঠে। সেই কাৰণেই দিগন্ত আৰু ককাইদেউৰ লগতো মই প্ৰথমৰেপৰাই সহজ সম্পৰ্ক এটা গঢ়ি তুলিবলৈ যত্নশীল আছিলো।"

"সেইবোৰ তুমি ঠিকেই কৰিছিলা। কিন্তু দেউতাই এতিয়াও আমাক স্বীকাৰ কৰি ল'ব পৰা নাই কিয়? তোমাৰ দেউতাৰাই যিটো পাৰিলে, মোৰ দেউতাই...।"

"মোৰ দেউতাই কিয় আমাক ইমান সোনকালে স্বীকাৰ কৰি ল'লে, সেই বিষয়ে সিদিনা তোমাক ক'লোৱেই। আনহাতে, তোমাৰ দেউতাৰাই কোনোদিনেই আমাক স্বীকাৰ নকৰিব বুলি মই নাভাবো। মোৰ বিশ্বাস, তোমাৰ প্ৰতি মৰম চেনেহেই তেওঁৰ খং বেয়া পোৱাটো নাইকিয়া কৰি আনিব। যিহওক, আজি যোৱাৰ বাবে ভাল হ'ল। তুমি তোমাৰ দায়িত্ব পালন কৰিলা। এতিয়া দেউতাৰাৰ মনটো কোমল হৈ আহিব। তেওঁ নিজেই আহি ওলাব পাৰে।"

"নাহে। কষ্ট-বেদনাত ভাঙি পৰিলেও দেউতা নাহে।"

"নাহিলে আমি যাম। এল্-আই-চিৰ চাকৰিটো পালেই তলৰ তিনি কেঠালীয়া ঘৰটো ভাৰা ল'ম। তাৰপাছত আমি দুয়ো মাতিবলৈ যাম। তেতিয়া তেওঁলোক

নহাকৈ থাকিব নোৱাৰে।"

প্ৰবীৰৰ পৰিকল্পনাটো শুনি পাৰমিতাৰ ভাল লাগিল। তথাপি মনটো তাইৰ মুকলি নহ'ল।

"কি হ'ল, এতিয়াও তুমি মন মাৰি আছা?"

"মাৰ কথা এটাৰ বাবে বেয়া লাগি আছে।"

"কি কথা?"

"মই হেনো তোমাক লৈ বেলেগকৈ ঘৰ-সংসাৰ পতাৰ বাবে স্বাৰ্থপৰৰ দৰে তেওঁলোকক এৰি আহিলো—।"

"আমাৰ ঘৰৰপৰা মোৰ বিৰুদ্ধেও তেনেকুৱা অভিযোগ উঠিছিল। আমি সেইবোৰ বিৰোধীতা কৰি আগবাঢ়ি আছো।" প্ৰবীৰে ক'লে, "আৰু ইমান বিৰোধীতাৰ পাছতো যে একেলগে আছো, এইটো আমাৰ বাবে গৌৰৱৰ কথা। জেদৰ বশৱৰ্তী হৈ বিয়াটো অলপ লৰালৰিকৈ পতাৰ বাহিৰে আমি কোনো অন্যায় কৰা নাই। সঁচাকৈয়ে যে আমি অন্যায় কৰা নাই, লাহে লাহে সেইটো প্ৰমাণিতও হৈছে।"

"ঘৰখন এৰি অহাৰ প্ৰসংগত মায়ে আৰু এটা সাংঘাতিক কথা ক'লে। তেওঁ স্পষ্টকৈ বুজাই দিলে মই যেনেকৈ সকলোৰে ওপৰত তোমাক স্থান দিলো, তেওঁৰ বাবেও ঠিক তেনেকৈয়ে সন্তানতকৈ এতিয়া স্বামী ডাঙৰ। সেউতাই বেয়া পাব বুলিয়েই মায়ে আমাক চাবলৈ অহা নাই।"

"এটা বিশেষ পৰিস্থিতিত কথাটোৰ সত্যতা নুই কৰিব নোৱাৰি। তাৰ বাবে মাৰাক তুমি দুষিব নোৱাৰা। আচল কথাটো হ'ল, সকলোৰে ওপৰত আমি আমাৰ প্ৰেমক মৰ্যাদা দিছো যেতিয়া—এইবোৰ আমি সহ্য কৰিবই লাগিব।" প্ৰবীৰে ক'লে, "এনেও সকলো ফালে কোনেও সুখী হ'ব নোৱাৰে। কোনো এজন ব্যক্তিয়েই সংসাৰৰ সকলো সুখ একেলগে নাপায়। বৰঞ্চ বিচৰাটো পাবলৈ গৈ আন কিছুমান হেৰুৱাবলগীয়া হয়। জীৱনৰ বাবে, জীয়াই থকাৰ অৰ্থ বুজিবৰ বাবে, জীৱনৰ প্ৰকৃত সুখ-আনন্দৰ সন্ধান পোৱাৰ বাবে, সৰ্বোপৰি জীৱনটোক গতিশীল ৰাখিবৰ বাবে দুখ-যাতনা, অভাৱ-অনাটন, মানুহৰ অৱহেলা-অমৰ্যাদা অলপ-অচৰপ থাকিবই লাগে। এইবোৰে আমাক শিকায়। এইবোৰৰ মাজেদি আগবাঢ়িলে আমাৰ সংগ্ৰামী শক্তিটো বাঢ়ে। আমি নিৰ্ভয়হৈ উঠিব পাৰো। প্ৰয়োজন অনুসৰি জীৱনটোক পুৰ্ণবিন্যাস কৰিব পাৰো।"

আত্মবিশ্বাসেৰে দীপ্ত প্ৰবীৰৰ মুখখনলৈ চাই পাৰমিতাৰ দুখ-যাতনা কিছুখিনি কমি গ'ল। তাৰ পাছত দুয়ো খাবলৈ আৰম্ভ কৰিলে।

বোন্ন

বিগত বছৰটোত পঢ়া-শুনাৰ লগতে ঘৰুৱাভাৱে ইজনে সিজনক বুজি লওঁতে ব্যস্ত আছিল। এসময়ত দুয়োৰো মাজত কেতবোৰ বিৰোধে দেখা দিছিল। বিতৰ্ক হৈছিল। সেইবোৰৰ মাজেদি ইজনে-সিজনৰ মন-মানসিকতাৰ বিন্যাস বুজি'ব পাৰিলে। ব্যৱহাৰিক কথাবোৰৰ উপৰিও চিন্তাধাৰাতো দুয়োৰে ভঙাগঢ়াৰ কাম চলিল। তাতে সিহঁতৰ সম্পৰ্ক দৃঢ় হ'ল। পাৰস্পৰিক নিৰ্ভৰতাও বাঢ়িল।

এইবাৰো পাৰমিতা বিশ্ববিদ্যালয়লৈ যায়। ক্লাছ কৰে। প্ৰবীৰে অফিচ কৰে। আবেলি দুয়ো একেলগে ঘৰলৈ আহি জা-জলপান খাই বিশ্ৰাম ল'য়। সন্ধিয়াৰপৰা ৰাতি এঘাৰ চাৰে এঘাৰ বজালৈকে পঢ়া-শুনা কৰে। সমুখত এম্-এছ-চি ফাইনেল পৰীক্ষা। পিছে যোৱা বছৰৰ নিচিনাকৈ এইবাৰ পঢ়াত ইমান এটা উৎসাহ নাই। কামনাবাসনাবোৰে সিহঁতক অলপ অস্থিৰ কৰি তুলিছে। দৈহিক দিশত সংযম ৰক্ষা কৰিব পৰা নাই। দেহে এতিয়া দেহাৰ মাজত সুখ বিচাৰে। একো একোদিন ইমানেই অস্থিৰ হৈ পৰে যে কোনোধৰণৰ সাৱধানতাই মানি চলিব নোৱাৰে। মাকৰ ঘৰৰপৰা হতাশাৰ যন্ত্ৰণা লৈ অহাৰ পাছত পাৰমিতাৰ ক্ষেত্ৰত এইটো প্ৰবল হৈ দেখা দিছে। তাই যেন তেনেকৈয়ে দুখ-বেদনা পাহৰি থাকিব বিচাৰে। ঘৰুৱা জীৱনৰ প্ৰতিও তাইৰ আগ্ৰহ বাঢ়িছে। ঘৰখনক সুন্দৰভাৱে সজাই তুলিবলৈ পাৰমিতাই পৰিকল্পনা কৰে। বিবাহিতা তিৰোতাসকলৰ কোলাত ফুল-কুমলীয়া কেচুৱা দেখিলেই তাইৰ অন্তৰত মাতৃত্বৰ অনুভূতিবোৰেও ৰিণিকি ৰিণিকিকৈ বাজিবলৈ লয়।

আৰম্ভণীৰেপৰাই ঘৰুৱা কথাবোৰত প্ৰবীৰ উদাসীন। মাহৰ শেষত দৰমহাৰ টকাকেইটা আনি পাৰমিতাৰ হাতত তুলি দিয়ে। ঘৰখন চলাবৰ বাবে কেতিয়া কোনটো বস্তু লাগিব, এইবোৰ পাৰমিতাই চায়। ঘৰত প্ৰবীৰৰ কাম— পঢ়া আৰু লিখা। লিখা আৰু পঢ়া। পাৰমিতাই লিখি অনা নোটচ্খিনি বুজি লৈ প্ৰবীৰে

নিজৰ মতে লিখি লয়। তাৰপাছত সংশ্লিষ্ট অধ্যায়ৰ জটিল অংকবোৰৰ সূত্ৰ উলিয়াই পাৰমিতাৰ লগত আলোচনা কৰে।

ইতিমধ্যে সিহঁতৰ বাবে আৰু এটা সুখবৰ ওলাল। অ'ৰেল ইণ্টাৰ ভিউ দিয়াৰ এমাহ পাছত এল-আই-চিৰপৰা মেডিকেল টেষ্ট লোৱাৰ 'কল লেটাৰ' আহিল। মেডিকেল টেষ্টত উত্তীৰ্ণ হোৱাৰ লগে লগেই প্ৰবীৰলৈ নিযুক্তি পত্ৰ আহিল। ইফালে ফাইনেল পৰীক্ষাৰ তিনি মাহহে বাকী। নতুন চাকৰিত জইন কৰিবলৈ গৈ প্ৰবীৰে ডিভিশ্বনেল মেনেজাৰক লগ ধৰি পৰীক্ষাৰ কথা জনালে। চাকৰিত 'জইন' কৰিবলৈ সময় দিছে এমাহ। সকলো শুনি মেনেজাৰে প্ৰবীৰৰ কথাটো সহৃদয়তাৰে বিবেচনা কৰিলে। শেষত পৰীক্ষাৰ পাছত চাকৰিত 'জইন' কৰিলেও হ'ব বুলি তাক আশ্বাস দিলে। নিজকে ভাগ্যবান বুলি ভাবি সিদিনাই প্ৰবীৰে বেংকত ছুটীৰ দৰখাস্ত দাখিল কৰিলে। এতিয়া অকল পঢ়িব। পাৰমিতাৰ সৈতে প্ৰেকটিকেল ক্লাছবোৰ কৰি এম-এছ-চি ফাইনেল পৰীক্ষাৰ বাবে সাজু হ'ব।

এল আই-চিৰ চাকৰিটো বিষয়া পৰ্যায়ৰ। বেংকৰ চাকৰিটোতকৈ বাৰশ টকা দৰমহা বেছি। নতুন চাকৰিটোৰ দৰমহাৰে জীয়াই থকাটো আৰু অলপ উন্নত কৰিব পাৰিব। মালিকক অনুৰোধ কৰি তলৰ তিনি কোঠালীয়া ঘৰটো ল'ব। ভাৰা তিনিশ টকা বেছি— লওক। সেইখিনি টকা বেছিকৈ ভৰিলে চলিবলৈ অসুবিধা নহয়। আত্মীয়-স্বজন, আলহী-দুলহী আহিলে এটা ঘৰত যে অসুবিধা হয়— তাৰপৰা অব্যাহতি পাব। এনেয়ে সেইটো ঘৰ বেচ আহল-বহল। পাৰমিতাই বিচৰাধৰণেৰে সজাই ল'ব পাৰিব।

"এইবোৰ চাকৰি কৰিলে নহ'ব, দেই। তুমি লেক্‌চাৰাৰ হ'ব লাগিব। অসমৰ সম্পদসমূহৰ যে ষ্টেটিকৃটিকেল ইন্‌ভেষ্টিগেশ্বন এটা কৰিবা বুলি কৈছিলা— কথাটো মনত আছে নে নাই?"— পাৰমিতাই উচ্ছাসেৰে প্ৰবীৰক সুধিলে।

"আছে। বৰ্তমান অৱস্থাৰ প্ৰেক্ষাপটত এইটো কাম কৰাটো অতিকৈ প্ৰয়োজন। কিন্তু অসমৰ অধিকাংশ কলেজত ষ্টেটিকৃষ্টিক ডিপাৰ্টমেণ্ট নাই। লেক্‌চাৰাৰৰ চাকৰি পোৱাটো ইমান সহজ কথা নহয়।"— প্ৰবীৰে হাঁহি ক'লে।

"ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট হৈ ওলালে লেক্‌চাৰাৰৰ চাকৰি তুমি পাবাই।" জোৰ দি পাৰমিতাই ক'লে, "বেংক, এল-আই-চিৰ দৰে কমাৰ্ছিয়েল অৰগেনাইজেশ্বনত তোমাক সোমাই থাকিবলৈ নিদিও।"

"আপুনি? মহোদয়াই চাকৰি নকৰে নেকি?"

"দুজনীয়া ঘৰখনৰ বাবে ঘৰে-বাহিৰে দুয়ো কিয় চাকৰি কৰিব লাগে। মই ঘৰত থাকিম। তোমাৰ মাৰাৰপৰা 'সুক্তো', 'মুৰিঘণ্ট', 'চেচ্‌কি' আদি 'ৰান্না' শিকি আহি

ৰান্ধি-বাঢ়ি তোমাক খুৱাম, মই খাম। ল'ৰা-ছোৱালীহঁতক পঢ়ুৱাম। সময় পালে তোমাৰ ৰিচাৰ্ছৰ কামত সহায় আগবঢ়াম।"

তাৰমানে পাৰমিতাৰ মনত সজীৱ হৈ উঠিছে সুন্দৰ এটা জীৱনৰ পৰিকল্পনা। অৱশ্যে এইদৰে আগবাঢ়িব পাৰিলে বিচৰা ধৰণেৰেই সিহঁতে জীৱনটোক ৰূপায়িত কৰিব পাৰিব। কিন্তু পাৰমিতাই এতিয়াও সুখী হ'ব পৰা নাই। তাইৰ অন্তৰত এতিয়াও বিচ্ছেদৰ যন্ত্ৰণা।

"মা-দেউতাৰাৰ লগত মিল নহ'ল। এইটো বেদনা পাহৰিবৰ বাবেই নিজৰ সৰ্বস্ব দি তুমি মোক গঢ়ি তুলি তাৰ মাজত জীৱনৰ পৰিপূৰ্ণতা কামনা কৰিছা, নহয়নে?" — প্ৰবীৰে ক'লে।

পাৰমিতা নিমাত। অসহায় যদিও দুচকুত জীৱনতৃষ্ণ অনুৰাগ।

"মোৰপৰা তুমি যিটো কামনা কৰিছা, তাৰ বাবে মই আপ্ৰাণ চেষ্টা কৰিম। মোৰ বিশ্বাস, তোমাৰ উৎসাহ-প্ৰেৰণাৰে বহুতখিনি সাফল্যও অৰ্জন কৰিব পাৰিম। কিন্তু—।"

"কিন্তু? ইয়াত তুমি কি কিন্তু দেখিলা?"

"দেশৰ বৰ্তমান অৱস্থা ভাল নহয়। তোমাক এদিন কৈছিলো, হত্যা-অপহৰণ, প্ৰশাসনীয় দুৰ্নীতি-ব্যভিচাৰ, জাতি-গোষ্ঠীদ্বন্দৰ এইটো পৰিবেশত আমি নিজৰ বাবে ঘৰ এখন সাজিব খুজিছো।" প্ৰবীৰে কৈ গ'ল, "ৰাজীৱ-দিগন্তহঁতে সিহঁতৰ ঘৰটো অধিক সুৰক্ষিত কৰিবৰ বাবে সংগ্ৰাম কৰিছে। অসমৰ কেইবাটাও জাতিয়ে নিজৰ নিজৰ অস্তিত্ব সুৰক্ষাৰ বাবে সুকীয়াকৈ ঘৰ লাগে বুলি আন্দোলনমুখী হৈছে। ইফালে ঠাই কিন্তু এখনেই। এইখন অসমত সমন্বয়ৰ এনাজৰীৰে সকলোৰে থাকিব পৰা ঘৰ এখন সাজিব নোৱাৰিলে জীয়াই থকাটো আমাৰ বাবে শান্তিৰ নহ'ব। আৰু শান্তিৰ পৰিবেশ এটা সৃষ্টি নহ'লে সৃষ্টিশীল কোনো কামেই নহয়"

"আজিৰ এইটো পৰিস্থিতিত আমাৰ কৰণীয় কি?"

চিন্তিত মাতেৰে প্ৰবীৰে ক'লে, "আমি কোনো সংগঠনৰ লগত জড়িত নহয়। আমাৰ ক্ষমতা-শক্তি সীমিত। ইফালে দেশৰ বিভিন্ন প্ৰান্তত মানুহ সংগ্ৰামী হৈ উঠিছে—। মই কেতিয়াবা ভাবো, আমিও সেই সংগ্ৰামৰ লগত চামিল হ'ব লাগে।"

"ৰাজীৱ-নিতুহঁতৰ লগত যে আগ্ৰহেৰে কথা পাতা তাৰমানে সিহঁতক তুমি সমৰ্থন কৰা নেকি?"

"সিহঁতৰ লক্ষ্য আৰু পথটো মই মানি ল'ব নোৱাৰো। কিন্তু ৰাজীৱ-নিতুহঁতৰ সংগ্ৰামী-সত্তা আৰু হৃদয়-মনত সঞ্জীৱিত দেশপ্ৰেমে মোক অনুপ্ৰাণিত কৰে। সিহঁতে বিপ্লৱৰ কথা কয়— মই সিহঁতৰ এনেকুৱা বিপ্লৱ সমৰ্থন কৰিব নোৱাৰো।

মই ভাবো, দেশ এখনৰ অকল ৰাজনৈতিক ক্ষমতা লাভৰ জৰিয়তে প্ৰকৃতাৰ্থত বিপ্লৱ হ'ব নোৱাৰে। তাতে অসমৰ, অসমবাসীৰ মৌলিক সমস্যাবোৰ সমাধান নহয়। আজি অসমখনৰ যি এটা আৰ্থ-সামাজিক পৰিস্থিতি— ইয়াত জাতি-বিন্যাসটো এতিয়াও ঠন ধৰি উঠাগে নাই। এইটো প্ৰক্ৰিয়াত অসমবাসীক এখোজ আগবঢ়া দেখিলেই অসমক শোষণ কৰা বৃহৎ পুঁজিপতিসকলে সুপৰিকল্পিতভাৱে একো একোটা গোষ্ঠী-সংঘাত লগাই দিয়ে। ফলস্বৰূপে এই প্ৰক্ৰিয়াটো বিলম্বিত হয়। আচলতে, জাতি গঠনৰ এই প্ৰক্ৰিয়াটো মোটামুটিভাৱে সম্পূৰ্ণ হ'বলৈ দিবই লাগিব। লগতে শ্ৰেণী বিদ্বেষহীন শিক্ষাৰ প্ৰসাৰেৰে সামাজিকভাৱে জাতিটো দৃঢ়-ভিত্তিত সংঘবদ্ধ কৰিব লাগিব। তাৰপাছত চাৰিত্ৰিক, নৈতিক আৰু বৌদ্ধিক অনুশাসনেৰে সকলো জাতি-গোষ্ঠীৰ আস্থাভাজন হৈ সুনিৰ্দিষ্ট অৰ্থনৈতিক পৰিকল্পনা কৰি তাৰ সাৰ্থক ৰূপায়ণটোতে মই বিপ্লৱৰ যথাৰ্থ প্ৰতিচ্ছবি দেখিবলৈ পাওঁ।"

"এইবোৰ তুমি ৰাজীৱহঁতক কোৱা নাই নেকি?"

"কিছু কথা কৈছিলো। কিন্তু সিহঁত নিজৰ মত-বিশ্বাসত অনড়। সিহঁতে বুজি পোৱা নাই যে গণভিত্তি মজবুত কৰাৰ আগতেই যেনেধৰণেৰে সংগ্ৰাম কৰিছে— তাতে শাসকগোষ্ঠীয়ে সিহঁতক হত্যাকাৰী, সন্ত্ৰাসবাদী বুলি ক'ব পাৰিছে। তাৰ বাবেই সিহঁতৰ ওপৰত পুলিচ-মিলিটেৰীয়ে নিৰ্মম নিৰ্যাতন চলাইছে।

পাৰমিতাৰ দৃষ্টি প্ৰবীৰৰ সজীৱ মুখখনৰ ওপৰত স্থিৰ। তাই মুগ্ধ, বিস্মিত। প্ৰবীৰৰ বাবে তাই গৰ্বিত। পাৰমিতাই সুধিলে, "প্ৰবীৰ, এইবোৰ তুমি কেতিয়া ভাবা? তোমাৰ মনত কেনেকৈ ইমানবোৰ কথা খেলে?"

"এইবোৰৰ উৎস তুমি।"

"মই!"

"অ', মিতা। তুমিয়ে।"

"মইতো কেতিয়াও তোমাক এইবোৰ ভাবিবলৈ কোৱা নাই।"

"সেইটো হয়। কিন্তু তোমাৰ কষ্ট-বেদনাই মোক ভবাই তোলে। মাকৰ ঘৰখন এৰি ইমান অনিশ্চয়তাতো তুমি মোক জীৱনসংগিনী কৰি ল'লা, সৰু একোঠালীয়া এইটো ঘৰত অতবোৰ অসুবিধাতো মোক বুকুৰ আপোন কৰি ৰাখিছা, মা-দেউতাৰ বাবে অস্থিৰ হোৱা সত্ত্বেও এটা দিনৰ বাবেও তুমি মোক এৰি থকা নাই ... এইবোৰে মোক ভাবিবলৈ বাধ্য কৰায়। মোৰ বাবে তুমি যিমিনি কষ্ট কৰি আছা, ত্যাগ স্বীকাৰ কৰিছা ... তাৰ দহ শতাংশ মই তোমাৰ বাবে—।"

"নাই—।" পাৰমিতাই প্ৰবীৰক ক'বলৈ নিদিলে। দুই হাতেৰে আকোৱালি প্ৰবীৰক বুকুৰ মাজলৈ টানি লৈ আবেগ৷ ৰূঢ় হৈ ক'লে, "তেনেকৈ নক'বা।

তেনেকৈ ক'ব নাপায় —।"

তাৰপাছত বহুতপৰ দুয়ো দুয়োকো সাৱতি ধৰি নিমাত হৈ থাকিল। দুয়োৰে মনত অনুৰাগ। দুয়োৱে অনুভৱ কৰিছে জীৱনৰ উষ্ণতা। তথাপি দুয়োৰে মনত আছে দুখ, আছে কিছুমান অভাৱ, আছে ভৱিষ্যৎ লৈ আশংকা। সেইবুলি ইজনৰ মনত সিজনক লৈ নাই কোনোধৰণৰ সংশয়, নাই সামান্যতম অবিশ্বাস।

"আমি যিটো পথেৰে আগবাঢ়িছো— আমাৰ ভৱিষ্যতটো তুমি কেনেকুৱা দেখা?"

কিশোৰীসুলভ কমনীয়তাৰে সজীৱ পাৰমিতাৰ মুখখনলৈ চাই প্ৰবীৰে ক'লে, "ভৱিষ্যতৰ বিষয়ে কোনোবাই জানো নিশ্চিতভাৱে কিবা ক'ব পাৰে!"

"তথাপি ধাৰণা এটা কৰিব পাৰি নহয়।"পাৰমিতাই ক'লে, "ধাৰণাৰ ওপৰত ভিত্তি কৰিহে পৰিকল্পনা এটা সমুখত লৈ মানুহে ভৱিষ্যতক গঢ় দিয়ে।"

"সেইটো অৱশ্যে হয়।"

"সেই হিচাপে তুমি নিশ্চয় আমাৰ ভৱিষ্যৎ সম্পৰ্কে ধাৰণা এটা কৰিছা?"

"তাৰ মানে মোক তুমি পণ্ডিত-জ্যোতিষী বুলি ভাবি লৈছা!"

"পণ্ডিত-জ্যোতিষী নহ'লেও তোমাৰ চিন্তাশক্তি, উপলব্ধিৰ ক্ষমতা মোতকৈ বেছি।"

পাৰমিতাৰ প্ৰশংসাত অভিভূত নহৈ প্ৰবীৰ শান্ত। তাইৰ মুখখনিৰ ওপৰত তাৰ স্থিৰ দৃষ্টি।

"প্ৰবীৰ, আমি দুটা বেলেগ সম্প্ৰদয়ৰ ল'ৰা-ছোৱালী। ভাল পাই বিয়া কৰাই সংসাৰ পাতিলো। আমাক জানো সঁচাকৈয়ে সকলোৱে আপোন কৰি ল'ব?"

পাৰমিতাৰ প্ৰশ্নটো শুনি প্ৰবীৰে মনে মনে হাঁহি উঠিল। অথচ বাহিৰত সি গহীন।

"আমি বিয়া পতাৰ ডেৰ বছৰেই হ'ল। ইমান দিনে তুমি কি দেখিলা? আদালতত বিয়া পঞ্জীয়নভুক্ত হৈছে— আমাৰ সম্পৰ্কটোৰ সামাজিক বৈধতা কোনেও নুই কৰিব নোৱাৰে।" প্ৰবীৰে ক'লে,"এতিয়া অকল তোমাৰ মা-দেউতাৰাই আমাক স্বীকাৰ কৰি লোৱা নাই। তাৰ বাহিৰে আমাক কোনেও বৰ্জন কৰা নাই। অৱশ্যে সকলোৱে যাতে আমাক আন্তৰিকতাৰে আকোৱালি লয়, তাৰ বাবে আমি কৰিবলগীয়া কাম কিছুমান আছে।"

"কেনেকুৱা কাম?"—পাৰমিতাই প্ৰবীৰৰ চকুত চকু থৈ সুধিলে।

"চোৱা মিত্ৰ, মানুহে তাকেই বিচা.ৰ যি মানুহৰ বাবে ভাল কিবা এটা কৰে। আমিও এনেকুৱা কিছুমান কাম কৰিব লাগিব যাতে মানুহে আমাক বিচাৰে, আমাক আপোন কৰি ল'ব পাৰে।"

"কিন্তু মানুহৰ বাবে, ভাল কিবা এটা কৰিবৰ বাবে আমি জানো উপযুক্ত হৈছো! যিহওঁক, মোৰ ধাৰণা— অসমীয়া-বঙালীৰ তিক্ত সম্পৰ্কটোৰ বাবেই মা-দেউতাই আমাক গ্ৰহণ কৰিব পৰা নাই।"

"এইটোৱে একমাত্ৰ কাৰণ নহয়। কিয় তেওঁলোকে আমাক সহজভাৱে ল'ব পৰা নাই— এই বিষয়ে তোমাক এদিন ক'লোৱেই। আনে নোৱাৰিলেও তোমাৰ মা-দেউতাৰাই ইমানদিনে সাম্প্ৰদায়িক এই জটিলতা পৰিহাৰ কৰিব লাগিছিল। এনেয়েতো বিশেষ এই দুটা সম্প্ৰদায়ৰ মাজত বিদ্বেষ-বেয়াভাব থাকিবই নালাগে।"

"ময়ো তেনেকৈয়ে ভাবো।"

"তুমিও তেনেকৈয়ে ভাবা! কিয় ভাবা কোৱাচোন?"

"কাৰণ কেইটাবাও। মই অসমীয়া-বঙালীৰ মাজত অমিলতকৈ মিলটোৱে বেছিকৈ দেখিবলৈ পাওঁ। ভাষাৰ ক্ষেত্ৰত চোৱা— দুয়োটা ভাষাৰ লিপি একে। দুয়োটা ভাষাৰ অন্ততঃ সত্তৰ শতাংশ শব্দ 'কমন'। খোৱা-বোৱা, পোচাক-পাতিতো সম্প্ৰদায় দুটাৰ মাজত সাদৃশ্য বৰ্তমান। ইফালে পূজা-পাতল, আচাৰ-অনুষ্ঠানবোৰোতো বিশেষ পাৰ্থক্য দেখা নাযায়। তাতোকৈ ডাঙৰ কথাটো হ'ল, উভয়-সম্প্ৰদায়ৰ মধ্যবিত্ত শ্ৰেণীৰ মন-মানসিকতাও বৰ বেছি বেলেগ নহয়।"

"ঠিকেই কৈছা। বেছি দিন থকাৰ বাবেই বোধকৰোঁ কাজিয়াটো বেছি হৈছে— ।"

"তেনেহ'লে তোমাৰ-মোৰ মাজতো কাজিয়া হ'ব লাগিছিল।"

"ইমানদিন আমি দুটাই কাজিয়া কৰিলো নহয়।" মিচিকিয়াই হাঁহি প্ৰবীৰে ক'লে, "চিন্তা নকৰিবা, আগলৈ আৰু কাজিয়া হ'ব।"

"নাই, মই আৰু তোমাৰ লগত কাজিয়া নকৰো।"

"কেলৈ? কাজিয়া নকৰিলে অভিমান-খঙেৰে সেন্দুৰীয়া হৈ উঠা তোমাৰ মুখখন আৰু দেখিবলৈ নাপাম নহয়।"

পাৰমিতাই হাঁহি দিলে। হাঁহি হাঁহিয়ে ক'লে, "তোমাৰ লগত কাজিয়া কৰি সুখ নাই। মই খং কৰিলেও তুমি মোৰ ওপৰত খং নকৰা। তাতে মোৰ হাৰি যোৱা যেন লাগে। শেষত মই লাজ পাওঁ।"

"তাৰমানে ৰাজীৱ-দিগন্তহঁতৰ লগত মোক কথা-বতৰা হোৱা দেখি যিবোৰ ভয়-আশংকাই তোমাক কষ্ট দি আছিল, সেইবোৰ এতিয়া নাই?"

পাৰমিতাই মূৰ দুপিয়ালে।

"সঁচাকৈয়ে নাইকিয়া হ'লনে?"

"অ', সেইবোৰ আৰু মোৰ মনত নপৰে।"

বিছনাত বহি সিহঁতে কথা পাতিছে। পূৰ্বৰ ভয়-শংকাৰপৰা পাৰমিতা মুক্ত বুলি

নিশ্চিন্ত হৈ প্ৰবীৰে স্বস্তিৰ নিশ্বাস পেলালে। তাইৰ কোলাত আলফুলকৈ মুৰটো পেলাই প্ৰবীৰে তাৰপাছত চকু মুদিলে।

মৰমেৰে প্ৰবীৰৰ মূৰত হাত ফুৰাই পাৰমিতাই সুধিলে, "অথনি মানুহে নিজৰ ভৱিষ্যৎ অনিশ্চিত জানিও জীৱনৰ পৰিকল্পনা এটা লৈ আগবাঢ়ে বুলি কথা পাতিলো— এই বিষয়ে তুমি নিজে একো নাভাবা নেকি?".

"ভাবো। ভৱিষ্যৎ লৈ ভাবো যদিও বৰ্তমানে মানুহৰ লগত বিশেষকৈ তোমাৰ লগত মোৰ সম্পৰ্কটোক মই অধিক গুৰুত্ব দিওঁ।"

"কিন্তু এইটো দেখোন তুমি বিশ্বাস কৰা সমাজবাদী চিন্তাধাৰাৰ বিপৰীত কথা।"

"সেইটো হয়। পিছে তোমাক এদিন কৈছিলো— সমাজ ব্যক্তিৰ সমষ্টি। ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ হ'লেহে সমাজ-জীৱনৰ উন্নতি হয়। ব্যক্তিৰ সুস্থ মানসিকতা আৰু মনন বিকাশৰ বাবে সুস্থ জীৱন-যাপন কৰাটো অপৰিহাৰ্য। এতিয়া তোমাৰ-মোৰ সম্পৰ্কটো সুস্থ থাকিলে ভৱিষ্যতৰ যিকোনো পৰিস্থিতিক আমি সাহসেৰে মোকাবিলা কৰিব পাৰিম। যিহওক্, তুমি যে এতিয়া এইবোৰ সুধিছা— তোমাৰ আচল কথাটো কিন্তু বেলেগ। মই হ'লে সেইটো গম পালোৱেই।"

"কি গম পালা, কোৱাচোন?"

"তোমাৰ মনত এতিয়াও অসমীয়া-বঙালীৰ সম্পৰ্কটো লৈ আসোৱাহ কিছুমান সোমাই আছে। এইবোৰে— তোমাক এনেকৈ কষ্ট দিয়ে যে তুমি চাগে ভাবা অসমীয়া-বঙালীৰ মাজত থকা বিদ্বেষ-বৈৰীতাই আমাৰ সম্পৰ্কটোৰ ওপৰত কুপ্ৰভাব পেলাব। মোৰ মনতো এসময়ত এইবোৰ আশংকা আছিল। এতিয়া আৰু সেইবোৰে মোক আমনি নিদিয়ে। তোমাক আপোন কৰি পোৱাৰ পাছত সেইবোৰ মোৰ মনৰপৰা আঁতৰিল।"

"কেনেকৈ আঁতৰিল বুজাই কোৱাচোন?"

"এইটো তোমাক বুজাই ক'বলগীয়া কথা নহয়। অলপ চিন্তা কৰিলে নিজেই বুজিব পাৰিবা।"

"তথাপি কোৱা না—।"

"শুনা তেন্তে। বেলেগ সম্প্ৰদায়ৰ হৈও আমি দুটাই যে জীৱনৰ পাতনি মেলিলো, আমি যে ইজন-সিজনৰ বিশ্বাস-ভৰসাস্থল, আমি যে ইজন-সিজনৰ কৰ্মশক্তি, প্ৰেৰণাৰ উৎস ... এইবোৰৰ মূলতে কি কোৱাচোন?"

প্ৰশ্নটো কৰি প্ৰবীৰে পাৰমিতাৰ পিনে চাই থাকিল।

কথাবোৰ শুনি ভাল লাগিল যদিও উত্তৰত কি ক'ব পাৰমিতাই বুজিব নোৱাৰিলে।

"এইবোৰৰ মূলতে আমি ইজনে সিজনক ভাল পাওঁ।

এই মৰম-ভাল পোৱাৰ উপৰিও আমাৰ মনত ইজনক লৈ সিজনৰ কোনো ভয় নাই। আমি সপোনতো কল্পনা কৰিব নোৱাৰো যে তুমি মোৰ অপকাৰ কৰিবা বা মই তোমাৰ কিবা বেয়া কৰিব পাৰো। বৰঞ্চ ইজনে সিজনৰ হৃদয়-মনত নিজৰ অস্তিত্বক উপলব্ধি কৰিবলৈ পাই আমি সুখী হৈছো। ইজনে সিজনৰ মাজত বিলীন হৈ আমি সমৃদ্ধ হৈছো, ঐশ্বৰ্যশালী হৈছো। ব্যক্তিজীৱনৰপৰা এই কথাটো সমাজ জীৱনলৈ আনা। এইটো মনোভাৱ, এনেকুৱা বিচাৰ-বিবেচনাৰে দুটা সম্প্ৰদায়ৰ সমন্বয়ৰ কথাটো ভাবাচোন। অসমীয়া-বঙালী আনকি আনবোৰ জাতি-গোষ্ঠীৰ মাজতো ভাষিক, সংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক দিশবোৰত পাৰস্পৰিক আস্থা-বিশ্বাসৰ এটা সমন্বয়িত সম্পৰ্ক গঢ়ি তুলিব লাগিব। তাৰ পাছতহে তেওঁলোকে সম্মিলীতভাৱে অসমৰ ভৱিষ্যত সম্পৰ্কে সুনিৰ্দিষ্ট পৰিকল্পনা এটা লৈ আগবাঢ়িব পাৰিব।"

"কেতিয়া সেইটো সম্ভৱ হৈ উঠিব?"

"জাতি-গোষ্ঠীবোৰৰ দ্বন্দ্ব-সংঘাত কমি অহাৰ পাছতহে সেইটো প্ৰক্ৰিয়া আৰম্ভ হ'ব। মোৰ বিশ্বাস, এইটো সোনকালেই হ'ব। কাৰণ, অসমৰ অধিকাংশ জাতি-গোষ্ঠীয়েই এতিয়া অস্তিত্ব সম্পৰ্কে সচেতন। অস্তিত্ব ৰক্ষাৰ স্বাৰ্থতেই জাতি-গোষ্ঠীবোৰে এইটো উপলব্ধিৰে আগবাঢ়িব লাগিব।"

সোতৰ

বিশ্ববিদ্যালয়ৰপৰা ঘৰলৈ আহোঁতে প্ৰবীৰ-পাৰমিতাই আলিয়েদি মিলিটেৰীৰ জীপ অহা-যোৱা কৰা দেখিবলৈ পালে। আইন-শৃংখলা ৰক্ষাৰ নামত ৰাজ্য চৰকাৰে পুলিচ-চি আৰ পিৰ উপৰিও মিলিটেৰী মেলি দিছে। বিপ্লৱী সদস্যসকলক ধৰা পেলাবলৈ যেতিয়াই-তেতিয়াই সন্দেহ-জনক এলেকা ঘেৰাও কৰি সশস্ত্ৰ পুলিচ-মেলিটেৰীয়ে 'কম্বিং অপাৰেচন'

চলাইছে। এনেবোৰ আকস্মিক তালাচীৰ বাবে ভীত সন্ত্ৰাসিত জনগণ বিপৰ্যস্ত হৈ পৰে। যি দেখা গৈছে, এনেবোৰ ঘটনা এতিয়া সঘনাই ঘটিবলৈ লৈছে।

প্ৰবীৰ-পাৰমিতাই প্ৰথমতে ইমান গুৰুত্ব দিয়া নাছিল। কিন্তু ঘৰৰ ওচৰলৈ আহি পুলিচ-মেলিটেৰীৰ সংখ্যা বেছি দেখিবলৈ পালে। আলিত মানুহ-দুনুহ নাই বুলিয়েই ক'ব পাৰি। যি দুই-এজন অহা-যোৱা কৰিছে, তেওঁলোকো ভীত-সন্ত্ৰস্ত। আহকলীয়া পৰিস্থিতি। যিকোনো মুহূৰ্তত পৰিস্থিতিটো অধিক বেয়া হ'ব পাৰে। কোবাকুবিকৈ সিহঁত ভাৰাঘৰটোলৈ আহিল।

বন্দুক, পিষ্টল, ৰাইফল আৰু ওৱাৰলেছ লৈ শান্তি ৰক্ষী বাহিনীয়ে এলেকাটো আগুৰি ৰাখিছে। কোনোৱে গুলাব পৰা নাই। কাকো সোমাবলৈও দিয়া হোৱা নাই। নিৰাপদে ঘৰটোলৈ সোমালেও প্ৰবীৰ-পাৰমিতাৰ মনতো ত্ৰাস। সশস্ত্ৰ উগ্ৰবাদী ল'ৰাহঁত সঁচাকৈয়ে যদি ইয়াত আছে, গুলীয়া-গুলী আৰম্ভ হ'ব পাৰে। তেনেকুৱা এটা পৰিস্থিতিত প্ৰবীৰ-পাৰমিতাৰ দৰে নিৰস্ত্ৰ মানুহৰ বিপদৰ সম্ভাৱনাই বেছি।

আবেলি বাগৰি গধূলি হ'ল। গধূলিৰ পাছত আন্ধাৰ নামি আহিল। আলিৰ বিজুলী চাকিবোৰ জ্বলি উঠিল। কিন্তু সমগ্ৰ এলেকাটোত মৰিশালীৰ এক নিস্তব্ধতা। গৃহস্থসকল গৃহবন্দী। জনজীৱন স্তব্ধ। সময়ো যেন নিথৰ।

ৰাতি চাৰে সাত বজাত তিনি জাই গুলীৰ শব্দ শুনা গ'ল। পিছ মুহূৰ্ততে এলেকাটোৰ পোহৰ নুমাই গ'ল। ল'ড চেডিং। তাৰমানে, বিজুলীৰ সংযোগ কাটি গ'ল। পুলিচৰ হুইচেল বাজি উঠিল। সশস্ত্ৰ বাহিনীয়ে বন্দুক-পিষ্টল টোৱাই সন্ত্ৰস্ত হৈ পৰিল। কিন্তু তাৰপাছত আৰু গুলীৰ শব্দ শুনা নগ'ল। পাৱাৰফুলৰ টৰ্চ লৈ তিনি চাৰিজন মিলিটেৰী দৌৰাদৌৰি কৰিলে। খন্তেকৰ বাবে। তাৰপাছত আকৌ নিৰব। কাৰোবাৰ গাত গুলী লাগিল নাইবা কোনোবা ধৰা পৰিল।

কৰিডৰত থিয় হৈ প্ৰবীৰে সমুখৰ নিবন্ধ অন্ধকাৰলৈ চাই আছে। আতংক ভৰা অজান অন্ধকাৰ। অন্ধকাৰলৈ অসহায়ভাৱে চাই থকাৰ বাহিৰে তাৰ কৰিবলগীয়া একোৱেই নাই। এইটোৱেই সমগ্ৰ অসমৰ অৱস্থা। আজিৰ অসমত সামাজিক অস্থিৰতা দেখা দিছে, অৰ্থনৈতিক কোনো বিন্যাস নথকাৰ বাবে পুঁজিপতিসকলে অসমৰ সম্পদক লুটি নিছে, সুযোগ্য নেতৃত্বৰ অভাৱত ৰাজনৈতিক দিশতো অশান্ত ...। কেতিয়া অসমৰ বুকুলৈ শান্তি আহিব কোনেও ক'ব নোৱাৰে।

চাই থাকোঁতে থাকোঁতে আন্ধাৰ এসময়ত পাতল হৈ আহিল। এনেতে পিচফালৰ ওৱালৰ ওপৰত ল'ৰা এজনক দেখিবলৈ পালে। ঠিক ল'ৰা নহয়, যুৱক। ওপৰেদি এইফালে জপিয়াওতেই সি পৰি গ'ল। কোন তেওঁ? মিলিটেৰীয়ে

বিচৰা কোনোবা নেকি? তাত সি আত্মগোপন কৰিলে নে পৰি গৈ উঠিব পৰা নাই? তাৰ প্ৰতি প্ৰবীৰৰ মৰম লাগি গ'ল। যেন যুৱকজনৰ লগত প্ৰবীৰৰ অলিখিত সম্পৰ্ক এটা আছে। কোঠালিৰ ভিতৰত পাৰমিতাই কিতাপ পঢ়ি আছে। তাইক ক'লে যাবলৈ নিদিব। এনেবোৰ পৰিস্থিতিত যাবও নালাগে। অথচ প্ৰবীৰে বৈ থাকিব পৰা নাই। চিৰিয়েদি নিঃশব্দে সি যুৱকজনৰ ওচৰলৈ আহিল।

"তুমি কোন, ভাইটি?"

যুৱকজনে মাত দি উঠিল, "প্ৰবীৰ দা মই।

"কোন মই!"

"মই দিগন্ত।"

"এতিয়া তুমি ইয়াত!!"

"পুলিচে মোক ফ'ল কৰিছে—।" দিগন্তই ক'লে, "মই এইফাললৈ পলাই আহিলো—।"

"পলাই আহিলা। উঠা উঠা—।"

"মোৰ ভৰিত গুলী লাগিছে—।'

"অ', তুমি উঠিব পৰা নাই। ধৰা— অঃ অঃ এতিয়া উঠা। ব'লা— ঘৰলৈ ব'লা।"

"এইটো অৱস্থাত ঘৰলৈ গ'লে মোৰ বাবে আপোনালোকৰ বিপদ হ'ব পাৰে।"

প্ৰবীৰ এতিয়া ‹বলেগ মানুহ। দিগন্তক ঘৰলৈ লৈ গ'লে পুলিচ আহিব পাৰে, উগ্ৰপন্থীক আশ্ৰয় দিছে বুলি পুলিচে তাক গ্ৰেপ্তাৰ কৰিব পাৰে, . এইবোৰ প্ৰবীৰৰ মূৰত নেখেলালেই। গুলীবিদ্ধ ক্ষত স্থানৰপৰা তেজ গৈ থকা আহত দিগন্তক তুলি ওৱালৰ কাষেদি আগবাঢ়িল। তাৰপাছত দিগন্তৰ হাত দুখন কান্ধৰ ওপৰেদি আনি কোনোমতে চিৰি বগাই ওপৰলৈ আহিল।

অসহ্য যন্ত্ৰণাত দিগন্তৰ বহি থকাৰ শক্তি নাই। কোঠালিত সোমায়ে সি বিছনাত বাগৰি দিলে।

ভাযেকৰ এইটো অৱস্থা দেখি পাৰমিতাই চিঞৰিবলৈ লৈছিল। প্ৰবীৰে তাইৰ মুখখন চেপা মাৰি ধৰিলে। তাৰপাছত দুয়ো আহত দিগন্তৰ সেৱা-শুশ্ৰূষাত লাগি গ'ল।

দিগন্তৰ আৰাম নহ'ল। ভৰিত গুলী সোমাই আছে। গুলীটো উলিয়াবলৈ হ'লে অপাৰেশ্বন কৰিব লাগিব। অপাৰেশ্বন মানেই ডাক্তৰ-হাস্পাতাল। সেইবোৰ ইয়াত কেনেকৈ পোৱা সম্ভৱ?

ৰাতি দহ বজাৰ আগে আগে পুলিচে দিগন্তৰ লগৰীয়া তিনিজনক গ্ৰেপ্তাৰ কৰি লৈ যোৱাৰ পাছত মিলিটেৰীইতো গুচি গ'ল। ঘেৰাও কৰা এলেকাৰ বাহিৰলৈ

পলাই অহা বাবে দিগন্তই ৰক্ষা পালে। বাউশুৰী ওৱালখনৰ পাৰ হৈ দিগন্ত তাত পৰি গ'ল বাবে বাচি গ'ল—। লগে লগে তুলি নমা হ'লে সিও ধৰা পৰিলহেঁতেন।

নিশা এঘাৰ বজাত প্ৰবীৰে ওচৰৰ ডাঃ মজুমদাৰক মাতিবলৈ গ'ল। দিগন্তৰ বিষয়ে জানিবলৈ পাই ডাক্তৰে প্ৰথমতে আহিবলৈ অমান্তি হ'ল। প্ৰবীৰে বিশেষভাৱে অনুৰোধ কৰিলত তেওঁ আহিল। ডাঃ মজুমদাৰে চিকিৎসাৰো কোনো ত্ৰুটি নকৰিলে। ইনজেকশ্যন দি গুলীবিদ্ধ ভৰিখনৰ বিশেষ অংশটো অৱশ কৰি ল'লে। তাৰপাছত নিজৰ বেগত থকা অস্ত্ৰেৰে গুলীটো উলিয়াই আনিলে। ক্ষতস্থান ভালকৈ ধুই চিলাই কৰিলে। তাৰপাছত বেণ্ডেজ বান্ধি দিলে।

ইতিমধ্যে পোহৰ আহিল। প্ৰবীৰে লাইট জ্বলোৱা নাছিল। দিগন্তক ঘৰলৈ লৈ আহোঁতে যে টোপাল টোপাল তেজ পৰিছিল— সেইবোৰ মচি মচি চাফা কৰি, দিগন্তৰ শোবাৰ ব্যৱস্থা কৰিহে প্ৰবীৰে লাইট জ্বলালে।

বহুত তেজ গ'ল। বিষ-যন্ত্ৰণাত অশেষ কষ্ট পালে। দিগন্তৰ শৰীৰত এতিয়া ভাগৰ-অৱসাদ। ইফালে বায়েক-ভিনীহিয়েকৰ যে সহায় ল'বলগীয়া হ'ল, তাৰ বাবে বেয়াও লাগিছে।

"দিগন্ত—।" শান্ত মাতেৰে প্ৰবীৰে সুধিলে, "তোমালোক ইয়ালৈ কিয় আহিছিলা, সেয়া মই জানিব বিচৰা নাই। কিন্তু কথা এটা সুধিছো—।"

"কওকচোন—।"

"তোমাৰ লগত ৰাজীৱও আছিল নেকি?"

"আছিল।"

"সি এতিয়া—?"

"সি চাগে এৰেষ্ট হ'ল—।"

লগে লগে কোঠাটোলৈ সীমাহীন নিস্তব্ধতা নামি আহিল।

প্ৰায় তিনি মিনিট সময় তেনেকৈ পাৰ হ'ল।

"ৰাজীৱ এৰেষ্ট হ'ল বুলি শুনি আপোনালোকে বেয়া পাইছে—।" দিগন্তই ক'লে, "সি এৰেষ্ট হোৱাটোত বেয়া পাবলগীয়া একো নাই। আমাৰ পথ সংঘাতপূৰ্ণ। সংঘাতত আমি মাৰিব পাৰো। পুলিচ মিলিটেৰীয়ে আমাক গুলীয়াই মাৰিব পাৰে। সেই বুলি বিপ্লৱ বৈ নাথায়। বৰঞ্চ এইদৰে বিপ্লৱৰ বাণী জনগণৰ মাজলৈ বেছি সোনকালে সম্প্ৰসাৰিত হয়।"

প্ৰবীৰ-পাৰমিতা নিমাত। মাতিবনো আৰু কি?

"প্ৰবীৰ দা—।" ওপৰমুৱা হৈ বাগৰি থকা অৱস্থাতে দিগন্তই ক'লে, "আপুনিতো

আমাৰ পথ আৰু লক্ষটো সমৰ্থন নকৰে। কিন্তু বিপ্লবীক সহায় কৰা বা আশ্ৰয় দান কৰা ব্যক্তিকো বিপ্লবী বোলা হয়।"

"বিপ্লৱৰ তত্বকথা কৈছা তুমি। সেইবোৰ ভাবি মই তোমাক ইয়ালৈ অনা নাই।"

"কিন্তু আপুনি মোক বচালে।"

"তুমি আমাৰ ভাইটি।" প্ৰবীৰে ক'লে, "যিমানে যি নকৰা লাগে, চকুৰ আগত তোমাক আমি মৰিবলৈ দিব নোৱাৰোঁ।"

"এইদৰে আপুনি নিজৰ বিপদ কিয় চপাই ল'লে?"

"মাজনিশা কিহৰ এইবোৰ কথা।" দিগন্তৰ পিনে চাই পাৰমিতাই ক'লে, "তই এতিয়া শুই থাকচোন—।"

বায়েকৰ কথা আওকাণ কৰি দিগন্তই ক'লে, "প্ৰবীৰদা, মোক যে আপুনি ইয়ালৈ লৈ আহিলে— কথাটো চুবুৰীয়াইঁতৰ দুই এজনে জানিবই। ইহঁতৰ মাজত চৰকাৰৰ দালালহঁত লুকাই আছে। যিকোনো মুহূৰ্তত পুলিচ আহিব পাৰে।"

দিগন্তৰ আশংকাতো অমূলক নহয়। প্ৰবীৰে পাৰমিতাৰ পিনে চালে। তাইৰ মুখখনতো দুশ্চিন্তা, ভয়।

"তেনেহ'লে কাম এটা কৰোঁ—।" পাৰমিতাই ক'লে, "মালিকৰ ঘৰত টেলিফোন আছে। ঘৰলৈ টেলিফোন কৰি দিওঁ। দেউতা নাইবা ককাইদেউ আহি তাক লৈ যাওঁক।"

"কিন্তু তাক লৈ যাওঁতে বাস্তাত পুলিচে ধৰিব নহয়।"

"দেউতা চৰকাৰী বিষয়া। দেউতা লগত থাকিলে পুলিচে সন্দেহ নকৰে।"

ডাক্তৰে ইনজেকশ্বন দিয়াৰ পাছত বিষ কমিলেও একেবাৰে নাইকিয়া নহ'ল। গৰম গাখীৰ এগিলাচ খোৱাৰ পাছত দিগন্তই গাত শক্তি অলপ পালে। শুব লাগিছিল। কিন্তু এতিয়া সি এনে এটা পৰিস্থিতিত পৰিছে যে তাৰ লগত বায়েক-ভিনীহিয়েকেও বিপদত পৰাৰ সম্ভাৱনা। তেনে এটা দুঃচিন্তা মনত থকাৰ বাবেই দিগন্তই শুব পৰা নাই।

দিগন্তৰ কাষত প্ৰবীৰে চকীখন টানি লৈ বহিছে। চিন্তিত। চিন্তিত যদিও নিৰুদ্বেগ।

"প্ৰবীৰ দা—।" দিগন্তই মাতিলে, "কি ভাবি আছে?"

"তোমাৰ কথাকে ভাবি আছো।"

"মোৰ কথা ভাবিছে। কি ভাবিছে কওকচোন?"

"চোৱা দিগন্ত, তোমালোকৰ নিচিনাকৈ কথাবোৰ মই ইমান যুক্তিৰে সৈতে দাঙি

ধৰিব নোৱাৰিম। কিন্তু ভাৰতীয় সভ্যতা-সংস্কৃতিৰ লগত অসমৰ যিটো সম্পৰ্ক আৰু ভাৰতীয় আধ্যাত্মবাদৰ আদর্শেৰে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে অসমীয়া জনমানসক যেনেকৈ গঢ় দিলে, তাতে মোৰ এনে এটা ভাব হয় যেন ভাৰতৰপৰা অসম বেলেগ হোৱাটো সৰ্বসাধাৰণৰ বাবে বেদনাদায়ক হ'ব। এনেও দেশ-বিভাজনে সাধাৰণ মানুহৰ মৌলিক সমস্যাবোৰ সমাধান নকৰে।"

এইবোৰ কথা দিগন্তই ভাল পোৱা নাই। কিন্তু প্ৰবীৰৰ সংবেদনশীল কণ্ঠৰ পৰা মাতবোৰ যেনেকৈ ওলাই আহিছে, তাতে দিগন্তই বাধা দিবও পৰা নাই।

"ইফালে অসমৰ উন্নতি হোৱা নাই, পুঁজিপতিসকলৰ দ্বাৰা অসম শোষিত হৈছে, অসমৰ সম্পদ, অসমৰ শিল্প-উদ্যোগ বিকাশৰ কামত ব্যৱহাৰ কৰা হোৱা নাই, অসমৰ সম্পদৰপৰা আহৰণ কৰা ধন অসমবাসীৰ উন্নতিৰ বাবে বিনিয়োগ কৰা হোৱা নাই ... এইবোৰ সঁচা। এনেবোৰ শোষণ-বঞ্চনা বন্ধ কৰিবলৈ হ'লে জনসাধাৰণক অৰ্থনৈতিক দিশত সচেতন কৰি তুলিব লাগিব। অৰ্থনৈতিক সচেতনাৰে স্থানীয় জাতি-গোষ্ঠীসমূহক সংগঠিত কৰি তুলিব পাৰিলে জাতীয় চৰিত্ৰ এটা গঢ় লৈ উঠিব। তেনেকৈ এটা সময়ত সকলো জাতি-গোষ্ঠীৰ সমুখত উমৈহতীয়া অৰ্থনৈতিক পৰিকল্পনা এটা সুস্পষ্ট হৈ পৰিব। অৰ্থনৈতিক এই পৰিকল্পনাটো কাৰ্যকৰী কৰি তুলিবৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণৰ ক্ৰমান্বয় প্ৰক্ৰিয়াৰে সমাজিক গাঁথনিটো দৃঢ় হ'ব। তেতিয়া অৱশ্যে পৰিকল্পিত লক্ষ্যস্থললৈ উপনীত হোৱাৰ ক্ষেত্ৰত বৰ্তমানৰ গাঁথনিটোৱে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পাৰে। সেইটো হ'লে দেশৰ সাংবিধানিক গাঁথনিটোকে সলাব লাগিব। আৰু মোৰ মতে, সেইটোৱেই আমাৰ বাবে আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ সংগ্ৰাম।"

"প্ৰবীৰদা, এইখিনিতে আপুনি এটা ভুল কৰি পেলালে।"

"ভুল কৰিলো!"

"মানে, এইবোৰ কওঁতে ৰাষ্ট্ৰ ক্ষমতাৰ দিশটো আপুনি নাচালেই। ভাৰতবৰ্ষৰ ৰাজনৈতিক, প্ৰশাসনিক, অৰ্থনৈতিক ক্ষমতাবোৰ কেন্দ্ৰীভূত। কেন্দ্ৰীয় চৰকাৰৰ হাতত ক্ষমতা ইমানেই বেছি যে জনগণে নিজৰ ৰাজ্যৰ সম্পদৰাজিৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। ইফালে কেন্দ্ৰীয় চৰকাৰৰ শাসকসকলে অসমৰ নিচিনা অপেক্ষাকৃত ক্ষুদ্ৰ আৰু প্ৰান্তীয় ৰাজ্যবোৰৰ প্ৰতি উদাসীন। ক্ষমতা দখল আৰু অধিকৃত ক্ষমতা ৰক্ষাৰ বাবে নেতাসকলে এইবোৰ ৰাজ্যৰ উন্নতি-বিকাশ লৈ মাজে-সময়ে অলপ-অচৰপ চিন্তা কৰা দেখুৱায়। আচলতে, আমাৰ প্ৰতি তেওঁলোকৰ আন্তৰিকতা নাই। মূল কথাটো হ'ল সিইতক নাকত ধৰি চাকত ঘূৰাই থকা পুঁজিপতি আৰু বৃহৎ ব্যৱসায়ীসকলে ক্ষমতালোভী এই শাসকসকলক

কাম কৰিবলৈ নিদিয়ে। আজিকালি আমাৰ এচাম বুদ্ধিজীৱীয়ে কেন্দ্ৰীয় ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ পোষকতা কৰি আছে। কিন্তু তথাকথিত গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচন খেলি সাংসদ হৈ লোকসভাৰ সিদ্ধান্ত অনুসৰি ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ দ্বাৰা যুক্তৰাষ্ট্ৰীয় গাঁথনিৰে ৰাজ্যসমূহৰ পুণৰ্গঠন কৰাটো সুদূৰ পৰাহত। কাৰণ, ভাৰতৰ বৃহৎ ৰাজ্যবোৰৰ তুলনাত অসমৰ সাংসদৰ সংখ্যা তেনেই নগন্য। অসমৰ নগন্য সংখ্যক সাংসদে উত্তৰপ্ৰদেশ, বিহাৰ, মহাৰাষ্ট্ৰৰ বিপুল সংখ্যক সাংসদক ৰাজনৈতিকভাৱে প্ৰভাৱিত কৰিব নোৱাৰে। এতেকে আমাৰ এতিয়া ৰাজনৈতিক স্বতন্ত্ৰতা লাগেই। ৰাজনৈতিক স্বতন্ত্ৰতা লৈ আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰাৰ অবিহনে অসমবাসীৰ সমুখত বিকল্প পথ নাই।"

প্ৰবীৰে মনোযোগেৰে সৈতে দিগন্তৰ কথাবোৰ শুনিলে। খন্তেক চিন্তা কৰি সি ক'লে, "চোৱা দিগন্ত, ভাৰতবৰ্ষত অসম বা পূৰ্বাঞ্চলেই একমাত্ৰ শোষিত বঞ্চিত অঞ্চল নহয়। অসমতকৈ বিহাৰ, উৰিষ্যা, উত্তৰপ্ৰদেশৰ একাংশ অধিক অনুন্নত। ইফালে তোমালোকেই কোৱা, জনগণেই হ'ল ৰাজনৈতিক শক্তিৰ উৎস। দেশৰ জনগণেই ৰাজনৈতিক নীতি আদৰ্শক বিন্যাস কৰে। তদুপৰি অসমৰ জনগণৰ যে ভাৰত ৰাষ্ট্ৰক কঁপাই দিব পৰা শক্তি আছে, সেইটো বিগত বিদেশী বিতাড়ণ আন্দোলনতে প্ৰমাণিত হৈছে। এতিয়া ভাৰতবৰ্ষৰ সকলো শোষিত বঞ্চিত জনগণক ঐক্যবদ্ধ কৰি অহিংস গণ-আন্দোলন সংগঠিত কৰি তুলিব পাৰিলে অধিক ফলপ্ৰসূ হ'ব যেন লাগে।"

"কিন্তু সমগ্ৰ ভাৰতবৰ্ষৰ শোষিত-বঞ্চিত শ্ৰেণীৰ নেতৃত্ব দিয়াৰ ক্ষমতা কাৰ আছে?"

"এতিয়া হয়তো নাই। অদূৰ ভৱিষ্যতত যে নোলাব, সেয়া তুমি ক'ব নোৱাৰা।"

"আমি তেনেকুৱা কোনো সম্ভাবনা দেখা নাই।" দিগন্তই ক'লে, "তদুপৰি ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পুঁজিপতি-উদ্যোগপতিসকলৰ মদতপুষ্ট ক্ষমতাশীল ৰাজনৈতিক নেতাসকল এতিয়া ইমানেই ক্ৰুৰ যে তেনেকুৱা কোনো নেতৃত্ব গঢ়ি উঠা দেখিলেই যিকোনো উপায়েৰে তাক বিনাশ কৰিব আৰু কৰিও আছে। আমি এতিয়া অকলেই আগবাঢ়িব লাগিব। আমাৰ অধিকাৰ আমিয়ে সাব্যস্ত কৰিব লাগিব।"

অসমৰ ৰাজনৈতিক ভৱিষ্যৎ সম্পৰ্কে দিগন্তৰ বক্তব্যক প্ৰবীৰে সমৰ্থন কৰিব নোৱাৰিলে। বিতৰ্কটো আগবঢ়াই লৈ যাবলৈও বেয়া লাগিল। কাৰণ প্ৰবীৰে ভালকৈয়ে জানে, নিজৰ মত বিশ্বাসত দিগন্তইত অচল অটল।

তেতিয়াই কোঠালিলৈ সোমাই আহিল পাৰমিতা।

"ফোনত কাৰ লগত কথা পাতিলা?"

"মায়ে ধৰিছিল।" পাৰমিতাই ক'লে, "তাৰপাছত দেউতাৰ লগত কথা হ'লো।"

"দিগন্তৰ কথা ক'লানে?"

"ক'লো। দিগন্ত এতিয়া আমাৰ ইয়াত থকা বুলি জানিবলৈ পাই দেউতাই বেয়া পালে।"

"চিন্তা নকৰিবি।" দিগন্তই ক'লে, "বেয়া পালেও দেউতাই ইয়ালৈ নহাকৈ নাথাকে। দেউতা অহাৰ পাছত মই আজি তইঁতৰ বিষয়ে ক'ম।"

"কি ক'বি?" পাৰমিতাৰ মাতত অস্থিৰতা, "কি ক'ব লাগে তোক?"

"বিয়াৰ পাছত এবাৰো ইয়ালৈ নহাটো যে বেয়া হৈছে, এইটোকে ক'ম।"

"নালাগে, দিগন্ত।" প্ৰবীৰে ক'লে, "তোমাক এইটো অৱস্থাত দেখি এনেয়ে দেউতাই কষ্ট পাব। এইবোৰ কথা এতিয়া উত্থাপন কৰিব নালাগে। তুমি অলপ শুবলৈ যত্ন কৰাচোন।"

দিগন্তৰ বাবে মজিয়াত বিছনা এখন পাৰি দিয়া হৈছে। ওপৰত বিজুলী চাকিৰ নিৰ্বাক পোহৰ। বাহিৰত সকলো নিজম হৈ আহিছে। আবেলিৰপৰা এলেকাটোত যি এটা আতংক বিৰাজ কৰিছিল— সেইটো এতিয়াও কমা নাই। ইফালে ক্ষতস্থানৰ যন্ত্ৰণা আৰু প্ৰবীৰৰ লগত ইমান সময় ধৰি কথা পতাৰ ভাগৰত দিগন্তই চকু মেলি থাকিব নোৱাৰিলে। সি শুই দিলে।

পাৰমিতা দিগন্তৰ কাষত বহি আছিল। তাৰপৰা উঠি প্ৰায় নিঃশব্দে প্ৰবীৰৰ ওচৰলৈ আহিল।

টেবুলত বাওঁহাতেৰে মূৰটো ভেজা দি বহি প্ৰবীৰ চিন্তিত।

দিগন্তৰ পিনে চাই মলিন মুখেৰে পাৰমিতাই সুধিলে, "ইহঁতে যে এইবোৰ চলাই আছে— এইদৰে আৰু কিমান দিন চলিব?"

"ক'ব নোৱাৰোঁ।" প্ৰবীৰে ক'লে, "সিহঁতে ৰাজনৈতিক স্বতন্ত্ৰতাৰ বাবে সংগ্ৰাম কৰিছে। ককাইদেউৰ লগত এই সন্দৰ্ভত এদিন কথা-বতৰা হৈছিলো। ককাইদেৱেও সিহঁতৰ উদ্দেশ্যটো সমৰ্থন নকৰে। তেওঁ মোক বুজাই কৈছিল, ব্যক্তিত্বৰ বিকাশৰ জৰিয়তেহে ব্যক্তিয়ে নিজকে নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ আৰু ক্ষমতা অৰ্জন কৰে। এইদৰে বৃজন সংখ্যক ব্যক্তিয়ে যেতিয়া নিজকে নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা অৰ্জন কৰিব, তেতিয়াহে জাতিৰ আত্ম-নিয়ন্ত্ৰণৰ উপায় উলিয়াবৰ বাবে চেষ্টা কৰাটো উচিত। এই প্ৰক্ৰিয়াটো সময় সাপেক্ষ। সময় সাপেক্ষ যদিও এইদৰে জাতিৰ ভেটি দৃঢ় হয়।"

"তাৰ মানে আজিৰ এইটো পৰিস্থিতিত জাতিৰ আত্ম নিয়ন্ত্ৰণৰ প্ৰশ্নটো উত্থাপন কৰাটো উচিত হোৱা নাই?"— পাৰমিতাই সুধিলে।

"অ' মিতা, ককাইদেউৰ লগতে ময়ো ভাবো, জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ আগতে ব্যক্তিৰ আত্ম-নিয়ন্ত্ৰণৰ ক্ষমতা অৰ্জনটো বেছিকৈ দৰকাৰী। তুমি-মই তাৰ

বাবেই চেষ্টা কৰি আছো। তোমাৰ মোৰ বাবে এতিয়া এইটোৱে সংগ্ৰাম। আৰু আজিৰ এইটো পৰিস্থিতিত সি যিটো পথেৰেই আগবাঢ়ি নাযাওক লাগে, আমি আমাৰ মত-বিশ্বাস অনুসৰি কাম কৰি যাব লাগিব।"

"দিগন্তহঁতৰ পথটো তেনেহ'লে ভুল?"

"ভুল বুলি মই ক'ব খোজা নাই।" প্ৰবীণে ক'লে, "সিহঁতৰ কথা-কাণ্ডবোৰ মোৰ ৰাজনৈতিক যেন লাগে। জাতিৰ মুক্তিৰ মূলতে ৰাজনৈতিক স্বনির্ভৰতাক গুৰুত্ব দি সেইমতে সিহঁতে কাম কৰি আছে। কিন্তু তুমি-মই মানুহৰ মানবীয় গুণবোৰ বিকাশৰ জৰিয়তে ব্যক্তিৰ অস্তিত্ব দৃঢ় কৰাৰ বাবে চেষ্টা কৰিছো।"

"আমাৰ পথটোৱে যে শুদ্ধ— এইটো তুমি কেনেকৈ ক'বা?"

"আমাৰ পথটো এশ শতাংশ শুদ্ধ বুলি মই দাবী নকৰো। তদুপৰি সমাজতান্ত্ৰিক দৃষ্টিকোণৰপৰা আমাৰ এইটো মত-বিশ্বাসক সমৰ্থন কৰিবও নোৱাৰি। কিন্তু উদাৰ মানবীয় গুণেৰে বিকাশপ্ৰাপ্ত সৃষ্টি প্ৰতিভাসম্পন্ন ব্যক্তিৰ অবিহনে যে সমাজ এখনৰ উন্নতি নহয় এই ধাৰণাটো শুদ্ধ যেনেই লাগে।"

এনেতে ৰাস্তাত দেখা গ'ল উজ্জ্বল পোহৰ। গেটৰ সমুখলৈ আহি ৰ'ল এখন এম্বেছেডৰ। খিৰিকিৰ ফাঁকেদি প্ৰবীণে বাহিৰলৈ চাই পঠিয়ালে। টেক্সিখনৰ পাছফালৰ দুৱাৰখন খুলি প্ৰথমতে বিমান তাৰপাছত গিৰীন বৰুৱা নামিল। প্ৰবীণে ফুচফুচাই পাৰমিতাক ক'লে, "দেউতা আহিলে। তেওঁৰ লগতে ককাইদেৰো আহিছে।"

"পাৰমিতা অস্থিৰ হৈ পৰিল। বাহিৰলৈ যাবলৈ ভৰি দাঙিলেই। কিন্তু বুকুত টিপ্‌টিপনি। আঁঠুতো বল পোৱা নাই। সুদীৰ্ঘ এবছৰ পাঁচমাহ পাছত দেউতাকৰ সমুখা-সমুখি হ'ব। দেউতাকে তাইক মাতিব নে নাই? সিদিনা ঘৰলৈ গৈছিল, মাকে বাৰেপতি কোৱাৰ পাছতো দেউতাকক লগ নকৰাকৈ গুচি আহিল। এইটো ঘটনাৰ বাবে দেউতাকে নিশ্চয় বেছিকৈ বেয়া পাইছে। খঙো চাগে বাঢ়ি গৈছে।... এইবোৰ ভাবনাৰে পাৰমিতা বিমৰ্ষ। তাই বৈ দিলে।

পিছে প্ৰবীণ অবিচলিত। নিজৰ কৰ্তব্যসম্পৰ্কেও সচেতন৷ যিমানে যি নহওক লাগে, গিৰীন বৰুৱা হ'ল তাৰ প্ৰিয়তমা পত্নীৰ পিতৃ। প্ৰবীণৰ বাবে তেওঁ এগৰাকী সন্মানীয় ব্যক্তি। আজি তেওঁ সিহঁতৰ ঘৰলৈ আহিছে। গৃহস্থ হিচাপে তেওঁলৈ শ্ৰদ্ধা-সন্মান যাচিবই লাগিব। সমুখৰ দুৱাৰখন মেলি প্ৰবীণ ওলাই আহিল।

বিমান আৰু গিৰীন বৰুৱা বৰাণ্ডালৈ উঠি আহিল।

বিনয় সহকাৰে প্ৰবীণে তেওঁলোকক আদৰিলে, "আহক ভিতৰলৈ আহক।"

আহত পুতেকৰ বাবে গিৰীন বৰুৱা ভিতৰি ভিতৰি উৎকণ্ঠিত। কিন্তু ইয়ালৈ আহিহে প্ৰবীণৰ সমুখা-সমুখি হ'বলগীয়া হ'ল। প্ৰবীণ— প্ৰবীণ সেন এইজন

বঙালী ডেকাই তেওঁৰ পৰিয়ালখনলৈ গৰাখহনীয়া এটা নমাই আনিলে। দিগন্তৰ বাবে দুঃচিন্তাগ্ৰস্ত অস্থিৰ মনতো গিৰীন বৰুৱাৰ দৃষ্টিটো প্ৰবীৰৰ প্ৰতি কঠোৰ।

প্ৰবীৰে বৰুৱাৰ মানসিকতা বুজিব পাৰিলে। সিও স্থিৰ দৃষ্টিৰে তেওঁৰ মঙহাল মুখখনলৈ চালে। প্ৰবীৰে লক্ষ্য কৰিলে, আত্মগৰ্বী গিৰীন বৰুৱাৰ অহংকাৰবোৰ আজি ম্লান। তেওঁৰ ইয়ালৈ অহাৰ মন নাছিল। দিগন্তৰ বাবে আহিবলগীয়া হ'ল। প্ৰবীৰক মাতিবলৈ ভাল লগা নাই। অথচ এতিয়া তাক নামাতিও উপায় নাই।

"নিতু ক'ত?"

গিৰীন বৰুৱাৰ মাতত যন্ত্ৰণাময় উষ্মা, বিৰক্তি। তথাপি প্ৰবীৰে বিনম্ৰভাৱেই ক'লে, "ভিতৰত। শুই আছে।"

"ইনজুৰিটো চিৰিয়াচ নেকি?"

"অলপ চিৰিয়াচ বুলিয়েই ক'ব লাগিব। ডাক্তৰে অপাৰেশ্বন কৰি গুলীটো উলিয়াই দিলে।"

"ফেইন্‌ট হৈছিল চাগে—।"

"নাই হোৱা।"

এইবোৰ কথাত অংশ নলৈ বিমান ভিতৰলৈ আহিল। নিদ্ৰামগ্ন ভায়েকক তেওঁ চাবলৈ ধৰিলে।

দ্বিধাজড়িত খোজেৰে গিৰীন বৰুৱাও লাহে লাহে প্ৰবীৰ-পাৰমিতাৰ ঘৰটোৰ ভিতৰলৈ আহিল। প্ৰথমতে মজিয়াত পতা বিছনাত শুই থকা দিগন্ত, তাৰপাছত সাধাৰণভাৱে সজোৱা কোঠাটোলৈ চকু ফুৰাই ল'লে। শেষত পঢ়া টেবুলৰ কাষত মূৰ্তিৰ দৰে থিয় হৈ থকা পাৰমিতাৰ ওপৰত তেওঁৰ দুচকু স্থিৰ হৈ পৰিল।

কোঠাটোত পাঁচটি ব্যক্তি। বিছনাত দিগন্ত। নিদ্ৰাত চেতনাহীন। বৈপ্লৱিক চিন্তাৰে দেশখনৰ ৰাজনৈতিক, অৰ্থনৈতিক পুনৰ্বিন্যাস কৰিবৰ মানসেৰে দিগন্ত ৰক্তাক্ত সংগ্ৰামত লিপ্ত। পাৰিবাৰিক-সামাজিক, ঐতিহ্য-পৰম্পৰা অস্বীকাৰ কৰি একমাত্ৰ জীয়েকজনীয়ে বেলেগ সম্প্ৰদায়ৰ নিম্নবিত্ত ঘৰৰ ল'ৰা এজনক বিয়া কৰাই স্বতন্ত্ৰ জীৱন এটা বাছি লৈছে। বৰপুত্ৰ বিমান এনেই ভাল। কিন্তু বিমানেও তেওঁৰ সকলো কথা মানি নলয়। বহুত ক্ষেত্ৰত বিমান আপোচকামী। বিমানৰ বাবেই পাৰিমতাই ঘৰৰপৰা ওলাই আহি প্ৰবীৰৰ নিচিনা ল'ৰা এটাক বিয়া কৰাব পাৰিলে। গিৰীন বৰুৱাৰ বিবেচনাত ল'ৰা-ছোৱালী তিনিটাৰ কাৰো জীৱনৰ পথ শুদ্ধ নহয়। সিহঁতক লৈ ভিতিৰ ভিতৰি তেওঁ অসুখী। যিটো আশা কৰিছিল, যিবোৰ পৰিকল্পনা লৈ ইমান ধন-সম্পত্তি সংগ্ৰহ-সঞ্চয় কৰিলে— সেইটো নহ'ল। তিনিটা ল'ৰা-ছোৱালীৰ এটায়ো তেওঁৰ মন-মানসিকতা বুজিবলৈ যত্ন নকৰিলে। দিন-কাল এনেকুৱা হৈ পৰিছে যে পিতৃ হৈও তেওঁ সিহঁতক টানকৈ এবাৰ ক'ব

নোৱাৰে। ব্যক্তিজীৱনৰ ইমানবোৰ সাফল্য, ধন-জনৰ ইমান বল, এনে এটা সম্মানীয় চৰকাৰী পদমৰ্যাদা ... সকলো এতিয়া তেওঁৰ বাবে অৰ্থহীন। সি যিকি নহওক লাগে, সৰুপুত্ৰক আহত দেখিও গিৰীন বৰুৱাই এতিয়া জীয়েকজনীৰ পিনে চাইছে। তাইলৈ চাই মৰম-চেনেহ আকুলতাৰে তেওঁ দুৰ্বল।

"মাজনী—।"

দেউতাকৰ মাতটো কঁপিছে। পাৰমিতা দেউতাকৰ কাষ চাপিবলৈ চঞ্চল। কিন্তু তাইৰ বুকুখনত এতিয়াও পুঞ্জিভূত হৈ আছে অভিমান। লগতে আছে অপৰাধবোধৰ যন্ত্ৰণা। এই যন্ত্ৰণাটোৱেও তাইক হেঁচি ধৰিছে।

"মোক নামাত নেকি, মাজনী?"

পৰমিতাৰ অভিমান নকমিলে। একে সুৰত তাই ক'লে, "ময়েচোন তোমাক মাতি আনিলো।"

"ফ'নত নিতুৰ খবৰটোহে দিলি। মই এতিয়া তইঁতৰ ঘৰলৈ আহিলো— তই মাত এষাৰ নিদিবিনে?"

পাৰমিতাই দেখিলে, খণ্ড-অহংকাৰৰ পৰিবৰ্তে দেউতাকৰ মাতত প্ৰকাশ পাইছে সকাতৰ বেদনা। মাকে কৈছিল, ভিতিৰ-ভিতৰি দেউতাক ভাঙি পৰিছে— কথাটো তেনেহ'লে মিছা নহয়। দেউতাকৰ বেদনাভৰা বিচলিত এই ৰূপটো কোনোদিনেই দেখা নাই। দেউতাকৰ বাবে তাইৰ বেয়া লাগিল। তাইৰ বুকুখন ফাটি যোৱাৰ দৰে হ'ল। তথাপি পাৰমিতাই ক'লে, "নিতুৰ খবৰ পাইহে আহিলা। তুমি মোক চাবলৈ অহা নাই নহয়।"

গিৰীন বৰুৱা আত্ম-মৰ্যাদা সম্পন্ন ব্যক্তি। ঘৰৰ কোনেও আনকি বিমানেও তেওঁলৈ চাই টানকৈ এষাৰ মাতিব নোৱাৰে। অথচ কাৰো বাধা-বিৰোধ নামানি মাক-দেউতাকৰ বুকুত আঘাত হানি গুচি অহা পাৰমিতাই এতিয়াও তেওঁৰ পিতৃহৃদয়ৰ সংবেদনশীলতাক এইদৰে অৱহেলা কৰিছে। বৰুৱাৰ ভিতৰখন টনটনাই উঠিল যদিও জীয়েকৰ ওপৰত খং কৰিব নোৱাৰিলে।

বিমানৰ দেউতাক-ভনীয়েকৰ কথাবোৰলৈ মন-কাণ নাই। তেওঁ ব্যস্ত হৈ পৰিছে দিগন্তক লৈ। ভায়েকৰ মূৰত মৰমেৰে হাত ফুৰাই তাক জগাই তুলিলে।

চকু মেলি দিগন্তই প্ৰথমতে ককায়েক তাৰপাছত দেউতাকক দেখিবলৈ পাই সকাহ পালে।

বিমানে দিগন্তক একো নুসুধিলে। কিন্তু তাৰ প্ৰতি গিৰীন বৰুৱাৰ মনোভাবটো এতিয়া কঠোৰ। বিছনাখনৰ ওচৰলৈ আহি খহটা মাতেৰে সুধিলে, "এইফাললৈ কিহৰ অপাৰেশ্বন চলাবলৈ আহিছিলি?"

দিগন্ত নিৰুত্তৰ।

"বন্দুক-পিষ্টলেৰে সংগ্ৰাম কৰিছ! তহঁতৰ সংগ্ৰামত মানুহ মৰিছে। তহঁত নিজেও মৰিছ। যি বুজিছো, তয়ো এদিন মৰি থাকিবি।" গিৰীন বৰুৱাৰ মাতত উত্তেজনা, "মেট্ৰিকটো পাছ কৰাৰ পাছত ককায়েৰৰ নিচিনাকৈ তোকো যদি অসমৰ বাহিৰলৈ পঠিয়ালোহেঁতেন তেনেহ'লে এইবোৰে তোক নাপালেহেঁতেন। কিন্তু মোৰ ভুল হ'ল। ছাত্ৰ-আন্দোলনৰ প্ৰতি দুৰ্বলতাবশতঃ প্ৰথম অৱস্থাত তই আন্দোলন কৰাটো প্ৰশ্ৰয় দিয়াৰ বাবেই ইমানকৈ লাগি গৈছ। ইমানখিনি মই বিচৰা নাছিলো। এইবোৰ কৰিবলৈ লৈ তয়ো যে ৰক্তাক্ত পথটো বাছি লবি— এয়া মই ভাবিব পৰা নাছিলো। নিজকে বচাই চলাৰ কথাবোৰ ইমানকৈ বুজায় কোৱা সত্বেও তই সেইটো পথেৰেই আগবাঢ়িছ! নিজৰ খুছিমতে চলিবলৈ গৈ পুলিচ-মিলিটেৰীৰ সন্দেহ-ভাজন হৈ পৰিছ। এবাৰ পুলিচে থানালৈ লৈ গৈ তোক জেৰা কৰিলে। এচ পিক বিকুৰেষ্ট কৰি তোক বচাই আনিলো। এইবাৰ পুলিচে ধৰিলে মই একো কৰিব নোৱাৰিম। তোৰ হৈ আকৌ কিবা ক'বলৈ গ'লে পুলিচে মোকো সন্দেহ কৰিব। পিছে পুলিচৰ খেদা খাই তই ইহঁতৰ ঘৰলৈ কিয় আহিলি।"

"দিগন্ত অহা নাই, দেউতা।" শান্তভাৱে প্ৰবীৰে ক'লে, "মই তাক ইয়ালৈ আনিলো।"

"তুমি আনিলা! এইদৰে তাক প্ৰশ্ৰয় দিয়াৰ পৰিণতি কি তুমি নাজানা নেকি?" গিৰীন বৰুৱা গৰজি উঠিল, "আৰু তুমি আনিবলৈ গ'লেই সি কিয় আহিব লাগে?"

"দেউতা, এতিয়া এইবোৰ কিয় কৈছা!" বিমানে ক'লে, "যি ক'বা ঘৰলৈ গৈও ক'ব পাৰিবা। এতিয়া মনে মনে থাকাচোন।"

"কেনেকৈনো মই মনে মনে থাকো! মোক তহঁতে বুজিবলৈ যত্ন কৰা নাই কিয়?" যন্ত্ৰণাগধুৰ মাতেৰে গিৰীণ বৰুৱাই কৈ উঠিল, " শৰীৰৰ তেজ দি, বুকুৰ মৰম দি, অতবছৰ ধৰি ইমানকৈ শিকাই-বুজাই তহঁতক ডাঙৰ কৰিলো। তহঁতে মোৰ কথা শুনা নাই কিয়? মই কি ভুল কৰিলো?"

সকলোকে সামৰি ল'লেও এইবোৰ মূলতঃ পাৰমিতা আৰু দিগন্তক উদ্দেশ্য কৰি কোৱা হ'ল। অথচ সিহঁত দুজনৰ কোনোধৰণৰ প্ৰতিক্ৰিয়া দেখা নগ'ল। বিশেষকৈ, দিগন্তৰ ভাবটো এনেকুৱা যেন এইবোৰ দেউতাকৰ অৰ্থহীন প্ৰলাপ। সেইবুলি বিমানে মনে মনে থাকিব নোৱাৰিলে। অলপ টান মাতেৰেই তেওঁ ক'লে, "তোমাৰ ভুল এইটোৱেই যে সকলোকে তুমি নিজৰ ইচ্ছামতে পৰিচালিত কৰিব বিচৰা। সময়ৰ গতিৰ লগতে সকলো সলনি হয়। সময়ৰ লগতে আমিও যে কিছুমান কথা স্বীকাৰ কৰি ল'ব লাগে কথাতো জানিও তুমি নিজকে সেইদৰে পৰিচালিত কৰিব নোৱাৰা। তদুপৰি, বেয়া পালেও এইটো ক'বই লাগিব, নিতুৰ ক্ষেত্ৰত তুমি ভুল কৰিছা। মই বাৰেপতি সাৱধান কৰা সত্বেও আন্দোলনত জড়িত

হোৱাৰ কথাটোত তাক তুমি সিমানকৈ শাসন কৰা নাই। এতিয়া সি ছাত্ৰ। এইতো তাৰ পঢ়া-শুনা কৰা বয়স। সি কিয় আন্দোলন কৰিব লাগে? এইতো বয়সত সি জাতিৰ আত্ম-নিয়ন্ত্ৰণৰ কথা কয়। এতিয়াও নিজকে নিয়ন্ত্ৰণ কৰিব শিকা নাই, সি কেনেকৈ জাতিৰ আত্ম-নিয়ন্ত্ৰণ কৰিব? আচলতে, তোমালোকৰ উচতনিত সিহঁত একো একোপাত অস্ত্ৰ হিচাপে ব্যৱহৃত হৈছে। আন্দোলনৰ নামত, জাতিৰ মুক্তিৰ নামত সিঁহতে অকালতে মৃত্যুবৰণ কৰিবলগীয়া হৈছে।"

গিৰীন বৰুৱা দমি গ'ল। বিমানৰ মুখলৈ চাই থাকিব নোৱাৰি তলমূৰ হ'ল।

তেনেকৈ কৈ, বিমানে কিন্তু বৈ থকা নাই। দিগন্তক ধৰি তেওঁ বিছনাৰপৰা নমাই আনিলে। প্ৰবীৰ আগবাঢ়ি আহি দিগন্তক ধৰিলে। দুইফালে দুজনে ধৰি লাহে লাহে দিগন্তক টেক্সিখনৰ কাষলৈ লৈ আহিল। আদহীয়া ড্ৰাইভাৰজনে টেক্সিৰ পাছৰ দুৱাৰখন মেলি ধৰিলে। দিগন্তক চিটত বহুৱাই তাৰ লগত বহিল বিমান।

দেউতাকৰ পিছে পিছে পৰমিতাও আগবাঢ়ি আহিল।

মাজনিশা। সমুখৰ আলিটো বিজুলি চাকিৰ পোহৰত দীপ্তিময়। মানুহ-দুনুহ নাই। সন্ধিয়াৰ ঘটনাটোৰ আতংক নাইকিয়া হৈ আহিলেও পৰিবেশটো এতিয়াও থমথমীয়া।

বৰপুত্ৰ বিমানৰ কথাকেইটাৰ বাবে গিৰীন বৰুৱাৰ পৰিবৰ্তন এটা দেখা গ'ল। দিগন্তৰ ক্ষতস্থানৰ কেঁচা তেজৰ চেকা গিৰীন বৰুৱাৰ গাতো লাগিছে। দিগন্তহঁতৰ সংগ্ৰামৰ প্ৰতি দুৰ্বলতা থাকিলেও জীৱনৰ নিৰাপত্তা নথকা বৰ্তমান আন্দোলনক তেওঁ সমৰ্থন কৰিব নোৱাৰে। আনহাতে, প্ৰবীৰক লৈ পাৰমিতাৰ জীৱন-বিন্যাসকো তেওঁ মানি ল'ব পৰা নাই। কিন্তু সিহঁত তেওঁৰ সন্তান। তেওঁৰ বিবেচনাত সিহঁতৰ পথ শুদ্ধ নহয়। সেইবুলি সিহঁতক তেওঁ কেনেকৈ এৰিব? এই মুহূৰ্তত অন্তৰত অপত্য চেনেহ ইমানেই বেগৱান যে বিৰোধ বৈপৰীত্য থকা সত্ত্বেও গিৰীন বৰুৱাই আত্মজসকলক আপোন কৰি ৰাখিবলৈ ব্যাকুল। দিগন্তক তেওঁ আপোন কৰি ল'বই। কিন্তু পাৰমিতা—

বেলেগ সম্প্ৰদায়ৰ ল'ৰা এটাক তাই আপোন কৰি লৈছে। পূৰ্বৰ দৰে প্ৰবীৰৰ ওপৰত খং-আক্ৰোশ নাথাকিলেও এতিয়াও তেওঁ তাক জোঁৱাই হিচাপে স্বীকাৰ কৰিব পৰা নাই। প্ৰবীৰলৈ তেওঁৰ মৰম-চেনেহ উপজা নাই। কিন্তু জীয়েৰেক ঘুৰাই পাবলৈ হ'লে জোঁৱাই হিচাপে প্ৰবীৰক মৰ্যাদা দিবই লাগিব। গিৰীন বৰুৱাই অসহায়ভাৱে প্ৰথমতে পাৰমিতা, তাৰপাছত প্ৰবীৰ, শেষত বিমানৰ পিনে চালে। বিমানে তেওঁক বহুত আগতেই পাৰমিতা-প্ৰবীৰক ঘৰলৈ মাতিবলৈ কৈছিল। ইমান দিন তেওঁ মাতিব পৰা নাই। এতিয়া, ইয়ালৈ আহিও নমতাকৈ গুচি যাব। ... নিজৰ

পূৰ্বৰ নীতি-আদৰ্শৰপৰা স্খলিত বিধ্বস্ত গিৰীন বৰুৱাই অৱশেষত প্ৰবীৰ-পাৰমিতাৰ পিনে চাই ক'লে, "ব'লা— তোমালোকো আমাৰ লগত ব'লা—।'

"পাৰমিতাৰ অন্তৰত আনন্দস্ফূৰ্ত এক অনুৰণন। দুচকুত অশ্ৰু। মাকৰ ঘৰলৈ যাবৰ বাবে তাই উদ্বাউল। কিন্তু এইটো কথাত প্ৰবীৰৰ মনোভাৱটোনো কি? তাই প্ৰবীৰৰ পিনে চালে। প্ৰবীৰ শান্ত, নিৰ্বিকাৰ। তাৰ মানে তাৰ যাবলৈ মন নাই। প্ৰবীৰৰ মতৰ বিৰুদ্ধে পাৰমিতা মাকৰ ঘৰলৈ নাযায়। দেউতাকলৈ চাই মলিন মুখেৰে তাই ক'লে, "এতিয়া নাযাও দেউতা।"

"কিয়?"

পাৰমিতা তলমূৰ।

" অ', নিতুৰ বাবেহে আহিছো বুলি নাযাব। ঠিক আছে দুই এদিনতে মই তইঁতক নিবলৈ আহিম।"

প্ৰবীৰে তেতিয়া পাৰমিতাক ক'লে, "তুমি দেখোন যাব পাৰা।"

"অকলে নাযাও।" স্পষ্ট মাতেৰে পাৰমিতাই ক'লে, "পাছত 'আমি দুয়ো একেলগে যাম।"

"বাৰু একেলগেই যাবি—।"

ইয়াকে কৈ, গিৰীন বৰুৱা গাড়ীত গৈ বহিল। গাড়ী ইতিমধ্যেই ষ্টাৰ্ট দিয়া হৈছে। সৰু শব্দ কৰি টেক্সিখন গলিটোৰপৰা ওলাই আলিত উঠি কেঁকুৰিত অদৃশ্য হ'ল।

পাৰমিতাই সেইপিনে চাই আছে। প্ৰবীৰে চাই আছে পাৰমিতালৈ। তেনেকৈ চাই প্ৰবীৰে তাইক নতুন এক ৰূপত আৱিষ্কাৰ কৰিলে। দেউতাকে মতা সত্বেও তাই নগ'ল। যাবলৈ কোৱাৰ পাছতো অকলে যোৱাটো উচিত নহ'ব বুলি বিবেচনা কৰিলে। পাৰমিতা সঁচাকৈয়ে প্ৰবীৰৰ জীৱনসংগিনী। অতুলনীয় তাইৰ সহধৰ্মীতা। পত্নী হিচাপে পাৰমিতাক পাই প্ৰবীৰ ধন্য। তাৰ অন্তৰত আনন্দৰ বান। অথচ সি একেই শান্ত। পাৰমিতাৰ হাতত ধৰি প্ৰত্যয়ৰ সুৰত ক'লে, "ব'লা— ভিতৰলৈ ব'লা—।"□